শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ

ডঃ বীৰেন্দ্ৰ কুমাৰ গোহাঁই

অপৰূপা পাব্লিছিং হাউছ
দিচপুৰ
অসম

Shri Shri Aniruddhadeva : A biography of Shri Shri Aniruddhadeva, the founder of the Mayamora Vaishnavite sect, in Assam (which, in course of history, played a major role in the socio-religious world of Assam culminating in the establishment of a Matak Kingdom in Upper Assam) by Dr. Birendra Kumar Gohain, Tinsukia and published by Smt. Arunima Gohain on behalf of M s Aparupa Publishing House, Dispur, Assam

First Edition, 1991 :

Price Rupees Thirty only

প্ৰথম প্ৰকাশ ঃ ১৯৯১

বেচ ঃ ত্ৰিশ টকা

পৰিবেশক ঃ

মিত্ৰ এজেঞ্চি এণ্ড কোং

তিনিচুকীয়া, অসম

মোৰ পিতৃ শ্ৰীযুত দীপচান্দ গোহাঁইৰ কৰকমলত
আৰু মোৰ মাতৃ স্বৰ্গীয়া কৌশল্যা গোহাঁইৰ
স্মৃতিত এই পুথিখনি অৰ্পণ
কৰা হ'ল।

"আগকথা"

১৭৬৯ খৃঃত মোগল বিজয়ী দুর্জেয় আহোম ৰাজশক্তিৰ' ভেটি কঁপাই তুলি স্বৰ্গদেও লক্ষ্মী সিংহক (১৭৬৯-১৭৮০ খৃঃ) জয়দৌলত বন্দী কৰি ৰাখি, আহোম ৰাজবংশৰ নিঘূণী কোঁৱৰসকলৰ কাৰণে সযত্নে সুৰক্ষিত ৰাজপাটত 'সামান্য মৰাণৰ ল'ৰা ৰমাকান্তক বহুৱাই ইতিহাসৰ চালিকা শক্তি হিচাপে জনগণৰ বল আৰু ক্ষমতাক প্ৰতিপন্ন কৰা মোৱামৰীয়া, মায়ামৰীয়া বা মটকসকলক নতুনকৈ চিনাকি কৰি দিয়াৰ প্ৰয়োজন নাই। মোৱামৰীয়া গণঅভ্যুত্থানৰ সেই কাহিনী ক্ৰবাচী বিপ্লৱৰ বুৰঞ্জীৰ দৰেই ৰোমাঞ্চকৰ। শাসক গোষ্ঠীৰ শোষণ আৰু অন্যায় অত্যাচাৰৰ বিৰুদ্ধে যুঁজিবলৈ গৈ বৰ্ণনাতীত অমানুষিক নিৰ্য্যাতনৰ বলি হ'ব লগা হৈয়ো তেওঁলোকে নিজ লক্ষ্যৰ পৰা বিচলিত হোৱা নাছিল। আনকি তেওঁলোকৰ ওপৰত ৰজাঘৰে দুবাৰকৈ চলোৱা গণহত্যাৰ অভিযানেও তেওঁলোকৰ মাজত জ্বলি উঠা বিদ্ৰোহৰ অগণি নুমুৱাব পৰা নাছিল; বৰঞ্চ ৰজাঘৰৰ প্ৰতিটো নিৰ্যাতন অভিযানৰ পৰা নতুন শক্তি আহৰণ কৰি তেওঁলোক দুগুণে বলীয়ান হৈ—উঠিছিল। সংগ্ৰামৰ ঘটনাক্ৰমে আহোম ৰাজশক্তিয়ে পুনৰ ৰাজপাট দখল কৰিছিল যদিও কেইবছৰমান পিছতে স্বৰ্গদেও গৌৰীনাথ সিংহক (১৭৮০-১৭৯৫ খৃঃ) ৰাজধানী ৰংপুৰৰ পৰা খেদাই নগুৰ-নাগুতি কৰি তেওঁলোক ইতিহাসৰ পাততো প্ৰজাশক্তিৰ বিজয় ধ্বজা উৰুৱাইছিল। জনগণৰ সেই ঐক্য আৰু শক্তি যুগমীয়া কৰি ৰাখিব পৰা হ'লে অসম বুৰঞ্জীৰ ধাৰা অন্য সোঁতে ধাবিত হ'লহেঁতেন।

মোৱামৰীয়াসকলে তেওঁলোকৰ এই বিপ্লৱৰ মানসিক বা বৌদ্ধিক পটভূমি তৈয়াৰ কৰিছিল তেওঁলোকৰ সত্ৰৰ গোঁসাইসকলৰ শিক্ষাৰে। ইতিহাস প্ৰসিদ্ধ তেওঁলোকৰ এই সত্ৰ স্থাপন কৰিছিল শ্ৰীশ্ৰীশঙ্কৰদেৱৰ সমৰ্পকীয়া শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱে, ১৬০৬ খৃঃত। অনিৰুদ্ধদেৱৰ অন্যতম প্ৰধান শিষ্য গোপালদেৱৰ (গোপাল আতা) শিষ্য আছিল। গোপালদেৱৰ উদ্যোগতে উজনি অসমৰ বিভিন্ন ঠাইত বাৰখন সত্ৰ পতা হয়। তাৰে

ছ'খনৰ গোঁসাই আছিল বামুণ সম্প্ৰদায়ৰ আৰু আন ছ'খনৰ গোঁসাই বা মহন্ত আছিল শূদ্ৰ সম্প্ৰদায়ৰ। এই বাৰখন সত্ৰ আৰু তেওঁলোকৰ শাখা-প্ৰশাখা মিলি কাল-সংহতি নামৰ সত্ৰানুষ্ঠান গঠিত হয়। (আন তিনিটা সংহতি হ'ল পুৰুষ, ব্ৰহ্ম আৰু নিকা)। গোপাল আতাৰ ঘাই সত্ৰ ভৱানীপুৰৰ কাষৰ কালঝাৰত আছিল আৰু সেইবাবেই তেওঁৰ দিহাত স্থাপিত হোৱা সত্ৰানুষ্ঠানক কাল-সংহতি বোলা হয়। অৱশ্যে এই বিষয়ত মতান্তৰ নোহোৱা নহয়।

গোপালদেৱে উজনি অসমৰ জন-জাতীয় লোকৰ মানষিকতা আৰু সামাজিক পৰম্পৰাৰ লগত খাপ খুৱাবলৈ শঙ্কৰ-মাধৱৰ প্ৰৱৰ্ত্তিত ভাগৱতী ধৰ্মৰ বাহ্যিক আচাৰ-অনুষ্ঠানৰ ক্ষেত্ৰত এৰা-ধৰাকৈ চলিবলগীয়া হৈছিল।

ফলত কাল-সংহতিৰ সত্ৰসমূহৰ মাজত আধ্যাত্মিক ভিত্তিত ভকত-সকলৰ সামাজিক সমতা আৰু গণতান্ত্ৰিক মূল্যবোধবোৰ অধিক ক্ৰিয়াশীল আছিল। এই সত্ৰানুষ্ঠানত জাতি ভেদৰ বান্ধ অতি শিথিল আছিল। আৰু ধৰ্মীয় সকলো কামতে ব্ৰাহ্মণ-চণ্ডাল সকলো শিষ্যকে সমান মৰ্যাদা দিয়া হৈছিল। গুৰুবাদ বা গুৰুৰ প্ৰতি একান্ত ভক্তি কাল-সংহতি-কাণ্ঠাৰ এটা প্ৰধান বৈশিষ্ট্য। "মৰি যাওঁ, মাৰি যাওঁ, গুৰুৰ ঋণ শুজি যাওঁ" এই সংকল্পৰেই মোৱামৰীয়াসকল বিদ্ৰোহৰ সময়ত একত্ৰিত হৈছিল। এই সত্ৰৰ ভকতসকলে ভগৱানৰ ৰূপ বা মূৰ্ত্তি বুলি গণ্য কৰে আৰু এই কাৰণতে কোনো বিগ্ৰহৰ পূজা নকৰে আৰু গুৰুৰ বাহিৰে আন কাৰো ওচৰত মূৰ নোদোঁৱায়। স্বৰ্গদেও প্ৰতাপ সিংহৰ (১৬০৩-১৬৪১ খৃঃ) নিৰ্দেশত গুৰুৰ প্ৰতি অচলা ভক্তিৰ প্ৰমাণ দিবলৈ গৈ আনকি দুজন মায়ামৰীয়া শিষ্যই তৰোৱালৰ আগত প্ৰাণ হেৰুৱাইছিল।

কাল-সংহতিৰ শূদ্ৰ সত্ৰ-সমূহৰ মাজত প্ৰথম অৱস্থাত আটাইতকৈ উল্লেখনীয় আছিল মায়ামৰা আৰু দিহিঙৰ সত্ৰ। দুয়োখন সত্ৰৰ গোঁসাই বা মহন্তসকলে তথাকথিত নীচকুলৰ সকলো লোককে শৰণ দিঁ বৰ্ণ-হিন্দু সম্প্ৰদায়ৰ ভকতসকলৰ সৈতে তেওঁলোকক সমান মৰ্য্যাদা দিছিল। তৎকালীন সমাজ-ব্যৱস্থাত এই কাৰ্য্য এটা বৈপ্লৱিক পদক্ষেপ আছিল। সূৰ্যকুমাৰ ভূঞাৰ ভাষাত ক'বলৈ "ভাৰতৰ অন্যান্য

ঠাইত এই দুৰ্বলীয়া লোকসকলৰ প্ৰতি কৰা অৱমাননাই তেওঁলোকক অন্য ধৰ্মৰ বুকুলৈ ঠেলি দিছিল, কিন্তু অসমত কাল-সংহতি সত্ৰৰ উদাৰ নীতিয়ে তেওঁলোকক আত্ম-সন্মান, আৰু ব্যক্তি হিচাপে নিজৰ সত্বাৰ মূল্য শিকাইছিল।" দিহিং সত্ৰই কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ জৰিয়তে স্বৰ্গদেও ৰাজেশ্বৰ সিংহৰ (১৭৫১-১৭৬৯) অনুগ্ৰহ লাভ কৰি সমৃদ্ধি-শালী হৈ পৰিছিল। কিন্তু এনে অনুগ্ৰহ প্ৰত্যাখ্যান কৰিও আপোন শিষ্যসকলৰ আনুগত্য আৰু শ্ৰমৰ বলেৰে মায়ামৰা সত্ৰ অধিক শক্তিশালী আছিল। শদিয়াৰ পৰা ধুবুৰীলৈ এই সত্ৰৰ শিষ্য বিয়পি আছিল। ধৰ্মৰ ভিত্তিত গঢ়ি উঠা তেওঁলোকৰ ঐক্য আৰু মৈত্ৰী মায়ামৰীয়া বিদ্ৰোহৰ আটাইতকৈ শক্তিশালী অস্ত্ৰ আছিল। বিপুল জনবল আৰু প্ৰচণ্ড মানসিক দৃঢ়তাৰ কাৰণেই মায়ামৰীয়াসকলে আহোম ৰাজশক্তিৰ ধৰনী কঁপাই ইয়াৰ পতনৰ পথ মুকলি কৰিছিল।

মায়ামৰাসকলৰ আদি গুৰু শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱে উজনি অসমৰ বিভিন্ন জাতি-জনজাতিৰ প্ৰজাক ধৰ্মৰ ডোলেৰে বান্ধি এখন বহল আৰু বলিষ্ঠ সমাজ প্ৰতিষ্ঠা কৰিছিল, যিখন সমাজত শঙ্কৰ-মাধৱৰ গণতান্ত্ৰিক আৰু সাৰ্ব্বজনীন আদৰ্শবোৰ অধিক পৰিস্ফুট হৈছিল। অনিৰুদ্ধদেৱৰ উদাৰ মনোভাৱ, জ্ঞানৰ গভীৰতা, কৰ্ম-কুশলতা আৰু মানৱীয় দৃষ্টিভংগী প্ৰশংসনীয়। ধৰ্মৰ ভিত্তিত বিভিন্ন জাতি-জনজাতি আৰু সামাজিক শ্ৰেণীৰ লোকক একত্ৰিত কৰি এখন নতুন সমাজ গঢ়িবলৈ যাওঁতে তেওঁ এহাতে জন-জাতীয় সমাজৰ প্ৰগতিৰ প্ৰতিকুলে যোৱা সামাজিক বান্ধোনবোৰ আঁতৰ কৰিছিল আৰু আনহাতে তেওঁৰ নতুন মতাদৰ্শৰ লগত চলিত সমাজ ব্যৱস্থাৰে সুস্থ আৰু আদৰণীয় উপাদানবোৰ মিলাই লৈছিল। সমাজ সংগঠক হিচাপে এই-খিনিতেই আছিল তেওঁৰ মৌলিকতা।

ধৰ্ম তত্ত্বৰ বিশ্লেষণতো তেওঁ এক মৌলিকতাৰ পৰিচয় দিছিল। উদাহৰণ স্বৰূপে তেওঁ পঞ্চম স্কন্ধ ভাগৱত অসমীয়ালৈ ভাঙনি কৰোঁতে তাৰ আক্ষৰিক অনুবাদ কৰা নাছিল। বৰঞ্চ প্ৰতিটো শ্লোকৰে তেওঁ বহল ব্যাখ্যা আগবঢ়াইছিল। চতুৰ্থ স্কন্ধ ভাগৱতৰ পঁচিশৰ পৰা একত্ৰিশ অধ্যায়লৈকে ভাঙি পয়াৰ চন্দত তেওঁ পুৰঞ্জন

উপাখ্যান ৰচনা কৰিছিল। তদুপৰি ৮০১ টা ঘোষাৰে তেওঁ "ভক্তি মংগল ঘোষা" আৰু ভাগৱতৰ সাৰমৰ্ম গোটাই মায়ামৰীয়া সম্প্ৰদায়ৰ "নিজ শাস্ত্ৰ" বোলামূল শাস্ত্ৰখন ৰচনা কৰিছিল।

কিন্তু এইজনা মহান পুৰুষৰ ধ্যান-ধাৰণা অথবা কৰ্ম পন্থা সম্বন্ধে এতিয়ালৈকে বহুলভাৱে চিন্তা-চৰ্চ্চা কৰা হোৱা নাই। মায়ামৰা সত্ৰৰ ষোড়শ অধিকাৰ শ্ৰীশ্ৰীচিদানন্দ গোস্বামীয়ে (১৮৬৮-১৮৮০) ৰচনা কৰা "শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ চৰিত আৰু মায়ামৰা সত্ৰৰ গোঁসাইসকলৰ বংশাৱলী মায়ামৰীয়া হিতসাধিনী সভা, তিনিচুকীয়া, (১৯৬৩ চন) নামৰ পুঁথিখনৰ বাহিৰে এই বিষয়ত আজি কিছুদিন আগলৈকে উল্লেখনীয় বিশেষ কোনো ৰচনা নাছিল বুলিয়েই ক'ব পাৰি। ১৯৮১ চনতহে "মায়ামৰা কলা-কৃষ্টি অনুসন্ধান আৰু প্ৰচাৰ সমিতিয়ে" চাবুৱাৰ পৰা তেৰাৰ গীতসমূহ "শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ গীত" নামেৰে প্ৰকাশ কৰিছে। ১৯৮৯ চনৰ প্ৰকাশিত ডঃ কেশৱানন্দদেৱ গোস্বামীৰ দ্বাদশ স্কন্ধ শ্ৰীমদ্ভাগৱতত অনিৰুদ্ধদেৱৰ অনুদিত চতুৰ্থ আৰু পঞ্চম স্কন্ধ সন্নিৱিষ্ট কৰা হৈছে। কিন্তু এইবোৰ ৰচনাই গুৰুজনাৰ বহুমুখী প্ৰতিভাৰ কিছু কিছু দিশহে সামৰিব পাৰিছে। তেৰাৰ কাৰ্যাৱলী আৰু সাহিত্য প্ৰতিভা আৰু জীৱন দৰ্শনৰ বিশ্লেষণাত্মক অধ্যয়নেৰে পুষ্ট সম্পূৰ্ণ জীৱন চৰিত এখনৰ অভাৱ সেইবাবে বাকৈয়ে অনুভৱ কৰা হৈছে। এই পৰিপ্ৰেক্ষিতত ডঃ শ্ৰীবীৰেন গোঁহাইৰ দ্বাৰা ৰচিত "শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ" এই পুথিখন নিঃসন্দেহে আমাৰ দৰ্শন আৰু সাহিত্য জগতলৈ আগবঢ়োৱা এক বহমূলীয়া বৰঙণি। পুথিখনে আমাৰ এটা দীৰ্ঘদিনীয়া অভাৱ পৰিপূৰণ কৰাৰ উপৰিও গৱেষণাৰ নতুন ক্ষেত্ৰ মুকলি কৰিব বুলি আশা কৰিব পাৰি।

ডঃ শ্ৰীগোঁহাই বৃত্তিজীৱি ঐতিহাসিক বা সমাজবিদ নহয়। প্ৰণালীবদ্ধ শিক্ষাৰ দিশৰ পৰাও তেখেত বিজ্ঞানৰহে ছাত্ৰ। কিন্তু বুৰঞ্জীৰ চৰ্চ্চা আৰু সমাজ-তত্বৰ প্ৰতি তেখেতৰ অনুৰাগ আৰু এই বিষয়ত তেখেতৰ অধ্যয়ন শলাগিবলগীয়া। কাৰ্বি ৰামায়ণৰ ওপৰত কৰা তেখেতৰ অধ্যয়নে ইতিমধ্যেই ভাৰতীয় সুধীসমাজৰ সমাদৰ লাভ কৰিছে। লালুং জন-জাতিৰ ওপৰত সমাজ-তাত্বিক অধ্যয়ন কৰি—তেখতে অলপতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট উপাধি

লাভ কৰিছে। এইখন গ্ৰন্থত সাধাৰণ গৱেষকে চুকি নোপোৱা বা বহুদিন ধৰি বিচাৰি ফুৰা কিছুমান আপুৰুগীয়া সমল আৰু সম্ভেদ ডঃ গোঁহায়ে পোহৰলৈ আনি সেইবোৰৰ ওপৰত বিশ্লেষণ আগবঢ়াইছে। অনিৰুদ্ধদেৱৰ ৰচিত আৰু এতিয়ালৈকে অপ্ৰকাশিত মায়ামৰা সম্প্ৰদায়ৰ জনপ্ৰিয় ধৰ্মপুথি "ভক্তি মংগল" ঘোষাৰ পৰা বহুখিনি উদ্ধৃতি দি তেওঁ আমাক গুৰুজনাৰ ধৰ্মীয় দৰ্শনৰ লগত সুন্দৰকৈ চিনাকি কৰি দিছে আৰু গুৰুজনাৰ ৰচনাৰ ওপৰত নিজৰ ব্যাখ্যা আগবঢ়াই তেৰাৰ দৰ্শন বুজাত পাঠকক সহায় কৰিছে। অনিৰুদ্ধদেৱে ভাগৱতৰ চতুৰ্থ স্কন্ধৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা পুৰঞ্জন উপাখ্যান কাব্য মায়ামৰা ভক্তসমাজৰ অতি পৱিত্ৰ গ্ৰন্থ। এইখন পুথিৰ কাহিনী ভাগৰ ওপৰত গ্ৰন্থকাৰে বিস্তৃৰ বৰ্ণনা আৰু বিশ্লেষণ আগৱঢ়াইছে। অনিৰুদ্ধদেৱৰ শেষ ৰচনা "নিজ শাস্ত্ৰ"ক মায়ামৰীয়া-সকলে ইমান পৱিত্ৰ আৰু গোপনীয় বুলি জান কৰে যে কেৱল ৰাতিহে এই শাস্ত্ৰ পাঠ কৰা হয় আৰু পাৰমাৰ্থিক ভক্তৰ বিনে আন শিষ্যাই এই প্ৰসঙ্গত যোগদান দিব নোৱাৰে। ডঃ গোহাঁয়ে এই প্ৰসঙ্গত যথাৰ্থ মন্তব্য আগবঢ়াই মায়ামৰীয়া সম্প্ৰদায়ৰ প্ৰতি কিছু লোকে পোষণ কৰি থকা যুক্তিহীন বিশ্বাসক উৎখাত কৰিছে। তেখেতে যুক্তি দেখুৱাই কৈছে যে "এই সেৱা ৰাতি হোৱাৰ বাবে অন্যান্য সম্প্ৰদায়ৰ লোকে তাচ্ছিলাৰ্থত প্ৰচাৰ কৰে যে মায়ামৰাৰ সেৱাত নাৰী-পুৰুষে ব্যাভিচাৰত লিপ্ত হয়। এনে প্ৰচাৰ অজ্ঞতা আৰু মূৰ্খামিৰ কাৰণেহে হৈছে। সেৱাত প্ৰয়োজিত হোৱা পিঠাগুড়ি, পকা মিঠৈ ইত্যাদি দ্ৰব্য যি বিশুদ্ধ আৰু পৱিত্ৰভাৱে মায়ামৰা ভকতনীয়ে প্ৰস্তুত কৰে, তাত তেওঁলোকৰ "নিজ শাস্ত্ৰৰ" প্ৰতি থকা অগাধ ভক্তি তথা ভয়ৰ ভাব প্ৰস্ফুটিত হয়। নিস্কামভাৱে এইবোৰ কাম নকৰিলে ধৰ্মদোষ লাগে বুলি মায়ামৰাৰ বিশ্বাস।......এই পৱিত্ৰ সেৱা অনুষ্ঠানক অৰীতিয়া বুলি কোনো কোনোৱে প্ৰচাৰ কৰাৰ মূলতে জাতিগত ঈৰ্ষা আৰু পুতৌ কৰিবলগীয়া অজ্ঞতা।"

ডঃ গোহাঁয়ে অনিৰুদ্ধদেৱক কেৱল মাত্ৰ ধৰ্মগুৰু হিচাপে নেচাই এজন ঐতিহাসিক ব্যক্তি হিচাপেও তেওঁৰ চৰিত্ৰ আৰু কাৰ্যাৱলী অধ্যয়ন কৰি তেওঁৰ কৰ্মযাত্ৰাৰ অনুকূল আৰু প্ৰতিকূল পৰিৱেশৰ

এটি আভাস দিছে। গ্ৰন্থখনৰ দ্বিতীয় খণ্ডত তেখেতে অনিৰুদ্ধদেৱৰ তৎকালীন ধৰ্মীয় বিশ্বাস আৰু পৰিস্থিতিৰ ওপৰত মৌলিক চিন্তা আগবঢ়াইছে। সেই প্ৰসঙ্গত তেখেতে আলোচনা কৰা ৰাজনৈতিক, ভৌগলিক বিৱৰণটোৱে দ্বাৰা অসম বুৰঞ্জীৰ গৱেষকসকল বহু পৰিমাণে উপকৃত হ'ব। গ্ৰন্থখনৰ দুই-এটা আলোচনাত তথ্য আৰু কিম্বদন্তীৰ স্পষ্টিকৰণ হোৱা নাই যদিও গ্ৰন্থকাৰৰ আঁৰ নলগা সহজ-সৰল ভাষাৰ পৰা মূল বক্তব্য যি কোনো পাঠকৰে সহজেই বোধগম্য হ'ব। পুথিখনৰ শেষত সন্নিৱিষ্ট কৰা প্ৰসঙ্গীয়া টোকাখিনিয়ে অনুসন্ধিৎসু-লোকক অনিৰুদ্ধদেৱৰ জীৱন চৰিত আৰু মায়ামৰীয়া সম্প্ৰদায়ৰ ওপৰত বিশদ অধ্যয়ন কৰিবলৈ অনুপ্ৰেৰণা যোগাব। পুথিখনে মায়ামৰীয়া সম্প্ৰদায়ৰ এটা ডাঙৰ অভাৱ পূৰণ কৰিব আৰু মধ্যযুগীয়া অসমৰ ধৰ্মীয় সামাজিক জীৱনৰ বিশদ জ্ঞান লাভ কৰাত বিশেষ সহায় কৰিব।

শ্ৰীমতী স্বৰ্ণলতা হাজৰিকা
অধ্যাপিকা, বুৰঞ্জী বিভাগ,
ডিব্ৰুগড় বিশ্ববিদ্যালয়

পাতনি

মায়ামৰাসকলৰ আদি গুৰু শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ বিষয়ে বিশেষ-ভাৱে অধ্যয়ন হোৱা দেখা পোৱা নাযায়। চাবুৱাৰ মায়ামৰা কলা-কৃষ্টি অনুসন্ধান আৰু প্ৰচাৰ সমিতিয়ে অৱশ্যে এই ক্ষেত্ৰত বিশেষ প্ৰচেষ্টা লোৱা দেখা যায়। তদুপৰি ৺নকুলচন্দ্ৰ চেতিয়া, শ্ৰীসৃষ্টিধৰ দত্ত আৰু শ্ৰীনোমল গগৈয়ে এই বিষয়ত কিছু কাম কৰা দেখা যায়।

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ দ্বাৰা প্ৰৱৰ্ত্তিত নামধৰ্মৰ বিষয়ে বহুতো বিকৃত ব্যাখ্যা কৰা দেখা যায়। গতিকে প্ৰকৃত সত্য উদ্‌ঘাটনৰ প্ৰচেষ্টাত আমি মায়ামৰা সত্ৰৰ সত্ৰাধিকাৰ প্ৰভুসকলৰ ওচৰত বিশেষকৈ মায়ামৰা বিষ্ণু-বালি-কুঞ্জি সত্ৰৰ সত্ৰাধিকাৰ প্ৰভু শ্ৰীমাধৱানন্দ গোস্বামীদেৱৰ ওচৰত কৃপা ভিক্ষা কৰি আদ্যেশ্বৰ শ্ৰীশ্ৰীঅনিৰুদ্ধৰ বিষয়ে আদ্যোপান্ত সংগ্ৰহ কৰিলোঁ। তদুপৰি চাবুৱা ভৰলুৱা গাঁৱৰ শ্ৰীডালিম গোহাঁইদেৱৰ পৰা পুৰণি শাস্ত্ৰসমূহ আনি সেই শাস্ত্ৰ-সমূহৰ অধ্যয়নত তেখেতৰ বিশেষ সহায় ল'লোঁ। মায়ামৰা ধৰ্ম-শাস্ত্ৰসমূহৰ প্ৰকাশৰ ক্ষেত্ৰত শ্ৰীডালিম গোহাঁইদেৱে বিশেষ ভূমিকা লোৱা দেখা যায়।

এই পুথিখনি প্ৰণয়ণ কৰোঁতে আমি বিশেষভাৱে পণ্ডিতপ্ৰৱৰ ডঃ মহেশ্বৰ নেওগৰ "শ্ৰীশ্ৰীশংকৰদেৱ" নামৰ পুথিখনিৰ আৰ্হি গ্ৰহণ কৰিছোঁ। তদুপৰি আধুনিক অসমীয়া সাহিত্যৰ এজন প্ৰগতিশীল লিখক আৰু সমালোচক শ্ৰীশিৱনাথ বৰ্মণৰ "শ্ৰীমন্ত শংকৰদেৱ-কৃতি আৰু কৃতিত্ব" নামৰ পুথিখনিৰ আৰ্হিও আমি লৈছোঁ। আমাৰ মতে শ্ৰীযুত বৰ্মণৰ পুথিখনি শ্ৰীশ্ৰীশংকৰদেৱৰ ওপৰত লিখা পুথি-সমূহৰ ভিতৰত অনন্য আৰু ই এক বিৰল কৃতি। এনে এক পুথিক জ্ঞানপীঠ বা সাহিত্যসভা আদি অনুষ্ঠানে পুৰস্কৃত নকৰা কথাটো গ্ৰহণ কৰিব নোৱাৰা কথা।

এই পুথিখনি লিখাৰ প্ৰেৰণা মোৰ পিতৃদেউ শ্ৰীযুত দীপচান্দ গোহাঁইৰ পৰা পোৱা আৰু মোৰ শিক্ষাগুৰু ৺ধীৰেন্দ্ৰ নাথ মজুমদাৰে এই ক্ষেত্ৰত বিশেষ সহায় কৰিলে। তিনিচুকীয়া কলেজৰ অধ্যাপিকা

মিছেছ বন্তিমালা বেজবৰুৱাই ছন্দ নিৰ্ণয়ত মোক যথেষ্ট উপদেশ দিলে; তাৰ বাবে মই তেখেতলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। পুথিখনিৰ পাণ্ডুলিপি চকু ফুৰাই দিয়াৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপিকা শ্ৰীযুতা স্বৰ্ণলতা বৰুৱাৰ ওচৰত ঋণী হৈ থাকিলোঁ। তদুপৰি তিনিচুকীয়াৰ মিত্ৰ এজেন্সী এণ্ড কোং-ৰ স্বত্বাধিকাৰ শ্ৰীনৰেন্দ্ৰ নাথ দাসে কিতাপখনিৰ প্ৰকাশৰ ক্ষেত্ৰত যি কষ্ট স্বীকাৰ কৰিলে তাৰ বাবে তেখেতৰ ওচৰত মই ঋণী। পাণ্ডুলিপি কপি কৰি দিয়াৰ বাবে ভ্ৰাতৃপ্ৰতিম শ্ৰীৰিপুন বৰা আৰু তেখেতৰ সহকৰ্মী শ্ৰীপ্ৰফুল্ল মৰাণ, শ্ৰীমহেন্দ্ৰ সন্দিকৈ আৰু শ্ৰীবাপুৰাম গগৈৰ শলাগ ল'লোঁ। এই-ক্ষেত্ৰত ভ্ৰাতৃপ্ৰতিম শ্ৰীচামচেৰ সিঙৰ প্ৰচেষ্টাৰ শলাগ ল'লোঁ।

সৰ্বশেষত মোৰ পত্নী শ্ৰীমতি অৰুণিমা গোহাঁয়ে মোৰ শ্ৰুতলিপি লৈ কিতাপখন সম্পূৰ্ণ কৰাত সহায় কৰাৰ বাবে মই শলাগ ল'লোঁ।

বীৰেন্দ্ৰ কুমাৰ গোহাঁই

সূচী ঃ

প্ৰথম খণ্ড ১-১০

প্ৰস্তাৱনা

পৃষ্ঠা

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ চৰিতৰ উপাদান ১
শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ বংশলতা ২
শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ শৈশৱকাল ৩
শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ বিদ্যাশিক্ষা ৪
পুৰণি ভকত নামৰ তাৎপৰ্য্য আৰু অনিৰুদ্ধ নাম গ্ৰহণ ৬
শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ ধৰ্মপ্ৰচাৰ আৰু বিষ্ণু-বালি-কুকি
সত্ৰ আৰু নাহৰআটি সত্ৰ স্থাপন ৭
মায়ামৰা নামৰ তাৎপৰ্য্য ৯
দক্ষিন পাৰত সত্ৰ স্থাপনৰ অংকুৰ ৯
শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ দেহাৱসান ১০

দ্বিতীয় খণ্ড ঃ ১১-১৬

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ সময়ৰ ধৰ্মীয় পৰিস্থিতি একশৰণ নাম-
ধৰ্ম আৰু অনিৰুদ্ধদেৱ ১১
নাৰায়ণপুৰত কোঁচ বসতি ১২
বিশ্বনাথত আৰু বুৰৈ নৈৰ পূৰ্বাঞ্চলৰ জন-বসতি ১৩
বাসুদেৱ পূজা আৰু সত্যনাৰায়ণ ব্ৰতকথা ১৩
কল্যাণী গোসানী আৰু মহাদেৱৰ পূজা ১৪
তান্ত্ৰকলিত বাসুদেৱ বৰ্ণনা ১৫

	পৃষ্ঠা
৩য় খণ্ড ঃ	১৭-২৪
আদি চৰিত—এটি পৰ্যালোচনা আদি চৰিত	১৭
মায়মৰা নামৰ তাৎপৰ্য	১৮
তথাকথিত নাও যাত্ৰা	১৮-১৯
আদি চৰিত মাধৱদেৱৰ ৰচনা নহয়	২০
৪ৰ্থ খণ্ড ঃ	২৫-৩০
শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ গুৰু নিৰ্ণয় চাৰি সংহতিৰ সৃষ্টি কথা	২৫
গুৰু গোপালদেৱ আৰু গুৰু পৰকাষ্ঠা	২৬
গুৰু গোপালদেৱৰ বন্দনা	২৭
গোপালদেৱৰ চৰিত পুথিত অনিৰুদ্ধ	২৭
অনিৰুদ্ধ গুৰু প্ৰদত্ত নামহে	২৯
শঙ্কৰ-মাধৱ গোপালৰেই গুৰু	৩০
৫ম খণ্ড ঃ	৩১-৪৫
ভাগৱত শাস্ত্ৰ আৰু শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ প্ৰচাৰিত ধৰ্মৰ ইয়াৰ গুৰুত্ব	৩১
মূৰ্তি পূজা নাই	৩১
ভাগৱত শাস্ত্ৰই কল্পতৰু শাস্ত্ৰ	৩২
পুৰঞ্জন উপাখ্যান	৩৫
পুৰঞ্জন উপাখ্যানৰ কাহিনী ভাগ	৩৫
৬ষ্ঠ খণ্ড ঃ	৪৬-৭২
একেশ্বৰবাদ আৰু ভক্তিবাদ	৪৬
নামদেৱ ভকত	৫১
ভক্তি মাৰ্গৰ শ্ৰেষ্ঠতা	৫১
নৱবিধ ভক্তি	৫৩

	পৃষ্ঠা
ভাগৱত শাস্ত্ৰই মূল শাস্ত্ৰ	৫৫
শুকু পৰকাষ্ঠ আৰু অনিৰুদ্ধদেৱ	৫৭
শ্ৰৱণ কীৰ্ত্তনৰ মাহাত্ম্য	৬২
দাস্য ভক্তি	৬৪
সখিত্ব ভক্তি	৬৫
পাদ সেৱন	৬৫
অৰ্চ্চন	৬৬
নিস্কাম ভক্তি আৰু অব্যভিচাৰিণী ভক্তি	৬৮

৭ম খণ্ড ঃ ৭৩-৮৭

অনিৰুদ্ধদেৱৰ সাহিত্য কৃৰ্ত্তি	৭৩
অনিৰুদ্ধদেৱৰ ৰচনাৱলী	৭৩
গীতসমূহৰ ৰাগ	৭৩
তাল, মান আৰু ঘাত	৭৪
গীতসমূহৰ বিশিষ্ঠতা	৭৫
অনিৰুদ্ধদেৱৰ সংস্কৃত ভাষাজ্ঞান	৮২
নিজ শাস্ত্ৰ	৮৪

৮ম খণ্ড ঃ ৮৮-৯৭

মায়ামৰাৰ ধৰ্মীয় সংস্কৃতি

কাল-সংহতি	৮৮
শৰণ প্ৰথা	৮৯
নাম দান	৯৬
গায়ন-বায়ন	৯৬
ভাগৱত শাস্ত্ৰৰ গুৰুত্বপূৰ্ণ ভূমিকা	৯৭

পৃষ্ঠা

৯ম খণ্ড ঃ ৯৮-১০৮

মায়ামৰা গোসাঁইসকল

কৃষ্ণদেৱ ৯৮
হৰিৰামদেৱ ৯৮
নিত্যানন্দদেৱ ৯৮
পুৰণি মাটি সত্ৰ ৯৯
গদাধৰ সিংহৰ বৈষ্ণৱ নিৰ্যাতন ৯৯
মায়ামৰা গণঅভ্যুত্থানৰ অংকুৰ ১০০
টিপুক সত্ৰ স্থাপন ১০০
মালৌ পথাৰৰ বৰঃভটি আৰু মায়ামৰা গণঅভ্যুত্থান ১০১
গড়পাৰা সত্ৰ ১০৬
দিনজয় সত্ৰ স্থাপন ১০৬
মদাৰখাট সত্ৰ স্থাপন ১০৭
বিষ্ণু-কালি-কুঞ্জি সত্ৰ পুনৰ স্থাপন ১০৭

১০ম খণ্ড ঃ ১০৯-১১১

ঘটক জনজাতি ১০৯

মায়ামৰা শিষ্যকুল ১০৯

১১শ খণ্ড ঃ

উপসংহাৰ ১১১
প্ৰসংগীয়া টীকা ১২৭
গ্ৰন্থপঞ্জী ১৩৩

প্ৰথম খণ্ড

প্ৰস্তাৱনা

মায়ামৰা বৈষ্ণৱ ধৰ্মৰ প্ৰতিষ্ঠাপক আদ্যেশ্বৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ বিষয়ে এতিয়ালৈকে কোনেও বহলভাৱে চিন্তা-চৰ্চা কৰা দেখা নাযায়। মায়ামৰাৰ ১৬নং গুৰু শ্ৰীশ্ৰীচিদানন্দদেৱে (১৭৯০-১৮০২ শক) লিখা চৰিত পুথি, আহোম বুৰঞ্জীত থকা উদ্ধৃতিসমূহ আৰু গোপালদেৱৰ চৰিত পুথিত উল্লেখ থকা বক্তব্যৰ বাহিৰে মূল তথ্য-পাতি পোৱা হোৱা নাই। তদুপৰি "আদি চৰিত" নামৰ এখন জাল পুথিত শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ বহলভাৱে চৰ্চিত হৈছে যদিও এই পুথিখন প্ৰকৃততে মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে লিখা নাই বুলি বহুতো পণ্ডিতে স্থিৰ সিধান্তত উপনীত হৈছে। এই আদি চৰিত নামৰ পুথিখনত মাধৱদেৱৰ ভণিতা দি অনিৰুদ্ধদেৱৰ বিষয়ে যি বিৰূপ মন্তব্য প্ৰকাশ পাইছে, সেয়া কেৱল আদ্যেশ্বৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ বিৰুদ্ধেই যোৱা নাই, বৰঞ্চ তেৰাৰ অনুগামী মায়ামৰা ধৰ্মৰ লোকসকলৰ ধৰ্মচৰ্চাৰ এক বিকৃত ব্যাখ্যা দিবলৈ বিচৰা হৈছে। সম্ভৱতঃ স্বৰ্গদেও লক্ষ্মীসিংহৰ দিনত হোৱা "মোৱামৰীয়া" গণঅভ্যুত্থানৰ ফল স্বৰূপে ৰজাঘৰীয়া প্ৰজা তথা অন্যান্য সত্ৰৰ গোসাঁই-সকলৰ মায়ামৰা গোসাঁই বিৰোধী মনোভাৱ প্ৰতিফলিত হৈছে।

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ চৰিতৰ উপাদান

স্বৰ্গদেও লক্ষ্মীসিংহ আৰু স্বৰ্গদেও গৌৰীনাথ সিংহৰ দিনত হোৱা "মোৱামৰীয়া" গণ অভ্যুত্থানে ছ'শ বছৰীয়া আহোম ৰাজত্বৰ ধৰণী কঁপালে। ৰজা-ঘৰীয়া প্ৰজাৰ মনত মায়ামৰা গোসাঁইৰ শিষ্যসকলৰ প্ৰতি বিদ্বেষ বঢ়ালে আৰু শেষত পৃথক মটক ৰাজ্য প্ৰতিষ্ঠিত হ'ল। আহোম ৰাজ্যৰ বুকুৰপৰা ফাটি যোৱা ভূখণ্ডতেই এই মটক ৰাজ্য প্ৰতিষ্ঠিত হোৱাত আহোম ৰাজশক্তিৰ দেৱত্বৰ ওপৰত সাধাৰণ প্ৰজাৰ সন্দেহ উপজিল আৰু তাৰ ফলশ্ৰুতি স্বৰূপে মায়ামৰা গোসাঁই আৰু তেওঁলোকৰ শিষ্যসকল অন্যান্য অসমীয়াৰ মানত হৈ পৰিল

'চকুৰ কুটা দাঁতৰ শাল'।/ গতিকে আদি চৰিত পুথি নামৰ এখন জাল পুথি ৰচিত হ'ল, য'ত শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱক শ্ৰীশ্ৰীশঙ্কৰদেৱৰ দ্বাৰা ত্যাজ্য ব্যক্তি হিচাপে পৰিচয় দিয়া হ'ল। এই বিষয়ে পিছত বহুলাই ব্যাখ্যা কৰা হৈছে।

"মায়ামৰা গোসাঁইসকলৰ বংশাৱলী" অৰ্থাৎ চৰিত পুথিত অনিৰুদ্ধদেৱ আৰু তেখেতৰ বংশধৰসকলৰ বিষয়ে বিস্তৰ তথ্য-পাতি সন্নিৱিষ্ট হৈ আছে। এই বংশাবলী পুথিখন অতি গুপুতে ৰাজৰোষৰপৰা আঁতৰত নৰখা হ'লে অনিৰুদ্ধদেৱৰ বিষয়ে তথ্য-পাতি হয়তো পোৱা নগ'লহেঁতেন। বৰ্তমান এই পুথিখনি প্ৰকাশ কৰা হৈছে। তদুপৰি 'মায়ামৰা কলা-কৃষ্টি অনুসন্ধান আৰু প্ৰচাৰ সমিতি'য়ে ডিব্ৰুগড় জিলাৰ চাবুৱাৰপৰা তেৰাৰ গীতসমূহ 'শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱৰ গীত' নামেৰে প্ৰকাশ কৰিছে। শ্ৰীকেশৱানন্দ গোস্বামীয়েও তেখেতৰ দ্বাদশ স্কন্ধ শ্ৰীমদ্‌ভাগৱততো অনিৰুদ্ধদেৱৰ দ্বাৰা ৰচিত ভাগৱতৰ ৪ৰ্থ আৰু ৫ম স্কন্ধ সন্নিৱিষ্ট কৰিছে। বিভিন্ন আহোম বুৰঞ্জীয়েও শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ বিষয়ে উদ্ধৃতি দিছে।

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ বংশলতাৰ বিষয়ে মায়ামৰা সত্ৰৰ গোসাঁই-সকলৰ বংশাৱলীত বিতংকৈ বৰ্ণোৱা আছে। অনিৰুদ্ধদেৱৰ জন্ম-দাতৃ মাতৃৰ নাম আজলী আৰু পিতৃৰ নাম গোপাগিৰি ভূঞা। তেখেতৰ জন্মগত নাম হৰকণ্ঠগিৰি। তেখেতৰ পূৰ্বপুৰুষসকল নেপালৰ ৰজা আছিল। যদুবংশত জাত শশবিন্দ নৃপৰ পুত্ৰ ভগদত্ত আৰু তেওঁৰ পুত্ৰ হৰিবৰ নেপাল দেশত আছিল। ভগদত্তৰ আনজন পুত্ৰ ৰামবৰে সৌমাৰ পীঠলৈ আহি বৰভূঞা হিচাপে থাকেহি।

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ বংশলতা

এই সৌমাৰখণ্ডৰ উত্তৰ অঞ্চল ভূঞাসকলৰ শাসনত আছিল। এক চাকলাত এজন ভূঞা। কেইবাখনো গাঁও লগ লগাই এটা চাকলা বোলে। উত্তৰ অঞ্চল আহোম স্বৰ্গদেও দিহিঙীয়া ৰজাই তেওঁলোকৰ অধীনলৈ নি ১৫১২ খৃঃত থাওমুংকটকক থানাদাৰ পাতি দিছিল। ১৫২৮ খৃষ্টাব্দৰপৰা ভূঞাসকল স্বায়ত্বশাসন ভোগ কৰিবলৈ পাইছিল। ভূঞাসকলক ৰাজকৰ্মচাৰী পাতি গোমাস্তা আৰু গিৰি উপাধি দিছিল। অনিৰুদ্ধদেৱৰ পূৰ্বপুৰুষৰ অধীনত লক্ষীম-

পুৰ, বিহপুৰ, নাৰায়ণপুৰ, গহপুৰ আৰু কলংপুৰ এই পঞ্চপুৰ বৃহৎ ভূখণ্ডৰ অধিকাৰী হৈ শাসন কৰিছিল বুলি অনিৰুদ্ধৰ চৰিতত পোৱা যায়।

এই পঞ্চপুৰৰ অধিপতি ৰামবৰৰ পুত্ৰ মহিপাল গোমাস্তাৰ তিনিজন পুত্ৰ। তেওঁলোক হ'ল বৃহদ্দলপতি, নদীদলৈ আৰু গংগাগিৰি। গংগাগিৰিৰ পুত্ৰ গোণ্ডাগিৰি। মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ খুড়াকৰ জীয়েক আজলী আইক গোণ্ডাগিৰিয়ে বিয়া কৰিছিল। এই গোণ্ডাগিৰিৰে মধ্যম পুত্ৰ মহাপুৰুষ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ। জ্যেষ্ঠ পুত্ৰ মোহনমুৰাৰীদেৱে বেঙেনাআটি সত্ৰ স্থাপন কৰাৰ কথা উল্লেখ কৰা হৈছে। কনিষ্ঠ পুত্ৰ কৃষ্ণচৰণদেৱে চুপহা সত্ৰ স্থাপন কৰিছিল। ১৫৫৩ খৃঃৰ ব'হাগ মাহৰ ১৫ তাৰিখ শুক্লা নৱমী তিথি বৃহস্পতিবাৰে তেখেত জন্ম গ্ৰহণ কৰে।

মাতৃ আজলীদেৱীয়ে পুতেক হৰকন্ঠক দেখি অতি আনন্দ পালে। শিশু হৰকন্ঠৰ বৰ্ণনা এনেদৰে বংশাৱলী পুথিত দিয়া আছে ঃ—

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ শৈশৱকাল

'নাসা তিলফুল অধৰ ৰাতুল
নেত্ৰ পদ্ম সমসৰ।
হস্ত দুই খানি মৃণাল যেহেনি
আঙ্গুলি যে সুবলিত।
দশনখ তাত চন্দ্ৰ যেন খ্যাত
দ্বিতীয়াত প্ৰজ্বলিত॥
বহল হৃদয় দেখি সুভনয়
সিংহৰদ্ধ কটি আতি।
কৰী কৰ উৰু জংঘা যে সুচাৰু
পদনখে কৰে কান্তি॥
শৰীৰৰ জ্যোতি কৰন্ত দীপিতি
গৃহখান বিৰাজয়।
হেন দিব্য ৰূপ দেখি ভৈল চুপ
মাতৃ সমে নাৰীচয়॥'

... ...
... ...

'আজানুলম্বিত ভুজ একোঅংগে নহি ৰুজ
দৰশনে তুষ্ট হোৱে মন॥'

সৰুৰেপৰাই হৰকন্ঠই মহৎলোকৰ চিহ্নসমূহ কামে-কাজে প্ৰস্ফুটিত কৰিছিল। পাঁচ বছৰ বয়সতে এহাতেৰে কাঠ এডাল দাঙি ধৰা ইত্যাদি অতি শাৰীৰিক বলৰ পৰিচায়ক কামবোৰ কৰিছিল। ডাঙৰ হৈ ঘৰ-বাৰী, খেতি-বাতি আদি কামত কোনো স্পৃহা নেদেখুৱাই শাস্ত্ৰ আদি পঢ়াতহে বেছি ধাউতি দেখুৱাইছিল, যাৰ বাবে তেখেতৰ চাৰিজন ভায়েক-ককায়েকে তেখেতক কৰ্ম-বিমুখ বুলি ককৰ্থনা কৰিছিল। এদিন ককায়েক-ভায়েক কেইজনে হৰকন্ঠক জালুক খেতি চপোৱাৰ কাম দিলে। জালুক চপাই-থাকোঁতে চতুৰ্ভুজ ৰূপ ধাৰণ কৰি চাৰিখন হাতেৰে সেই কাম কৰা দেখি ওচৰৰে ধেলী নামৰ মুছলমান দৰ্জীজনে স্তম্ভিত হৈ হৰকন্ঠৰ ঐশ্বৰিক শক্তিৰ প্ৰমাণ পাই তেখেতৰ কাৰণে চাৰিখন হাত থকা এটা চোলা চিলাই উপহাৰ দিলে। তেতিয়া হৰকন্ঠই ধেলী দৰ্জীক[২] চাৰিখন হাত নাৰাখি দুখন হাতৰ চোলা বনাবলৈ ক'লে আৰু চাৰি-খন হাতৰ কথা গোপনে ৰাখিবলৈ নিৰ্দেশ দিলে। এনেদৰে বংশাৱলীত হৰকন্ঠৰ ঐশ্বৰিক ৰূপ গতানুগতিকভাৱে চৰিতকাৰে দেখুৱাইছে।

সংস্কৃত-টোলত হৰকন্ঠই ধৰ্মমূলক বিদ্যা-চৰ্চা কৰিবলৈ ধৰিলে আৰু সংস্কৃত শাস্ত্ৰসমূহ অধ্যায়ন কৰি ধৰ্মশাস্ত্ৰত বিদগ্ধ পণ্ডিত হ'ল। কিন্তু গুৰু বিনে বিদ্যা সম্পূৰ্ণ নহয়, সেইকথা উপলব্ধি কৰি হৰকন্ঠই ভৱানীপুৰীয়া গোপাল আতাৰ ওচৰত শৰণ ল'বলৈ কালঝাৰ সত্ৰলৈ যাত্ৰা কৰিলে। কোনো কোনো পণ্ডিতে কয় যে অনিৰুদ্ধদেৱে বিষ্ণু-বালি-কুঞ্জি সত্ৰ স্থাপন কৰাৰ পিছতহে কাল-ঝাৰলৈ গৈ গোপালদেৱৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। কথাষাৰ সত্য হ'ব পাৰে। হয়তো বিষ্ণু-বালি-কুঞ্জি সত্ৰ স্থাপন কৰিলেও তেখেতে কাকো শিষ্যত্ব প্ৰদান কৰা নাছিল। কাৰণ, এটা শ্লোকৰ বাহিৰে তেখেতৰ প্ৰণীত শাস্ত্ৰসমূহত ৰচক হৰকন্ঠ হিচাপে উদ্ধৃত নাই। সকলো শাস্ত্ৰতে নিজৰ নাম অনিৰুদ্ধ হিচাপেহে দিছে আৰু অনিৰুদ্ধ হৈছে হৰকন্ঠৰ গুৰুদত্ত নাম। গোপালদেৱে স্বপ্নাদিষ্ট হৈ তেওঁৰ

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ বিদ্যা-শিক্ষা

শিষ্য নাৰায়ণক অনিৰুদ্ধদেৱক 'নৈৰ' ঘাটৰপৰা আগবঢ়াই আনিবলৈ পঠালে আৰু পৰলা নৈৰ ঘাটলৈ পুৰণি ৰাস্তাৰ বাহিৰেও নুতন ৰাস্তা এটা উলিয়াবলৈ ক'লে। নতুন ৰাস্তাৰে গৈ নাৰায়ণে

অনিৰুদ্ধদেৱক আদৰিবলৈ ৰৈ থাকোঁতে ইতিমধ্যে অনিৰুদ্ধই আগৰ পুৰণি পথেদিয়েই আহি গোপালদেৱৰ ঘৰ পালেহি। ঘৰত মাত দিয়াতো গোপালদেৱ ওলাই নহাত অনিৰুদ্ধদেৱে তাতে এটা সংস্কৃত শ্লোক ৰচনা কৰি কৰপুতে গোপালক ওলাই আহিবলৈ প্ৰাৰ্থনা জনালে আৰু লগতে এটি শ্লোক আৰু গীত গালে। এই শ্লোক আৰু গীতৰ উচ্চমানদণ্ড আৰু পাণ্ডিত্যপূৰ্ণ ৰচনা উপলব্ধি কৰি গোপালদেৱে ঘৰৰপৰা ওলাই আহি অনিৰুদ্ধদেৱক আঁকোৱালি লৈ আদৰণি জনালে।

এই শ্লোক আৰু গীতৰ ৰচনাশৈলী আৰু নিহিত ভাবৰাশিলৈ চালে গোপালদেৱৰ ওচৰত শৰণ লোৱাৰ আগতেই হৰকন্ঠ অনিৰুদ্ধ যে শাস্ত্ৰজ্ঞ পণ্ডিত আছিল, সেই কথা প্ৰতীয়মান হয়। তাৰপৰা অনুমান কৰিব পাৰি যে অনিৰুদ্ধদেৱে হয়তো গোপালদেৱৰ ওচৰত শৰণ লোৱাৰ আগতে বিষ্ণু-বালি-কুঞ্চি সত্ৰ স্থাপন কৰিছিল। এই গীত কেইজনা আছিল এনে ধৰণৰ ঃ---

শ্লোকঃ 'গিৰৌ কলাপী গগনে পয়োদা
লক্ষান্তৰে ভানু জলেচ পদ্মং।
দ্বিলক্ষ ইন্দুঃ কুমুদস্য বন্ধু
যো যস্য মিত্ৰং নহি তস্য দূৰন।'

অসমীয়া অনুবাদ ঃ---

'গোপাল সোণাৰ প্ৰভু দেহু দৰিশন।
মহন্তক নেদেখিলে নৰহে জীৱন॥
খং মধ্যে বলাহকে গৰ্জে যেতিক্ষণ।
শৈলাগ্ৰে বৰিহা নৃত্য কৰে তেতিক্ষণ॥
লক্ষ যোজনৰ উৰ্ধ্বে মাৰ্তণ্ড উদয়।
নীৰত নীৰজ বিকশিত হুয়া ৰয়॥
যেৱে অস্তাংগত সূৰ ভৈল্য যেতিক্ষণ।
পুষ্পৰ গোষ্ঠীৰ মাৰি মিলে তেতিক্ষণ॥
দুই লক্ষ ওপৰত ইন্দু প্ৰকাশয়।
অধঃত কুমুদ গোষ্ঠী প্ৰফুল্লিত হয়॥
ইন্দুৰ নিৰ্যাণে কুমুদৰ প্ৰাণ হৰে।
কাকো কেৱে নেদেখিলে তিলেকতে মৰে॥

নিকট বিদূৰ হোৱে বিদূৰ নিকট।
সুহৃদ ভাবনা ভৈলে দেখে হৃদয়ত॥
এতেকে যিজন অতি হোৱে বিচক্ষণ।
বিহীনে সুহৃদ সুখ নধৰে জীৱন॥
কহে হৰকন্ঠ মূঢ় পৰম পামৰ।
দেখা দিয়া দামোদৰ কৰোঁহো কাতৰ॥'

উল্লেখযোগ্য যে হৰকন্ঠই গোপালক দামোদৰ বুলি সম্বোধন কৰাৰ উপৰিও সুহৃদ বুলিও কৈছে।

কালঝাৰ সত্ৰত থাকি অনিৰুদ্ধদেৱে সকলো ধৰ্মীয় আলোচনাত নিবিড় ৰাপ দেখুৱালে আৰু গুৰু গোপালৰ অতি প্ৰিয় শিষ্য হ'ল। পুৰণি পথেদি আহি গোপালৰ ঘৰ পোৱাৰ কাৰণে পুৰণি ভকত[১] আখ্যা দিয়াৰ উপৰিও গোপালদেৱে হৰকন্ঠ নাম সলাই অনিৰুদ্ধ নাম থ'লে। একান্তভাৱে ভক্তি মাৰ্গত থাকি, অন্য মাৰ্গৰ প্ৰতি আকৰ্ষিত নহৈ অন্য সকলো মাৰ্গ ৰুদ্ধ কৰি দিয়াৰ বাবেই হৰকন্ঠ অনিৰুদ্ধ হ'ল, সি সঁচাকৈয়ে তাৎপৰ্যপূৰ্ণ কথা। গোপালদেৱে অনিৰুদ্ধৰ মাজত এজন একনিষ্ঠ সেৱক পালে, যি সময়ে সময়ে জ্ঞান-চৰ্চাত গুৰুকো চেৰ পেলাব পাৰিছিল। হেঙুলৰ যদুমণিদেৱকো অনিৰুদ্ধৰ লগত অন্তৰংগতা স্থাপন কৰি চিৰদিন বন্ধু হৈ থাকিবলৈ গুৰু গোপালে আশীৰ্বাদ কৰিলে। এনেদৰে গুৰুগৃহত তিনিবছৰ কাল থাকি ধৰ্মীয় শাস্ত্ৰ আৰু শাস্ত্ৰ আলোচনাত নিজকে নিয়োজিত কৰিলে। তিনি বছৰৰ পিছত শিক্ষা সাং হোৱাত অনিৰুদ্ধদেৱে গোপালদেৱৰপৰা স্বগৃহলৈ যোৱাৰ অনুমতি বিচাৰিলে। প্ৰথমতে গোপালদেৱে তেখেতৰ প্ৰিয় শিষ্যক এৰি দিবলৈ টান পাইছিল যদিও অনিৰুদ্ধদেৱে নিজৰ বৃদ্ধ পিতৃ-মাতৃৰ আপদালৰ কাৰনেহে ঘৰলৈ ঘূৰি যাবলৈ খুজিছে বুলি কোৱাত গুৰু গোপালদেৱে অনিৰুদ্ধদেৱক আচাৰ্য পাতি এখনি ঘোষা শাস্ত্ৰ প্ৰদান কৰি ধৰ্ম-প্ৰচাৰ কৰিবলৈ আদেশ দিলে। এই শাস্ত্ৰখনি মাধৱদেৱে গোপালদেৱক দিয়া আৰু মাধৱদেৱেও এইখনি শাস্ত্ৰ শঙ্কৰদেৱৰপৰাহে পাইছিল। গোপালদেৱে উক্ত শাস্ত্ৰখনি অতি ভক্তি সহকাৰে ইমান-

পুৰণি ভকত নামৰ তাৎপৰ্য আৰু অনিৰুদ্ধ নাম গ্ৰহণ

দিনে নিজৰ হাতত ৰাখিছিল। গোপালদেৱৰগৰা মেলানি মাগি অনিৰুদ্ধদেৱে নিজৰ বৃদ্ধ পিতৃ-মাতৃৰ হাতে খোৱা-বোৱা কৰিব পাৰি নে নোৱাৰি আৰু পিতৃ-মাতৃয়ে যে ক'তো শৰণ লোৱা নাই, এই কথা গোপালদেৱক কোৱাত গোপালদেৱে তাৰ উপায় দি ক'লে যে তেখেতে দিয়া শাস্ত্ৰখনিৰ আগত মূৰ দোঁৱাই ভকত হ'ব পাৰে আৰু তেতিয়া তেখেতৰ পিতৃ-মাতৃৰ হাতেৰে ভোজন কৰাত কোনো অন্তৰায় নাথাকিব। অনিৰুদ্ধদেৱে ঘূৰি আহি বিষ্ণু-বালি-কুঞ্চিত এটি নামঘৰ নিৰ্মাণ কৰাই উক্ত শাস্ত্ৰখনি স্থাপন কৰিলে আৰু তেখেতৰ পিতৃ-মাতৃয়ে সেই শাস্ত্ৰখনিৰ আগতে মূৰ দোঁৱালে। এনে-দৰে তেখেতৰ পিতৃ-মাতৃয়ে প্ৰকাৰান্তৰে প্ৰথম শিষ্য হ'ল। কিছুদিনৰ পিছত তেখেতৰ পিতৃ স্বৰ্গগামী হ'ল আৰু ককাই-ভাই কেইজনো বেলেগ হৈ বেলেগকৈ থাকিবলৈ ল'লে। অনিৰুদ্ধদেৱে বৃদ্ধা-মাতৃৰ সৈতে পৈত্ৰিক ভিঠাতে থাকিবলৈ লয়। তেতিয়া স্থানীয় লোকসকলে, অনিৰুদ্ধ-দেৱৰ মাহাত্ম্যৰ কথা গম পাই চলে চলে আহি তেখেতত শৰণ ল'বলৈ ধৰিলে। প্ৰধানকৈ নদীয়াল, বৃত্তিয়াল, কছাৰী, কোঁচ, আহোম আৰু কিছু সংখ্যক উচ্চবৰ্ণৰ লোকেও অনিৰুদ্ধদেৱত শৰণ ল'লে। যৱনবংশৰ ধেলী দৰ্জীয়েও আহি অনিৰুদ্ধদেৱৰ ওচৰত শৰণ লৈ ধ্যানপতি[২] নাম লৈ হিন্দু হৈ আহোম বংশত অন্তৰ্ভুক্ত হয়। দিনে দিনে অনিৰুদ্ধদেৱৰ শিষ্যৰ সংখ্যা বাঢ়িবলৈ ধৰিলে।

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ ধৰ্ম-প্ৰচাৰ আৰু বিষ্ণু-বালি-কুঞ্চি সত্ৰ আৰু নাহৰ আটি সত্ৰ স্থাপন

জনজাতি আৰু অজনজাতীয় সকলো শ্ৰেণীৰ লোকেই অনিৰুদ্ধ-দেৱৰ শিষ্যত্ব গ্ৰহণ কৰিলে। গুৰুজনাৰ সাম্যবাদ আৰু উদাৰ মনোভাৱ আৰু নিজে কায়স্থকুলজাত হৈয়ো অস্পৃশ্যতা বৰ্জন কৰাৰ ব্যৱহাৰিক দিশে সকলো লোককে আকৃষ্ট কৰিবলৈ ধৰিলে। বিশেষকৈ নদীয়াল লোক আৰু বৃত্তিয়াল লোকসকল তেৰাৰ একান্ত সেৱক হৈ পৰিল আৰু অনিৰুদ্ধদেৱৰ ধৰ্মৰ ধ্বজা উৰুওৱাত সহায়ক হৈ পৰিল। জাতি-বৰ্ণ নিৰ্বিশেষে সকলো লোকেই অনিৰুদ্ধদেৱৰ সাম্যবাদী মনোভাৱত আকৃষ্ট হৈ তেৰাৰ শিষ্য হ'বলৈ ধৰিলে। ১৫২৬ শকৰ মাঘ মাহৰপৰা তেৰাই বৈষ্ণৱ ধৰ্ম-প্ৰচাৰ কৰিবলৈ ধৰিলে। বিষ্ণু-বালি-কুঞ্চি অঞ্চল ডফলা পাহাৰৰ নামনিত অৱস্থিত।

পূৰ্বতে ডফলাজাতি অনিৰুদ্ধদেৱৰ পূৰ্বজসকলৰ দ্বাৰা পৰাভূত হৈ বশ্য হৈ আছিল। অনিৰুদ্ধদেৱে 'অসি এৰি মসি' ধৰাত সেই সুযোগতে ডফলাই সেই অঞ্চলত আক্ৰমণ কৰিবলৈ আহিল আৰু এদিনাখন নিশা তেওঁৰ ঘৰ আগুৰি ধৰিলে। অনিৰুদ্ধদেৱে ঘৰৰ মূধচেদি ওলাই পলাই গ'ল; কিন্তু ডফলাই বৃদ্ধা মাকক ধৰি-বান্ধি লৈ গ'ল। ডফলাক কিন্তু পৰুৱাই পালে আৰু শেষত মাকক ৰাস্তাতে এৰি ডফলা উভতি গ'ল। তাৰ কিছুদিনৰ পিছত তেৰাৰ জ্যেষ্ঠ ভ্ৰাতা মোহনমূৰাৰীয়ে তেৰাৰ নিৰ্দেশত বেঙেনাআটি সত্ৰ স্থাপন কৰে। অন্য এজন ভ্ৰাতৃয়ে নেপাললৈ গৈ তাতে বসবাস কৰিবলৈ ধৰিলে আৰু বাকী দুই ভাতৃয়ে তেৰাৰ লগতে ধৰ্ম-প্ৰচাৰৰ কামত মনোনিৱেশ কৰিল। পাঁচ বছৰ বিষ্ণু-বালি-কুঞ্চি-সত্ৰতে ধৰ্ম-প্ৰচাৰ কৰাৰ পিছত মৰনৈ নদীৰ পাৰতে এটুকৰা ঠাই বিচাৰি শাৰী শাৰীকৈ তাত নাহৰৰ গছ ৰুই তালৈকে সত্ৰ স্থানান্তৰ কৰিলে। তেৰাৰ শিষ্যই সত্ৰলৈ যোৱাৰ এটা বাট নিৰ্মাণ কৰিলে আৰু এটা নামঘৰ আৰু ধৰ্মঘৰ সাজিলে। এটা পুখুৰীও তাতে খন্দালে আৰু ১৫২৮ শকৰ আঘোণ মাহত বিষ্ণু-বালি-কুঞ্চি-সত্ৰ ত্যাগ কৰি নতুন ঠাইত সত্ৰ চলাবলৈ ধৰিলে। নাহৰ গছেৰে সুশোভিত উক্ত সত্ৰখনি নাহৰ-আটি সত্ৰ বুলি নামকৰণ কৰিলে। নাহৰআটি সত্ৰত থাকোঁতেই অনিৰুদ্ধদেৱে আটাইকেইখন শাস্ত্ৰ লিখিলে। অনিৰুদ্ধদেৱৰ পাঁচ-জন পুত্ৰ আছিল। জেষ্ঠ্যপুত্ৰ কৃষ্ণদেৱ আৰু কনিষ্ঠ পুত্ৰ সৰ্বানন্দ। মধ্যম পুত্ৰ কেইজন আছিল জগতানন্দ, হৃদয়ানন্দ আৰু ভৱানন্দ। একমাত্ৰ কন্যা মহামায়াক নীলকণ্ঠ নামৰ এজন ভূঞালৈ বিয়া দিছিল। এই নীলকণ্ঠই অনিৰুদ্ধদেৱৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। দিহিং সত্ৰৰ যদমণি আতা অনিৰুদ্ধদেৱৰ অতি অন্তৰংগ বন্ধু হৈ পৰিছিল।

১৫২৯ শকত অনিৰুদ্ধদেৱে যদুমণি আতাৰ লগত দিহিঙলৈ গৈছিল। তেতিয়া স্বৰ্গদেও চুখাম্‌ফা খোৰাৰজাই অনিৰুদ্ধদেৱৰ মাহাত্ম্যৰ কথা শুনি আৰু অগণন লোকে তেখেতৰ ওচৰত শৰণ লোৱা বুলি জানি গুৰুজনাৰ দৰ্শন পাবলৈ আৰু প্ৰকাৰান্তৰে তেখেতৰ মাহাত্ম্য পৰীক্ষা কৰিবলৈ দিহিঙলৈ গ'ল। স্বৰ্গদেৱে অনিৰুদ্ধদেৱক তেখেতৰ বাহৰলৈ মতাই পঠালে। আৰু এটা কলহত পাগুৰি এটা

ৰাখি মুখখন কাপোৰেৰে বান্ধি থৈ অনিৰুদ্ধদেৱক ভিতৰত কি আছে সুধিলে। অনিৰুদ্ধদেৱে কলহটোৰ ভিতৰত ফেঁটীসাপ এটাহে আছে বুলি কোৱাত ৰজাই অনিৰুদ্ধদেৱ ভুৱা ইত্যাদি ককৰ্থনা কৰিবলৈ ধৰিলে; কিন্তু অনিৰুদ্ধদেৱৰ কথাৰ দৃঢ়তা দেখি কলহটোৰ মুখখন খুলিবলৈ দিয়াত বিষধৰ ফেঁটীসাপ এটা ফোঁচ ফোঁচাই ওলাই আহিল। তাকে দেখি স্বৰ্গদেৱে ভয় খাই অনিৰুদ্ধদেৱক এই মায়া সৰ্প নাইকিয়া কৰিবলৈ কাকুতি কৰিলে। এই ঘটনা বংশাৱলী পুথিত বিস্তৰ কৈ বৰ্ণনা কৰা আছে।

মায়ামৰা নামৰ তাৎপৰ্য

'আশ্চৰ্য দেখিয়া ৰাজা ভৈলন্ত বিস্ময়।
নজানিয়া দোষ কৰিলোঁহো দুৰাশয়॥
পৰীক্ষা কৰিয়া আচৰিলোঁ মহাদোষ।
নিজগুণে মোত প্ৰভু হুয়োক সন্তোষ॥
মায়া সৰ্প সৃজিয়াতো কৰিলা নিৰ্যান।
এহি হেতু মায়ামৰা হৈবেক আখ্যান॥
এহি বুলি ৰাজা পাছে বিদায় কৰিলা।
সেহি হন্তে মায়ামৰা নাম খ্যাত ভৈলা॥'

এনেদৰে মায়ামৰা গোসাঁই নামেৰে সুখ্যাতি লভিলে। অৱশ্যে কালক্ৰমত তেখেতৰ বংশধৰসকলে "মোৱামৰীয়া" গণ-অভ্যুত্থানত প্ৰধান আৰু গুৰুত্বপূৰ্ণ ভূমিকা লোৱাত আৰু সিয়ে তেতিয়াৰ জন-মানসত ৰাজবিদ্ৰোহ আখ্যা পোৱাত তাচ্ছিল্যভাৱে এই শব্দ "মোৱা-মৰা" হ'লগৈ যদিও 'মুআমৰা' তাই-আহোম শব্দই হাতেৰে চকুৰ বিঘিনিৰ গাঁঠি মেলা, তামোল মেলা পণ্ডিত বুজায়। এই মোৱামৰা শব্দাৰ্থই প্ৰকৃততে মায়ামৰাকে অৰ্থাৎ মায়ামৰা গোসাঁইসকলকে বুজাইছে যদিও পিছত মোৱামাছ খোৱা মোৱামৰীয়া গোসাঁই, মোৱা-মাছৰ বিলৰ পাৰত সত্ৰ স্থাপন কৰা গোসাঁই আদি ইতিকিংসূচক অৰ্থ আৰোপিত হ'বলৈ ধৰিলে।

দিহিঙ যাত্ৰাতে অনিৰুদ্ধদেৱে দিহিঙৰ পাৰৰ এটুকুৰা ঠাই সত্ৰৰ উপযোগী হ'ব বুলি ভাবি তাতে খাগৰি এডাল পুতি আহি ভৱিষ্যতে মায়ামৰা সত্ৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ-পাৰলৈ বিস্তাৰ

দক্ষিণ-পাৰত সত্ৰ স্থাপনৰ অংকুৰ

কৰাৰ বীজ ৰোপণ কৰিলে। ১৫৪৮ শকৰ পুহমাহৰ শুক্লাদশমী তিথিত গুৰুজনাই সামান্য জ্বৰতে নাহৰআটি সত্ৰত ইহলীলা সম্বৰণ কৰিলে আৰু সত্ৰতে তেৰাৰ পাৰ্থিৱ দেহ ৰখা হ'ল। এইবাবেই নাহৰআটি থান আজিও মায়ামৰা ভক্তসকলৰ পুণ্যভূমি

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ দেহাৱসান

যদিও তেৰাৰ দেহাৱসানৰ পিছত জ্যেষ্ঠপুত্ৰ কৃষ্ণদেৱে নাহৰআটিৰ-পৰা সত্ৰ স্থানান্তৰিত ক'ৰিলে। বছৰি হাজাৰ হাজাৰ লোকে এই পুণ্যস্থান দৰ্শনাৰ্থে আহে আৰু বৰ্তমান ইয়াত পুৰণি নামঘৰ এটা আৰু নতুনকৈ অৰ্দ্ধনিৰ্মিত নামঘৰ এটা থকা দেখা যায়। তদুপৰি এটা জিৰণিঘৰৰ নিৰ্মাণৰ কাৰ্য চলি আছে। তেৰাৰ দিনৰ পুখুৰী-টো এতিয়াও আছে আৰু নাহৰআটি থানে সমগ্ৰ মায়ামৰা সমাজৰ জনমানসত শ্ৰেষ্ঠ তীৰ্থস্থান হিচাপে ঠাই পাইছে।

অনিৰুদ্ধদেৱৰ পাঁচজন পুত্ৰ আছিল। মৃত্যুৰ ঠিক আগে আগে অনিৰুদ্ধদেৱে কৃষ্ণদেৱক সত্ৰাধিকাৰ হিচাপে নিৰ্বাচন কৰিছিল আৰু সত্ৰাধিকাৰ পাতি থৈ গৈছিল।

দ্বিতীয় খণ্ড

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ সময়ৰ ধৰ্মীয় পৰিস্থিতি

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱে প্ৰচাৰ কৰা নাম-ধৰ্ম শংকৰ-মাধৱৰ ধৰ্মমতকৈ পৃথক নহয়, এই কথা সুপ্ৰতিষ্ঠিত। ধৰ্ম-প্ৰচাৰৰ মূলতে এখন বৈষ্ণৱ-সমাজ গঢ়াৰ প্ৰৱণতাই কাম কৰিছিল। গতিকে মহাপুৰুষীয়া ধৰ্ম গ্ৰহণ কৰোঁতা সকলো লোকেই মহাপুৰুষীয়া বৈষ্ণৱ ভক্ত। এওঁলোকে অন্য মঠ-মন্দিৰলৈ নাযায়। ব্ৰাহ্মণ নলগায় আৰু নাম-ঘৰলৈহে যায়। এই ক্ষেত্ৰত শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ আৰু তেখেতৰ বংশধৰসকলৰ শিষ্যসকল অতি ৰক্ষণশীল। তেওঁলোকে দেৱ-দেৱীক নামানে, দেৱ-দেৱীৰ মূৰ্তিলৈ চোৱাটোকো পাপ বুলি গণ্য কৰে। মঠ-মন্দিৰলৈ নাযায়, ভাৰতৰ বিভিন্ন তীৰ্থস্থানলৈ নাযায় আৰু ৰঙৰ উৎসৱ ফাকুৱা আৰু পোহৰৰ উৎসৱ দেৱালী উদ্‌যাপন নকৰে। শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ দ্বাৰা প্ৰণীত ভাগৱত শাস্ত্ৰকে কেন্দ্ৰ কৰি তেৰাৰ এক শৰণ[1] নাম-ধৰ্ম বৰ্তি আছে। শ্ৰীকৃষ্ণত শৰণ এয়েই তেৰাৰ ধৰ্মৰ মূলমন্ত্ৰ। শংকৰ-মাধৱৰ দৰে তেখেতেও ভগৱান এজনেই, শ্ৰীকৃষ্ণই ভগৱান---এই মূল চিন্তা প্ৰকট কৰিছিল।

> 'অন্য দেৱী-দেৱ নকৰিবা সেৱ
> গৃহো নপশিবা তাৰ।
> মূৰ্তিকো নাচাইবা প্ৰসাদো নখাইবা
> ভক্তি হৈব ব্যভিচাৰ॥'
>
> শংকৰদেৱ ঃ ভাগৱত ঃ ২।৫৪৫

মায়ামৰা গোসাঁই আৰু শিষ্যসকলে 'একদেউ, এক সেউ, এক বিনে নাই কেও, হৰি দেউক পুজিলে অন্য দেউ নালাগে' এই সত্য অতি নিষ্ঠাসহকাৰে আদি গুৰুৰ আদেশ হিচাপে আখলে আখৰে পালন কৰে। আদ্যমূৰ্তি[2] শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ এনে ৰক্ষণশীল মনোভাৱ তেখেতৰ দিনত কলুষিত মনোভাৱৰ ফলশ্ৰুতি স্বৰূপ বুলি ক'লে বঢ়াই কোৱা নহ'ব। প্ৰথমতে যি অঞ্চলত সাম্য নীতিৰ ওপৰত

প্ৰতিষ্ঠিত তেখেতৰ বৈষ্ণৱ-ধৰ্মই প্ৰভাব বিস্তাৰ কৰিছিল, সেই অঞ্চল আছিল ব্ৰহ্মপুত্ৰৰ উত্তৰ-পাৰ; বিশেষকৈ বৰ্তমান শোণিতপুৰ জিলাৰ বুৰৈ নদীৰ পূৰ্বাঞ্চল আৰু সোৱণশিৰি নদীলৈকে বিস্তৃত ভূভাগত ইতিমধ্যে বিভিন্ন জনগোষ্ঠীয়ে স্বকীয় ৰীতি-নীতি, ধৰ্ম লৈ বসবাস কৰি আছিল। এই অঞ্চলত তেতিয়া বসবাস কৰা লোকসকলৰ পৰিচয় দিয়াটো শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ মাহাত্ম্য প্ৰকাশত সহায়ক হ'ব বুলি আমাৰ বিশ্বাস।

আহোম স্বৰ্গদেও চুখাম্‌ফা (খৃঃ ১৫৫২ পৰা ১৬০৩ খৃঃলৈ) খোৰাৰজাৰ দিনত ১৫৬৩ চনত কোঁচসকলে চিলাৰায়ৰ নেতৃত্বত আহোম ৰাজ্য আক্ৰমণ কৰি আহোমক পৰাস্ত কৰিছিল। আহোম স্বৰ্গদেৱে কোঁচৰ লগত সন্ধি কৰিবলৈ বাধ্য হয় আৰু তাৰ ফল স্বৰূপে কোঁচ সেনাপতি চিলাৰায়ে ব্ৰহ্মপুত্ৰৰ উত্তৰ-পাৰৰ অধিকৃত অঞ্চলত কোঁচৰ আধিপত্য বিস্তাৰ কৰি ৰাখিবলৈ নাৰায়ণপুৰত এটা সৈন্যৰ কোঠ মাৰি এদল সেনাবাহিনী ৰাখি থৈ যায়। পিছে সোনকালেই আহোমে নাৰায়ণপুৰ কোঁচৰপৰা ঘূৰাই লয়। এৰি থৈ যোৱা সেনাবাহিনীৰ বহুলোক নাৰায়ণপুৰতে ৰৈ যায় আৰু এনেদৰে কোঁচ জাতিৰ লোকে নাৰায়ণপুৰত বসবাস কৰিবলৈ লয়।

ভূঞাসকলৰ বাহিৰেও বুৰৈ নদীৰ পূৰ্বাঞ্চলত আহোম ৰাজ-কৰ্মচাৰীয়ে এই ভূখণ্ডৰ শাসনভাৰ চলাইছিল। এওঁলোকৰ প্ৰজা আছিল সৌমাৰখণ্ডত সোনোৱাল কছাৰী আৰু ঠেঙাল কছাৰীসকল। এওঁলোক পূৰ্বদেশীয় বড়ো প্ৰজাতি। তদুপৰি বিশ্বনাথ (বৰ্তমান শোণিতপুৰত)-ৰ পশ্চিমে চুতীয়াসকলে বসবাস কৰিছিল। কছাৰী-সকলৰ বাহিৰেও আহোম, চুতীয়া আৰু ভূঞাসকলে নাৰায়ণপুৰৰ চাৰিওকাষে বসবাস কৰিছিল। কোঁচসকলৰ বহুতে চিলাৰায়ে স্থাপন কৰা দুৰ্গকে আশ্ৰয় কৰি নাৰায়ণপুৰত বসবাস কৰাৰ কথা আগতেই উল্লেখ কৰা হৈছে।

বিশ্বনাথ আছিল শৈৱধৰ্মৰ প্ৰধান তীৰ্থস্থান আৰু ইয়াত সিঁচৰিত হৈ থকা শিৱ-দেৱালয়সমূহে এটা সময়ত এক 'শৈৱ' ৰাজশক্তিৰ আধিপত্যৰ কথা সূচনা কৰে। বিশ্বনাথ দীঘে আঠ মাইল আৰু পুতলে দুই মাইল আছিল। তাত শিৱ-দেৱালয়সমূহকে আশ্ৰয় কৰি

ব্ৰাহ্মণ পুৰোহিত, কলিতা আৰু কেওট সম্প্ৰদায়ৰ লোকে বসবাস কৰিছিল। বিশ্বনাথৰ কাষতে লাগি থকা কৰণ্ডী অঞ্চল দীঘলে পাঁচ মাইল আৰু বহলে দুমাইল আছিল। দীপৰহাট অঞ্চল আছিল কাষতে লাগি থকা আৰু ই দীঘলে দহ মাইল আৰু পুতলে পাঁচ মাইল। এই দীপৰহাটতেই প্ৰখ্যাত কামাখ্যা মন্দিৰ আছিল আৰু তাক কল্যাণী গোসানীৰ থান[৪] বুলিও জনা গৈছিল। ডফলা পাহাৰৰ দুৱাৰসমূহ আছিল চতিয়াৰ নদুৱাৰ, কলংপুৰৰ ছয়দুৱাৰ, জকাইচুক অঞ্চলৰ দুৱাৰ, নাৰায়ণপুৰ অঞ্চলৰ দুৱাৰ আৰ বাংফাঙৰ দুৱাৰ। কলংপুৰ অঞ্চল দীঘে ২০ মাইল আৰু পুতলে ১০ মাইল, জকাইচুক কলং-পুৰৰ সমানেই, মাত্ৰ বহলে আৰু পাঁচ মাইল বেছি। নাৰায়ণপুৰ দীঘে ৩০ মাইল আৰু পুতলে ১৫ মাইল। এই অঞ্চল অৰ্থাৎ নাৰায়ণপুৰ আৰু কলংপুৰ বিশেষ কাৰণত প্ৰসিদ্ধ আছিল। এক হ'ল পিছলা নৈৰ কাষতে অৱস্থিত দুটা প্ৰসিদ্ধ মন্দিৰ, যি হয়তো জকাইচুক জিলাৰ ধান্দি গাঁও আৰু কলাবাৰীত অৱস্থিত মন্দিৰ দুটাতকৈ[৫] অধিক প্ৰসিদ্ধি লাভ কৰিছিল। নাৰায়ণপুৰতে লাগি থকা অঞ্চলটো আছিল বানফাং আৰু ই দীঘলে ত্ৰিশ মাইল আৰু পুতলে বিশ মাইল।

বিশ্বনাথ আৰু বুৰৈ নৈৰ পূৰ্বাঞ্চলৰ জনবসতি

ইয়াৰ উপৰিও কলংপুৰ আৰু জকাইচুক অঞ্চলত বলম আৰু হেলেমত লালুং জনজাতিয়ে আদিৰেপৰা বসবাস কৰিছিল। লালুং-সকলৰ জনগাঁথাত[৬] সেয়েহে বলম আৰু হেলেমৰ নাম তাৎপৰ্য-পূৰ্ণ। হাবুং অঞ্চল সোৱণশিৰিলৈকে বিস্তৃত আছিল আৰু তাৰ ভিতৰত উত্তৰ লক্ষীমপুৰ আৰু মাজুলীৰ এক অংশ অন্তৰ্ভুক্ত আছিল। এই হাবুং অঞ্চল কলিতা জনগোষ্ঠীৰ বাসভূমি আছিল আৰু মহা-দেৱ আৰু আই কামাখ্যাৰ মন্দিৰ তাত অৱস্থিত আছিল। অতিকৈ তাৎপৰ্যপূণ কথা হ'ল এই হাবুং অঞ্চলতে[৭] বাসুদেৱৰ পূজাৰ বহুল প্ৰচলন আছিল আৰু এনেদৰে লোকশ্ৰুতি আছে যে এই অঞ্চললৈ বেহা-বেপাৰ কৰিবলৈ যোৱা এজন সদাগৰে লোহিত নদীৰ পাৰত হাবুং অঞ্চলৰ খৰিকটীয়াই বাসুদেৱ পূজা নিজে কৰা দেখি আৰু পূজাৰ নিয়ম-বিধি দেখি আকৰ্ষিত হৈছিল আৰু তাতে নাও ৰখাই

বাসুদেৱৰ পূজাৰ বিষয়ে সোধ-পোছ কৰিছিল। যি সময়ত অসমত মাতৃ-পূজাৰ ব্যভিচাৰী ৰূপে চিন্তাশীল লোকৰ মনত কষ্ট দিছিল, হাবুং অঞ্চলত সেই সময়তেই বাসুদেৱ কৃষ্ণৰ পূজাৰ সহজ বিধিয়ে সাৰ্বজনীনতা লাভ কৰিছিল। বংগদেশত বহুল প্ৰচাৰ লাভ কৰা সত্যনাৰায়ণ ব্ৰতকথা নাৰায়ণপুৰ আৰু লক্ষীমপুৰতে প্ৰথমতে সৃষ্টি হৈ বাসুদেৱ-ভক্তি মাৰ্গে বংগদেশলৈ গোৱাৰ কথা ৰাজমোহন নাথে উনুকিয়াইছে।

কলাবাৰীৰ বাসুদেৱ থান নংগনুৱা আৰু লালুকত থকা মন্দিৰৰ ভগ্নাৱশেষে হাবুঙৰ একালৰ কলিতা ৰজাৰ বাসুদেৱ ভক্তিৰ কথাকে ঘোষণা কৰে।

মাতৃৰূপে বন্দিতা হোৱা মা-দুৰ্গা বা কল্যাণীক এই অঞ্চলত অতীজৰেপৰা শীতলা আই বা আই হিচাপে পূজিত হৈ আহিছে।

কল্যাণী গোঁসানী আৰু মহাদেৱৰ পূজা

সৌমাৰপীঠত এই আই কল্যাণীৰ পূজা এতিয়াও চলি আছে। সোনোৱাল আৰু ঠেঙাল কছাৰীয়ে মহাদেউ আৰু আই গোসানীক মানি বিভিন্ন বলি-বিধানেৰে সন্তুষ্ট কৰি ৰাখিছিল আৰু আই গোসানীৰ ধ্যান-ধাৰণাই তেওঁলোকৰ মাজত প্ৰাধান্য লাভ কৰিছিল। বিশ্বনাথৰ কলিতা আৰু কেওটসকলে মহাদেৱৰ সেৱাত ব্ৰতী হৈ আছিল। ডোম-হাৰীসকলে আই মাতৃক পূজিছিল। জকাইচুক অঞ্চলত বাসুদেৱ পূজা অতি উন্নত স্তৰৰ আছিল। তান্ত্ৰিক বৌদ্ধধৰ্মই এই অঞ্চলত প্ৰভাৱ বিস্তাৰ কৰিছিল। চতিয়া অঞ্চলত বসবাস কৰা চুতিয়াসকল[৮] আছিল কেঁচাইখাতি আই গোসানীৰ পূজক, হাবুং অঞ্চলৰ দেউৰীসকলো মহাদেউ বুঢ়া-গোসাঁই আৰু কেঁচাইখাতি গোসানীৰ পূজক আছিল। পশ্চিম বড়ো গোষ্ঠীৰ মেচ আৰু ৰাভাসকলেও মহাদেউ আৰু পাৰ্বতীৰ পূজা কৰিছিল। নাৰায়ণপুৰত বৈ যোৱা কোঁচসকলো আছিল আই কামাখ্যাৰ পূজক। হেলেম অঞ্চলৰ লালুংসকলেও মহাদেউ আৰু বুঢ়ী-গোসানীক পূজা কৰিছিল; কিন্তু নাগশংকৰ আৰু বিশ্বনাথ অঞ্চলৰ বাহিৰে বুৰৈ নৈৰ পূৰত শিৱমন্দিৰ থকাৰ প্ৰমাণ পোৱা নাযায়। আই গোসানীৰ থান কলংপুৰত এখন, নাৰায়ণপুৰ অঞ্চলত দুখন আছিল। তদুপৰি এই অঞ্চলত অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ উত্তৰ-পাৰত কোনো মৰাণ-বসতি নাছিল।

গহপুৰ, ধলপুৰ আৰু নাৰায়ণপুৰ অঞ্চলত ভূঞাসকলৰ আধিপত্য আছিল আৰু তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীক সংস্কৃত টোলত পঢ়ুৱাইছিল। এই টোলসমূহ ব্ৰাহ্মণ পণ্ডিতসকলে পৰিচালনা কৰিছিল আৰু এই নাৰায়ণপুৰৰ এখন টোলতেই শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱে সংস্কৃত শিক্ষা লভি শ্ৰীমদ্‌ভাগৱত আদি জটিল শাস্ত্ৰবোৰ অধ্যয়ন আৰু হৃদয়ঙ্গম কৰিছিল। আহোমসকলেও এনেবোৰ টোলৰ উন্নতিৰ কাৰণে সাহায্য আগবঢ়াইছিল। এই অঞ্চলত কিছুমান ইচলান-ধৰ্মী লোকেও বসবাস কৰিছিল।

বৰ্তমান উত্তৰ লক্ষীমপুৰ মহকুমাত দুখন তামৰ ফলি পোৱা গৈছে। প্ৰথমখনৰ যোগে সুৰ-ৰিপু বংশৰ সধয়াপুৰী-অধীশ্বৰ শ্ৰীসত্যনাৰায়ণ ৰজাই কাশ্যপ গোত্ৰীয় সংকৰ্ষণ দ্বিজৰ নাতি নাৰায়ণ দ্বিজক ধৰলিৰ (ঢল নৈৰ?) তীৰত লুদুমী-মাৰি নামে খাত দিয়ে ১৩১৪ শকত (ৰেদে চন্দ্ৰে চ ৰিতিহোতে সন্মাপকে ৪১৩১)। এই ফলিখনত আদিতে একাদিক্ৰমে গণেশ, বাসুদেৱ, ঈশান আৰু অম্বাক বন্দনা জনোৱা হৈছে। দ্বিতীয়খন ফলিত সত্যনাৰায়ণৰ পুত্ৰ লক্ষীনাৰায়ণে ১৩২৩ শকত (শাকে ৰামে ভুজে বহ্নৌ দ্বিজৰাজ যুটে তথা) বিষুৱে পুণ্যে অৰ্থাৎ পুণ্য বিহুৰ দিনা স্বনদীৰ (সোৱণশিৰিৰ) পশ্চিমলৈ বখনা গাৱঁৰে সৈতে দুশ পুতি মাটি দিয়ে বাসুদেৱাচ্ছনে ৰত হৰি-পুত্ৰ ৰৱিদেৱক।

তাম্ৰফলিত বন্দনা

দিক্কৰবাসিনী দেৱীৰ অধিকাৰ ভূমি দিক্কৰ নদীৰ (দিক্ৰপানী বা দেত্তপানী) পাৰৰ প্ৰান্তদেশত সিতগঙ্গা স্বনদীত স্নান কৰি শম্ভু, হৰি-বিধিক দৰ্শন কৰি ললিত-কান্তা নামৰ শ্ৰীমঙ্গলচণ্ডীক পূজা কৰাৰ বিধি কালিকা পুৰাণত দিয়া হৈছে। দিক্কৰবাসিনী পীঠত বিষ্ণু থাকে শিলাৰূপে। ইয়াত 'ওঁ নমো ভগৱতে বাসুদেৱায়' এই দ্বাদশাক্ষৰ মন্ত্ৰেৰে আৰু নাৰদ নিগদিত পঞ্চৰাত্ৰৰ বিধানমতেও বাসুদেৱ পূজা হৈছিল। এই পূজা পঞ্চদেৱতা পূজাৰ অন্তৰঙ্গ।

'শম্ভু গৌৰী তথা ব্ৰহ্মা ৰামঃ কৃষ্ণস্তথৈৱ চ।
এতাস্তু সতত পূজাঃ সংস্থিতা পঞ্চদেৱতাঃ॥'

(মহেশ্বৰ নেওগ ঃ ১৮)

উত্তৰ লক্ষীমপুৰৰ ওচৰত অৱস্থিত বাসুদেৱ থানে সেই সময়ত সেই অঞ্চলত বাসুদেৱ কৃষ্ণৰ পূজা যে বহুলভাৱে প্ৰচলিত আছিল সেই সত্য প্ৰকাশ কৰে। কালিকা পুৰাণত ভগৱান বিষ্ণুৱে হয়গ্ৰীৱ দৈত্যক বুঢ়ীগঙ্গা (বৰ্তমান বৰগাং)-ৰ পাৰত নিধন কৰে বুলি উল্লেখ আছে আৰু তাত এখনি পবিত্ৰ দেৱালয় স্থাপন কৰাৰ কথা উল্লেখ আছে। এনেদৰে দেখা যায়, বাসুদেৱ কৃষ্ণৰ পূজা অসমৰ উত্তৰ-পাৰত প্ৰধানকৈ সৌমাৰপীঠত বহুল প্ৰচলিত আছিল আৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ শৈশৱৰেপৰা এনে ধৰ্মীয় প্ৰভাৱৰপৰা মুক্ত নাছিল। বিষ্ণু-বালি-কুঞ্চিত শৈশৱকাল আৰু যৌৱন অতিৱাহিত কৰি তেবাই শিক্ষাগুৰুৰ তত্ত্বাৱধানত সংস্কৃত শিক্ষা লাভ কৰি পণ্ডিত হৈছিল। সংস্কৃত ভাষাত তেখেতৰ বুৎপত্তিৰ মূলভেটি নাৰায়ণপুৰ বিষ্ণু-বালি কঞ্চিতেই ৰচিত হৈছিল।

তৃতীয় খণ্ড

'আদি-চৰিত'—এটি পৰ্যালোচনা

অনিৰুদ্ধদেৱৰ বিষয়ে যি অপপ্ৰচাৰ চলিছিল তাৰ প্ৰধান কাৰণ আছিল 'আদি চৰিত'[১] নামৰ পুথিখনি—যিখন মাধৱদেৱৰ ভণিতা দি ৰচিত হৈছিল। এই চৰিত পুথিখনি মায়ামৰা গোসাঁইসকলৰ ধন-জন-বলত ঈৰ্ষা-পৰায়ণ হৈ বিশেষকৈ 'মোৱামৰীয়া' গণ-অভ্যুত্থানৰ পিছত ৰচিত হৈছিল, যাতে অনিৰুদ্ধ আৰু তেখেতৰ বংশধৰসকলক শংকৰ-বৰ্জিত বুলি কৈ এঘৰীয়া কৰিব পাৰি। এই অপপ্ৰচাৰে কামো দিছিল। কাৰণ আজিলৈকে অনিৰুদ্ধদেৱৰ বংশধৰসকলক অন্যান্য মহন্তসকলে তথা সত্ৰসমূহে সমপৰ্যায়ৰ বুলি নধৰি একপ্ৰকাৰ অস্পৃশ্য কৰি ৰাখিছে। আহোম ৰাজবংশৰ শাসনৰ অন্ত পেলোৱাত 'মোৱামৰীয়া' গণ-অভ্যুত্থানে কম অৰিহণা যোগোৱা নাই। মায়ামৰা-শিষ্য ৰমাকান্তই আহোম ৰজাৰ সিংহাসন দখল কৰিলে লক্ষ্মীসিংহ স্বৰ্গদেওৰ দিনত (১৬৯১ শক)। ৰমাকান্তই ৰজা হৈয়েই মায়ামৰা গোসাঁইৰ বাহিৰে অন্যান্য সত্ৰৰ গোসাঁইসকলক উৎপীড়ন কৰে বুলি বুৰঞ্জীত উদ্ধৃত আছে আৰু ৰমাকান্তই অন্যান্য গোসাঁইসকলৰপৰা কৰো আদায় কৰিছিল। অন্যান্য গোসাঁইসকলৰ শিষ্যসকলক জোৰকৈ মায়ামৰা গোসাঁইৰ শিষ্য কৰিবলৈ বিচৰাত বুঢ়া সত্ৰাধিকাৰ অষ্টভুজে আজ্ঞা নিদিয়াত শেষত যিসকল কোনো গোসাঁইৰ শিষ্য নহয়, তেওঁলোক সকলোকে জাউৰী জাউৰীয়ে মায়ামৰা গোসাঁইৰ শৰণ দিয়ালে। যেতিয়া পুনৰ আহোম স্বৰ্গদেওৰ হাতলৈ শাসনভাৰ গ'ল, স্বৰ্গদেৱে মায়ামৰা গোসাঁই আৰু তেওঁৰ শিষ্যসকলক শাস্তি দিবলৈ ধৰিলে আৰু নতুনকৈ জোৰকৈ কৰা শিষ্যসকলে ৰজাঘৰীয়া ৰোষত ঘিউ ঢালিলে। পিছত বাকী সত্ৰাধিকাৰসকলেও মায়ামৰা গোসাঁইৰ দেখ দেখ বিৰুদ্ধাচৰণ কৰিবলৈ ধৰিলে। ফলস্বৰূপে অপপ্ৰচাৰে অগ্ৰণী ভূমিকা ল'লে আৰু মায়ামৰা গোসাঁই আৰু শিষ্য-

সকল অসমীয়া সমাজত অস্পৃশ্য হ'ল। 'আদি-চৰিত' নামৰ জাল পুথিখনি এই পটভূমিতে ৰচিত হোৱা, গতিকে তাত যে অনিৰুদ্ধদেৱ আৰু তেওঁৰ বংশধৰসকলৰ বিষয়ে অপপ্ৰচাৰ চলিব তাত কোনো আচৰিত হ'বলগীয়া নাই। কিন্তু মাধৱদেৱে ৰচনা কৰা বুলি যি মিছা প্ৰচাৰ চলিল, সি সাধাৰণ প্ৰজা আৰু লোকসকলক বিশেষভাৱে প্ৰভাৱান্বিত কৰিলে, কাৰণ মাধৱদেৱৰ বাক্য শিলৰ ৰেখা। আদি চৰিতৰ কেইটামান উদ্ধৃতি দিলে মায়ামৰা গোসাঁই বিৰোধী মনোভাৱ বাৰুকৈয়ে প্ৰকাশ পাব।

পদ

'মাধৱ বদতি শুনা সাধু সমস্তয়।
বৰদোৱা থানে প্ৰভু শংকৰ আছয়॥
চাৰিদিনা থাকি প্ৰভু শ্ৰীমন্ত শংকৰ।
লগত লৈলন্ত ভক্তগণ নিৰন্তৰ॥
ৰত্নপুৰ আসাম দেখিব মন কৰি।
মায়ামৰা — ভক্তসমে চলি গৈলা শংকৰ শ্ৰীহৰি॥
নামৰ তাৎপৰ্য — লগে নাহি তাম্ৰাক্ষৰী শাস্ত্ৰ মন দুখে।
মহাদুখ কৰিয়া চলন্ত পূৰ্বমুখে॥
... ...
... ...
মায়া সৰ্প গুচাইলেক ৰাজাৰ আগত।
সি কাৰণে মায়ামৰা নাম ভৈলা সত্ৰ॥

ৰজনীকান্ত বৰদলৈয়ে[২] উক্ত কাহিনী মিছা আৰু আধাৰহীন বুলি বক্তব্য ৰাখিছে। 'মোৱামৰীয়া' গণ-অভ্যুত্থানৰ বীৰাংগনা ৰাধা-ৰুক্মিনীয়ে আচলত গুলি পাতি ধৰা কাহিনীয়ে মায়ামৰা গোসাঁইৰ

তথাকথিত নাও যাত্ৰা

শিষ্য মানেই মায়া আৰু যাদুমন্ত্ৰ জনা লোক বুলি যি জন-বিশ্বাস গঢ় লৈ উঠিল, তাৰ আধাৰতে আদি-চৰিতত 'ধাতু তাম্ৰাক্ষৰী কল্পতৰু শাস্ত্ৰ' নামৰ মায়া আৰু যাদুবিদ্যাৰ পুথি এখন শংকৰদেৱৰ অনিৰুদ্ধদেৱে চুৰ কৰি নিয়া আৰু এদিনাখন শংকৰদেৱৰ সৈতে নাৱত গৈ থাকোঁতে এই শাস্ত্ৰৰ মন্ত্ৰ মাতি ভাৱৰীয়া

বতৰ ফৰকাল কৰাৰ কথা ৰচনা কৰাত অৱিহণা যোগালে বুলি ভবাৰ যথেষ্ট অৱকাশ আছে। ৰত্নপুৰলৈ বৰদোৱা থানৰপৰা নাৱত গৈ থাকোঁতে শংকৰদেৱৰ লগত মাধৱদেৱ, গোপালদেৱ, দামোদৰ আৰু অন্যান্য শিষ্যসকল আৰু অনিৰুদ্ধদেৱো আছিল। আকাশত মেঘৰ গাজনি শুনি আৰু মেঘাচ্ছন্ন আকাশলৈ চাই শংকৰদেৱে বৰমূণ হ'ব নেকি সুধিলে আৰু তেতিয়া 'পোন্দাৰ' পুত্ৰ অনিৰুদ্ধই মনে মনে মন্ত্ৰ মাতি বৰমূণ বন্ধ কৰিলে বুলি 'আদি-চৰিত'ত উল্লেখ আছে। বৰমূণ কোনে বন্ধ কৰিলে বুলি শংকৰদেৱে সোধাত অনিৰুদ্ধদেৱে বৰমূণৰ-পৰা শংকৰদেৱক ৰক্ষা কৰিবলৈহে মেঘ-দেৱতাক আৰাধনা কৰিলে বুলি কোৱাত শংকৰদেৱ খঙতে একো নাই হৈ অনিৰুদ্ধদেৱক মাজ নদীতে নাওৰপৰা নামি যাবলৈ আদেশ দিলে। অনিৰুদ্ধদেৱে পানীৰ মাজত দ্বীপ সৃষ্টি কৰি তাতে নামিল আৰু যেতিয়া শংকৰ-দেৱৰ খঙ মাৰ গ'ল, অনিৰুদ্ধদেৱক ঘূৰাই আনিবলৈ যদুমণি আতাক পঠালে, তেতিয়া অনিৰুদ্ধদেৱে নাওলৈ ঘূৰি যাবলৈ অমান্তি হ'ল। এনে আখ্যান আদি চৰিতত বৰ্ণিত আছে। তেতিয়া শংকৰদেৱে খঙত ক'লে যে অনিৰুদ্ধদেৱে কল্পতৰু শাস্ত্ৰ চুৰ কৰি তাৰ প্ৰভাৱত দেৱ-দেৱীক তুষ্ট কৰি বৰমূণ অহা বন্ধ কৰি মহাপুৰুষীয়া ধৰ্মৰ অৱমাননা কৰিলে, গতিকে মহাপুৰুষীয়া ধৰ্মৰপৰা তেওঁক বহিস্কাৰ কৰা হ'ল। কোনেও অনিৰুদ্ধদেৱৰ লগত খোৱা-বোৱা বা অন্য আদান-প্ৰদান কৰিব নোৱাৰিব আৰু কোনেও অনিৰুদ্ধদেৱৰ শিষ্যত্ব গ্ৰহণ কৰিব নোৱাৰিব। যদিও তেখেতৰ দৰেই অনিৰুদ্ধদেৱ ভূঞাৰ সন্তান; তথাপিও ভূঞাসকলে তেওঁক নিজৰ বুলি গ্ৰহণ নকৰিব। এনেদৰে কৈ শংকৰদেৱে কুশবন এডাল লৈ দুফাল কৰি ক'লে যে অনিৰুদ্ধ-দেৱক জাতিৰপৰা বহিস্কাৰ কৰা হ'ল আৰু ভূঞাৰ দুটা জাতি হ'ব বুলি ক'লে। এনেদৰে আদি চৰিতত মিছা কথাৰে ভৰি আছে।

তথাকথিত নাওযাত্ৰা

'আদি চৰিত' যে কোনো ঈৰ্যান্বিত ব্যক্তিৰ মাধৱদেৱ ভণিতাত লিখা অনিৰুদ্ধদেৱ আৰু তেখেতৰ অনুগামীসকলৰ প্ৰতি আক্ৰোশ-মূলক ৰচনা সেই কথা নিঃসন্দেহে সত্য। ৰজনীকান্ত বৰদলৈ, সূৰ্য কুমাৰ ভূঞা, মহেশ্বৰ নেওগ আদি পণ্ডিতসকলে শংকৰদেৱৰ নাৱত একেলগে অনিৰুদ্ধদেৱ যোৱা আৰু মেঘ-দেৱতাক মন্ত্ৰ মাতি সন্তুষ্ট

কৰাৰ ঘটনা ঐতিহাসিক দৃষ্টিকোণৰপৰা অশুদ্ধ আৰু আধাৰহীন বুলি মত পোষণ কৰিছে আৰু উক্ত ঘটনা কল্পনা-প্ৰসূত বুলি স্পষ্টৰূপত কৈছে। আদি চৰিত যে জাল পুথি ইয়াত কোনো সন্দেহ নাই। অন্যান্য চৰিত পুথিৰ দৰে আদি চৰিতত কোনো চন-তাৰিখৰ উল্লেখ নাই। পদ্য-শৈলী তৃতীয় শ্ৰেণীৰ আৰু মাধৱদেৱৰ দৰে মহান পণ্ডিতৰ ৰচনা কেতিয়াও হ'ব নোৱাৰে। ঐতিহাসিকভাৱেও অনিৰুদ্ধদেৱ কেতিয়াও শংকৰদেৱৰ শিষ্য হ'ব নোৱাৰে। গোপালদেৱৰ চৰিত পুথিত স্পষ্টভাৱে লিখা আছে যে অনিৰুদ্ধদেৱে শংকৰদেৱক লগ পোৱা নাছিল আৰু অনিৰুদ্ধদেৱৰ গুৰু গোপালদেৱেও শংকৰদেৱৰ শিষ্যত্ব লোৱা নাছিল। বৰঞ্চ গোপালদেৱে মাধৱদেৱৰ ওচৰতহে শৰণ লৈছিল। উক্ত চৰিত পুথিত অনিৰুদ্ধদেৱে মাধৱদেৱকো লগ নোপোৱাৰ কথাহে উল্লেখ আছে।

আদি চৰিত মাধৱদেৱৰ ৰচনা নহয়

'চাবিবাৰ শংকৰক ভৈল দৰশন।
তথাপিতো ঈশ্বৰত নলৈলা শৰণ॥'

(গোপালদেৱৰ চৰিত)

অৰ্থাৎ গোপালদেৱে শংকৰদেৱক চাৰিবাৰ লগ পাইছিল; কিন্তু শংকৰদেৱৰ ওচৰত শৰণ লোৱা নাছিল। চৰিত পুথিসমূহ আৰু বুৰঞ্জীসমূহৰপৰা দেখা যায় যে শংকৰদেৱে কোঁচবিহাৰত ১৪৯১ শকত ইহলীলা সম্বৰণ কৰে। তেতিয়া অনিৰুদ্ধদেৱৰ বয়স আছিল মাত্ৰ ১৬ বছৰ। তলৰ তালিকাখনত তুলনামূলক বছৰবোৰ উল্লেখ কৰা হ'ল।

মহাপুৰুষৰ নাম	জন্ম বয়স (শক)	ধৰ্ম-প্ৰচাৰৰ আৰম্ভণি (শক)	ধৰ্ম-প্ৰচাৰৰ সময় (বছৰ)	মৃত্যু তিথি (শক)
শ্ৰীশ্ৰীশংকৰদেৱ	১৩৭১	১৪১৪	৭৭	১৪৯১
শ্ৰীশ্ৰীমাধৱদেৱ	১৪১১	১৪৯১	২৬	১৫১৮
শ্ৰীশ্ৰীগোপালদেৱ	১৪৬৩	১৫১৮	১৫	১৫৩৩
শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ	১৪৭৫	১৫২৩	২৫	১৫৪৮

এই কথাও সত্য নহয় যে ১৬ বছৰীয়া ল'ৰা এজনে তান্ত্ৰিক

গ্ৰন্থ এখন পঢ়ি স্মৰণশক্তিৰপৰা মন্ত্ৰ পাঠ কৰি বৰুণ দেৱতাক সন্তুষ্ট কৰিব পাৰিব। তদুপৰি শ্ৰীশ্ৰীশংকৰদেৱৰ মৃত্যুৰ সময়তহে অনিৰুদ্ধদেৱ ১৬ বছৰীয়া আছিল। ৰত্নপুৰলৈ বৰদোৱাৰপৰা যদি নাৱত গৈছিলেও অনিৰুদ্ধদেৱ হয়তো কেঁচুৱা আছিল। গতিকে নাৱত ঘটা বুলি ধৰা ঘটনাটোৰ কোনো সত্যতা থাকিব নোৱাৰে। তদুপৰি বৃদ্ধ বয়সত শংকৰদেৱে অনিৰুদ্ধদেৱক নাৱত পালেও মহাপুৰুষজনাই ১৬ বছৰীয়া ল'ৰা এজনৰ মন্ত্ৰ পাঠত কোনো ধৰণৰ অস্বস্তি বোধ নকৰি ক্ষমাহে কৰিলেহেঁতেন, বহিস্কাৰ কৰাৰ কথা পিছত।

'আদি চৰিত' মতে শংকৰদেৱে ব্ৰহ্মপুত্ৰ নদীয়েদি বৰদোৱা এৰি যাওঁতে অনিৰুদ্ধদেৱক সামাজিক বহিস্কাৰ কৰিছিল। ডঃ মহেশ্বৰ নেওগৰ মতে শংকৰদেৱে বৰদোৱা এৰিছিল ১৪৩৮ শকত। তেতিয়া অনিৰুদ্ধদেৱৰ জন্মই হোৱা নাছিল। তদুপৰি আদি-চৰিতৰ লিখকৰ ভূগোলৰ জ্ঞানো নাছিল।

> "মাধৱ বদতি কথা শুনা ভক্তজন।
> তৈৰ পৰা নৌকা মেলি গৈলা গুৰুজন॥
> তৃতীয় দিৱসে ৰত্নপুৰ দেশ পাইলা।
> পাটবাউসী গ্ৰামৰ দক্ষিণে গুৰু ৰৈলা॥
> দক্ষিণে বহন্ত তীৰ্থৰাজ ব্ৰহ্মপুত্ৰ।
> দক্ষিণপাট নামে তৈতে পাতিলন্ত সত্ৰ॥
> চাৰিদিন সেহি সত্ৰে থাকিয়া শংকৰ।
> ভালৰূপে সত্ৰ সভা পাতিলা ঈশ্বৰ॥
> দামোদৰ গুৰু তাতে অধিকাৰী দিলা।
> তাহাংক চাহিয়া প্ৰভু বচন বুলিলা॥"

এনেদৰে আদি-চৰিতৰ লিখকে বৰপেটাৰ পাটবাউসী আৰু মাজুলীৰ দক্ষিণপাট একে ওচৰা-উচৰি কৰি স্থাপিত কৰিলে! অনিৰুদ্ধদেৱে প্ৰথম সত্ৰ বিষ্ণু-বালি-কুঞ্চিত স্থাপন কৰাৰকথাত কাৰো দ্বিমত নাই। কিন্তু আদি চৰিতৰ

তেতিয়া

ৰচয়িতাই সেই সত্ৰ পতালে গৈ টেঙাপানী নৈৰ কাষৰ হোলোঙাগুৰিত। হোলোঙাগুৰি খামতিৰ দেশত আৰু তালৈ গৈ তেতিয়া ধৰ্ম-প্ৰচাৰ কৰা কথাটো গছত গৰু উঠা কথা।

ডঃ মহেশ্বৰ নেওগৰ মতে শংকৰদেৱে বৰদোৱা এৰিছিল ৬৭½ বছৰ বয়সত ১৪৩৮ শকত অৰ্থাৎ অনিৰুদ্ধদেৱৰ জন্মৰ আগতে (জন্মঃ ১৪৭৫ শক)। ঐতিহাসিক দৃষ্টি কোণৰপৰা চালেও নাওৰ ঘটনা সত্য নহয়। ৰজনীকান্ত বৰদলৈয়ে সচাঁকৈয়ে কৈছে ঃ

'মায়ামৰা সত্ৰৰ এই বংশাৱলী পুথিখনৰ মতে এয়ে হৈছে অনিৰুদ্ধদেৱৰ আচল জীৱনী। এই জীৱনীখনৰ ঘটনাবিলাকৰ শক-তাৰিখ পৰীক্ষা কৰি চালেও অসম বুৰঞ্জীৰ সৈতে মিল পোৱা যায়। প্ৰমাণ স্বৰূপে মহামতি চাৰ এডৱাৰ্ড গেইট চাহাবৰ আৰু ৰায়চাহাব শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱাৰ বুৰঞ্জী মতে চুকাংফা বা খোৰা ৰজাৰ ৰাজত্বকাল ১৫৫২ৰপৰা ১৬০৯ খৃঃ। মহাপুৰুষ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ জন্ম শক ১৪৭৫। তাত ৭৮ বছৰ যোগ দিলে হয় ১৫৫৩ খৃঃ, ধৰ্ম-প্ৰচাৰ আৰম্ভ কৰাৰ খৃষ্টাব্দ হয় ১৬০১ আৰু বৈকুণ্ঠ প্ৰয়াণৰ হয় ১৬১৬ খৃঃ। কাজে কাজে অনিৰুদ্ধদেৱক চুকাংফা বা খোৰাৰজাই পৰীক্ষা কৰাৰ সময়টো বুৰঞ্জী হিচাপে মিলে। এনেকুৱাবিলাক প্ৰকৃত বুৰঞ্জী লুটিয়াই 'আদি চৰিত' শ্ৰীশ্ৰীঅনিৰুদ্ধ-দেৱক শ্ৰীশ্ৰীশংকৰদেৱৰ কাষলৈ অৰ্থাৎ ডেৰশ বছৰ আগলৈ নিয়ে মহাপুৰুষ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱক নিন্দনীয় কৰিবৰ মতলবতে।"

অনিৰুদ্ধদেৱ আৰু তেখেতৰ অনুগামী তথা বংশধৰসকলক উপলুঙা কৰিবলৈ অন্য এটা মিছা কাহিনীয়ে ইয়াত স্থান পায়। সেয়া হৈছে, গোপালদেৱে অনিৰুদ্ধদেৱৰ সত্ৰলৈ গৈ শুকান মাছ ভাতৰ লগত খাবলৈ দিয়াত অনিৰুদ্ধদেৱক সামাজিক বহিস্কাৰ কৰা আৰু চাৰি সংহতিৰপৰা বাজ কৰা অন্য এটা মিছা কাহিনী। দিহিং সত্ৰৰ যদুমণি আতাক শুকান মাছ খাবলৈ দিয়াত অনিৰুদ্ধদেৱৰ লগত সম্পৰ্ক ছেদ কৰাৰ কাহিনী। ডঃ সূৰ্য কুমাৰ ভূঞাই উক্ত কাহিনী দুটা মিছা বুলি স্পষ্টভাৱে কৈছে। দুয়োটা কাহিনীয়েই পৰস্পৰ বিৰোধী বুলি অভিহিত কৰিছে। শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ পিছত অনিৰুদ্ধৰ ঘৰত আতিথ্য গ্ৰহণ কৰিছিল বুলি উক্ত কাহিনী দুটাত উল্লেখ আছে। যদি শ্ৰীশ্ৰীশংকৰদেৱে গোপালদেৱ আৰু যদুমণিদেৱৰ সম্মুখতে নাৱৰপৰা অনিৰুদ্ধদেৱক বহিস্কাৰ কৰিছিল আৰু সামাজিকভাৱে বৰ্জন কৰিবলৈ নিৰ্দেশ

দিছিল, তেতিয়া হ'লে গুৰুৰ আদেশ অমান্য কৰি গোপালদেৱ আৰু যদুমণিদেৱে অনিৰুদ্ধৰ ঘৰলৈ গৈ আতিথ্য গ্ৰহণ কৰা কথাটো গ্ৰহণ-যোগ্য নহয়। অনিৰুদ্ধদেৱৰ শিষ্যসকল বিশেষকৈ কছাৰী, বৰাহী, আহোম আদিয়ে শুকান মাছ খোৱাটো সঁচা কথা; কিন্তু শিষ্যসকলৰ অভ্যাস এটা গুৰুলৈ সোঁচৰিব বুলি ভবাৰ প্ৰৱণতা শুদ্ধ নহয়। আনকি ডঃ হীৰেন গোহাঁয়েও এই আদি চৰিতৰ কল্প কাহিনীতে ভেজা দি লিখিছে যে অনিৰুদ্ধদেৱ সাত্বিক পুৰুষ আছিল যদিও তেখেতে শুকান মাছ ভক্ষণ কৰিছিল আৰু এদিনাখন গোপালদেৱ আৰু যদুমণিদেৱক ভাতত শুকান মাছ দিয়াত খং কৰি তেওঁলোকে অনিৰুদ্ধদেৱৰ লগত সম্পৰ্ক ছেদ কৰিছিল। এনেদৰে শিষ্যসকলৰ অন্তৰ প্ৰৱেশ কৰিবলৈকে অনিৰুদ্ধদেৱে শুকান মাছ খাইছিল বুলি যি অভিমত ডঃ হীৰেন গোহাঁয়ে দাঙি ধৰিছে সেয়া সত্যৰ ভেটিত প্ৰতিষ্ঠিত নহয়। বৰ্তমানৰ মায়ামৰা গোসাঁইসকলে শুকান মাছ নেখায়। যদি অনিৰুদ্ধদেৱৰ মানত শুকান মাছ ইমান আৱশ্যকীয় বস্তু আছিল যে আনকি তেখেতৰ গুৰু গোপালদেৱকো তাক নিদি নোৱাৰিছিল, তেতিয়া হ'লে পৰম্পৰাগতভাৱে এই শুকান মাছ মায়ামৰা গোসাঁইসকলৰ মানত অতি পৱিত্ৰ প্ৰসাদ-জাতীয় বস্তু হিচাপে স্থান ল'লেহেঁতেন। কিন্তু বাস্তৱক্ষেত্ৰত সেয়া হৈ উঠা নাই। তদুপৰি মৃত্যু পৰ্যন্ত অনিৰুদ্ধদেৱ আৰু যদুমণিদেৱ অত্যন্ত বন্ধু হৈ থকা কথাটোৱেও এই সত্যতা জাহিৰ কৰে। নাহৰআটিত দুই সুহৃদৰ মৰিশালি ওচৰা-উচৰিকৈ আছে। এই 'আদি-চৰিত' নগেন্দ্ৰ নাথ বাসু আৰু মহামতি চাৰ এডোৱাৰ্ড গেইটৰ চিন্তাটো প্ৰভাৱ বিস্তাৰ কৰিছিল। চাৰ গেইটে আদি চৰিতৰ অনুকৰণত অনিৰুদ্ধ-দেৱৰ পিতৃৰ নাম 'পোন্দা' বুলি থ'লে। কিন্তু অনিৰুদ্ধ যে উজনি অসমৰ আদি ভূঞা পৰিয়ালৰ লোক এই কথা চাৰ গেইটে স্বীকাৰ কৰিছে। আদি চৰিতকে অনুসৰণ কৰি চাৰ গেইটে লিখিছে ঃ—

"The Bamunia Gosains had one sudra rival in Upper Assam in the person of Aniruddha, a Kalita by caste. This man quarrelled with Sankar-deb and leaving him, founded the Moamoria seet,

the adherents of which were destined to play an important part in the downfall of Ahom rule."

গোপালদেৱৰ চৰিত পুথিত অনিৰুদ্ধদেৱক ভূঞাৰ সন্ততি বুলি কৈছে ঃ—

'শুনা আৰো বাপ অনিৰুদ্ধৰ চৰিত।
সিসৱ কথাক আৱে কৰিবো বিদিত॥
বৰদলৈ নামে ভূঞা নাৰায়ণপুৰৰ।
তান পঞ্চ সন্ততি ভৈলন্ত মনোহৰ॥
... ...
বাপ অনিৰুদ্ধে বোলে মোক নলাগয়।
সাধু সংগ লৈবো মই বুলিলো নিশ্চয়॥'

(শ্ৰীগোপালদেৱৰ চৰিত)।

চতুৰ্থ খণ্ড

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ গুৰু নিৰ্ণয়

অনিৰুদ্ধদেৱৰ প্ৰচাৰিত নাম-ধৰ্ম শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰপৰা ভিন্ন নহয় সেই কথা সুপ্ৰতিষ্ঠিত আৰু নিসন্দেহে সত্য। ১৪৯০ শকত শংকৰদেৱে মাধৱ-দেৱতে সকলো ফালৰপৰা ধৰ্ম-উত্তৰাধিকাৰী হিচাপে থৈ ইহলীলা সম্বৰণ কৰে। কিন্তু তেৰাৰ আন এজন শিষ্য দামোদৰদেৱে পাটবাউসীত গুৰুজনাৰ আদ্যশ্ৰাদ্ধ অনুষ্ঠানত যোগ নিদিয়াত বাদানুবাদৰ সৃষ্টি হয় আৰু দামোদৰীয়া পন্থৰ সৃষ্টি-কাৰণ হয়। মাধৱদেৱ সুন্দৰীদিয়াত থাকোঁতে ভৱানীপুৰীয়া গোপালদেৱ, যদুমণিদেৱ, কেশৱনাৰায়ণ আতা, হৰিহৰ আতা আদিয়ে মাধৱদেৱৰ শৰণ লয়। ভৱানীপুৰীয়া আতা গোপালদেৱেই কালসংহতিৰ জনক। শিৱসাগৰৰ নাজিৰাহাটত ১৪৬৩ শকত গোপালদেৱে জন্ম গ্ৰহণ কৰে। তেখেত এজনা উচ্চ-শাৰীৰ পণ্ডিত আছিল আৰু মাধৱদেৱে তেখেতক সমভাৱে জ্ঞান কৰিছিল। গোপালদেৱে মাধৱদেৱৰপৰা শৰণ লৈছিল আৰু ভৱানী-পুৰ আৰু কালঝাৰত সত্ৰ স্থাপন কৰিছিল। ১৫৩৩ শকত গোপাল-দেৱ স্বৰ্গী হয়। শংকৰ-মাধৱৰ দিনত বৈষ্ণৱ সত্ৰসমূহত কোনো ভেদাভেদ নাছিল। পিছত উক্ত সত্ৰসমূহ চাৰিটা সংহতিত অন্তৰ্ভুক্ত। এই চাৰি সংহতি হৈছে (১) ব্ৰহ্ম সংহতি, (২) পুৰুষ সংহতি, (৩) কাল সংহতি আৰু (৪) নিকা সংহতি।

চাৰি সংহতিৰ সৃষ্টি কথা

ধৰ্মগুৰুৰ প্ৰতি অকুণ্ঠ নিষ্ঠাই কালসংহতিৰ প্ৰধান বৈশিষ্ট্যতা। ইতিহাসত এই কালসংহতিৰ সত্ৰ আৰু শিষ্যসকলে প্ৰায়েই ৰজা-ঘৰীয়া ক্ৰোধ আৰু প্ৰতিহিংসাৰ বলি হৈছিল।

কালসংহতিৰ জনক গোপালদেৱে শংকৰ আৰু মাধৱক গুৰু

হিচাপে মানি আহিছিল। গোপালদেৱৰ শংকৰদেৱৰপৰা শৰণ লোৱাৰ ইচ্ছা থাকিলেও শংকৰদেৱৰ জীৱনকালত শৰণ ল'ব নোৱাৰি শংকৰদেৱৰ অভিন্ন হৃদয় মাধৱদেৱৰপৰা শৰণ লৈছিল আৰু শংকৰ-মাধৱকেই গুৰু বুলি মানিছিল। গোপালদেৱৰ ৰচনাত শংকৰ-মাধৱৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তি প্ৰকট হৈ আছেঃ

গুৰু গোপালদেৱ আৰু গুৰু পৰকাস্তা

'ভাগৱত ক্ষীৰ সমুদ্ৰত আছয় ভকতি ৰত্ন যত
শ্ৰীমন্ত শংকৰে উদ্ধাৰি আনি বিভাগি।
তাৰ অন্তৰ্গত তত্ত্ব যত নিবেদিলা প্ৰিয় মাধৱত
লোকক কৃপায়ে থৈলা সংসাৰক লাগি॥
পৰম কৃপালুদেৱ হৰি শংকৰ স্বৰূপে অৱতৰি
ধৰ্ম প্ৰকাশিয়া বৈকুণ্ঠে চলন্ত পাছে।
আঁপোন পুত্ৰক লক্ষ্য কৰি সমস্ত লোকক নিৰ্দেশিলা
"মোৰ যত গুণ সৱে মাধৱত আছে॥'

... ...

'নমো শংকৰদেৱ মাধৱ সহিতে দুয়ো
মোৰ ইষ্টদেৱ দুয়োজন।
মাধৱৰ শিক্ষা ধৰি শুদ্ধভাৱে ভজোঁ হৰি
বন্দো হেন ভক্তৰ চৰণ॥
মাধৱ মাধৱ প্ৰাণ মাধৱ মাধৱ আত্মা
মাধৱ মাধৱ গুৰু দৃষ্ট।
মাধৱ মাধৱ নাম সুমৰণে সুমংগল
মাধৱেসে ইষ্টদেৱ নিষ্ট॥

'শংকৰ-মাধৱ অভেদ ঈশ্বৰ
গুৰু নাহি দুইত পৰে।
দুই হানো নামৰ কীৰ্তন কৰিয়া
কৃত্য কৃত্য হোৱে নৰে॥'

'সেৱহ মন, ভজহ মন, শংকৰৰ পদ দুই।
যা পদৰজ, পৰশি কলিত, অগতিৰ গতি হুই॥'

যো হৰি যদুকুলে অৱতৰি প্ৰকাশি যশ বিপুল।
জগত তাৰিলা, ভাৰ সংহৰিলা, নিস্তাৰিলা গোপকুল।।
সো হৰি শংকৰ, নৰৰূপ ধৰি, ৰাজধৰ কুলে আসি।
কুল উদ্ধাৰিলা, লোক নিস্তাৰিলা, কৃষ্ণৰ যশ প্ৰকাশি।।
গীত-কবিত্ব, শুনন্তে লোকৰ, অমৃত বৰিষে মনে।
মাধৱৰ পদ-ৰেণু শিৰে ধৰি, দীন গোপাল এহুভনে।।'

অনিৰুদ্ধদেৱে গোপালদেৱৰ বন্দনা এনেদৰে কৰিছেঃ

গুৰু গোপালদেৱৰ বন্দনা

'মত কহে অনিৰুদ্ধে মূঢ় পৰং
পৰ গোপালৰ পদে হৃদি ধৰং।।'

(গীত অনিৰুদ্ধদেৱ)

'অনিৰুদ্ধ নামে ভৈল তাহাৰ সন্ততি।
নজানো শাস্ত্ৰক অতিশয় কুণ্ঠ মতি।।
গোপালৰ চৰণৰ কৃপাসিন্ধু পাই।
কৰিলো পয়াৰ চতুৰ্থ স্কন্ধ চাই।।

(চতুৰ্থ স্কন্ধ ভাগৱত: অনিৰুদ্ধদেৱ)।

'গোপালৰ দুই, চৰণ সম্পৰ্কে মনে যেন উপজয়।।
পৰম দেৱতা, হৃদয়ত থাকি, দিলা মোক অনুমতি।
সেহি অনুৰূপে পঞ্চম স্কন্ধৰ[২] ৰচিলো পদ সম্প্ৰতি।'

(পঞ্চম স্কন্ধ ভাগৱত: অনিৰুদ্ধদেৱ)

গোপালদেৱৰ চৰিত পুথিত চৰিত-কাৰে ভুঞাৰ পো অনিৰুদ্ধদেৱৰ বিষয়ে এনেদৰে কৈছেঃ

গোপালদেৱৰ চৰিত পুথিত অনিৰুদ্ধদেৱ

'শুনা আৰো বাপ অনিৰুদ্ধৰ চৰিত।
সিসৱ কথাক আৱে কৰিবো বিদিত।।
বৰদলৈ নামে ভূঞা নাৰায়ণপুৰৰ।
তানে পঞ্চ সন্ততি ভৈলেক মনোহৰ।।
পঞ্চ যে গ্ৰামৰ অধিকাৰী হয়াছিল।
শেষ কালে পঞ্চকো বিভাগ কৰি দিল।।
বাপ অনিৰুদ্ধে বোলে মোক নলাগয়।
সাধু সংগ লৈবো মই বুলিলো নিশ্চয়।।

এহি বুলি গৃহৰ সুখক এৰিলন্ত।
ছাত্ৰ-শালে শাস্ত্ৰ পঢ়ি পণ্ডিত ভৈলন্ত॥
পঢ়ি-শুনি তাৰা যেৱে তত্ত্বক জানিল।
হৰি ভক্তি সত্য হেন মনত মানিল॥
গোপালৰ মহিমা শ্ৰৱণে শুণিলন্ত।
কালঝাৰ যাইবাক যতন কৰিলন্ত॥
আগবঢ়াই থৈলা নিয়া বাপ নাৰায়ণে।
বাপ অনিৰুদ্ধ গৈলা কালঝাৰ থানে॥
গোপালক গৈয়া তাতে দৰশন পাই।
দ্ৰৱ ভৈল চিত্ত হৰিষৰ পাৰ নাই॥
শুদ্ধভাৱে গোপালৰ চৰণে ভজিয়া।
তথাতে ৰহিলা প্ৰেমৰসত ডুবিয়া॥'

কাঁলঝাৰত থাকোঁতে অনিৰুদ্ধদেৱে মাধৱদেৱৰ লগ পোৱা নাছিল। গোপালদেৱৰ চৰিত পুথিত এনেদৰে লিখা আছে ঃ

'আত অনন্তৰে শুনা গোপালৰ লীলা।
ভকতসৱক যেন বচন বুলিলা॥
সমাজ পাতিয়া যেবে বসিয়া আছন্ত।
ভকতসৱক হেন বাক্য বুলিলন্ত॥
তোমৰাসকল যে বিচক্ষণ ভৈলা।
আতা মাধৱক লাগ কিয়নো নপাইলা॥
বাপ অনিৰুদ্ধে বোলে আমাৰ অভাগ।
তাত যে নপাইলো দেৱ মাধৱক লাগ॥'
(শ্ৰীগোপালদেৱৰ চৰিত)।

অনিৰুদ্ধদেৱৰ শিক্ষা শেষ হোৱাত গুৰু গোপালদেৱৰপৰা ঘৰলৈ ঘূৰি যাবলৈ অনুমতি খোজাৰ কথা শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত পথিত এনেদৰে আছে ঃ

'বাপ অনিৰুদ্ধ ঐক যে বেলা আসন্ত।
গোপালত গৈয়া হেন আজ্ঞা মাগিলন্ত॥
বৃদ্ধ পিতৃ-মাতৃ মোৰ দুই হন্তো আছয়।
চঁতালৰো বাহিৰ হৈবাক নপাৰয়॥

সেহি সকলৰ বাপ কোন গতি হৈব।
তাসম্বাত অন্ন মোৰ ভুঞ্জিবে লাগিব॥
গোপালে বোলন্ত মই দেওহো উপায়।
নৌকাত তুলিয়া তাংক আনিবা ইঠাই॥
তাৰা বোলে নাই বাপ সিমান শকতি।
হেনয় জনৰ বাপ হৈব কেন গতি॥
তেৱে তান মনক গোপাল বুজিলন্ত।
ঘোষা পুথিখানি আনি তেৱেসে দিলন্ত॥
এহি ঘোষাখানি তুমি আগ কৰি থৈবা।
তথা থৈয়া এহি ধৰ্ম আপুনি কহিবা॥
গোপালৰ হেন যেবে আদেশ পাইলন্ত।
বাপ অনিৰুদ্ধ ই ৰাজ্যক আসিলন্ত॥'

এই ঘোষা পুথিখনিকেই বহুতে ধাতু তাম্ৰেক্ষৰী পুথি বুলি ক'ব খোজে।

তাম্ৰেক্ষৰী পুথিখন মাধৱদেৱে গোপালদেৱক দিছিল। আমাৰ মতে এই পুথিখনি নিশ্চয় শংকৰদেৱৰ কীৰ্তন পুথিহে।

অনিৰুদ্ধ গুৰু প্ৰদত্ত নামহে

গোপালদেৱৰ মুখ্য ভক্তসকলৰ ভিতৰত অনিৰুদ্ধদেৱ আছিল অন্যতম। অনিৰুদ্ধদেৱ নামটোও গোপালদেৱে দিয়া। পিতৃদত্ত নাম হৰকন্ঠ কেনেদৰে অনিৰুদ্ধ হ'ল সেই কথা অনিৰুদ্ধৰ চৰিত পুথিত লিখা আছে।

গোপালদেৱে অনিৰুদ্ধদেৱৰ বিচক্ষণতা আৰু পাণ্ডিত্য দেখি এনেদৰে কৈছে ঃ

'অন্যত্ৰ শাস্ত্ৰৰ পথ কৰিয়া নিৰোধ।
ভকতিৰ পথে মাত্ৰ কৰাইবেক বোধ॥
এতেকেসে আন নাম হৈব অনিৰুদ্ধ।
সমস্ত শাস্ত্ৰৰ প্ৰচাৰিবে গূঢ়-তত্ত্ব॥
ইটো ধৰ্ম অনিৰুদ্ধ তোমাত থাপিলো।
মোৰ তেজ শক্তিমানে সৱে সমৰ্পিলো॥'

গোপালদেৱে অনিৰুদ্ধকে ভকতসকলৰ ভিতৰত প্ৰাধান্য দিয়াৰ কথা চৰিত পুথিত আছে। শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত পুথিত মুখ্য ভক্তসকলৰ নাম দিয়া আছে এনেদৰেঃ

'মুখ্য মুখ্য যত ভকতসকল
শুনা তাসম্বাৰ নাম॥
পৰমানন্দ ৰামচন্দ্ৰ অনি-
ৰুদ্ধ আৰো নাৰায়ণ।
পুৰুষোত্তম ৰামচন্দ্ৰ সনা-
তন এহি মুখ্যজন॥'

অনিৰুদ্ধদেৱে শংকৰদেৱ, মাধৱদেৱ আৰু গোপালদেৱৰ শ্ৰেষ্ঠত্ব মানি তেওঁলোকক গুৰু মানি লৈছিল।

শংকৰ-মাধৱ গোপালেই গুৰু

'শংকৰ-মাধৱ দুই গোপাল স্বৰূপে হুই
জীৱক তাৰিলা পৃথিৱীত।
ঈশ্বৰ নমানে যিটো বিচাৰ নুবুজি সিটো
তাৰ মত শাস্ত্ৰৰ দূষিত॥'
(ভক্তি মংগলঃ অনিৰুদ্ধ)।

মায়ামৰা ভকতৰ অতি গোপনীয় শাস্ত্ৰ 'নিজ শাস্ত্ৰ'ত অনিৰুদ্ধদেৱে আৰম্ভণিতে শংকৰ-মাধৱক এনেদৰে সেৱা জনাইছে।

'শংকৰায় নমো নিত্যম মাধৱেন সমন্বিতম্ ভক্তান অপি তথা বন্দে' অৰ্থাৎ শংকৰ, মাধৱ সমন্বিতে সকলো ভক্তকে সদায় প্ৰণিপাত কৰিছোঁ। ভক্তি মংগল ঘোষাতো শংকৰ, মাধৱ, গোপালৰ প্ৰতি গুৰু বন্দনা অসংখ্য।

পঞ্চম খণ্ড

ভাগৱত শাস্ত্ৰ আৰু শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ প্ৰচাৰিত ধৰ্মত ইয়াৰ গুৰুত্ব

অনিৰুদ্ধদেৱৰ প্ৰচাৰিত নাম-ধৰ্মত মূৰ্তি পূজাৰ একেবাৰে ব্যৱস্থা নাই। মূৰ্তি আৰু তীৰ্থস্থান একেবাৰে অনাৱশ্যক বুলি অনিৰুদ্ধদেৱে বাক্য কৰি গৈছে। গতিকে অন্য কোনো শংকৰী-সত্ৰত থকাৰ দৰে শ্ৰীকৃষ্ণ বা বিষ্ণু-মূৰ্তি মায়ামৰা সত্ৰত নাই ঃ

মূৰ্তি পূজা নাই

'অবিকল নৰদেহ ভাৰতে লভিয়া পুনু
হৰি পাদ-পদ্মে কৰি আশা।
আনমত দেৱ-ধৰ্ম তীৰ্থ-বৰত আদি
আউৰ কাত কৰিয় ভাৰসা।।
(গীত বেলোৱাৰ ঃ অনিৰুদ্ধ)।

অনিৰুদ্ধদেৱৰ মতে তীৰ্থবিলাকত জড়-মূৰ্তি আৰু পানী আৰু লগতে বৈদিক ক্ৰিয়া-কৰ্ম কৰে বাহুল্যচাৰ কৰি। তাতকৈ সাধু-সকলৰ সৎসঙ্গই বেছি পুণ্যকৰ।

'জলময় তীৰ্থসৱ যত শিলাৰ প্ৰতিমা সিয়ো দেৱ
বিস্তৰ কালেসে আৰা কিছু শুদ্ধি কৰে।
সাধুসকল চৰণক দৰশন মাত্ৰ পুৰুষৰ
নিশেষ দোষক হৰে জানা নিৰন্তৰে।।'
(ভক্তি মংগল ঃ অনিৰুদ্ধদেৱ)।

'জলত কৰয় তীৰ্থ বুদ্ধি মহন্তক স্নেহ নকৰয়
গৰুতো অধম বুলিয়া ঈশ্বৰে কয়।।'
(ভক্তি মংগল ঃ অনিৰুদ্ধদেৱ)।

নাম-ধৰ্মৰ প্ৰৱৰ্তক শংকৰদেৱৰ প্ৰচাৰিত ধৰ্মত মূৰ্তি পূজাৰো

ব্যৱস্থা নাই। শংকৰদেৱৰ ধৰ্ম হৈছে এক শৰণীয়া নিৰাকাৰবাদী নাম-ধৰ্ম।

'কহি আছে মন্ত্রে যিটো মূৰ্ত্তি মাধৱৰ।
তাত ব্যতিৰেকে মূৰ্ত্তি নাই ঈশ্বৰৰ॥'
(ভক্তি ৰত্নাকৰ ঃ শঙ্কৰদেৱ)

কিন্তু শংকৰদেৱে মূৰ্ত্তি পূজা নিন্দা কৰা নাই আৰু মূৰ্ত্তি স্থাপন কৰাৰ ব্যৱস্থাও দিয়া নাই। নিজৰ জীৱনতে বৰদোৱাত পোৱা বিষ্ণু মূৰ্ত্তিজনা প্ৰতিষ্ঠা কৰিছিল আৰু কৰলা বাটৈৰ দ্বাৰা নিৰ্মাণ কৰা কৃষ্ণ-মূৰ্ত্তিভাগ ব্ৰাহ্মণসকলৰ গৰ্ব চূৰ্ণ কৰিবৰ বাবে স্থাপন কৰাইছিল। আনহাতে জড়-মূৰ্ত্তি উপাসকসকলক মাধৱদেৱে অধম মূৰ্খ বুলি কৈছে।

'তীৰ্থ বুলি কৰে জলত শুদ্ধি
প্ৰতিমাত কৰে দেৱতাত বুদ্ধি।
বৈষ্ণৱত নাই ইসৱ মতি
গৰুতো অধম কৃষ্ণ বদতি॥'
(নামঘোষা ঃ মাধৱদেৱ)

মায়ামৰা সত্ৰত জড়-মূৰ্ত্তি স্থাপন নকৰে, তীৰ্থ-স্থান ভ্ৰমণ কৰা নীতি বিৰুদ্ধ। ভক্তি ধৰ্ম গ্ৰহণৰ আগতে তীৰ্থ-ভ্ৰমণ কৰাত অৱশ্যে কোনো বাধা নাই। মায়ামৰা সত্ৰসমূহত মালা-মন্ত্ৰ দিয়াৰ ব্যৱস্থা নাই। জড়-মূৰ্ত্তি স্থাপন নকৰি ভাগৱত-কীৰ্তন, দশম, ভক্তি মংগল নামঘোষা, মুক্তি মংগল (নিত্যানন্দদেৱৰ) নিজ-শাস্ত্ৰ আদিহে নামঘৰ ধৰ্মঘৰত ৰখাৰ নিয়ম আছে। ভাগৱত শাস্ত্ৰই কল্পতৰু শাস্ত্ৰ। ইয়াৰ প্ৰতি মায়ামৰা গোসাঁই আৰু শিষ্যসকল আৰু পুৰণি ভকত ৰাইজৰ অচলা ভক্তি।

ভাগৱত শাস্ত্ৰই কল্পতৰু শাস্ত্ৰ

'ভাগৱত শাস্ত্ৰভাল নাহি তাৰ সিঠা-ছাল
শুনি আছি পূৰ্বতে বচন।
সাধ্য ভৈলেক সিঠা সাধনে ভৈলেক ছাল
জানিবাহা যত মহাজন॥'

সাধ্য-সাধনাক এৰি ভকতিৰ ফলভক্তি
লৈয়া যায় যিটো শুদ্ধভাৱে।
গোপালৰ চৰণৰ অনুগ্ৰহ নলভিলে
কেহোজনে দেখিব নোৱাৰে॥
শাস্ত্ৰ শুদ্ধ ৰূপ ভৈলে কোন কাৰ্য সাধিবেক
পুৰুষ যে শিক্ষাত নাথাকে।
শাস্ত্ৰ শুদ্ধ ৰূপ ভৈলে পুৰুষ শিক্ষাত ৰৈলে
তেবে কোন কি বুলিব তাকে॥'

(ভক্তি মংগল ঃ অনিৰুদ্ধ)

কুবাক্য সৱক ইটো খদ্যোত সমান বুলি
পুৰাণ সদৃশ চন্দ্ৰমাক।
কোটি সূৰ্য সমসৰ প্ৰকাশ কৰয় মাত্ৰ
ভাগৱত শাস্ত্ৰ বুলি যাক॥
ভাগৱত শাস্ত্ৰ বিনে পুৰাণ প্ৰকাশে তাৰে
পুৰাণ বিহিনে কুবাক্যৰ
সূৰ্য অবিহনে যেন চন্দ্ৰৰ প্ৰকাশ দেখি
চন্দ্ৰ বিনে যেন খদ্যোতৰ॥
... ...
এতেকেসে ভাগৱত সকলো শাস্ত্ৰতে শ্ৰেষ্ঠ
কৈতো আৰ নাহিকে প্ৰকাশ।
কৃষ্ণৰ চৰণ কৃপা অনুমতি পাইলে যিটো
তৈত আৰ দেখিয় নিবাস॥

(ভক্তি মংগল ঃ অনিৰুদ্ধ)

মায়ামৰা সত্ৰত ভাগৱতেই নিজ শাস্ত্ৰ ভেটি। মৌ-মাখিয়ে নানান ফুলৰপৰা মৌ-ৰস আহৰণ কৰাৰ দৰে আদ্যোগুৰ অনিৰুদ্ধদেৱেও শ্ৰীমদ্ভাগৱত শাস্ত্ৰ, গীতা, পুৰাণৰপৰা নিজ শাস্ত্ৰ ৰচনা কৰিছিল, যাৰ মূল ভেটি হৈছে ভাগৱত শাস্ত্ৰ ঃ—

'একেখান শাস্ত্ৰ নিজ ভকতৰ
বুলি কহে মহাজনে
তাৰ নিয়মত ৰহিয়া যিজন কীৰ্তন কৰে যিজনে॥

তাসম্বাক মোৰ বুলিবা মনত
ধৰা তুমি কৃপাময়
অন্যত্ৰ শাস্ত্ৰৰ নিয়মত পৰি
ৰৈলো মই দুৰাশয়॥ (গীত বৰাড়ী)

বুজহু পণ্ডিত শাস্ত্ৰকো বাণী
ভাগৱত বুলি যাক বখানি।
আগম নিগম তৰ্ক পুৰাণ ভাৰত
ইতিহাস তন্ত্ৰ-মন্ত্ৰ আন শাস্ত্ৰ যত।
হৰিত খেলাৰ বাদ নাজানে তত্ত্বক
সাধ্য-সাধন হীন নেদেখ নামক।
ভৰ্কতিৰ ফল যিটো ভক্তিসে নিশ্চয়
আন শাস্ত্ৰে তাক সাধিবাক নপাৰয়।
'সাধু-মুখে ভাগৱত শাস্ত্ৰৰ জানিয়া
সমস্ত সাধন শ্ৰম হন্তে মুক্ত হুয়া॥
তেৱেঁসে লভিব গৈয়া ভক্তি শুদ্ধ মত।'
(গীত শ্যাম গড়াঃ অনিৰুদ্ধ)

শ্ৰীমদ্‌ভাগৱত শাস্ত্ৰই অসমৰ ধাৰ্মিক সমাজত যি প্ৰভাৱ বিস্তাৰ কৰি আছে, তাৰ সম্যক উপলব্ধি ভাগৱত শাস্ত্ৰ অধ্যয়ন কৰিলেহে পাব পাৰি। শংকৰদেৱৰ ধৰ্ম এইখিনি পুৰাণৰ ওপৰতে মুখ্যভাৱে প্ৰতিষ্ঠিত হয় (মহেশ্বৰ নেওগঃ ৪৫)। অনিৰুদ্ধদেৱে ভাগৱতৰ চতুৰ্থ স্কন্ধৰ পঁচিশৰপৰা একত্ৰিশ অধ্যায়লৈকে ভাঙি পুৰঞ্জন উপাখ্যান পয়াৰ ছন্দত লিখে। তদুপৰি ভাগৱতৰ পঞ্চম স্কন্ধৰ মূল টীকা ভাঙি পদ্য ছন্দত লিখে। তদুপৰি মৌ-মাখিৰ দৰে সকলো শাস্ত্ৰ-ভাগৱতৰ সাৰতত্ত্ব সংগ্ৰহ কৰি আনি কথা আৰু শ্লোকত এখনি মূল শাস্ত্ৰ প্ৰণয়ন কৰে। এই শাস্ত্ৰক 'নিজশাস্ত্ৰ' বুলি জনা যায় আৰু ইয়াক অতি গোপনীয়কৈ মায়ামৰা ভক্তসমাজে ৰাখিছে। কেৱল পাৰমাৰ্থিক ভকতেহে প্ৰসংগত যোগদান দিয়ে।

'ভাগৱতৰ চতুৰ্থ স্কন্ধৰ অন্তৰ্গত 'পৰঞ্জন উপাখ্যান' ভক্তি মাৰ্গৰ এখনি অতি আপুৰুগীয়া আৰু উপাদেয় গ্ৰন্থ। অনিৰুদ্ধদেৱে এই

শাস্ত্ৰৰ প্ৰতিটো পদ, দুলড়ীৰ অন্ততঃ এক্‌টোটাকৈ যথোপযুক্ত সংস্কৃত শ্লোকৰ উদ্ধৃতি দি বিষয়-বস্তুৰ গুৰুত্ব বঢ়াইছে। এই উপাখ্যান ৫৪৬ টা পদত সমাপ্ত।

পুৰঞ্জন উপাখ্যান

পুৰঞ্জন উপাখ্যান এখনি ৰূপক কাব্য। ইয়াত ঈশ্বৰৰ অংশ স্বৰূপ আৰু ঈশ্বৰ প্ৰায় বিশুদ্ধ জীৱই বুদ্ধিৰ সংগত মোহিত হৈ ইন্দ্ৰিয় সেৱা-সৰ্বস্ব সংসাৰত অধঃপতিত হোৱা কাহিনী বৰ্ণিত হৈছে। 'পুৰঞ্জন পুৰী বা ভোগৱতী নগৰৰ নখন দুৱাৰ—খদ্যোতা, আৱিৰ্মূখী (দুই চকু), নলিনী, নালিনী (দুই নাক), মুখ্যা (মুখ), পিতৃহু (সোঁকাণ), দেৱাহু (বাঁও কাণ), আসুৰী (লিংগ) আৰু নিৰ্ঋতি (গুহ্য) এই নখন দুৱাৰ। এই নৱদ্বাৰ পুৰীত পত্নীয়েই ধৰ্ম-অৰ্থ-কাম-মোক্ষ এই চাৰি পৰমাৰ্থ সিদ্ধিৰ হেতু স্বৰূপ।'

(নোমল গগৈঃ ৬৪, ৬৫)

মহেশ্বৰ নেওগৰ[১] মতে এই পুৰঞ্জন উপাখ্যান কাব্যত 'সমাধৃত জীৱ হৃদয়ৰ আধ্যাত্মিক ৰণাংগনৰ ৰূপক লৈ ৰচনা কৰা সিজনাৰ গীতখিনিৰ কিন্তু সুকীয়া মূল্য আছে। সেই কেইটিয়ে তাৰ আধ্যাত্মিক প্ৰমূল্য আৰু কাব্যিক গুণেৰে মোক বিশেষভাৱে আকৰ্ষণ কৰে।'

এই ৰূপক-ধৰ্মী ভাগৱতখনি মায়ামৰা ভক্তসমাজৰ অতি পৱিত্ৰ গ্ৰন্থ। এই ভাগৱতখনিৰ কাহিনীভাগৰ বিষয়ে সেইবাবে বিস্তৰ বৰ্ণন আৰু বিশ্লেষণ প্ৰয়োজন বুলি ভবা হৈছে।

পুৰণি কালত পুৰঞ্জন নামৰ এজন প্ৰসিদ্ধ ৰজা আছিল। তেওঁৰ বন্ধুজনৰ নাম আছিল অৱিজ্ঞাত। ৰজা পুৰঞ্জনে নিজৰ বসবাসৰ কাৰণে তেওঁৰ সকলো কামনা-বাসনা সিদ্ধ কৰিব পৰা এখনি উপযুক্ত ঠাই বিচাৰি হাবাথুৰি খালে। সমগ্ৰ পৃথিৱী ঘূৰি-ফুৰি নখন দুৱাৰ থকা আৰু প্ৰাচীৰেৰে ঘেৰা উপবন আৰু অতল থকা এখনি নগৰী দেখিলে। তাৰ ভিতৰত থকা ঘৰবোৰ সোণ, ৰূপ আৰু লোহাৰে সালংকৃতা। মূল্যৱান ৰত্ন ৰাজি, যেনে—নীল, ফটিক, হীৰা, মুকুতা, মৰকতৰে সালংকৃত ঘৰবোৰৰ জ্যোতিয়ে দেৱনগৰী ভোগৱতীৰ দৰে প্ৰকাশমান কৰি ৰাখিছিল। নগৰীখনত বহুতো সভাগৃহ, ৰাস্তা, দোকান, জুৱাখেলা-ঘৰ, জিৰণি-ঘৰ, ধ্বজা-পতাকাৰে

পুৰঞ্জন উপাখ্যানৰ কাহিনীভাগ

সজ্জিত আছিল, কিন্তু গছ-গছনি নাছিল, কিন্তু বেদী আছিল। নগৰৰ উপকণ্ঠত বহুতো ধুনীয়া গছ, লতাই জলাশয় এটি ঘেৰি আছিল আৰু বহুতো চৰাই আৰু মৌ-মাখিয়েই গুণ-গুণাই গান গাই আছিল। এনে এক মনোমোহা প্ৰাকৃতিক দৃশ্যাৱলীয়ে জংঘলৰ জন্তুবিলাককো ঋষি-মুনিসকলৰ দৰে অহিংস কৰি তুলিছিল। ফলত জন্তুবিলাকে কাকো আক্ৰমণ কৰা নাছিল। তাতে আছিল কুলিৰ কু কু মাত। কাষেদি যোৱা যি কোনো পথিকক সেই মনোমোহা উপবনলৈ যেন আমন্ত্ৰিত কৰিছিল। সেই উদ্যানত ঘূৰি ফুৰোঁতে ৰজা পুৰঞ্জনে এগৰাকী সুন্দৰী ঘূৰি ফুৰা দেখিলে। তেওঁৰ দহজন ভৃত্য আছিল আৰু প্ৰতিজন ভৃত্যই বহুতো পত্নী লৈ আহিছিল। সুন্দৰী গৰাকীক পাঁচখন ফণাযুক্ত সাপে ৰক্ষা কৰি আহিছিল। সুন্দৰী গৰাকী কম বয়সীয়া আৰু অতি ৰূপসী আছিল আৰু যেন এজন স্বামী পাবলৈ ব্যাকুল হৈ আছিল। সুন্দৰীৰ নাক, দাঁত, আৰু কপাল বৰ ধুনীয়া আৰু কাণ দুখনিও মনোমোহা আৰু উজ্জ্বল কেৰুৰে সুশোভিতা আছিল। শাৰীৰ আচলেৰে সুন্দৰীয়ে নিজৰ সুন্দৰ স্তনযুগল ঢাকিবলৈ চেষ্টা কৰিছিল। পুৰঞ্জন সুন্দৰীৰ ভ্ৰূযুগল আৰু হাঁহি থকা মুখখনি দেখি আকৰ্ষিত হ'ল আৰু কামবিদ্ধ হৈ পৰিল।

বীৰ হৈয়ো পুৰঞ্জনে সুন্দৰীক উপযাচি নামাতি নোৱাৰিলে। পুৰঞ্জনে সুধিলে, "হে কমল—নয়না। তুমি ক'ৰপৰা আহিছা, তুমি কোন, কাৰ কন্যা? তোমাক এগৰাকী সতী যেন লাগিছে। ইয়ালৈ অহাৰ কাৰণ কি? তোমাৰ লগত থকা এঘাৰজন শক্তিশালী দেহ-ৰক্ষীনো কোন আৰু দহজন ভৃত্যৰ পৰিচয় কি? দহজন ভৃত্যৰ পিছে পিছে অহা নাৰী কেইগৰাকীনো কোন আৰু তোমাৰ আগে আগে যোৱা সাপটো কোন?" এনেদৰে পুৰঞ্জন কাম-মোহিত হৈ সুন্দৰীক বহুতো প্ৰশ্ন কৰিলে আৰু সুন্দৰীক ভোগ কৰিবলৈ ব্যাকুল হ'ল। তেতিয়া ছোৱালীজনীয়ে উত্তৰ দিলে, 'মই কাৰ কন্যা নেজানো। মোৰ সংগীবৃন্দৰ নাম বা বংশৰ বিষয়েও মই ক'ব নোৱাৰোঁ। আমি এই ঠাইত বাস কৰি আহিছোঁ, কিন্তু এই ঠাইখনি কোনে সৃজন কৰিছে তাকো নাজানো। এই মোৰ সহচৰীসকল সকলো মোৰ বন্ধু আৰু এই সদাজাগ্ৰত সাপটোও বন্ধু। মই শুই থাকোঁতে

এই নগৰী সাপটোৱেই ৰক্ষা কৰে আৰু পহৰা দিয়ে। মই এই নখনি দুৱাৰ আপোনাৰ কাম-ভোগৰ বাবেই ৰাখিছোঁ, ইয়াত আপুনি এশ বছৰ কাল থাকিব পাৰে আৰু আপোনাৰ কামনা পূৰণ কৰা হ'ব। গাৰ্হস্থ্য-জীৱনত ধৰ্ম, অৰ্থ, কাম, যশ, প্ৰজনন, আনন্দ আদি পোৱা যায়; কিন্তু কেৱলীয়াসকলে এইবোৰৰ বিষয়ে একো নাজানে। গাৰ্হস্থ্য-জীৱনত বলি-বিধানেৰে উৰ্ধ্বলোকলৈকো যাব পাৰি। কিন্তু কেৱলীয়াসকলে এই কথাৰ বিষয়ে জ্ঞাত নহয়। গাৰ্হস্থ্য-জীৱন উপৰি-পুৰুষ, দেৱতা, ঋষি আদি সকলোৰে প্ৰিয়। তোমাৰ দৰে বিখ্যাত, সুন্দৰ লোকক কোনে পতিৰূপে নিবিচাৰিব?' এনেদৰে দুয়োজনে নগৰীত প্ৰৱেশ কৰিলে আৰু দম্পতিৰূপে এশ বছৰ কাল জীৱন উপভোগ কৰিলে। নগৰীৰ নখন প্ৰৱেশ দ্বাৰৰ সাতখন ওপৰত আৰু দুখন তলত প্ৰতিষ্ঠিত আছিল। এই নদুৱাৰেদি বিভিন্ন ঠাইলৈ যাব পাৰি। পাঁচখন দুৱাৰেদি পূবলৈ, এখনেদি উত্তৰলৈ, এখনেদি দক্ষিণলৈ আৰু দুখনেদি পশ্চিমলৈ যাব পাৰি। পূবৰ ফালে মুকলি একেঠাইতে থকা দুখন দুৱাৰৰ নাম খদ্যোতা আৰু আৱিৰ্মুখী। এই দুখন দুৱাৰেদি ৰজা পুৰঞ্জনে দুম্যন নামৰ বন্ধুজনৰ সৈতে বিভ্ৰাজিত নামৰ নগৰলৈ যায়। পূবত একে ঠাইতে আৰু দুখন দুৱাৰ অৱস্থিত নলিনী আৰু নালিনী। এই দুখন দুৱাৰেদি ৰজাই অৱধূত নামৰ বন্ধুৰ লগত সৌৰভ নামৰ নগৰলৈ যায়। পঞ্চম দ্বাৰখনো পূবতে অৱস্থিত। ইয়াৰ নাম মুখ্যা। এই দুৱাৰেদি ৰজাই ৰসজ্ঞ আৰু বিপন নামৰ দুজন বন্ধুৰ লগত বহুদন আৰু অপন নামৰ ঠাইলৈ যায়। দক্ষিণৰ দুৱাৰৰ নাম পিতৃহু আৰু এই দুৱাৰেদি ৰজা পুৰঞ্জনে তেওঁৰ বন্ধু শ্ৰুতিধৰৰ লগত দক্ষিণ পাঞ্চাল নামৰ চহৰলৈ যায়। উত্তৰ দুৱাৰৰ নাম দেৱহু। এই দুৱাৰেদি ৰজা পুৰঞ্জনে তেওঁৰ বন্ধু শ্ৰুতিধৰৰ লগত উত্তৰ পাঞ্চাল নামৰ নগৰলৈ যায়। পশ্চিমৰ দুৱাৰৰ নাম আসুৰী। এই দুৱাৰেদি ৰজা পুৰঞ্জনে তেওঁৰ বন্ধু দুৰ্মদৰ লগত গ্ৰামক নামৰ চহৰলৈ যায়। পশ্চিমত অৱস্থিত এখন দুৱাৰৰ নাম নিৰ্ঋতি। ৰজা পুৰঞ্জনে এই দুৱাৰেদি তেওঁৰ বন্ধু লব্ধকৰ লগত বৈশস নামৰ চহৰলৈ যায়। পুৰঞ্জনৰ নগৰীত বাস কৰা লোকসকল দৃষ্টিশক্তি সম্পন্ন আছিল, কিন্তু ৰজা পুৰঞ্জনে নিৱাক আৰু পেশস্কৃত নামৰ দুজন

চক্ষুহীন সংগীৰ লগতহে য'লৈ-ত'লৈ গৈছিল। মাজে মাজে ৰজাই তেওঁৰ অন্তেষপুৰলৈ প্ৰধান ভৃত্য ৱিষুচীন (মন)-ৰ সৈতে গৈছিল আৰু পত্নী আৰু পুত্ৰ-কন্যাৰ লগত হৰ্ষ-আনন্দ কৰিছিল। এনেদৰে ৰজা পুৰঞ্জনে এনেবিলাক কৰ্মত আসক্ত হৈ ৰাণীৰ অভিষ্ট মতে কাম কৰি গৈ বঞ্চিত জীৱন যাপন কৰিছিল। ৰাণীয়ে মদ খালে, পুৰঞ্জনেও খাইছিল, ৰাণীয়ে ভোজন কৰিলে, তেৰোঁ লগতে কৰিছিল, ৰাণীয়ে গান গালে লগতে গাইছিল, ৰাণীয়ে হাঁহিলে হাঁহিছিল, ৰাণীয়ে কথা ক'লে তেৰোঁ কৈছিল, খোজ কাঢ়িলে লগে লগে তেৰোঁ কাঢ়িছিল, ৰাণীয়ে থিয় হৈ থাকিলে তেৰোঁ আছিল, বিচনাত শুলে তেৰোঁ শুইছিল, বহিলে বহিছিল, শুনিলে শুনিছিল, কিবা দেখিলে তেৰোঁ দেখিছিল, কিবা গোন্ধ ল'লে, তেৰোঁ লৈছিল, কিবা বস্তু চুলে তেৰোঁ চুইছিল আৰু দুখ কৰিলে তেৰোঁ দুখ কৰিছিল। ৰাণীয়ে হৰ্ষ লভিলে তেৰোঁ লভিছিল। এনেদৰে ৰজা পুৰঞ্জনে সুন্দৰী স্ত্ৰীৰ দ্বাৰা মোহিত হৈ ইচ্ছা নাথাকিলেও পোহনীয়া জন্তু গিৰিহঁতৰ নিৰ্দেশত চলাৰ দৰে বঞ্চিত জীৱন অতিবাহিত কৰিছিল।

এদিনাখন ৰজা পুৰঞ্জনে এখন ডাঙৰ ধনু লৈ সোণৰ বৰ্ম পিন্ধি আৰু অগণিত কাঁড়েৰে পূৰ্ণ তূণ লৈ মৃগয়ালৈ গ'ল। লগত এঘাৰজন সেনাধ্যক্ষ। ৫টা বেগমান ঘোঁৰাৰে চালিত ৰথত উঠি পঞ্চপ্ৰস্থ নামৰ বনলৈ গ'ল। ৰথখন দুটা চকাৰ আৰু এডাল চুৰাৰ আৰু তাত দুডাল বিস্ফোৰক কাঁড়, তিনিখন পতাকা, এডাল লেকাম, এজন ৰথী, এখন আসন, দুডাল দণ্ড, পাঁচটা অস্ত্ৰ, আৰু সাতখন আচ্ছাদন যুক্ত আছিল। ৰথখন পাঁচটা বিভিন্ন ভঙ্গীৰে গৈছিল আৰু সম্মুখত পাঁচটা প্ৰতিবন্ধক আছিল। সকলো বিভূষণ আছিল সোণৰ। এক মুহূৰ্তও ৰাণীৰ সঙ্গৰপৰা আঁতৰিব নোৱাৰা পুৰঞ্জনে সেইদিনা কিন্তু মৃগয়াৰ লালসাত ৰাণীৰ কথা নাভাবি ধনু-কাঁড় লৈ বনলৈ গ'ল। আসুৰী বৃত্তি আচৰি পুৰঞ্জনে বহুতো বন্যপ্ৰাণী বধ কৰিলে। ৰজাৰ এই অনাৱশ্যক প্ৰাণী হত্যাত করুণাময়ী লোকসকল দুখিত হ'ল। মৃগয়াৰ অন্তত ক্লান্ত, ভোকাতুৰ আৰু তৃষ্ণাতুৰ ৰজাই অন্তোষপুৰলৈ গৈ স্নান আৰু ভোজন কৰিলে আৰু বিশ্ৰাম ল'লে আৰু মৃগয়াৰ ক্লান্তি দূৰ হ'ল।

চন্দনৰ প্ৰলেপ গাত ঘঁহি, ফুলৰ মালা পিন্ধি আৰু অলংকাৰেৰে

সুশোভিত হৈ ৰজাই ৰাণীক বিচাৰি গ'ল। কামাসক্ত হৈ পত্নীক বিচাৰি গৈ অন্তেষপুৰৰ সকলো নাৰীক ৰাণী ক'ত আছে সুধিলে। নাৰীসকলে মাটিত পৰি থকা ৰাণীৰ ওচৰলৈ ৰজাক লৈ গ'ল। ৰাণীক মাটিত পৰি থকা দেখি আচৰিত হ'ল। ৰাণীক অনুনয় বিনয় কৰি ভৰি পিটিকি দি কোলাত তুলি লৈ ৰাণীৰ দৈহিক সৌন্দৰ্যৰ প্ৰশংসা কৰিব ধৰিলে। ৰাণীক নোসোধাকৈ মৃগয়ালৈ যোৱাৰ বাবে ক্ষমা খুজিলে। ৰাণীয়ে ৰজাক পুনৰ নিজৰ বশলৈ সম্পূৰ্ণৰূপে আনি ৰমন কৰিলে। এনেদৰে ৰজা পুৰঞ্জনে ৰাণীক সন্তুষ্ট কৰাকে জীৱনৰ পৰম অভিলাষ হিচাপে লৈ ভগৱানক পাহৰি গ'ল। ৰজাৰ ১১০০ জন পুত্ৰ ১১০ গৰাকী কন্যা জন্ম হ'ল। মাক আৰু বাপেকৰ দৰে তেওঁলোকো যশস্বী আৰু গুণৱান হ'ল। ৰজাই যথাসময়ত বংশবৃদ্ধিৰ কাৰণে যোগ্য পাত্ৰ-পাত্ৰীৰ লগত পুত্ৰ আৰু কন্যাৰ বিৱাহ সম্পন্ন কৰিলে, হাজাৰ হাজাৰ নাতি-নাতিনীৰে পুৰঞ্জন নগৰী ভৰি উঠিল। এই পুত্ৰ-নাতিসকল পুৰঞ্জনৰ ঐশ্চৰ্য-বিভূতি, গৃহ, কোষাগাৰ আদিৰ প্ৰকাৰান্তৰে লুন্ঠনকাৰীহে হ'ল। পুৰঞ্জন এইবোৰ পাৰ্থিৱ বস্তুৰ মোহাগ্ৰস্ত আছিল। এই পাৰ্থিৱ বস্তুৰ লাভৰ বাবে দেৱতাৰ সন্তুষ্টিৰ বাবে পশু বলি দিছিল। গন্ধৰ্বলোকত চন্দবেগ নামৰ এজন ৰজা আছিল। তেওঁৰ অধীনত ৩৬০ জন শক্তিশালী গন্ধৰ্ব সৈন্যক আৰু লগত গান্ধৰ্ব সহচৰীৰে সৈতে সৰ্বকামনাযুক্ত হৈ মিথুনত ব্যস্ত হৈ আছিল আৰু এই গন্ধৰ্ব সৈন্যই পুৰঞ্জনৰ নগৰী লুন্ঠন কৰিছিল। পাঁচফণা যুক্ত সাপটোৱে তেতিয়া নগৰী ৰক্ষা কৰাৰ বাবে অকলে যুদ্ধ কৰি দুৰ্বল হৈ পৰিছিল। পুৰঞ্জন আৰু নগৰবাসীয়ে প্ৰহৰী সাপটোৰ অৱস্থা দেখি চিন্তিত হৈছিল। ৰজা পুৰঞ্জনে পাঞ্চাল নগৰীত নাৰীৰ দ্বাৰা বশীভূত হৈ মৃত্যুৰ ভয় পাহৰি গৈছিল। কাল-কন্যাই তিনিলোকত বিচৰণ কৰি যোগ্য পতি বিচাৰিছিল। কাল-কন্যাই কেৱল দুৰ্ভাগ্যহে কঢ়িয়াই আনে, গতিকে তেওঁক দুৰ্গৰ্ভা বুলিও জনা যায়। কাল-কন্যাই নাৰদ ঋষিক পতি বৰণ কৰিব বিচাৰিছিল, কিন্তু ঋষি অমান্তি হোৱাত একে ঠাইতে থাকিব নোৱাৰা কৰি শাপ দিছিল। তাৰ পিছত যৱনৰাজ ভয়ক পতি বৰণ কৰিছিল। তেতিয়া যৱনৰাজ ভয়ে কাল-কন্যাক ভনী হিচাপে লৈ ভায়েক প্ৰজ্বাৰ আৰু যৱন সৈনিকৰ সৈতে কাল-কন্যাক পৃথিৱীলৈ পঠালে আৰু

তেওঁলোকে পুৰঞ্জনৰ নগৰী আক্ৰমণ কৰিলে। পুৰঞ্জনৰ নগৰীৰ বাসিন্দাসকলক আক্ৰমণ কৰি নিস্ক্ৰিয় কৰিলে। তদুপৰি যৱন-সৈনিক বিভিন্ন দুৱাৰেদি নগৰী প্ৰৱেশ কৰিলে, ফলত কাল-কন্যাৰ আলিংগনত ৰজা পুৰঞ্জনৰ সকলো শ্ৰীবৃদ্ধি নষ্ট পালে। গন্ধৰ্ব আৰু যৱনে ৰজাক পৰাজিত কৰিলে।

ৰজা পুৰঞ্জনে দেখিলে তেওঁৰ সকলো সম্পদ সিঁচৰিত হ'ল আৰু তেওঁৰ পুত্ৰ, প্ৰপুত্ৰ, ভৃত্য আৰু মন্ত্ৰী সকলো তেওঁৰ বিৰুদ্ধে গ'ল। তদুপৰি প্ৰিয়তমা পত্নীয়েও ৰজাক অৱহেলা কৰিবলৈ ধৰিলে। শেষত ৰজাক নগৰীৰপৰা যৱন আৰু গন্ধৰ্ব সৈন্যই উলিয়াই দিলে আৰু নগৰী ধ্বংশ কৰিলে। যৱন ৰজাৰ ভ্ৰাতৃ প্ৰজ্বাৰে সৰু ভাই ভয়ৰ সন্তুষ্টিৰ অৰ্থে নগৰীত জুই লগাই দিলে। ফলত সদাজাগ্ৰত সাপটোৱে নগৰী ত্যাগ কৰিবলৈ বিচাৰিলে, কিন্তু যৱন আৰু গন্ধৰ্ব সৈন্যই তেওঁক যাবলৈ নিদিয়াত কান্দিবলৈ ধৰিলে। ৰজা পুৰঞ্জনে নিজৰ পত্নী, পুত্ৰ-সন্তান, আত্মীয়-স্বজনৰ বাবে দুখ কৰিবলৈ ধৰিলে। ইতিমধ্যে যৱনৰাজ ভয়ে পুৰঞ্জনক বন্দী কৰিবলৈ আগবাঢ়ি আহিল। পশুৰ দৰে বান্ধিলৈ যোৱাত সংগীসকলো পুৰঞ্জনৰ পিছে পিছে যাবলৈ বাধ্য হ'ল। সাপটোৱেও ৰজাৰ পিছে পিছে যাবলৈ ধৰিলে। জোৰ-কৈ টানি লৈ যাওঁতেও পুৰঞ্জনে ভগৱানৰ কথা নাভাবিলে। মৃত্যুৰ সময়ত ৰজাই তেওঁৰ পত্নীৰ কথাহে ভাবিলে। গতিকে পিছৰ জন্মত পুৰঞ্জনে নাৰীৰূপে জন্ম গ্ৰহণ কৰিলে।

ৰজা বিদৰ্ভৰ কন্যা হিচাপে জন্ম গ্ৰহণ কৰি পাণ্ডু দেশৰ ৰজা মলয়ধ্বজৰ লগত বিৱাহ-পাশত আৱদ্ধ হ'ল। মলয়ধ্বজৰ ঔৰষত এজনী ক'লা চকুৰ কন্যা জন্ম হ'ল আৰু সাতজন পুত্ৰ হ'ল। সাত পুত্ৰই দ্ৰাবিড় দেশৰ ৰজা হ'ল। মলয়ধ্বজ ৰজাৰ পুতেক-সকলৰ হাজাৰ হাজাৰ পুত্ৰ জন্ম হ'ল আৰু পৃথিৱী শাসন কৰিলে। মলয়ধ্বজৰ কৃষ্ণভক্তা কন্যাক অগস্ত মুনিয়ে বিয়া কৰালে। তেওঁ-লোকৰ হৃদচ্যুত নামৰ পুত্ৰ জন্ম হ'ল আৰু হৃদচ্যুতৰ পুত্ৰ হ'ল ইধমবাহ। তাৰ পিছত ৰাজৰ্ষি মলয়ধ্বজে নিজ ৰাজ্য নিজৰ পুত্ৰৰ মাজত ভগাই দি কুলাচল নামৰ নিৰ্জন স্থানলৈ কৃষ্ণক উপাসনা কৰিবলৈ গ'ল। জোন নাথাকিলে জোনাক নথকাৰ দৰে মলয়ধ্বজ বনলৈ গ'লত তেওঁৰ পত্নীও লগে লগে গ'ল। কলাচলত চন্দ্ৰৱসা,

তাম্ৰপৰ্ণী, ৱটোদকা নামৰ পুণ্য নদী আছিল আৰু তাত মলয়ধ্বজে স্নান কৰিছিল। তেওঁ পানী আৰু গছৰ ফল-মূল খাই কঠিন জীৱন যাপন কৰিছিল। কঠিন কষ্টৰ মাজেদি মলয়ধ্বজে জাৰ-জহ, ধুমুহা-বৰষুণ আদিৰ প্ৰতি আৰু ভোকৰ প্ৰতি দৃষ্টি দিয়া নাছিল। ব্ৰহ্মতে তেওঁ মনোনিৱেশ কৰি পঞ্চ ইন্দ্ৰিয় জয় কৰিছিল। এনেদৰে একে ঠাইতে তপস্যা কৰি ১০০ বছৰ কটোৱাত কেৱল কৃষ্ণৰ প্ৰতি অবিচল আৰু অকৃত্ৰিম ভক্তি উপাৰ্জিছিল আৰু আত্মাৰপৰা পৰমাত্মাক পৃথক কৰি চাব পৰা পৰম জ্ঞান লাভ কৰিছিল। পতি পৰম ধৰ্ম বুলি মানি বিদৰ্ভৰাজৰ কন্যাই পতিদেৱকে অনুকৰণ কৰি তেওঁৰ সেৱাতেই মনোনিৱেশ কৰিছিল আৰু ইন্দ্ৰিয়জাত সকলো ভোগবিলাস ত্যাগ কৰিছিল। এদিনাখন মলয়ধ্বজৰ ভৰি দুটা পিটিকি থাকোঁতে ভৰি দুটা ঠাণ্ডা হৈ যোৱাত মলয়ধ্বজে দেহ ত্যাগ কৰিলে বুলি জানি বিদৰ্ভৰাজৰ কন্যাই কান্দিবলৈ ধৰিলে। চিতাত স্বামীৰ দেহ তুলি জুই দি নিজেও সহমৰণ হ'বলৈ তেওঁ মানস কৰিলে। তেতিয়া ৰজা পুৰঞ্জনৰ সংগী এজন ব্ৰাহ্মণে তেওঁক দেখি ওচৰলৈ আহি সান্ত্বনা দিবলৈ ধাৰলে। ব্ৰাহ্মণে এই জন্মৰ নাৰীদেহী পুৰঞ্জনক আগৰ কথা সোঁৱৰাবলৈ ধৰিলে আৰু কেনেদৰে পুৰঞ্জনে আগৰ জন্মত কেৱল কামনা-বাসনা পৰিতৃপ্তিতহে জীৱন নিয়ালে তাক সোঁৱৰাবলৈ ধৰিলে। পুৰঞ্জন যে নাৰীও নহয়, পুৰুষো নহয়, ক্লীৱও নহয়, মাত্ৰ এটা মায়াৰ সৃষ্টি, সেই কথা বুজালে। ব্ৰাহ্মণে ক'লে "মই আৰু তুমি অভিন্ন। জ্ঞানীয়ে তোমাৰ আৰু মোৰ মাজত কোনো প্ৰভেদ নেদেখে অৰ্থাৎ আত্মা আৰু পৰমাত্মা অভিন্ন।" এনেদৰে পুৰঞ্জনৰ ৰূপক কাহিনী অন্ত পৰিল।

নাৰদ মুনিয়ে এই ৰূপকৰ অৰ্থ ৰজা প্ৰাচীন-বৰ্হিক বুজালে। যেতিয়া জীৱই পাৰ্থিৱ ভোগত জীৱন কটাব বিচাৰে, তেতিয়া নখন দুৱাৰ আৰু দুখন হাত আৰু দুখন ভৰি থকা দেহকেই সাৰ বুলি মানে। পুৰঞ্জনী হৈছে বুদ্ধি। 'মই' 'মোৰ' বুলি কেৱল ইন্দ্ৰিয় সুখতে ব্যস্ত থাকে। পাঁচটা ইন্দ্ৰিয় আৰু পাঁচটা কৰ্মেন্দ্ৰিয় হ'ল পুৰঞ্জনী বা বুদ্ধিৰ প্ৰধান বন্ধু। এই ইন্দ্ৰিয়ৰ দ্বাৰাই জ্ঞান আহৰণ আৰু কৰ্মত জীৱ ব্যস্ত থাকে। এই দহটাৰ উপৰি এঘাৰ নম্বৰ সংগী হ'ল মন, যি সকলো ইন্দ্ৰিয়ৰ ওপৰত নায়ক। পাঞ্চাল

ৰাজ্য হৈছে পাঁচটা বিষয় ভোগ কৰা নগৰী। সেই পাঞ্চাল ৰাজ্যই দেহ, যাক নখন দুৱাৰৰ নগৰী বুলি কোৱা হৈছে। খদ্যোত আৰু অভিমুখী হৈছে বাঁও চকু-সোঁ চকু, বন্ধু দ্যুমন হৈছে সূৰ্য; নলিনী আৰু নালিণী হ'ল নাকৰ দুটা বিন্ধা, সৌৰভ নগৰী মানে গোন্ধ--- নাকৰ বিন্ধা নাথাকিলে গোন্ধ পাব নোৱাৰে। বন্ধু অৱধূত মানে গন্ধ ইন্দ্ৰিয়। পঞ্চম দ্বাৰ মুখ্যা হ'ল মুখ যাৰ দ্বাৰা কথা কোৱা হয় আৰু খোৱা-বোৱা কৰা হয়। ৰসজ্ঞ মানে জিভা আৰু বিপন মানে বাকশক্তি। সোঁ কাণ হৈছে পিতৃহু আৰু বন্ধু শ্ৰুতধৰ হৈছে শ্ৰৱণ শক্তি। তেনেদৰে বাঁও কাণ হৈছে দেৱহু। আসুৰী নামৰ দুৱাৰ যৌনদ্বাৰ আৰু বন্ধু দুৰ্মদ হৈছে যৌনাভিলাস আৰু যৌনস্পৃহা। নিৰ্ঋতি নামৰ দুৱাৰে শৌচদ্বাৰ বুজাইছে আৰু বন্ধু লব্ধকে লোভ বুজাইছে। পুৰঞ্জনে বৈশক নগৰীলৈ যোৱাৰ অৰ্থ তেওঁ নৰকলৈ যোৱা, কেৱল কামনা-বাসনাতে ব্যস্ত থকা। দুজন অন্ধ বন্ধু হ'ল দুখন ভৰি। অন্তঃপুৰে হৃদয় বুজাইছে। বিষুচি মানে মন। ৰাণীয়ে বুদ্ধিক বুজাইছে। ৰথখনে দেহক বুজাইছে। ইন্দ্ৰিয়সমূহ হ'ল পাঁচটা ঘোঁৰা যি দেহৰূপী ৰথখন টানি লৈ যায়। সময় যোৱাৰ লগে লগে বছৰৰ পিছত বছৰ এই ঘোঁৰা কেইটাই ৰথখন টানি লৈ যায়, কিন্তু প্ৰকৃততে কোনো প্ৰগতি নহয়। পাঁচ ধৰণৰ প্ৰাণ-বায়ুয়ে প্ৰাণীৰ বন্ধন বুজাইছে আৰু মন হৈছে ৰথ অৰ্থাৎ দেহৰ চালক। ৰথৰ আসন হৈছে হৃদয় আৰু আনন্দ আৰু কষ্ট হৈছে ৰথৰ গাঁঠি। কৰ্ম-ইন্দ্ৰিয় পাঁচটাই ৰথখন চলাই নিয়ে আৰু এঘাৰ-টা ইন্দ্ৰিয়ই হৈছে সৈনিকসকল। কেৱল ইন্দ্ৰিয় সুখত ব্যস্ত হৈ থকা জীৱই দৈহিক কামনা-বাসনা চৰিতাৰ্থ কৰাতহে মনোনিৱেশ কৰে আৰু জীৱনৰ পিছত জীৱন মিছা বাসনা চৰিতাৰ্থ কৰাতেই ব্যস্ত থাকে। গন্ধৰ্বদেৱ হৈছে কাল বা সময় আৰু গন্ধৰ্ব আৰু গন্ধৰ্বী হ'ল দিন আৰু ৰাতি। কাল-কন্যাই বৃদ্ধত্ব বুজাইছে আৰু, কোনেও বৃদ্ধ হ'ব নোখোজা অৰ্থত জৰাক যৱন ৰাজৰ ভনীয়েক বোলা হৈছে। যৱন-ৰাজ বা যৱনেশ্বৰ হৈছে মৃত্যু, যি দেহৰ অনি-বাৰ্য অন্ত। যৱন-ৰাজ অৰ্থাৎ যমৰ সৈনিকসকল দেহ আৰু মনৰ ব্যাধি। প্ৰজ্বাৰ হৈছে দুটা ধৰণৰ জ্বৰ—সন্নিপাত জ্বৰ আৰু ক'লাজ্বৰ। অজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি প্ৰকৃতিয়ে জীৱ-জগতত পুংলিংগ, স্ত্ৰী-

লিংগে আৰু ক্লীবলিংগৰ জীৱ সৃষ্টি কৰে। কেতিয়াবা মানৱ, কেতিয়াবা অসুৰ, কেতিয়াবা পশু, কেতিয়াবা পক্ষীৰ ৰূপ লয়। এনেদৰে জীৱই বিভিন্ন দেহত ভ্ৰমি ফুৰে। জীৱই কুকুৰৰ দৰে আচৰণ কৰে---ভোক লাগিলে হাহাকাৰ কৰি ইঘৰৰপৰা সিঘৰলৈ ঘূৰি ফুৰে। ভাগ্যফল হিচাপে কেতিয়াবা দুখ-কষ্ট পায়, কেতিয়াবা সুখ। কামনা-বাসনাত জৰ্জৰিত জীৱই কেতিয়াবা স্বৰ্গ পায় আৰু কেতিয়াবা নৰক। এজন মানুহে যেনেদৰে মূৰৰ বোজা কমাবলৈ বাহুৰে বোজা কঢ়িয়ায়, কিন্তু বোজা একেই থাকে, তেনেদৰে জীৱবো দুখৰ বোজা নকমে, কেৱল স্থানান্তৰিতহে কৰিব পাৰে।

নাৰদ মুনিয়ে ক'লে—"কৰ্মফলৰ হাত সাৰিবলৈ কেৱল উপায় হ'ল শ্ৰীকৃষ্ণ-ভক্তি। যেতিয়া দুখৰ সপোন দেখোঁ তাক পাহৰিবলৈ মায়াৰ আশ্ৰয় ল'ব নোৱাৰি। সপোনৰপৰা অব্যাহতি পাবলৈ হ'লে জাগিবই লাগিব। তেনেদৰে কৰ্মফলৰপৰা হাত সাৰিবলৈ লাগিব একান্ত কৃষ্ণ-ভক্তি। বাসুদেৱৰ শৰণ-সেৱা তেখেতৰ মহিমা বৰ্ণন, শ্ৰৱণ আৰু কীৰ্তনতহে হয়। শ্ৰৱণ-কীৰ্তনৰ মাধ্যমেৰে জীৱই কৃষ্ণক পায়। য'ত প্ৰকৃত কৃষ্ণ-ভকতে দিনে-নিশাই একান্তভাৱে কৃষ্ণনাম জপি থাকে, তাত ক্ষুধা আৰু পিপাসা থাকিব নোৱাৰে আৰু সকলো ধৰণৰ মায়া, যেনে ভয়-দুখ আৰু বিষাদৰ উৰ্ধত থাকে। জীৱই দৈহিক ক্ষুধা আৰু পিপাসাতে ব্যস্ত থাকি শ্ৰীকৃষ্ণৰ পদ-সেৱাৰ কথা পাহৰি থাকে। বেদজ্ঞ পণ্ডিতসকল হৈছে ব্ৰহ্মচাৰী ব্ৰাহ্মণ— সনক, সনাতন, মৰীচি, অত্ৰি, অংগিৰা, পুলস্ত, পুলহ, ক্ৰতু, ভৃগু, বশিষ্ঠ আৰু মই (নাৰদ) নিজে। ব্ৰহ্মা, শিৱ, মনু, দক্ষ, আৰু অন্যান্য প্ৰজাপতিসকলে সৃষ্টি ৰচনা কৰে। একান্তচিত্তে শ্ৰীকৃষ্ণক পূজা কৰাৰ কাৰণেই আমি সকলো অতি শক্তিমন্ত। তথাপিও আমি সম্পূৰ্ণকৈ সেই ভগৱন্তক বুজিব নোৱাৰোঁ। বেদৰ জ্ঞান লাভ কৰিও বিভিন্ন দেৱ-দেৱীক পূজা কৰিলে ভগৱানক সন্তুষ্ট কৰিব নোৱাৰি। কিন্তু সম্পূৰ্ণৰূপে ভগৱান প্ৰেমতে আৰু সেৱাতে ব্ৰতী লোকে ভগৱানৰ কৰুণা লভে আৰু এনে অৱস্থাত বৈদিক পূজা-সেৱা আৰু কৰ্ম একেবাৰে অৰ্থহীন হৈ পৰে কাৰণে এনে লোকে তেনে কৰ্মত ব্ৰতী নহয়। গতিকে হে ৰজা বৰ্হিস্মন্ন, তুমি কেতিয়াও এনে পূজা-পাতলত বিশ্বাস নকৰিবা। ঋষিসকল প্ৰকৃত জ্ঞানী

নহয়, তেওঁলোকেহে বৈদিক আচাৰ, ব্যৱহাৰ, পূজা-পাতল কৰি অৱাবত সময় ব্যয় কৰে। তেওঁলোকে নাজানে যে বেদৰ উদ্দেশ্য হৈছে ভগৱানৰ স্থিতিৰ আৰু নিবাসৰ বিষয়ে জ্ঞান প্ৰকট কৰা, মধে-মধে পূজা-পাৰ্বন কৰা নহয়। প্ৰকৃত উদ্দেশ্য নুবুজি বেদজ্ঞ লোকসকলে মায়াত ভোল গৈ ক্ষুদ্ৰ দেৱ-দেৱী পূজা কৰি অৱাবত সময় নষ্ট কৰে।"

নাৰদ মুনিয়ে পুনৰ ব্যখ্যা কৰি ক'লে, "হৰিণ-হৰিণী এহালে যেতিয়া বনত তৃণ খাই আনন্দত থাকে, তেতিয়া হয়তো সিহঁতে নুবুজে সন্মুখত এটা বাঘ থিয় হৈ আছে। অথবা এটা চিকাৰীয়ে হৰিণটো মাৰিবলৈ ধনু-কাঁড় লৈ আছে। এনেদৰে হৰিণটোৰ অৱশ্যম্ভাৱী মৃত্যুৰ কথা হৰিণটোৱে নজনাকৈ সম্ভোগত ৰত হৈ থাকে। যৌৱনকালত মনোমোহা আৰু বৃদ্ধাকালত অনাঘ্ৰাণী নাৰীক ফুলৰ লগত তুলনা কৰিব পাৰি। প্ৰথমতে ফুল মনোমোহা, কিন্তু মৰহি গ'লে দলিয়াই পেলাবলগীয়া। কামনা-বাসনাৰ প্ৰতীক যুৱতী নাৰীক ফুলৰ গোন্ধ লোৱাৰ দৰে ইন্দ্ৰিয় সুখ অৰ্থাৎ কামনা চৰিতাৰ্থে কৰা হয় আৰু বিবাহিত জীৱনত মানুহে এই মায়ামোহ, ইন্দ্ৰিয় তৃপ্তিতে ব্যস্ত থাকে। তেওঁ নুবুজে যে সন্মুখতে কাল থিয় হৈ আছে। মৃত্যুৰ প্ৰতি ভয় নকৰি মোহত পৰি যৌৱনেই সকলো, এই চিন্তাতেই থাকে।" এনেদৰে নাৰদে ৰজাক মায়াময় জীৱনৰ বিষয়ে ব্যাখ্যা কৰে আৰু ৰজাক কৃষ্ণ-সেৱাতেই ব্ৰতী হৈ থাকিবলৈ উপদেশ দিয়ে।

এনেদৰে পুৰঞ্জন উপাখ্যানত[২] শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱে আমাক কেৱল দেহ-সৰ্বস্ব হৈ নাথাকি হৰি-ভক্তিত নিজকে নিয়োজিত কৰিবলৈ কৈ গৈছে। আমি দেহ-সৰ্বস্ব হৈ বছৰেকত তিনিশ ষাঠি দিনত তিনিটা বিহু উৎসৱ পাতি আনন্দ উপভোগৰ মাজেদিহে জীৱন কটাওঁ, কিন্তু সময় স্বৰূপ কাল যে চিৰন্তনভাৱে চলিয়েই আছে তালৈ আমাৰ ভ্ৰূক্ষেপ নাই। ইন্দ্ৰিয়সমূহৰ দ্বাৰা পৰিচালিত হৈ কেৱল ইন্দ্ৰিয় সুখতে জীৱন কটাই নিজৰ আত্মা-পৰমাত্মাৰ কথা পাহৰি গ'লে কেৱল মোহ-মায়াগ্ৰস্ত অলীক জীৱনহে অতিবাহিত কৰিব পাৰি, কিন্তু শ্ৰীকৃষ্ণৰ পদ-সেৱাত একান্তভাৱে লাগিলে ঈশ্বৰ স্বৰূপ পৰমাত্মাত আমি জীৱনাৱসানৰ পিছত লীন যাম। মানৱ দেহত

অগ্নিগড় স্বৰূপ জঠৰাগ্নিয়ে সকলো খাদ্য-বস্তু জীণ নিয়ায়, কিন্তু কেঁচা-পকা, খাদ্য-অখাদ্য, ভাল-বেয়া, সকলো বস্তু জীৰ্ণ কৰি খাদ্য-প্ৰাণ গোটেই অগ্নিগড় স্বৰূপ পাকস্থলীও শেষত জৰাগ্ৰস্থ হৈ মৃত্যুত পতিত হয়। ইটাৰে নিৰ্মিত গড়ৰ দৰে মানৱ দেহো বয়সৰ লগে লগে ক্ষয়প্ৰাপ্ত হৈ অনেক ব্যাধিয়ে ধৰি শেষত পঞ্চত্ব-প্ৰাপ্তি ঘটে। এনে অস্থায়ী বস্তুৰ ওপৰত মিছা অভিমান নকৰি পৰমাত্মাৰ চিন্তা কৰাহে একান্ত প্ৰয়োজন।

ষষ্ঠ অধ্যায়

একেশ্বৰবাদ আৰু ভক্তি

শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত নৱ-বৈষ্ণৱ ধৰ্মৰ অংশ হিচাপে অনিৰুদ্ধদেৱৰ ধৰ্মতো একেশ্বৰ বাদ আৰু ভক্তি দুটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। ঈশ্বৰ আৰু গুৰুৰ প্ৰতি অচলা ভক্তিৰ ধাৰণা নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰধান উপাদান।

একেশ্বৰবাদ আৰু ভক্তিবাদ

'কৃষ্ণ ব্যতিৰেকে আৰ কৰ্তা নাহি আন।
ঈশ্বৰেসে জানিবাহা সৃষ্টিৰ নিদান॥'
(ভক্তিমংগল ঃ ৭৯৯ ঃ অনিৰুদ্ধদেৱ)

'কৃষ্ণসে পৰম দেৱ কৃষ্ণক কৰিয়ো সেৱ
কৃষ্ণত সৰ্বদা দিয়া মতি।
আছে হৃদিপথ মাজে ঈশ্বৰ কৃষ্ণত বাজে
আন কোন দেৱে দিব গতি॥'
(ভাগৱত ৬।৫৩৩৭ শংকৰদেৱ)

'অবিকল নৰদেহ ভাৰতে লভিয়া পুনু
হৰি পদ পদ্মে কৰি আশা।
আনমত দেৱধৰ্ম তীৰ্থ বৰত আদি
আউৰ কাত কৰিয় ভাৰসা।'
(গীত বেলোৱাৰ ঃ অনিৰুদ্ধদেৱ)

ঐশ্বৰ্য ভোগৰ মদে ঈশ্বৰক নভজিয়া
পৰম অধম পাপী জন
ক্ষুদ্ৰ দেৱতাক পূজি মৰয় দোষত পৰি
তাত পৰে নাহিকে অজ্ঞান॥'
(ভক্তিমংগল ঃ অনিৰুদ্ধদেৱ)

'তুহু এক নাথ কৰতা মুৰাৰি
কৰ্ম অনুসাৰে সমস্তৰে অধিকাৰী ॥
একেশ্বৰ বিনে আন কৰ্তা নাহি কয়।
বাঢ়ন টুটন যত দেহৰ বিষয় ॥
প্ৰতেকে অসংখ্য কৰ্তা এৰে শুদ্ধাশয়।
এক কৰ্তা এৰি মাত্ৰ কৃষ্ণক ভজয় ॥
কহে অনিৰুদ্ধ মূঢ় ভকতি বিহীন
নানা কৰ্তা লৈলে দুখ পাৱে ৰাতি দিন ॥'

(গীত ঃ অনিৰুদ্ধ)

'জীৱৰ কুশল 		সাধিবাক লাগি
আন মূৰ্তি যোগ্য নয়।
এতেকে মহন্ত 		সকলে কৃষ্ণক
আৰাধ্য বুলিয়া কয় ॥'

(গীত গৌৰী ঃ অনিৰুদ্ধদেৱ)

'প্ৰেমৰ মুৰুতি নন্দৰ নন্দন নাহিকে যাহাৰ সাধ্য সাধন
ভকতি সি গ্ৰাহ্য হোন্ত অতি কৃপাময়।
ভকতিৰ ফল ভক্তি দিয়া সমস্ত লোকক উদ্ধাৰিয়া
হেন ঈশ্বৰত নাহিকে কিছু সংশয় ॥ ২৯
মুখে মন্দ হাসি নুগুচয় নখ ইন্দু সম প্ৰকাশয়
কৰে চাৰি চক্ৰ প্ৰকাশ কৰয় যাৰ।
সুৰেশ সৱৰ বন্দ্যদেৱ ভুজঙ্গ শয্যাত থাকা সদা
হৰি বিনে দেৱ নামানো নামানো আৰ ॥ ৩০
যতেক প্ৰাণীৰ খোজ আছে মানে হৰি হৰি হৰি হৰি এ
হস্তীৰ খোজত সৱে গৈয়া লীন যায়।
সেহিমতে চৰাচয় বিশ্বযত হৰি হৰি হৰি হৰি এ
ঈশ্বৰ কৃষ্ণত প্ৰৱেশয় সমুদায় ॥ ৩১
দেৱকীত হন্তে ভৈলন্ত বেকত হৰি হৰি হৰি হৰি এ
নিৰোধ কৰিয়া আন অৱতাৰ যত।
তাহান চৰণ পংকজ বিনাই হৰি হৰি হৰি হৰি এ
সমস্ত লোকৰ গতি নাই সংসাৰত ॥ ৩২

সেহি মতে ইটো হৰি মাত্ৰ সত্য হৰি হৰি হৰি হৰি এ
তান্ত বিনে মিছা নাম ৰূপ আছে যত।
ইটো পৃথিৱীৰ ধূলা আছে যত হৰি হৰি হৰি হৰি এ
চম্পক আদি কৰি পুষ্পৰ ঘ্ৰাণ যতেক।
বায়ুৰ শক্তিত ফুৰে যেন মত হৰি হৰি হৰি হৰি এ
ঈশ্বৰ শক্তিত ফুৰয় লোক প্ৰত্যেক।। ৩৪
যেহেন মৎস্যৰ জলেসে জীৱন হৰি হৰি হৰি হৰি এ
জল বিনে যেন জীৱন নৰহে তাৰ।
সেহিমতে ইটো শৰীৰী সবৰ হৰি হৰি হৰি হৰি এ
হৰিসে জীৱন জানা আক সাৰে সাৰ।। ৩৫
হেন ঈশ্বৰক এৰি আমি সৱে হৰি হৰি হৰি হৰি এ
অসত্য দেহক কৰিলোহো সত্য জ্ঞান।
ঈশ্বৰ কৃষ্ণৰ উপাসা এৰিয়া হৰি হৰি হৰি হৰি এ
জড়ৰ উপাসো দেখিয়ো কেন অজ্ঞান।।' ৩৬

(ভক্তিমংগল ঃ অনিৰুদ্ধদেৱ)

শংকৰদেৱৰ দৰে অনিৰুদ্ধদেৱৰো একেশ্বৰ বাদৰ ওপৰত অচলা বিশ্বাস আছিল। 'আন মত দেৱ ধৰ্ম তীৰ্থ, ব্ৰত আদি'তো অনিৰুদ্ধদেৱৰ অনীহা আছিল। গতিকে মায়ামৰা মহন্তসৱৰ শিষ্য-সকলে কোনো তীৰ্থ ভ্ৰমণ, ব্ৰত পালন আদিত বিশ্বাস নকৰে। ই এক বৈশিষ্ট্যপূৰ্ণ বিচিত্ৰতা।

'আন দেৱী-দেৱ নকৰিবা সেৱ প্ৰসাদো নাখাইবা তাৰ, মূৰ্তিকো নাচাইবা গৃহো নপসিবা ভক্তি হৈব ব্যভিচাৰ।'

(শংকৰদেৱ)

এই সত্য মায়ামৰা মহন্তৰ শিষ্যসকলে আখৰে আখৰে পালন কৰে। 'ক্ষুদ্ৰ দেৱতাক পূজি মৰয় দোষত পৰি, তাত পৰে নাহিকে অজ্ঞান'---এই অনিৰুদ্ধদেৱৰ বাণী ধ্ৰুৱ সত্য হৈ আছে। তদুপৰি

'সদৃশ্য স্বৰূপে মোৰ নামক নলৱে যিটো
নচাহিবা তাহাক অৰ্জুন।
দৃষ্টিক মাত্ৰকে তাক বৰ্জ্জিয়া অন্তৰ হৈবা
নাই তাত একো সদগুণ।।' ৬২০

(ভক্তিমংগল ঃ অনিৰুদ্ধদেৱ)

ঈশ্বৰ বিমুখ হুয়া মহাচাৰ ভ্ৰষ্ট ভৈল
যি কালত জীৱে আপোনাৰ।
সি কালৰে পৰা জানা সংসাৰত ভ্ৰমি ফুৰে
জন্ম-মৃত্যু পায়া বাৰম্বাৰ॥ 8৬০
(ভক্তি মংগল ঃ অনিৰুদ্ধদেৱ)

অৰ্থাৎ ঈশ্বৰত বিশ্বাস নথকা লোকক বৰ্জন কৰিব লাগে, কাৰণ মহাচাৰত ভ্ৰষ্ট হৈ সেই লোকে সংসাৰত বাৰে বাৰে জন্ম লভি জন্ম-মৃত্যু বাৰে বাৰে ভোগ কৰে।

ঐশ্বৰ্য ভোগৰ মদে ঈশ্বৰক নভজিয়া
পৰম অধম পাপী জন।
ক্ষুদ্ৰদেৱতাক পুজি মৰয় দোষত পৰি
তাত পৰে নাহিকে অজ্ঞান॥
(ভক্তি মংগল ঃ অনিৰুদ্ধদেৱ)

ঐশ্বৰ্য ভোগাৰ্থে মানুহে দেৱ-দেৱীক পূজা কৰি ঈশ্বৰত নভজে ---তেনে লোক "অধম পাপীজন"। হৰিত বিমুখ হৈ আন দেৱ-দেৱী পূজি লোক অপৱিত্ৰ হয়, বহু প্ৰায়চিত্ত কৰিও তেওঁলোক পৱিত্ৰ হ'ব নোৱাৰে। অনিৰুদ্ধদেৱে অন্য দেৱ-দেৱী পূজাৰ ফল এইদৰে দেখুৱাইছে ঃ---

গৰুৰ মুৰত চৰু পাতি হৰি হৰি হৰি হৰি এ
সুৰাত গোমাংস পচাৱয় চণ্ডালিনী।
আপুনি হুয়াছে ৰজস্বলা হৰি হৰি হৰি হৰি এ
বিপ্ৰৰ কপাল দি আছে তাত ঢাকনী। ৬১৫
হেন দেখি ইন্দ্ৰে পুচিলন্ত হৰি হৰি হৰি হৰি এ
কি পৰিব বুলি দি আছ তাত ঢাকন।
চাণ্ডালিনী বোলে জানা ইন্দ্ৰ হৰি হৰি হৰি হৰি এ
হৰি বিনে আন দেৱ পূজে যিটো জন॥ ৬১৬
তাৰ ধূলা যদি পৰে হেন হৰি হৰি হৰি হৰি এ
ইয়ো তেবে নষ্ট যায় জানা স্বৰূপত।
তথাপি ঈশ্বৰ কৃষ্ণ এৰি হৰি হৰি হৰি হৰি এ
আন দেৱ পূজি মৰয় পৰি দুঃখত॥ ৬১৭

শতেক বছৰ জাল দিয়া হৰি হৰি হৰি হৰি এ
লোহাক সুবৰ্ণ কৰিতে যদি পাৰয়।
বিষেয়ো অমৃত হোৱে যদি হৰি হৰি হৰি হৰি এ
হৰি বিমুখৰ তভু গতি নাহি কয়॥ ৬১৮
হৰিত বিমুখ হুয়া নৰে হৰি হৰি হৰি হৰি এ
বহু প্ৰায়শ্চিত কৰে যদি শুদ্ধভাৱে।
তথাপি পৱিত্ৰ নুহি কয় হৰি হৰি হৰি হৰি এ
সুৰাৰ কুম্ভক যেন তীৰ্থে পখালয়ে। ৬১৯

(ভক্তি মংগল ঃ অনিৰুদ্ধদেৱ)

কৃষ্ণক নভজিলে বাৰে বাৰে ক্ষুদ্ৰ জীৱ হৈ জন্ম গ্ৰহণ কৰে।

সবাৰে জনক কৃষ্ণ নমানি নভজে যিটো
অভজনে দোষ ভৈল তাৰ
গাছ-মাছ পশু-পক্ষী নানা যোনি উপজিয়া
ফুৰিবেক ভুঞ্জিয়া নিকাৰ। ১১৬

(ভক্তিমংগল ঃ অনিৰুদ্ধদেৱ)

মুকুন্দই পিতা মুকুন্দই মাতা বুলি ঘোষণা কৰি অনিৰুদ্ধদেৱে শংকৰদেৱৰ অদ্বৈতবাদৰ জয় জয়কাৰ কৰি গৈছে।

ইটো ব্ৰহ্মাণ্ডত একজন বিনে উপকাৰী নাহি আন
তাৰ চৰণৰ, কৃপালেশ বিনে, সুখ আছে কোন স্থান
মুকুন্দেসে পিতা, মুকুন্দেসে মাতা, মুকুন্দেসে বন্ধুজন।
মুকুন্দ সুহৃদ, ইহ-পৰলোক যৈতে তৈতে সৰ্বক্ষণ॥ ৪৭৫

(ভক্তিমংগল ঃ অনিৰুদ্ধদেৱ)

গছৰ গুৰিত পানী দিলে ডাল-পাতত পানী নিদিলেও হয়। তেনেদৰে, মাধৱক পুজিলে অন্য দেৱ-দেৱীক পূজা কৰিব নালাগে।

যেন বৃক্ষমূলে জল ঢালে কোনো জন।
স্কন্ধ ডাল-পত্ৰ পুষ্প হোৱে সচেতন॥
গোৰাত নিদিয়া জল দেই কোনো আগে।
গুৰিয়ে নপাৱে তাক আগতো নালাগে।
মাধৱক পুজিলে সৱাৰো পূজা হোৱে।
পৃথক পূজাৰে দেৱ ঈশ্বৰো নপাৱে॥

(পুৰঞ্জন উপাখ্যান ঃ অনিৰুদ্ধদেৱ)

ভক্তি আন্দোলনৰ মূল হোতা শংকৰদেৱৰ পদানুকৰণত অনিৰুদ্ধদেৱেও নাম, দেৱ, ভকতৰ মাহাত্ম্য প্ৰকাশ কৰি গৈছে। ভকতিবিহীনে মোক্ষ লাভ কৰিব নোৱাৰি বুলি শংকৰদেৱে কৈ গৈছে।

নামদেৱ আৰু ভকত

ভকতি যে মাতা ভকতি যে পিতা
ভকতি যে বন্ধুজন।
ভকতি সুহৃদ সোদৰ বিধাতা
ভকতি যে মহাধন॥
ভকতি সে গতি ভকতি সে মতি
ভকতি সে দেৱ-দ্বিজ।
ভকতি সে চিত্ত ভকতি সে বিত্ত
ভকতি মোক্ষৰ বীজ॥

(দশম ঃ শংকৰদেৱ)

তেনেদৰে অনিৰুদ্ধদেৱেও ভক্তিমাৰ্গৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰি থৈ গৈছে।

ভক্তিমাৰ্গৰ শ্ৰেষ্ঠতা

শুনা সভাসদ মহাভাগৱত গ্ৰন্থ।
নৰ শৰীৰৰ ভকতি সে মোক্ষ পন্থ।
যোগ জ্ঞান কৰ্ম দানে সকলো দুৰ্লভ।
হৰি ভকতিসে জানা পৰম সুলভ॥
মুখে বুলিবাক লাগে ৰাম কৃষ্ণ মাত্ৰ।
এতেকে হোৱয় নৰ বৈকুণ্ঠৰ পাত্ৰ॥

যদি গৃহ বাসে বসে নৰ বনত পৰ্বত অগ্ৰে যদি
দন্ত জঁটা ধৰি ভষ্ম ঘসয় গাৱে।
পুৰাণ আদিকৰি সৱে শাস্ত্ৰ পঢ়িয়া হৃদয় নোহে শুদ্ধ
কৃষ্ণৰ চৰণে ভকতি নকৰে যাৱে।
ব্ৰহ্মচাৰী গৃহবাসী যত বাণপ্ৰস্থ ধৰ্মে থাকি কতো
সন্যাসটো হন্তে নপাৱ পৰম গতি।
হৰিক স্মৰণ এৰি নৰে মিছাত কেৱল শ্ৰমে মৰে
কি কাম সাধিব বিহিন হৰি ভকতি॥

(ভক্তি মংগল ঃ অনিৰুদ্ধ)

জাতি কুলাচাৰ নিয়ম সংযম
একোৱে গুণ নচাই।
ভকতি কৰিলে চণ্ডালতো ভজা
নভজিলে শক্য নাই।
হেনয় কৃষ্ণক ভকতিৰ বলে
ভকতেসে কৰে বশ্য॥

(গীত অহিৰঃ অনিৰুদ্ধ)

কৌটি ব্ৰহ্মাণ্ডৰ, ঠাকুৰ ঈশ্বৰ, ব্ৰহ্মাদিৰো বন্দ্যহৰি
ভকতি প্ৰেমৰ, বলে গোৱালীয়ে হৈয়া আছে বন্দি কৰি॥
এতেকে ভকতি সম বলৱন্ত, বস্তু নাহি তিনিলোকে।

(গীত কেদাৰঃ অনিৰুদ্ধ)

ঈশ্বৰ কৃষ্ণক, তুহিবাক লাগি, নাহিকে কাৰো শকতি
ভক্তি বিনে আন, বিড়ম্বন জানি, কৰিও হৰি ভকতি॥ ৭০॥

(৫ম স্কন্ধ ভাগৱতঃ অনিৰুদ্ধদেৱ)

য'ত মহাগুণ সকলো আছয়, ভকতিৰ ব্যতিৰেক।
সয়ে বিৰম্বন, বুলিয়া শাস্ত্ৰত কহয় জানা প্ৰত্যেক॥

(৫ম স্কন্ধ ভাগৱতঃ অনিৰুদ্ধদেৱ)

ইটো হৰি ভক্তিমাৰ্গ জানা চিৰন্তন পথ বুলি যাক।
বিঘিনি ৰহিত পৰম কৰুণাকৰ।
সাধু সৱে নানা মাৰ্গ এৰি আতেসে ডুবয় নিৰন্তৰ
সমস্ত শ্ৰমক এৰাই সাধ্য সাধনৱ॥ ৫৮৫

হেনয় পথত উঠি যিটো কৃষ্ণ পাদ-পদ্ম ভক্তি যিটো
হৰিগুণ নাম সদায়ে আদৰে গাৱে।
সমস্ত আশাৰ মুক্ত হুয়া মনত নিৰাশি ৰূপে ৰৈয়া
পৰম সুখত বসয় যিটো স্বভাৱে॥ ৫৮৭

(ভক্তি মংগলঃ অনিৰুদ্ধ)

হৰি ভকতিৰ বাহিৰে অন্য পথ কণ্টকাকীৰ্ণ।
যতিকে অনিৰুদ্ধদেৱে কৈছে ঃ---

"হৰি ভকতিক এৰি যিটো জনে
ন বিধাভক্তি আন পুৰুষাৰ্থ কৰে
নাও এৰি যেন কুবুদ্ধি মনুষ্যে
জলত ডুবিয়া মৰে॥ ৬৪৪
(ভক্তি মংগল ঃ অনিৰুদ্ধ)

ভক্তিন বিধ---শ্ৰৱণ, কীৰ্তন, স্মৰণ, অৰ্চন, পদসেৱন, দাস্য, সখিত্ব, বন্দন আৰু দেহ-অৰ্পণ। শংকৰদেৱে যেনেদৰে শ্ৰৱণ আৰু কীৰ্তনৰ ওপৰতহে গুৰুত্ব দিছিল, তেনেদৰে অনিৰুদ্ধদেৱেও শ্ৰৱণ আৰু কীৰ্তনাকে শ্ৰেষ্ঠ বুলি মানি গৈছে।

ঘোৰ কলি কালে এক গোটা ধৰ্ম
কৃষ্ণৰ কীৰ্তন মাত্ৰ॥
সকল সেৱাত শ্ৰেষ্ঠ কৰি শাস্ত্ৰে
কীৰ্তনক কৰে মাত্ৰ।
সেৱাতো উত্তম যুগৰো নায়ক
নাহি কাল দেশ পাত্ৰ॥
যুগ ধৰ্ম খণ্ডি কীৰ্তনক দণ্ডি
ভক্তকো নিন্দিয়া যায়।
তেবে কেন গতি হুইবেক শাস্ত্ৰত
বিচাৰি দেখিয়ো চাই।
(অনিৰুদ্ধ)

সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰ যুগত পূজা
কলিৰ যুগত কীৰ্তনত পৰে
আউৰ নাহিকে দুজা॥
(গীত বেলোৱাৰ ঃ অনিৰুদ্ধ)

যদিও কলি দুৰ্জন আৰু দোষৰ সাগৰ তথাপিতো কলিৰ এটা

গুণ আছে। এইবুলি অনিৰুদ্ধদেৱে শ্ৰীমদ্‌ভাগৱতৰ সিধান্ত মানি লৈ কৈছে ঃ

কীৰ্তন কৰিয়া যেৱে নতৰে কলিত
অনি কেন মতে সাধিবেক আত্মহিত॥
কহে অনিৰুদ্ধে আন নাহিকে তৰণ।
কলিৰ পৰম ধৰ্ম হৰিৰ কীৰ্তন॥

(গীত অহিৰ ঃ অনিৰুদ্ধ)

কলিত জনম লভি যিটো আপোন কুশল চাৱে যেৱে
নামৰ শ্ৰৱণে কীৰ্তনে কৰোক ৰতি
ঘোৰ সংসাৰৰ অন্ধকাৰ তৰিবাক যিটো ইচ্ছা কৰে
অন্যত্ৰ উপায় নাই জানা প্ৰতি প্ৰতি। ৫৮

(ভক্তি মংগল ঃ অনিৰুদ্ধ)

শুকমুনি পৰীক্ষিত ৰাজাত কহিলা।
নৰসিদ্ধে প্ৰতি যেন ঋষভে বুলিলা॥
শীত উষ্ণ এৰি সুখে দুখে হৈবে সম।
ভক্তিবেক মোত মন কৰিয়া নিয়ম॥
শ্ৰৱণ কীৰ্তন মোৰ কৰিব সৰ্বথা।
হুইবে মহা শান্ত এৰি বিষয়ক তথা॥
ভাগৱত শাস্ত্ৰত হুইবেক তত্ত্ব পৰ।
দেহ প্ৰাণ ইন্দ্ৰিয় জিনিব নিৰন্তৰ॥
আপনিয়ো সৰ্বক্ষণে আত্মাতে ৰমিব।
সমস্ত প্ৰাণীকে মোৰ স্বৰূপ দেখিব॥

(৫ম স্কন্ধ ভাগৱত ঃ অনিৰুদ্ধ)

হৰি নাম ল'লে মহাপাপীয়েও উদ্ধাৰ পায়, ভাগৱতৰ অজামিল উপাখ্যানৰ মাধ্যমেৰে শঙ্কৰদেৱে এই সত্য প্ৰতিষ্ঠা কৰি গৈছে। অনিৰুদ্ধদেৱে অজামিল উপাখ্যান চমুকৈ বৰ্ণনা কৰি গৈছে।

শৰণ ভজন, গুৰু সেৱা হীন
নাজানে ধৰ্মৰ তত্ত্ব।
নাৰায়ণ বুলি বেশ্যাৰ পুত্ৰত
বদ্ধি ভৈলা আসকত॥

হৰি নাম লওঁ পাপ নষ্ট হোক
ইহাকে নজানে মনে।
কেৱল নামৰ অভ্যাস মাত্ৰকে
তৰিলা বিপ্ৰ তেখনে॥
যমৰ দূতক কোবায়া খেদিল
বিষ্ণু দূত চাৰিজন।
এনে মহাপাপী ব্ৰাহ্মণ হোৱন্তো
কৃতাৰ্থ ভৈল তেখন॥

(ভক্তি মংগল ঃ অনিৰুদ্ধদেৱ)

ভাগৱত শাস্ত্ৰই কলিত নাম-ধৰ্মই সাৰ বুলি যি সহজ উপায় যুগুত কৰিছে, অনিৰুদ্ধদেৱে তাকেই সাৱোগত কৰি নামেই শ্ৰেষ্ঠ বুলি কৈ গৈছে।

ভাগৱত শাস্ত্ৰ
মূলশাস্ত্ৰ

ভাগৱত সমুদ্ৰক মথি কৈলা সাৰ।
ৰাম-কৃষ্ণ নাম বিনে নাহি নাহি আৰ॥
মহাজন সৱে পূৰ্বে কৰিলা নিৰ্ণয়।
সকলো শাস্ত্ৰৰ সাৰ নামকেসে কয়।
ভাগৱত শাস্ত্ৰৰ এহিসে সাৰ জানি।
মহন্ত সকলে নেৰে ৰাম-কৃষ্ণ বাণী॥
কৰন্তে সুলভ একো শ্ৰম নাহি কয়।
ই জানিয়া মহন্তসৱে কীৰ্তন কৰয়॥
যি কালে কীৰ্তনে মন ভৈল এক মূল।
সেহিকালে গুচিবেক মনৰ আকুল।
দুখিত মনক যিটো থিনিবাক চায়।
হৰি কথা বিনে আন নাহিকে উপায়॥

(৫ম স্কন্ধ ঃ অনিৰুদ্ধ)

যি উদ্দেশ্য যোগ, জ্ঞান, কৰ্ম, দানৰ দ্বাৰা সিদ্ধ নহয় হৰি ভক্তিয়ে সেই উদ্দেশ্য সিদ্ধি কৰে ঃ---

যোগ, জ্ঞান, কৰ্ম দানে সকলো দুৰ্লভ।
হৰি ভকতিসে জানা পৰম সুলভ॥

মুখে বুলিবেক মাগে ৰাম-কৃষ্ণ মাত্ৰ।
এতেকে হোৱয় নৰ ভকতিৰ পাত্ৰ॥
হেন জানি যোগ-জ্ঞান কৰ্ম্মে নেদি চিত্ত।
কৃষ্ণৰ কীৰ্তন কৰা কায়মনে চিত্ত॥
আতপৰে নৰৰ উত্তম লাভ নাই।
শ্ৰৱণ কীৰ্তন মুখে কৰিব সদায়॥

(৫ম স্কন্ধ ভাগৱত : অনিৰুদ্ধদেৱ)

ভক্তিৰ উৎসৱ যেত নাহি শ্ৰৱণ কীৰ্তন।
ব্ৰহ্মলোকো ভৈল ভৈত নথাকিবা কোনো জন॥

(২ম স্কন্ধ ভাগৱত : অনিৰুদ্ধ)

ঈশ্বৰৰ অংশ জীৱ ঈশ্বৰ পৰায়।
বুদ্ধিৰ সংগত এতিমতে বদ্ধ যায়॥ ১০২
ইন্দ্ৰিয় বিষয় সুখ বুদ্ধিয়ে লবয়।
সমস্ত বস্তুত সেয়া মন প্ৰৱৰ্ত্তয়॥
মনৰ কৰ্মক জীৱে মোৰ বুলি মানে।
কৰ্ম পাশে বদ্ধ জীৱ এহিসে নিদানে॥ ১০৩
যেৱে ঈশ্বৰত নুহি একান্ত ভকতি।
তাৱে জীৱে নেৰাবয় উচ্চ-নীচ গতি
ভকতিৰ ফল ভক্তি লভে সিকালত।
তেৱেসে হুইবেক সেয়া জীৱ শুদ্ধ সত্ত্ব॥

(পুৰঞ্জন উপাখ্যান : অনিৰুদ্ধ)

"সৰ্বকৰ্ম পৰিত্যাগ কৰি গুৰু-চৰণা-কাণ্ঠাৰে হ'ল কাল সংহতি —গোপাল আতাৰ সম্প্ৰদায় একমত "নাম" "দেৱ", "ভকত"---এই তিনিটা বস্তু শঙ্কৰদেৱে প্ৰকাশ কৰে, অৰ্থাৎ তেওঁৰ পন্থৰ গুৰু হৈ গুৰু-তত্ত্বক ভক্ত বস্তুৰপৰা পৃথক কৰি নেদেখুৱাইছিল।...... মাধৱদেৱে শংকৰৰ তিনিটিৰ লগত "গুৰু"ক যোগ কৰি অৰ্থাৎ গুৰুক ভক্তৰপৰা সুকীয়া কৰি অসমীয়া বৈষ্ণৱ ধৰ্মৰ 'চাৰি বস্তু' পূৰ কৰে। বৈষ্ণৱসকলে কয়, মাধৱদেৱ চাৰি সংহতিৰ গুৰু,

শংকৰদেৱ" মাধৱদেৱৰ গুৰু বাবে তেওঁ হ'ল জগদগুৰু---গীতাৰ ক্ষৰ ব্ৰহ্ম আৰু অক্ষৰ ব্ৰহ্মৰ অতীত—মহাপুৰুষ।

(শ্ৰীশ্ৰীশংকৰদেৱ ঃ মহেশ্বৰ নেওগ ১৫৩-১৫৪)

শ্ৰীমন্ত শংকৰদেৱক পৰম গুৰু বুলি মানি মাধৱদেৱে যি গুৰু পৰকাণ্ঠাৰ পৰম্পৰা দেখুৱালে, তেওঁ শিষ্য গোপালদেৱে এই পৰম্পৰাক অনুকৰণ কৰিলে আৰু গোপালদেৱৰ শিষ্য অনিৰুদ্ধদেৱে গুৰুক মুৰত তুলি লৈ গুৰু ভক্তিৰ পৰম নিদৰ্শন দাঙি ধৰিলে।

গুৰু-পৰকাণ্ঠা আৰু অনিৰুদ্ধদেৱ

এই অনিৰুদ্ধদেৱদ্বাৰা প্ৰচাৰিত নাম-ধৰ্মই গুৰু পৰকাণ্ঠাৰ পৰম্পৰাৰে পিছত লৈ বৈপ্লৱিক ৰূপ লৈ আহোম সিংহাসনকো থৰক-বৰক কৰাইছিল। "মৰি যাওঁ মাৰি যাওঁ, গুৰুৰ ঋণ সুজি যাওঁ"---এই মূল মন্ত্ৰেৰে মায়ামৰা গোসাঁই-শিষ্যসকলে গুৰুৰ আদেশত প্ৰাণ আহুতি দি, গোসাঁইৰ ঋণ সুজিবলৈ একচত্ৰী আহোম স্বৰ্গদেওকো বিৰোধিতা কৰিবলৈ আগবাঢ়ি গৈছিল---যেন গুৰু গোবিন্দ সিঙৰ আদেশতহে শিখ খালচাসকলে মহাপ্ৰতাপী মোগলৰ বিৰুদ্ধে যুঁজিবলৈ গৈছিল।

মাধৱদেৱে শংকৰক গুৰু মানি গুৰু-পৰকাণ্ঠাৰ যি পৰম্পৰা দেখুৱালে, তাৰ অনুসৰণতে গোপালদেৱ আৰু অনিৰুদ্ধদেৱে গুৰুক শ্ৰেষ্ঠ আসন দিলে।

মাধৱদেৱে শ্ৰীমন্ত শংকৰক পৰম গুৰু আৰু ঈশ্বৰৰ অংশ বুলি একনিষ্ঠ গুৰুভক্তিৰ যি নিদৰ্শন দি গ'ল সি প্ৰণিধানযোগ্য।

শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু॥ ৩৭৫

(নামঘোষা ঃ মাধৱদেৱ)

হৰি নাম প্ৰেম ৰস, অমৃত নিধিক বান্ধি,
গুপ্ত কৰি থৈলা দেৱগণে।
দয়ালু শংকৰে পাই, তুলি মুদ ভাঙি দিলা,
সুখে পান কৰা সৰ্বজনে॥ ১০১

(নামঘোষা ঃ মাধৱদেৱ)

শ্ৰীমন্ত শংকৰে প্ৰকাশিলা গোবিন্দৰ গুণ নাম যশ
জগতৰ লোকে পৰম আনন্দে গাৱে।
হেনয় শংকৰ গুৰু বিনে কমন কাৰণে আনজনে
লোকৰ মাজত আপুনি গুৰু বোলাৱে।। ৬৩০
(নামঘোষা ঃ মাধৱদেৱ)

মাধৱদেৱে গুৰুক শ্ৰেষ্ঠ আসন দি কৈছে ঃ---

যিটো মহামতি গুৰুজনে হৰি ভক্তি পথ উপদেশ
দিয়া দুঃখময় সংসাৰ পাৰ কৰে।
হেনয় পৰম গুৰু-ঋণ শুজিবাক প্ৰতি জানা নিষ্ট
অন্যত্ৰ উপায় নাহি অঞ্জলিত পৰে।। ৬৮৫
হৰি ভক্তিদাতা গুৰু-ঋণ শুজিবাক যিটো অহংকাৰী,
অনেক যতনে মনত আলোচে মাত্ৰ।
ঋণ শুজিবাক নপাৰয় জানিবাহা সিটো দুৰাশয়
উপলা সদৃশ বিনোদৰ ভৈল পাত্ৰ।। ৬৮৬
(নামঘোষা ঃ মাধৱদেৱ)

শংকৰদেৱেও গুৰুক ভক্তি কৰিব লাগে বুলি কৈ গৈছে আৰু গুৰুক সাক্ষাৎ ভগৱান বুলি মানিবলৈ কৈছে। কিন্তু তেওঁ জগন্নাথ-কেই গুৰু বুলি মানি লোৱাৰ হেতুকে গুৰু পৰম্পৰাৰ ওপৰত অধিক গুৰুত্ব দিয়া নাছিল।

বিশিষ্ট গুৰুক অকপটে সেৱা কৰি।
মানিবে গুৰু সে আত্মা দেৱ মহাহৰি।।
(নিমি-নৱসিদ্ধ সংবাদ ঃ শঙ্কৰদেৱ)

মাধৱদেৱে গুৰুক ঈশ্বৰৰ আত্মা বুলি মানি লৈছে ঃ

গুৰুক ঈশ্বৰৰ আত্মা বুলি মানি মনে।
কৰিব ভকতি এক ঈশ্বৰ চৰণে।।
(ভক্তি ৰত্নাৱলী ঃ মাধৱদেৱ)

গতিকে মাধৱদেৱৰ মানত শংকৰেই ভগৱান।

ত্ৰিভুৱন বন্দন দৈৱকী নন্দন
যো হৰি মাৰল কংস।
জগজ্জন তাৰণ, দেৱ নাৰায়ণ
শংকৰ তাকেৰি অংশ।।
(গুৰু ভটিমা ঃ মাধৱদেৱ)

শংকৰদেৱে অৱশ্যে কাকো গুৰু বুলি মনা নাছিল; জগন্নাথেই তেওঁৰ গুৰু বুলি কোনো কোনোৱে আকৌ কয় যে শংকৰদেৱে এজন ভকতক শৰণ দি তেওঁৰপৰাই নাম-মন্ত্ৰ গ্ৰহণ কৰিছিল।

(মহেশ্বৰ নেওগ: শ্ৰীশ্ৰীশংকৰদেৱ)

এই বিষয়ে অৱশ্যে মত বিৰোধ নথকা নহয় আৰু সহজতে ইয়াক মানিও ল'ব পৰা নাযায়। কথা চৰিতত শংকৰদেৱে কৈছে, "আমিও ভাবিছোঁ সৰ্বতত্ত্ব ভকতক মই গুৰু মানো। ভকত গুৰুত পৰে আনক নজানো।" তেওঁৰ শিষ্যসকলে অৱশ্যে এই কথা ক'বলৈ হিয়াৰে সাহ নাপাইছিল। তৃতীয়তে সৰ্বসাধাৰণে শংকৰদেৱক 'ত্ৰিভুৱন বন্দন---দৈৱকীনন্দনৰ অংশ' গুৰু অৱতাৰ বুলি মনা হয়।

(মহেশ্বৰ নেওগ: শ্ৰীশ্ৰীশংকৰদেৱ)

শংকৰদেৱে গুৰু হ'বলৈ কি কি গুণ থাকিব লাগে তাক ব্যাখ্যা কৰি গৈছে এনেদৰে:---

'তোৰন্তে ভকত যিটো নুহিবা পণ্ডিত।
শিষ্যৰ সংশয় যিটো নপাৰে খণ্ডিত॥
পণ্ডিত হোৱেবা যদি নুহিবা ভকত।
তাৰ উপদেশ বোধ নহয় শকত॥
হোৱন্ত পণ্ডিত যিটো কৃষ্ণৰ ভকত।
সেহি গুৰু উপদেশ দিবাক শকত॥'

(ভক্তি ৰত্নাৱলী: শংকৰদেৱ)

গুৰু-পৰকাষ্ঠা আছিল পঞ্চদশ শতিকাৰ বিশিষ্টতা। কবীৰে কৈছিল, "ক্যা হিন্দু, ক্যা মুছলিম, ক্যা ইছায় জৈন, গুৰুভক্তি পূৰণ বিনা কৈ না পাৱে চৈন।" মাধৱদেৱ আৰু গোপালদেৱৰ পদানুকৰণ কৰি অনিৰুদ্ধদেৱে কৈছিল, "বিনে গুৰু চৰণে ভকতি মুকুতি কভহি নুই।"

'যাৱে সদ গুৰু উপাসা কৰি।
কৃপাক লভিয়া নভজে হৰি॥
কালৰ চেষ্টাক জানে কমনে।
কহে অনিৰুদ্ধ অধম জনে॥'

(গীত আশোৱাৰী: অনিৰুদ্ধদেৱ)

'তৰ্ক ব্যাকৰণ পুৰাণ ভাৰত আদি
তৰণ ব্যৱস্থা দিতে পাৰে।
গুৰু পদ কৰ্তা মানি ভাগৱত তত্ত্ব জানি
ভকতি লভিয় ওহি দ্বাৰে॥'
(গীতবসন্তঃ অনিৰুদ্ধ)

'যাৰে গুৰু মুখে কথা নুশুনে সতত।
তাৰে জীৱ ভ্ৰমি ফুৰে সংসাৰ চক্ৰত॥
অধিকাৰী মুখে কথা পাৰে যি কালত।
সেৱ্য সেৱা চিনি তেৱে ভজয় সতত॥'
(গীতশ্ৰীঃ অনিৰুদ্ধদেৱ)

এই মায়াময় সংসাৰত গুৰু হৈছে প্ৰকৃত পথ-প্ৰদৰ্শক। গুৰু-চৰণৰ কৃপা লভিলেহে মায়াময় সংসাৰৰ মোহ ত্যাগ কৰিব পৰা যায়।

'যেন সপোনত শৰীৰ ধৰিয়া
ভ্ৰমে জীৱ ঠাই ঠাই।
সেই শৰীৰত সুখ দুখ পায়া
বিষয় ভুঞ্জে সদায়॥
সেহিমতে জীউ শয্যাৰ শৰীৰ
তাক পাসৰিয়া যাই।
স্বপ্ন তনু সম নৱদেহ পায়া
সুখ মানে তাক লাই॥
গুৰু-চৰণৰ অনুগ্ৰহ লভি
যেখন চেতন পাৱে।
স্বপ্ন প্ৰায় ইটো শৰীৰ পাসৰে
স্বৰূপ সুমৰি যাৱে॥'
(গীত ঝুমুৰাঃ অনিৰুদ্ধদেৱ)

'যাৰে গুৰু মুখে তত্ত্ব নধৰে।
তাৰত উচ্চ-নীচ গতি কৰে॥'
(গীত কৰ্ণাটঃ অনিৰুদ্ধদেৱ)

গুৰু অবিহনে ‘নৰহে জীৱন’ প্ৰথমবাৰ গোপালদেৱক দৰ্শন কৰিবলৈ যাওঁতে গোপালদেৱে ঘৰৰপৰা ওলাই নহাত অনিৰুদ্ধদেৱে (তেতিয়াৰ হৰকণ্ঠই) এনেদৰে স্তুতি-মিনতি কৰি গাইছিল ঃ—

‘গোপাল সোণাৰ প্ৰভু দেহো দৰশন।
মহন্তক নেদেখিলে নৰহে জীৱন॥’

(গীত বেলোৱাৰ ঃ অনিৰুদ্ধ)

‘বুঝ বুঝা মেৰি মন শাস্ত্ৰক নয়।
আচাৰ্য বয়নে বিনে ভক্তি নোপোজয়॥
যেন ধেনু চক্ষু, নাস শ্ৰৱণ বয়ন।
জলদ্বাৰ মলদ্বাৰ নানা ছিদ্ৰগণ॥
সব দ্বাৰে বীভৎস বস্তু সে বাঝ হয়ে।
আনোমতে যাৱ ভৈল ৰুধিৰ বহয়ে॥
এক বাণ্ট বিনে দুগ্ধ নস্ৰবে নিশেষ।
নজানে ভকতি বিনে গুৰু উপদেশ॥’

(গীত কানাড়া ঃ অনিৰুদ্ধদেৱ)

গুৰুৰ মুখৰপৰা নুশুনিলে সংশয় নুগুছে। গতিকে কৈছে ঃ—

‘বিনে গুৰু মুখে কথা ৰস নুপজয়
কথা লভিলেসে গুচে বিশেষ সংশয়॥’

(গীত ঃ শ্যাম ঃ—অনিৰুদ্ধদেৱ)

গুৰুৰ অনুগ্ৰহ লভিলেহে ভগৱানৰ কৃপা লাভ কৰে ঃ—

‘গুৰু চৰণৰ অনুগ্ৰহ লৈয়া
যিজনে জানে নামক
কহে অনিৰুদ্ধ ই তিনি লোকত
সমকোন সিজনক॥

যদি ধন-জন ইন্দ্ৰিয় সুখক
তেজিবে নপাৰে যিটো
গুৰু মুখে নাম মহিমা জানিয়া
গৃহতে তৰিব সিটো।’

(গীত অহিৰ ঃ অনিৰুদ্ধ)

'শাস্ত্ৰক বিচাৰি এক নপাৰে তৰিত।
গুৰুৰ কৃপাতেসে মিলে নামত পীৰিত॥
(গীত বসন্ত: অনিৰুদ্ধদেৱ)

গুৰুৰ মুখৰপৰা শিক্ষা লভিলেহে ভক্তি উপজে:---

'যাৰে গুৰু মুখে কথা নুশুনে সতত।
তাৰত ভকতি জানা নোহে পুৰুষত॥
পথ যে বিপথ ধৰ্ম-বিধৰ্ম যতেক।
হৰি কথা শুনিলেসে জানয় প্ৰত্যেক॥
হেন জানি গুৰু পদে কৰিয়োক ৰতি
গুৰু মুখে শিক্ষা লভি তৰিয়ো সম্পতি॥' ৫৮২
(৫ম স্কন্ধ ভাগৱত: অনিৰুদ্ধদেৱ)

'গুৰুৰূপী ঈশ্বৰৰ মুখে হৰি-কথা যিটো নুশুনিলে
কোনো পুৰুষৰ ভকতি নুহিবে জাত।
ব্ৰহ্মা মহেশ আদি কৰি যত কথাৰ অন্তক নজানন্ত
এতেকে সঞ্জাত কৰয় সবে কথাত॥' ১২৬
(ভক্তি মংগল: অনিৰুদ্ধ)

'গুৰু-চৰণৰ অনুগ্ৰহ লৈয়া
মনত নাভাৱে যাৰে।
আমি যেন পাইলো আনে কোনে পাইবো
বিদ্যা তপ শুদ্ধভাৱে॥
(ভক্তি মঙ্গল: অনিৰুদ্ধ)

ন বিধ ভক্তিৰ ভিতৰত শ্ৰেষ্ঠ শ্ৰৱণ আৰু কীৰ্তনৰ মাহাত্ম্য অনিৰুদ্ধদেৱে স্পষ্টভাৱে মানি লৈছে। বাকী কেইবিধ ভক্তিৰ বিষয়ে অনিৰুদ্ধদেৱে কি কৈছে তাক আমি বিচাৰ কৰি চাব পাৰোঁ।

শ্ৰৱণ-কীৰ্তনৰ মাহাত্ম্য

'হৰি-চৰণত শৰণ পশিয়া হৰি হৰি হৰি হৰি এ
হৰিৰ নামক জানিয়া যিটো সুমৰে।
ব্ৰহ্মাণ্ড ভিতৰে সিটো পুৰুষৰ হৰি হৰি হৰি হৰি এ
ভয় জনাইবাক পাৰে আৰু কোন নৰে॥' ৪১৪
(ভক্তি মংগল: অনিৰুদ্ধদেৱ)

'হৰি চৰণত যিটো শৰণ পশিয়া স্মৰে
নুখুজি পুণ্যৰ পাৱে লাগ।
সমস্ত পুণ্যৰ ৰজা হৰিক স্মৰণ জানি
কদাচিতো নেৰা মহাভাগ॥' ২০৯
(ভক্তি মংগল : অনিৰুদ্ধদেৱ)

'হৰি চৰণত যিটো শৰণ পশিয়া তাংক
নুসুমৰে যিটো নিৰন্তৰ॥
ৰাজসূয় অশ্বমেধ তুলাদান আদি কৰি
যত পুণ্য সিজে সিজনৰ।

ঈশ্বৰ কৃষ্ণৰ পদে শৰণ পশিয়া যিটো
স্মৰে তাংক কৰিয়া সত্বৰ॥' ২০৪
(ভক্তি মংগল : অনিৰুদ্ধ)

'হৰি-পদ-পংকজ ভক্তৰ নিজ ধন
জানিয়া কৰিও মন সদায় স্মৰণ॥' ২১৬
(ভক্তি মংগল : অনিৰুদ্ধদেৱ)

'কীট বাঘ পকৰাই স্মৰে সতত।
হুয়ে বাঘ পকৰা সেহি শৰীৰত॥
এতেকে দেখিয়োঁ কেনে স্মৰণ বল।
যেহি যাক মনে চিন্তে নুহিকে বিফল॥'
(গীত শ্রীগোসাঁৰী : অনিৰুদ্ধ)

'হৰি-নাম স্মৰণে অজামিলৰ দৰে মহাপাপীকো উদ্ধাৰিছিল।
গতিকে ভক্তিভাৱে ঈশ্বৰক স্মৰণ কৰিলে বিফল নহয়।

'যিটোজন লব্ধ মতি হুয়া ভকতিৰ ফল ভক্তি লৈয়া
মহাপুৰুষক ভক্তিৰ হেতু কৰয়।
ভক্তৰ সংগত ৰতি কৰি হৰি নাম ৰূপ মনে স্মৰি
তাহাৰ মহিমা কহিবে কোনে পাৰয়॥'
(ভক্তি মংগল : অনিৰুদ্ধদেৱ)

দাস্য ভক্তিৰ বিষয়ে অনিৰুদ্ধদেৱে কৈছে ঃ

'গোপাল মই তেৰি দাসৰো দাস
তুহুঁ মেৰি চায়েব মঞ্ৰি তোৰ চাকৰ
তয়ু পদে নকৰো উপাসা ॥
তয়ু দাস হুয়া হামু চাকেৰি নকৰোহোঁ
অপৰাধ হৃদে গৈলো তল
কিংকৰ বুলিয়া প্ৰভু সে দোষ মৰষ যদি
তেৱে মোৰ জনম সাফল ॥
তোমাৰ কিংকৰ হুয়া তোমাত কৰিলো দ্ৰোহ
কিনো মঞি ভৈলো পাপী বাম।
কহে অনিৰুদ্ধে মোৰ তোহ্মাৰ চৰণ বিনে
জন্মে জন্মে নাই আন কাম।'

(গীত মাহৰ ঃ অনিৰুদ্ধদেৱ)

'যোহি ৰাম চৰণ কৰত উপাসা।
জনমে জনমে হৈবো দাসৰো দাসা ॥'

(৫ম স্কন্ধ ভাগৱত ঃ অনিৰুদ্ধ)

'এতেকে তুমিসে প্ৰভু পৰম ঈশ্বৰ।
ভৈলোহো দাসৰো দাস তয়ু চৰণৰ ॥'

(৫ম স্কন্ধ ভাগৱত ঃ অনিৰুদ্ধ)

এতেকে তোমাত সম্বন্ধ ঘটিল
ভৈলোহো তয়ু কিংকৰ
তোমাৰ কেৱল সেৱক সৱৰ
সংগে ৰাখা দামোদৰ

(ভক্তি মংগল ঃ অনিৰুদ্ধ)

'তুমি বিনে আন মোৰ নাথ নাহি কয়।
অনাথ জানিয়া দয়া কৰা কৃপাময় ॥
এক নাথ কৰি মই ধৰিলোঁ মনতে।
দাস পাই এৰা যদি হাসিব জগতে ॥

কিনো অপৰাধ মই কৰিলো অধম।
হৃদিত থাকিয়া নাথ নকৰা মৰম॥
বাহিৰে ভিতৰে মোৰ কৰ্ত্তা নাহি আন।
কহিবে নালাগে জানা আপুনি প্ৰমাণ॥
(ভক্তিমংগল ঃ অনিৰুদ্ধ)

দাস ভাৱে হৰি পদে নভজিয়া মন।
কি সুখ লভিব কৰি বিষয় গ্ৰহণ॥
(ভক্তিমংগল ঃ অনিৰুদ্ধ)

ভক্তিৰ অন্যৰূপ সখিত্বৰ বিষয়ে অনিৰুদ্ধদেৱে কৈছে ঃ

সাখিত্ব ভক্তি

মুকুন্দসে পিতা মুকুন্দসে মাতা
মুকুন্দসে বন্ধুজন।
মুকুন্দ সুহৃদ ইহ পৰলোক
যৈতে তৈতে সৰ্বক্ষণ॥
(ভক্তিমংগল ঃ অনিৰুদ্ধ)

পাদ সেৱনৰ বিষয়ে অনিৰুদ্ধদেৱে কৈ গৈছে ঃ

পাদসেৱন

ইন্দ্ৰিয় সুখৰ আশা এৰিয়া মনাই।
হৰি পদে ভজি ফুৰা হৰি গুণ গাই॥
* * *
এহি লিংগ দেহ যিটো দহিবাকো চাৱে।
কৰোক ভকতি গুৰু ঈশ্বৰৰ পাৱে॥
* * *
হৰি পদ পংকজ অজে কৰো সেৱ।
পৰম ঈশ্বৰ হৰি দেৱৰো দেৱ॥
নৰ শৰীৰৰ হৰি সেৱাহে ভূষণ।
আত বিনে যত দেখা সবে অকাৰণ॥
(ভক্তি মংগল ঃ অনিৰুদ্ধ)

গোবিন্দ চৰণ ধন ভজ মোৰ মন
আন যত ধন দেখি সবে অকাৰণ॥
(গীত শ্ৰীগৌৰী ঃ অনিৰুদ্ধ)

ঈশ্বৰ বিমুখ হুয়া জীৱ মায়া শয্যা মাজে নিদ্রা গৈয়া
স্বৰূপ পাসৰি ভৈল বুদ্ধি অচেতন।
যাৰ চৰণৰ কৃপায়েসে চেতন কৰায়ে তত কালে
হেন ঈশ্বৰৰ চৰণে লৈলো শৰণ॥
ঈশ্বৰ সদৃশ জীৱ যত বুদ্ধিৰ লগত মিল হুয়া
অনাত্মা দেহক কৰিলোহো আত্মজ্ঞান
যাৰ চৰণৰ অনুগ্ৰহে জড়ৰ কায্যক মিছা মানি
তাহান চৰণে পশিলো সত্যে শৰণ॥

(ভক্তি মংগল ঃ অনিৰুদ্ধ,)

অৰ্চ্চণৰ বিষয়ে অনিৰুদ্ধদেৱে কৈছে ঃ

একাদশ ইন্দ্ৰিয়ৰ যত কৰ্ম্মগণ।
মোৰ চৰণত যবে নকৰে অৰ্পণ॥
সবে কৰ্ম অৰ্পি মোতে নভজয় যাৰে।
পুৰুষক জন্ম মৃত্যু পাশ নেবে তাৰে॥

এনেদৰে ন বিধ ভক্তিৰ সংজ্ঞা দিলেও শ্ৰৱণ কীৰ্ত্তনকেই **অনিৰুদ্ধ** দেৱে প্ৰাধান্য দিছিল।

নিষ্কাম ভক্তি, অব্যভিচাৰিণী ভক্তিৰ বিষয়ে শংকৰদেৱে **কৈছে ঃ**

নিষ্কামভক্তি আৰু অব্যভিচাৰিণী ভক্তি

সেহি এক শৰণ ভজন অনুপাম।
নুশুনয় আন একো দেৱতাৰ নাম।
অব্যভিচাৰিণী তাকে বুলিয় ভকতি।
নাহিকে প্ৰয়াস তাত অল্পে সাধেগতি॥

(ভক্তিপ্ৰদীপ ঃ শংকৰদেৱ)

একে সুৰতেই অনিৰুদ্ধদেৱে অব্যভিচাৰিণী ভক্তিৰ বাখ্যা **কৰিছে** এনেদৰে ঃ

দেৱ দ্বিজ ঋষি ধৰ্ম আচৰিয়া পৃথিৱীত
সদাচাৰ বহু শাস্ত্ৰ জ্ঞান।
মুকুন্দক পৰিতোষ কৰাইবাক নপাৰয়
সামৰ্থ নোহে কোনো জন॥

দান তপ যজ্ঞ শৌচ ব্রত আদিকৰি যত
ইটো সবে জানা বিৰম্বন।
হৰিক তোষৰ হন্তে অব্যভিচাৰিণী ভক্তি
শুনিয়োক দৈত্য শিশুগণ॥

(ভক্তি মংগল: অনিৰুদ্ধ)

বিষয়ত আসকতি ভৈল চিত্ত যিজনৰ
ইন্দ্রিয়ক নপাৰে জিনিত।
পৰম ধৰ্মত ৰত চাৰি ব্যভিচাৰ এৰি
বিষয়কো নপাৰে বাধিত॥
বস্তু পাক অৰ্থে অগ্নি জালে কেন কোনোজনে
কাষ্ঠোদাহ গুচাৱে আন্ধাৰ।
বিষয়ত থাকি কৰে অব্যভিচাৰিণী ভক্তি
বিষয়কো কৰয় সংহাৰ॥

(ভক্তি মংগল: অনিৰুদ্ধ)

ঈশ্বৰ কৃষ্ণক তুষিবাক প্রতি
নাহিকে কাৰো শকতি।
ভক্তি বিনে আন বিৰম্বন জানি
কৰিয়ো হৰি ভকতি॥

যত মহাগুণ সকলে আছয়
ভকতিত ব্যতিৰেক।
সবে বিৰম্বণ বুলিয়া শাস্ত্রত
কহয় জানা প্রত্যেক॥

কহে অনিৰুদ্ধ পৰম পতিত
গোপালৰ পদ দাস
ৰাম কৃষ্ণ হৰি গোবিন্দ বুলিয়া
কৰা বৈকুণ্ঠত বাস॥

(৫ম স্কন্ধ: অনিৰুদ্ধ)

নিৰ্গুণ ভক্তিৰ ব্যাখ্যা এনেদৰে দি ভক্তি মাৰ্গ যে সকলোতকৈ শ্ৰেষ্ঠ তাক প্ৰতিপন্ন কৰি অনিৰুদ্ধদেৱে কৈছে ঃ

নিৰ্গুণ ভকতি

নাৰায়ণ স্মৰণক পৰম সুহৃদ মানি
অহৰ্নিশে স্মৰে তুষ্ট মনে।
নিৰ্গুন ভকতি জানা বুলিয় ইহাক লোকে
মানিবাহা যত সাধু জনে॥
প্ৰাণী সমস্তক যিটো ঈশ্বৰ মূৰ্ত্তিত দেখে
প্ৰাণীকো দেখয় ঈশ্বৰক।
এহিমতে যিটোজনে সততে দেখয় জানা
নিৰ্গুন বুলিয় ই সবক॥
মোৰ গুণ ইটো শ্ৰৱণ মাত্ৰকে
মোক দেখে জগততে।
অহৰ্নিশে মোক স্মৰে তুষ্ট মনে
গংগা পৰে সাগৰতে॥
ইহাক বুলিয় নিৰ্গুণ ভকতি
শুনিয়োক সৰ্ব্বজন।
বাসুদেৱ ময় দেখে জগতকে
যত্ন কৰি সৰ্ব্বক্ষণ॥

* * *

মুকুতিকো স্পৃহা এৰিয়া মনত
ভকতি কৰে কৃষ্ণত
নাৰায়ণ ময় দেখে জগতকে
ভকতিৰ প্ৰসাদত॥
বাসুদেৱ ময় দেখিবাক প্ৰতি
পুৰুষাৰ্থ কৰি মনে।
হৰি চৰণত ভজে সৰ্ব্বক্ষণে
শ্ৰৱণ কৰি কীৰ্ত্তনে॥
বাসুদেৱ ময় দেখে জগততে
সাধনাৰ মুক্ত হয়
একোৰে প্ৰাণীয়ে দ্ৰোহ নাচৰয়
ভকতিত প্ৰৱৰ্ত্তিয়া॥

(ভক্তিমংগল ঃ অনিৰুদ্ধ)

সগুণ ভক্তিক পৰিত্যাগ কৰি নিৰ্গুণ ভক্তিত আশ্ৰয় লবলৈ অনিৰুদ্ধদেৱে "সগুনা ভকতি যত, কৰি তাক পৰিহাৰ, নিৰ্গুণৰ কৰিয়ো আশ্ৰয়" বুলি উপদেশ দিছে।

সাত্ত্বিক ৰাজসিক আৰু তামসিক ভক্তিৰ ব্যাখ্যা অনিৰুদ্ধদেৱে এনেদৰে দিছে ঃ

ভক্তি দশ বিধ ইটো জানিবাহা নৰেশ্বৰ
পাপাৰণ্যে দাবানল প্ৰায়
সাত্বিক ৰাজস ইটো তামসিক বুলি যাক
তোমাত কহিবো সমুদায়॥

পৰৰ সম্পত্তি নষ্ট কৰিবাকো প্ৰতি জানা
ক্ৰোধভাবে কৰয় ভকতি।
অধম তামস বুলি জানিবাহা নৰেশ্বৰ
খলে যেন কৰয় প্ৰণতি॥

যেন বেশ্যা নাৰী যত কপট ভাৱত থাকি
স্বামীক সেৱয় নিৰন্তৰ।
মধ্যম তামস বুলি জানিবাহা ইজনক
কপটে সেৱয় গদাধৰ॥

পৰক মৎসৰ ভাৱে কৰয় হৰিত ভক্তি
উত্তম তামস বুলি তাক।
জানিবা পৃথিবী পাল কহিলো তোমাত যিটো
আনক দেখিয়া কৰে যাক॥

ধন ধান্যাদিক যিটো প্ৰাৰ্থিয়া ভকতি কৰে
শ্ৰদ্ধাপৰ হুয়া আতিশয়।
ৰাজস গুণৰ ইটো অধম বুলিয়া তাক
জানিবাহা নৃপতি নিশ্চয়॥

জগতত খ্যাতি হৌক মনত কৰিয়া ইচ্ছা
কীৰ্ত্তি যাইব দেশ-দেশান্তৰ।
পৰম শ্ৰদ্ধায়ে যিটো হৰিত ভকতি কৰে
মধ্যম ৰাজস সিজনৰ॥

সালোক্য পদক যিটো মনত কৰিয়া ইচ্ছা
হৰি সেৱা কৰয় সাদৰি।
জানিবা পৃথিৱী পাল উত্তম ৰাজস বুলি
মহাজনে কৰে মনে ধৰি॥

আপোন পাতেক যিটো নষ্ট কৰিবাক প্ৰতি
শ্ৰদ্ধাভাৱে ভকতি কৰয়।
অধম সাত্বিক বুলি জানিবাহা নৰেশ্বৰ
কহিলোহো তোমাক নিশ্চয়॥

হৰি মোত প্ৰিয় হোক বুলিয়া শুশ্ৰুষা কৰে
শ্ৰদ্ধাযুক্ত হুয়া আতি মন।
মধ্যম সাত্বিক বুলি জানিবাহা ইজনক
কৈলো যিটো তোমাত বচন॥

বিধিৰ নিয়ম লৈয়া হৰিত ভকতি কৰে
দাস ভাৱ মানিয়া মনত।
সেহিটো ভক্তিক জানা উত্তম সাত্বিক বুলি
মহাজনে কৰে স্বৰূপত॥

শ্ৰৱণৰ নৱবিধ কীৰ্ত্তণৰ নৱবিধ
একে নৱ নৱ হুয়া যায়।
পুৰুষ ভেদত থাকি এক গ'ল আশী বিধ
সগুনা ভকতি জানা ৰায়।

(ভক্তিমংগল ঃ অনিৰুদ্ধদেৱ)

শংকৰ মাধৱৰ দৰে অনিৰুদ্ধদেৱেও ভক্তি মাৰ্গৰ ওপৰত অপৰিসীম গুৰুত্ব দিছিল। জ্ঞানৰ দ্বাৰা ঈশ্বৰক লাভ কৰিব পাৰি কিন্তু ই অতি জটিল। কলিযুগত ভক্তি মাৰ্গেই উত্তম মাৰ্গ।

শংকৰদেৱে কৈছে ঃ

তৰ্ক বেদাগম জ্ঞান যোগ শাস্ত্ৰে
পুৰুষক কৰে অন্ধ।
কোটি কোটি জন্মে মোক নজানিবে
ইহাত যাৰ প্ৰৱন্ধ॥

(ভক্তিপ্ৰদীপ ঃ শঙ্কৰদেৱ)

জ্ঞানে গতি কৰৈ বেদ লৱা তাৰ পৰিচ্ছেদ
আছে জ্ঞান ভকতিৰ মাজে।
ভকতি কৰন্তে জানা আপুনি উপজৈ জ্ঞান
যোগ চিন্তি মৰৈ মিছা কাজে॥

আউৰ কি তোমাত বাজ জ্ঞানতো নাহিকে কাজ
কেৱল ভকতি তৰৈ লোক।
মোৰ গুণ নাম স্মৰি ৰূপ হৃদয়ত ধৰি
পাৱৈ অপ্রয়াসে আসি মোক॥
(ভাগৱত ঃ শঙ্কৰদেৱ)

তেনেদৰে অনিৰুদ্ধদেৱেও কৈছে ঃ---
শাস্ত্র অভ্যাসৰ ফল দেহৰ কুশল সাধি
আত্মাৰ নিসিজে প্রয়োজন।
শাস্ত্রে বা কৰিলা কিস নভৈল তৰণ দিশ
অনিৰুদ্ধে বোলয় বচন॥
(গীত বসন্ত ঃ অনিৰুদ্ধ)

শাস্ত্র মাত্র পঢ়ে যিটো ভকতি নকৰে।
তাত কৰি দুখী নাই ব্রহ্মাণ্ড ভিতৰে॥
(ভক্তিমংগল ঃ অনিৰুদ্ধদেৱ)

শুনা সভাসদ মহা ভাগৱত গ্রন্থ।
নৰ শৰীৰৰ ভকতিসে মোক্ষ পন্থ॥
যোগ জ্ঞান কৰ্ম্মদানে সকলে দুৰ্ল্লভ।
হৰি ভকতিসে জানা পৰম সুলভ॥
(ভক্তিমংগল ঃ অনিৰুদ্ধ)

ভক্তি মাৰ্গ অন্য সকলো মাৰ্গতকৈ শ্ৰেষ্ঠ বুলি অভিহিত কৰি অনিৰুদ্ধদেৱে কৈছে ঃ

ইটো হৰি ভক্তি মাৰ্গ জানা চিৰন্তন পথ বুলি যাক
বিঘিনী ৰহিত পৰম কৰুণা কৰ।
সাধু সবে নানা মাৰ্গ এৰি আতেসে ডুবয় নিৰন্তৰ
সমস্ত শ্ৰমক এৰাই সাধ্য সাধনাৰ॥

হেনয় পথত উঠি যিটো কৃষ্ণ পাদ পদ্ম ভজি যিটো
হৰি গুণ নাম সদায়ে আদৰে গায়ে।
সমস্ত আশাৰ মুক্ত হুয়া মনত [নিৰাশিৰূপে ৰৈয়া
পৰম সুখত ৰময় সিটো স্বভাৱে॥

(ভক্তিমংগল ঃ অনিৰুদ্ধদেৱ)

হৰি ভকতিক এৰি যিটো জনে
আন পুৰুষাৰ্থ কৰে।
নাও এৰি যেন কুবুদ্ধি মনুষ্যে
জলত ডুবিয়া মৰে॥

(ভক্তিমংগল ঃ অনিৰুদ্ধ)

এনেদৰে অনিৰুদ্ধদেৱে শংকৰ মাধৱৰ পদানুকৰণত ভক্তি মাৰ্গকেই[২] শ্ৰেষ্ঠ আসন দিছে। তদুপৰি ভক্তই ভগবান—এই আদৰ্শ সাৰোগত কৰি ভক্তক উচ্চ আসন দি গৈছে।

৭ম খণ্ড

অনিৰুদ্ধদেৱৰ সাহিত্য কীৰ্ত্তি

ডঃ মহেশ্বৰ নেওগৰ দৰে প্ৰথিত যশা পণ্ডিতে অনিৰুদ্ধদেৱক বিৰলগুণৰ অধিকাৰী মহাপুৰুষ হিচাপে গণ্য কৰিছে। ভবানীপুৰীয়া গোপাল আতাৰ কালঝাৰ সত্ৰত ৩ বছৰ কাল থাকি ঘৰলৈ ঘূৰি আহি বিষ্ণু বালি-কুঞ্চিত সত্ৰ স্থাপন কৰি জন-জাতীয় আৰু অজনজাতীয় সকলো লোকক শৰণ দিবলৈ ধৰিলে। তাৰ পিছত নাহৰ আঁটিত সত্ৰ স্থাপন কৰি পাচখনি অমূল্য শাস্ত্ৰ ৰচনা কৰি থৈ গৈছে। ৫ম স্কন্ধ সংস্কৃত ভাগৱতৰ মূল টীকা অসমীয়া ভাষালৈ ভাঙিলে। চতুৰ্থ স্কন্ধ ভাগৱতৰ পচিশৰ পৰা একত্ৰিশ অধ্যায়লৈকে ভাঙি পুৰুঞ্জন উপাখ্যান পয়াৰ ছন্দত লিখিলে। ছটা টোটয় ভটিমাৰে নকুৰি দুজনা বৰগীতৰ গীত-শাস্ত্ৰ এখন ৰচনা কৰিলে। আঁঠশ পাচটা ঘোষাৰে এখন ভক্তিমংগল শাস্ত্ৰ পদ্যছন্দত লিখিলে আৰু ভাগৱত আদি শাস্ত্ৰৰ সাৰতত্ত্ব সংগ্ৰহ কৰি আনি কথা আৰু শ্লোকত এখনি মূল শাস্ত্ৰ প্ৰণয়ন কৰিলে যাক 'নিজশাস্ত্ৰ' বোলা হয়। এই শাস্ত্ৰ অতি গোপনীয় আৰু কেৱল পাৰমাৰ্থিক ভকতেহে ইয়াৰ প্ৰসংগত যোগদান দিব পাৰে। ভক্তি মংগল ঘোষা শাস্ত্ৰখনিক সাধাৰণতে ভাগৱত বুলিহে কয়। উক্ত শাস্ত্ৰ গীতসমূহ নাহৰআঁটি সত্ৰত থাকোতে ৰচনা কৰা। কবলৈ গ'লে মৰনৈৰ পাৰত শান্ত পৰিৱেশ সময় ছোৱা মহাপুৰুষ অনিৰুদ্ধদেৱৰ সৃষ্টিশীল লিখনিৰ গুৰুত্বপূৰ্ণ আৰু ফলপ্ৰসু সময়।

অনিৰুদ্ধদেৱৰ ৰচনাবলী

অনিৰুদ্ধদেৱৰ গীতসমূহ[১] বিভিন্ন ৰাগৰ ভিত্তিত ৰচনা কৰা। সেই ৰাগসমূহ হ'ল (১) ৰাগ-কল্যাণ (২) ধনশ্ৰী (৩) ভাটিয়ালী (৪) বড়াৰী (৫) বেলোৱাৰ (৬) গৌৰী (৭) শ্ৰীগৌৰী (৮) শ্ৰী (৯) নাহৰ (১০) কেদাৰ (১১) কৰ্ণাট (১২) কনাড়া (১৩) ভাটিয়াল (১৪) শ্ৰী গান্ধাৰ (১৫) বসন্ত (১৬) সাৰংগ (১৭) তথা (১৮) পশ্চিমা ধনশ্ৰী (১৯) আশো-

গীতসমূহৰ ৰাগ

ৰাৰী (২০) কৌ (২১) তুৰ (চুটকলা) (২২) শ্যামগোড়া (২৩) তুৰ ভাটিয়ালী (২৪) মাহুৰ ধনশ্ৰী (২৫) নাট (২৬) ৰং ভাটিয়ালী (২৭) শ্যাম (২৮) অহিৰ (২৯) সুহাই (৩০) শ্ৰুত মল্লাৰ (৩১) সিন্ধুৰা (৩২) কামোদ (৩৩) মল্লাৰ (৩৪) পুৰ্বি (মানচুটা) (৩৫) ললিত (৩৬) সাৰংগ (মানচুটা) (৩৭) গান্ধাৰ (৩৮) চালেঙ্গি (৩৯) ৰামগিৰি। প্ৰধানকৈ ৩৬ টা ৰাগ এই গীতসমূহত আছে। তাল আৰু মৃদংগ সংগত কৰি উক্ত ধৰ্মীয় গীতবোৰ গোৱা হয় আৰু লগে লগে নৃত্য কৰা হয়। বৰ্ত্তমান মাত্ৰ ২৪টা ৰাগহে মায়ামৰা সমাজত ৰৈছেগৈ। বাকী ৰাগসমূহ পাহৰণিৰ গৰ্ভত বিলীন হৈছে। সাধাৰণতে গায়ন বায়নৰ² প্ৰথম পৰ্য্যায় হৈছে ৰাগ টনা। যি জনা গীত গাবলৈ দিয়া হয় সেই গীত জনা যি ৰাগত থাকে সৰ্ব্বপ্ৰথমে সেই গীতৰ 'ৰাগথোকা' ওজাই পালিৰ সহযোগত টানিবলৈ আৰম্ভ কৰে। ৰাগ টনাৰ তিনিটা স্তৰ আছে আৰু প্ৰত্যেকটো স্তৰতে এটাকৈ আধ্যাত্মিক বিশ্বাস নিহিত হৈ থাকে।

প্ৰথম স্তৰত সভাস্থলীলৈ ভগবানক আহ্বান, দ্বিতীয় স্তৰত ভগবানক আদৰণি আৰু তৃতীয় স্তৰত তেওঁৰ লগত মিলিত হৈ তেওঁৰ কীৰ্ত্তন কৰা হয়। ৰাগ শেষ হোৱাৰ পিছত ওজাই পালিৰ সহযোগত জাত ধৰে। জাত, মাত, সুৰ বুলি কওঁতে প্ৰায় একে অৰ্থকে বুজাই যদিও গায়ন বায়নৰ বিভিন্ন স্তৰৰ পাৰ্থক্য বুজিবলৈ "জাত"ক তিনি ভাগে ভগোৱা হৈছে। সিবিলাকৰ প্ৰচলিত নামসমূহ হৈছে (১) ধোৱা জাত বা প্ৰথম জাত (২) গা-জাত আৰু (৩) আঠুৰনী জাত।

তাল কেইখন হৈছে ৰূপক, জ্যোতি, ৰূপগুঞ্জল, সৰু বিষম, বৰ বিষম, পৰিতাল, আঠতাল আৰু চাৰিমালি তাল। উপতাল দুখন হৈছে—বৰ বিষম আৰু সৰু বিষম।

গীতসমূহৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য হৈছে যে প্ৰতিটো গীতৰে আঠটা মাত, আঠটা ঘাত আৰু আঠটা তাল আছে। এনে নিৰ্দ্ধাৰিত আঠটা মাত, আঠটা ঘাত আৰু তালৰ শেষ হ'লেহে গীতজনাৰ এটা পদ শেষ হোৱা বুলি কোৱা হয়। গীতৰ প্ৰতিটো মাতৰ সামৰণি পৰে মৃদংগৰ সুকীয়া সুকীয়া ঘাতেৰে। যি মাতেৰে গীত গায় থকা হয়, সেই মাত অনুসৰি

তাল, মাত আৰু ঘাত

মৃদংগৰ ঘাত মাৰি তাল ৰখা হয়। জ্যোতি, ৰূপক বা সৰু বিষম আদি তালৰ লগত বাকী "আঠটা তাল'ৰ কোনো সদৃশ্য বা সম্বন্ধ নেথাকে। এই কাৰণেই হয়তো মায়ামৰীয়া গুৰুসকলে ৰচনা কৰা দুই এটা গীতৰ বাহিৰে সৰহ সংখ্যক গীততে তালৰ কোনো উল্লেখ নাই। ফলত কোনো গীতকে একোটি নিৰ্দ্ধাৰিত তালৰ আশ্ৰয়ত গীত গোৱা নহয়।

(শশধৰ গোহাঁই। পেচবৰ গোহাঁই ঃ—২৭—৩০)

ৰাগভিত্তিত গীতসমূহৰ পুৱা, দুপৰীয়া, সন্ধ্যা আৰু নিশাত গোৱা গীতৰ ৰাগসমূহ পৃথক। সাধাৰণতে ৰাতিপুৱা বেলা কল্যাণ, শ্যাম, শ্যামগোড়া, ললিত, কামোদ আৰু কেদাৰ গোৱা হয় আৰু দুপৰীয়ালৈকে থাকে। দুপৰীয়া অহিৰ আৰু বং ভাটিয়ালী গোৱা হয়। আবেলি ভাটিয়ালী, গৌৰী, টুৰবসন্ত. বসন্ত, মাহুৰ আৰু শ্ৰীৰাগ ব্যৱহৃত হয়। সন্ধ্যা হয় পাচোৱাৰী. বেলোৱাৰ, বড়াৰি, বা সাৰংগ গোৱা হয়। ৰাতিৰ প্ৰথম ভাগৰ পৰা গোৱা হয় কানাড়া, ৰামগিৰি, শ্ৰীগৌৰী, গৌৰী, সিন্দুৰা, সেলেংগী, ভূপালী আৰু কৌ। স্থান ভেদে ইয়াৰ তাৰতম্য হোৱাও দেখা যায়।

উক্ত গীতসমূহৰ বিশিষ্টতা হ'ল বেছিভাগ গীতেই ৰূপক ধৰ্মী। কঠিন আৰু সংস্কৃত শব্দ প্ৰয়োগ, উক্ত গীতসমূহৰ অন্যতম বিশিষ্টতা। শ্ৰীকৃষ্ণৰ বন্দনা আৰু গুৰুবন্দনা উক্ত গীতসমূহৰ বিষয়বস্তু। গীতসমূহৰ কাব্যিক গুণ আৰু ৰূপক ধৰ্মী বিশিষ্টতাৰ বিষয়ে সম্যক বুজ লবলৈ তলত কেইটামান গীতৰ উদ্ধৃতি দিয়া হ'ল।

গীতসমূহৰ বিশিষ্টতা

ৰাগ-কৰ্ণাট

পশিলা অক্ষৰ মানৰী ক্ষেৰ।
সমস্তে নগৰ কৰিলা ছেৰ॥ ধ্ৰু
সোহি নগৰে এক ৰমণী ভূপ।
পেখিয়া নৃপতি ভৈলন্ত চুপ॥ ১
যাৱে ৰমণীত মিল নাহুই।
তাৱত কিছু কাম সিদ্ধ নুই॥ ২

ধীৰ একাদশ যাৰ লগত।
সাধিয়া দেই যত অভিমত। ৩
নৱখান ছিদ্ৰ নগৰ এক।
ৰাজ যোগ্যপুৰী দেখি প্ৰত্যেক। ৪
ৰাজা পাসৰিলা আপোন যোগ।
বিষয় ভুঞ্জিবে কৰি উদ্যোগ॥ ৫
মিত্ৰ অবিজ্ঞাত তেজিলা যাই।
ৰূপ ৰস গন্ধ পৰশ পাই॥ ৬
নিৰ্ব্বিষয় ৰায় ঈশ্বৰ প্ৰায়।
ভৈলা মহিষীৰ কিংকয় প্ৰায়॥ ৭
এহিমতে জীৱ বুদ্ধিত মোহি।
ঈশ্বৰ বিছুৰি ভৈলেক দ্ৰোহী॥ ৮
যাৱে গুৰু মুখে তত্ব নধৰে।
তাৱত উচ্চ-নীচ গীত কৰে॥ ৯
কহে অনিৰুদ্ধ ভকতি হীন।
বিষয় ৰসে মজি ৰাত্ৰি দিন॥ ১০

ৰাগ কৰ্ণাট

আৱে উলংগ লোক যায় দিগম্বৰ।
স্ত্ৰী ধন সম্পদ সোপন পটন্তৰ॥ ধ্ৰুং
কাল সনে জুৱা খেড়ি পাতি আছ ভাই।
অলেখ শৰীৰ জিনি নিলে সমুদায়॥ ১
ইবাৰ মানৱী তনু কড়ি কোড়া প্ৰায়।
ইহাকো হাৰিলে গুছে তৰণ উপায়॥ ২
যেন জুৱা হাৰি জুৱৰা চলি যায়।
গাৱে ধুলা মাটি হস্ত শিৰত মিলাই॥ ৩
নৰদেহ ভাৰতবৰিষ গুৰু পাৱে।
ত্ৰিতয় লাভক চোড়ি চলে সেহি প্ৰায়ে॥ ৪

হৰিগুণ গায়া হৰি চৰণে ভজয়।
সি সি মহাজনে নৰদেহ সাফলয়॥ ৫
এতেকে বিষয় সুখ দুখ ৰূপ জানি।
কহে অনিৰুদ্ধ মুঢ় পৰম অজ্ঞানী॥ ৬

উক্ত প্ৰথম গীত ফাঁকিত পুৰঞ্জন উপাখ্যানৰ সাৰভাগ দিয়া হৈছে আৰু দ্বিতীয় গীতত মানৱী জীৱনৰ অলীকতা প্ৰকাশ পাইছে।

অনিৰুদ্ধদেৱৰ গীতসমূহৰ ভিতৰত ৮৫টা গীতত ৰাধা কৃষ্ণৰ বিষয়বস্তু আৰু লগতে শ্ৰীকৃষ্ণৰ শৈশৱকালৰ লীলা প্ৰকাশ পাইছে।

অনিৰাদ্ধদেৱৰ গীত ৰাজিৰ বিষয়ে ডঃ মহেশ্বৰ নেওগে---এনেদৰে কৈছে ঃ-

"অনিৰুদ্ধদেৱৰ গীত এটি মহান ঐতিহ্যৰ বাহক। মহাপুৰুষ শ্ৰীমন্ত শংকৰ গুৰুজনাই বাৰকুৰি গীত (যাক পিচৰ যুগত বৰগীত বোলা হৈছিল) ৰচি সেই ঐতিহ্যৰ স্তম্ভ স্থাপন কৰে; অৱশ্য সেই বাৰকুৰিৰ ভিতৰত একুৰি চৈধ্যটিহে আমালৈ ৰ'ল। তাতে দ্বিতীয়-জনা মহাপুৰুষ মাধৱদেৱে নিজৰ ৰচনা যোগ দি ন-কুৰি এঘাৰটি বৰগীতৰ এটি অজৰ-অমৰ মুল প্ৰতিষ্ঠা কৰে। মাধৱ গুৰুৰ পদ-অংক অনুসৰি ভৱানীপুৰীয়া গোপাল আতাই বৰগীত পৰ্য্যায়ৰ গীত ৰচনা কৰিছিল, যেনেকৈ কৰিছিল তেৰাই নাট ঘোষাৰো প্ৰণয়ন। গোপাল গুৰুৰ একান্ত অনুৰক্ত আজ্ঞাধাৰী সকল---অনিৰুদ্ধদেৱ, (বৰ) যদুমনিদেৱ, (সৰু) যদুমনিদেৱ, ৰামানন্দ দ্বিজ আদিয়ে নিজৰ ৰচনাৰে সেই বৰগীত ঐতিহ্যক ব্ৰহ্মপুত্ৰৰ ঢল কৰি তোলে। বিশেষতঃ কাল সংহতিৰ এই গোঁসাইসকলৰ মাজত এই পৰ্য্যায়ৰ গীত, ঘোষা আৰু এখনি হলেও নাট ৰচনা কৰা এক নিয়ত নিয়মত পৰিণত হৈ পৰে। মায়ামৰীয়া গুৰুসকলৰ ভিতৰত মহাপুৰুষীয়া ধৰ্ম্মৰ হৈ আহোম শাসনৰ হাতত শ্বহীদ হোৱা নিত্যানন্দদেৱ আৰু হৰিৰাম-দেৱৰ সুন্দৰ গীতাৱলী আমাৰ দেখাৰ ভাগ্য হৈছিল। কিন্তু কবিতা-ৰূপে অনিৰুদ্ধদেৱৰ গীতখিনি সঁচাকৈয়ে উজ্বল, প্ৰাণৱন্ত। তেৰাৰ গীতৰ বিষয়বস্তু লৈ হয়তো ইতিমধ্যেই স্বয়ং মহাপুৰুষ গুৰু দুজনায় গীত ৰচনা কৰি গৈছে। কিন্তু সিমানতো একে বস্তু লৈ ৰচনাতে অনিৰুদ্ধদেৱে অভিনৱত্ব আৰু এক নতুন শক্তি প্ৰদৰ্শণ

কৰিছে। এফালে বৈৰাগ্য-প্ৰকাশক গীতখিনি আৰু আনফালে নাৰদ ভক্তি সূত্ৰত "যথা ব্ৰজ-গোপিকা না'ম' বুলি ভক্তিৰ আদর্শৰূপ প্ৰতীয়মান হোৱা গোপী-প্ৰেম বৰ্ণোৱা কৱিতাখিনি আন্তৰিকতা পূৰ্ণ, সজীৱ। ভাগৱত আদি শাস্ত্ৰৰ সাৰ আনি ছটি ভটিমা আৰু ১৮২টি বৰগীত ধাৰাৰ গীতেৰে এখনি পুথি কৰে। "তাহাত কবিত্ব ৰস বিশেষ আছয়।"

ঝুমুৰা

এ ভাই কমন কৰ বিহাৰ
প্ৰচণ্ড বেগৰ ঠাট ৰুষি আসে
উমান নপাস গাৱ॥ ধ্ৰুং

গন্ধৰ্ব কটক গোটে গোটে পৰি
আগত মৰিয়া যাই।
ত্ৰিংশ পাইকে হাজৰা পৰয়
ৰংগ কৰ তাকে চাই॥ ১

লসকৰ গোট আগতে পৰয়
আনন্দ কৰ অধিক।
সকল কটক পৰিয়া নিলেক
উমান নাপাস কিক॥ ২

শিলাঞ্চৰ গড় ভাঙ্গিয়া কটক
ইটাৰ গড় খহাই।
তথাপি নিসাৰে আছ কেন ভাই
অগ্নিৰ গড় নিমাই॥ ৩

প্ৰচণ্ড বেগৰ বহিনী সুন্দৰী
জৰা আসি লাগ পাই।
অলক্ষিত ভাৱে পুৰুষক পাই
স্বামী বৰিলেক তাই॥ ৪

গাৰ তেজ মাংস গাৱতে শুকায়
ছাল ভৈলা সোটাসোট।
ভাইয়ে ভনীয়ে নগৰ বেঢ়িয়া
দেই অতি বৰ চোট॥ ৫

যৱন পাইকে দুৱাৰ ভেন্টয়
ওলাইবে শকতি নাই।
ভয়ে নৃপতিয়ো গৰ্জি-বাক লৱে
সিটো পুৰুষক চাই॥ ৬

মৃত্যুয়ে নিকট চাপিলেক আসি
নিবেক ডোল লগাই।
তথাপিতো তাৰ ইটো বিমৰিষ
মনৰ অগ্ৰত নাই॥ ৭

ধন জন ক্ষেত্ৰ বিষয় সুখত
আনন্দ মান অধিক।
যদ্যপি বিষয় ভুঞ্জিবে নপাৰে
তাতে ৰতি আত্যন্তিক॥ ৮

হৰি চৰণত শৰণ পশিয়া
নকৰে যাৱে ভকতি।
কালৰ হাতৰ এৰাইবাক প্ৰতি
আছয় কাৰ শকতি॥ ৯

কৃষ্ণৰ চৰণে ভকতি বিহীন
হৈয় মূঢ় অল্পমতি।
কহে অনিৰুদ্ধ ইবাৰ কৰুণা
কৰা মোক যদুপতি॥ ১০

(অনিৰুদ্ধদেৱৰ গীত)

"এই ভাই কমনে কৰ বিহাৰ" নামৰ উক্ত গীত ৰূপকধৰ্মী। এই গীত ফাকি সৰল ভাষাত বৰ্ণনা কৰিলে সকলোৱে অতি মুগ্ধ হব বুলি ভাবি তাৰ ভাৱাৰ্থ তলত দিয়া হ'ল।

হে ভাই! কেনেদৰে নিচিন্ত মনে চলি আছা। বছৰৰ পাহন্ত

বছৰ গৈ আয়ুস টুটি আছে, তাৰ উমান নাই। চকুৰ আগতে দিন-ৰাতি দিনে দিনে পাৰ হৈছে আৰু ৩০ দিনে দিনে মাহ পাৰ হৈছে। কিন্তু তুমি তথাপি বিহু আদি উৎসৱ পাতি আনন্দ কৰিহে আছা। বয়সৰ লগে লগে দাঁত সৰিছে, দেহ শীৰ্ণ হৈছে। কিন্তু তুমি কেৱল খোৱা-লোৱাতহে ব্যস্ত হৈ আছা।

বছৰ পাৰ হৈ অহাৰ লগে লগে বয়স বাঢ়ি বৃদ্ধ হৈছা আৰু পুৰুষত্ব কমি আহিছে। গাৰ তেজ মাংস গাতে শুকাই হাড় ছাললৈ পৰিণত হৈছে। কফ, বাত, পিত্ত আদিয়ে দেহ জৰ্জৰিত কৰিছে। ৰোগে দেহ দুৰ্ব্বল কৰি তুলিছে। তাকে দেখি মনতো ভয় সঞ্চাৰিত হৈছে। মৃত্যু ওচৰ চাপি আহিছে বুলি জানিও কিন্তু তোমাৰ খবৰ নাই। ধন-জন আদি বিষয় সুখত বেছি আনন্দ পাই হৰিক ভকতি কৰিবলৈ তুমি মন কৰা নাই। মৃত্যুক কোনেও বাধা দিব নোৱাৰে। হৰিক ভকতি কৰিলেহে জীৱই পৰিত্ৰাণ পায়।

ইয়াঁৰ কঠিন শব্দকেইটাৰ অৰ্থ দিয়া হ'ল ঃ—

প্ৰচণ্ড বেগ—বছৰ

ঠাট—হঠাৎ

ৰুষি—আহি

গন্ধৰ্ব কটক—গন্ধৰ্ব্য সৈন্য অৰ্থাৎ দিন আৰু ৰাতি।

গোটে গোটে পৰি—দিনে দিনে মৰিছে।

ত্ৰিংশ পাইক—তিৰিশটা সেনা (তিৰিশ দিন)

হাজৰা—মাহ

লসকৰ—বিহু/উৎসৱ।

শিল্লাঞ্চয়—দাঁত।

ইটাৰ গড়—শৰীৰটো।

অগ্নিৰ গড়—পাকস্থলী।

বহিনী—ভনীয়েক।

জৰা—বৃদ্ধতা।

ভাইয়ে ভাইয়ে—ইন্দ্ৰিয়।

নগৰ—হৃদয়।

যৱন—ৰোগ (কফ, বাত, পিত্ত)।

নৃপতি—মন।

ইয়াত চতুৰ্থ স্কন্ধ ভাগৱতৰ জটিল তত্ত্বৰ প্ৰভাৱ পৰিছে। অনিৰুদ্ধদেৱৰ গীতসমূহত তেখেতৰ পাণ্ডিত্য আৰু কবিত্ব ফুটি উঠিছে। তত্ত্ব গধুৰ তথ্যও তেওঁ কবিসুলভ ভাৱে কম শব্দতে প্ৰকাশ কৰিছে। যেনেঃ-

যেন সপোনত শৰীৰ ধৰিয়া
ভ্ৰমে জীৱ ঠাই ঠাই।
সেই শৰীৰত সুখ-দুখ পায়া
বিষয় ভুঞ্জে সদায়॥

(অনিৰুদ্ধদেৱৰ গীত)

স্বপ্ন তনুসম নৰদেহ, মায়া শয্যা, প্ৰতিবিম্বসম নৰদেহ আদি শব্দ যোজনাৰে তেখেতে আধ্যাত্মিক চিন্তা কৰিত্ব সহকাৰে প্ৰকাশ কৰিছে। 'সত্য প্ৰতীত ভৈল অসত্য দেহত' 'সত্য ঈশ্বৰত কৰো অসত্য প্ৰত্যয়ে' আদি গধুৰ তত্ত্ব কম শব্দতে প্ৰকাশ কৰিছে।

শৱতুল্য দেহ

সঘনে উপমা সংযোজন অনিৰুদ্ধদেৱৰ কবিত্বৰ অন্য এক বিশিষ্টতা।

"যেন কোনো দুখীজন স্বপনত পৃথিবী পাল
জাগি পুনু দৰিদ্ৰ হোৱয়।
সমস্ত যোনিত ভ্ৰমি স্বপ্ন প্ৰায়ে পায়া আসি
সোই তনু বিফল কৰয়॥"

(অনিৰুদ্ধদেৱৰ গীত)

"যেন চিন্তামনি অমূল্য ৰতন
কাঁচৰ মূলে বিকাই॥
ভাৰতবৰিষে নৰদেহ ইটো
জল-বিম্ব পটন্তৰ।
কহে অনিৰুদ্ধ ইবাৰ বিয়োগ
সংযোগ নাহি জীৱৰ॥"

(অনিৰুদ্ধদেৱৰ গীত)

অনিৰুদ্ধদেৱৰ প্ৰথম ফাঁকি গীততো তেখেতৰ পাণ্ডিত্য তথা কবিত্ব প্ৰস্ফুটিত হোৱা দেখা যায়।

"খং মধ্যে বলাহকে গৰ্জে যেতিক্ষণ।
শৈলাগ্ৰে বৰিহা নৃত্য কৰে তেতিক্ষণ॥
লক্ষ যোজনৰ উৰ্দ্ধে মৰ্তণ্ড উদয়।
নীৰত নীৰজ বিকশিত হুয়া ৰয়॥
যেবে অস্তাংগত সূৰ ভৈল যেতিক্ষণ।
পুষ্কৰ গোষ্ঠিৰ মাৰি মিলে তেতিক্ষণ॥
দুই লক্ষ ওপৰত ইন্দু প্ৰকাশয়।
অধত কুমুদ গোষ্ঠী প্ৰফুল্লিত হয়॥
ইন্দুৰ নিৰ্য্যানে কুমুদৰো প্ৰাণ হৰে।
কাকো কেৱে নেদেখিলে তিলেকতে মৰে॥ ইত্যাদি
(অনিৰুদ্ধদেৱৰ গীত)

এই গীত ফাঁকিৰ বিষয়ে মহেশ্বৰ নেওগে লিখিছে: "তেৰাই অনিৰুদ্ধ হোৱাৰ আগতে হৰকন্ঠৰূপে ভৱানীপুৰীয়া আতাক প্ৰথম সাক্ষাৎ প্ৰাৰ্থনা কৰি ৰচা গীতটি ওড়েষাৰ ৰামানন্দ ৰায়ে চৈতন্য মহাপ্ৰভুক পোনৰ বাৰলৈ দেখি ৰচা গীতটিৰ দৰেই মধুৰ।"

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ যে সংস্কৃত ভাষাত বিদগ্ধ পণ্ডিত আছিল সেই কথা তেখেতৰ প্ৰণীত ভক্তিমংগল ঘোষা—শাস্ত্ৰত থকা মূল সংস্কৃত শ্লোক আৰু তাৰ পাণ্ডিত্যপূৰ্ণ ও কাব্যিক অনুবাদৰ পৰা ধৰিব পাৰি।

অনিৰুদ্ধদেৱৰ সংস্কৃত ভাষা জ্ঞান

"মূকং কৰোতি বাচালং
পংগুং লংঘয়তি গিৰিং"

শ্লোক ফাঁকিৰ অনুবাদ এনেদৰে কৰিছে:—

"যাৰ কৃপা পায়া মূকো পৰম বাচাল হোৱে
পংগুৱা চৰয় পৰ্বতত।
হেনয় পৰমানন্দ কৃষ্ণৰ চৰণে নমো
সদামনে হৈয়া অৱনত॥

মূল সংস্কৃত শ্লোকঃ-

"শৈলে শৈলে ন মণিকাং মৌক্তিকং ন গজে গজে।
সাধবো নহি সৰ্বত্ৰ চন্দনো ন বনে বনে॥

ভাঙনি কৰিছে এনে ধৰণেৰেঃ-

সবে পৰ্বতৰ পৰা মানিক নোপজে যেন
সৰ্ববনে নুহিকে চন্দন।
গজহস্তী বিনে যেন মুক্তামনি জাত নোহে
সবে লোক নোহে সাধুজন॥

মূল সংস্কৃত শ্লোকঃ—

"অগাঢ় জলমাত্ৰেন ন-জাত গৰ্ব ৰোষিকাং।
গংদুষ জলমাত্ৰেন চফৰি ফৰফৰায়তে॥"

এই শ্লোকৰ অনুবাদ কৰিছে এনেদৰেঃ—

ৰোষিকাদি মীন যত অগাঢ় জলত বঞ্চে
সৰ্বক্ষণে নকৰে সঞ্চাৰ।
গণ্ডুষ জলত থাকি চফৰি পাৰয় দেও
ওফৰিয়া পৰে বাৰম্বাৰ॥

মৌলিকতাৰ পৰা চাবলৈ গ'লে শঙ্কৰদেৱ আৰু তেৰাৰ অনুগামী সকলৰ দ্বাৰা প্ৰণীত সকলো শাস্ত্ৰই অনুবাদ শাস্ত্ৰ আৰু সংগ্ৰহ। তেখেত সকলৰ ৰচনাত দাৰ্শনিক নতুনত্ব নাই বুলিয়েই ক'ব পাৰি। শঙ্কৰদেৱ তথা তেখেতৰ অনুগামী সকলে শংকৰাচাৰ্য্য, ৰামানুজ, নিম্বাৰ্ক আদিৰ দৰে দৰ্শনৰ কোনো নতুন পদ্ধতি উদ্ভাৱনা কৰা নাছিল। কিন্তু অদ্বৈতবাদৰ অসমত বহুত প্ৰচাৰৰ কৃতিত্ব শংকৰদেৱ তথা তেৰাৰ অনুগামীসকলৰ।

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ সাহিত্যও ঘাইকৈ অনুবাদ সাহিত্য। কিন্তু সংস্কৃত পণ্ডিত হোৱাত আৰু শাস্ত্ৰসমূহৰ পাৰমাৰ্থিক স্বৰূপ বুজি উঠাত শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ উক্ত অনুবাদ সাহিত্যই মৌলিকতাকো চেৰাই গৈছে। মৌ-মাখিয়ে বিভিন্ন ফুলৰ পৰা ৰস আনি মৌ-চাক বনোৱাৰ দৰে শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱে শ্ৰীমদ্ভাগৱত, পুৰাণ, গীতা আদি প্ৰাচীন গ্ৰন্থসমূহৰ পৰা ৰসোত্তীৰ্ণ সাৰ বস্তু আনি অদ্বৈতবাদৰ

একনিষ্ঠ প্ৰচাৰ কৰিলে—এইয়াই আছিল তেখেতৰ ধৰ্ম প্ৰচাৰৰ মহান কৃতিত্ব। শাস্ত্ৰ সমূহৰ গোপনীয়তাই শিষ্য তথা অন্যান্য লোক সকলৰ মাজত যি ভয় বা অনুসন্ধিৎসা জগাই তোলে, সি মায়ামৰা বৈষ্ণৱ ধৰ্মক ৰহস্যাবৃত কৰি ৰাখিছে। হয়তো সকলো শাস্ত্ৰ মুকলি কৰি দিয়াৰ পিচতো এই বৈষ্ণৱ সমাজৰ প্ৰতি অন্য অসমীয়াৰ সহজতে সন্দেহ যাব নোৱাৰে। ভাগৱত শাস্ত্ৰই অনিৰুদ্ধদেৱৰ দৰ্শনৰ ঘাই খুটি।

অনুবাদ সৰহ হ'লেও এই অনুবাদসমূহ আক্ষৰিক নোহোৱাৰ কাৰণে কোনটো মৌলিক কোনটো অনুবাদ সহজতে ধৰিব পৰা নাযায়। মৌলিক শ্লোক ফাঁকি যেন সজাটোহে— সজাই পৰাই আ-অলংকাৰেৰে সুশোভিত হৈহে অনিৰুদ্ধদেৱৰ কাপৰ পৰা নিসৃত হৈছে। অনিৰুদ্ধদেৱৰ শেষ ৰচনা 'নিজ শাস্ত্ৰ' এক বিৰল 'তাত্ত্বিক শাস্ত্ৰ। ই সপ্তদশ শতিকাৰ প্ৰথম ভাগৰ প্ৰাচীন অসমীয়া গদ্য সাহিত্যৰ অনুপম নিদৰ্শন। বহুল প্ৰচাৰিত ভট্টদেৱৰ প্ৰথম অসমীয়া গদ্য সাহিত্যতকৈ অনিৰুদ্ধদেৱৰ এই শাস্ত্ৰ পুৰণি।

গুৰুকাত হাতী ভৰোৱাৰ দৰে এই গদ্য আৰু পদ্য আৰু সংস্কৃত শ্লোকেৰে সম্পূৰ্ণ 'নিজ শাস্ত্ৰ' পৰমাৰ্থিক ভকত সকলৰ সাৰ বস্তু।

নিজ শাস্ত্ৰ

এই শাস্ত্ৰ কেৱল ৰাতিহে পাঠ কৰা হয় আৰু শৰণ নোলোৱা তথা শূদ্ৰ সমাজৰ এনে পাঠৰ সময়ত নামঘৰত প্ৰৱেশ নিষিদ্ধ। মনে মনে শুনিলে কলা হোৱা বা পগলা হোৱা, অভকতে পঢ়িলে অন্ধ হোৱাৰ দৃষ্টান্ত অনেক। গতিকে নিজ শাস্ত্ৰৰ মাহাত্ম্য মায়ামৰা ভক্ত সমাজত অতি বেছি। এই সেৱা ৰাতি হোৱাৰ বাবে অন্যান্য সম্প্ৰদায়ৰ লোকে তাচ্ছিলাৰ্থত প্ৰচাৰ কৰে যে—

মায়ামৰাৰ সেৱাত নাৰী-পুৰুষে ব্যভিচাৰত লিপ্ত হয়। এনে প্ৰচাৰ অজ্ঞতা আৰু মূৰ্খামীৰ কাৰণেহে হৈছে। সেৱাত প্ৰযোজিত হোৱা পিঠা গুৰি, পকা মিঠৈ ইত্যাদি দ্ৰব্য যি বিশুদ্ধ আৰু পৱিত্ৰ-ভাৱে মায়ামৰা ভকতনীয়ে প্ৰস্তুত কৰে তাত তেওঁলোকৰ নিজশাস্ত্ৰৰ প্ৰতি অগাধ ভক্তি তথা ভয়ৰ ভাৱ প্ৰস্ফুটিত হয়। নিষ্কামভাৱে এইবোৰ কাম নকৰিলে ধৰ্ম-দোষ লাগে বুলি মায়ামৰাৰ বিশ্বাস।

এই বিশ্বাস অটল আৰু সুগভীৰ। সেৱা বছৰত এবাৰ মাঘ-ফাগুন মাহত হয়। এই একান্ত পৱিত্ৰ সেৱা অনুষ্ঠানক অৰীতিয়া বুলি কোনো কোনোৱে মিছা প্ৰচাৰ কৰাৰ মূলতে জাতিগত ঈৰ্ষা আৰু পুতৌ কৰিবলগীয়া অজ্ঞতা। এনেবোৰ অপপ্ৰচাৰে কিন্তু মায়ামৰাক কোনো মতেই বিচলিত নকৰে।

নিজশাস্ত্ৰত বিশেষকৈ "দেশে কালে অপৰিচ্ছিন্ন সচ্চিদানন্দ ঈশ্বৰ, সৰ্বব্যাপী সৰ্বদ্ৰষ্টা ভগবানক তৰিবৰ নবিধ ভক্তি, ভকতৰ শ্ৰেণী, শৰণৰ প্ৰকাৰ, যুগধৰ্ম, ভূত দায়া, নিষ্কাম ভক্তি, জ্ঞান-বিজ্ঞান-তদং ৰহস্য, ঈশ্বৰ-জীৱ-ভক্ত আৰু মুক্ত জীৱন লক্ষণ, মায়া-ইচ্ছা-যোগ-চিদ্ আদি ভগবানৰ বিভিন্ন বিলাস, ভক্তি ব্যভিচাৰ, গুৰুৰ প্ৰয়োজনীয়তা আৰু সৎসংগ আদি ভকত-বৈষ্ণৱৰ জ্ঞাতব্য আৰু কৰনীয় বিষয়সমূহ গীতা ভাগৱতৰ মূল শ্লোকৰ উদ্ধৃতি আৰু সিবিলাকৰ প্ৰাঞ্জল গদ্য ভাঙনি সহকাৰে উপস্থাপন কৰা হৈছে।"

(নোমল গগৈ ঃ ৬৬)

প্ৰাচীন অসমীয়া গদ্যৰ নিদৰ্শন স্বৰূপে দুটি উদ্ধৃতি দিয়া হ'ল ঃ

"পূৰ্বে ব্ৰহ্মাত নাৰায়ণে কহিলা—জ্ঞান-বিজ্ঞান-ৰহস্য-তদংগ। মহাপুৰুষৰ বাহিৰে ভিতৰে কৰ্ত্তা কৰি জানা এয়ে জ্ঞান। সেইৰূপ কৰ্ম সৰ্বক্ষণে নপাসৰে বিজ্ঞান বুলি। সেইৰূপ গুণে সমে স্নেহ কৰে ৰহস্য বুলি। সেই সুখৰ কথা শুনি সংশয় ছিণ্ডিত ইয়াত তদংগ বুলি।"

"কৰ্মজ্ঞানীয়ে ঈশ্বৰত অৰ্পণ কৰিহে খায়। নিজ ভকতে ভাৰ্য্যা-পুত্ৰক ভকত কৰাইবাক দণ্ডি নকৰে, আপোনাত বাজে তাৰাসৱৰ যাৰ যেনে ইচ্ছা তেনে কৰিব। জ্ঞান-যোগীয়ে যি খানি খাৱে ঈশ্বৰৰ প্ৰসাদ মানি খায়।"

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱে ব্যৱহাৰ কৰা ছন্দসমূহ হ'ল ঃ

(১) ছবি

বুদ্ধিত মিসিয়া যায় জীৱাত্মায়ে সেই চাই
ইন্দ্ৰিয়ক কৰিয়া সহায়।
যাক লাগি মতি যায় সকল বিষয় পাই
পৰম হৰিষে ভূঞ্জে যায়॥

(৪ৰ্থ স্কন্ধ ঃ ২৭৭)

(২) দুলড়ী

হে প্ৰাণ কৃষ্ণ তোমাৰ চৰণে
শৰণ লৈলো সম্প্ৰতি।
অধমৰ মোৰ বড়া ট্ৰুটা দোষ
ক্ষমা কৰা যদুপতি॥
হৃদয়ে থাকিয়া যি বোল বোলাইলা
তাকেসে বুলিলো আমি।
আমি মহাজড় জানি এবে প্ৰভু
কৃপা কৰা কৃষ্ণ স্বামী॥
(৫ম স্কন্ধ ঃ ৯৪৬)

(৩) পয়াৰ

জয় জয় কৃষ্ণ দৈত্য কুল ক্ষয়ংকাৰী
তাৰিলা জীৱৰ যত অশিষ্ট নিবাৰি॥
(৪ৰ্থ স্কন্ধ)

(৪) লঘু পয়াৰ

ৰাম নামেসে অমিয়া ঝুৰে।
ভকতৰ মন আনন্দে পূৰে॥
জানিয়া নামত কৰিয়া ৰতি।
অন্যত্ৰ সাধনে নকৰি মতি॥

(৫) পদ

জয় পীতাম্বৰ কন্দুলি অধৰ
কুন্দ কেৰি কোৰ দশনক ঘোৰ।
সোম নখ তিল নাসা তথি মিল
অলিকো যুগল নয়ন উজ্বল॥
(অনিৰুদ্ধদেৱৰ গীত)

(এইটো নতুন ছন্দ যেন লাগে)

(৬) ঝুমুৰি

বিষয় অনিত্য জ্ঞান।
তিলেকো নাহি প্ৰমাণ॥
সাৰ্বভৌম গৈলা মৰি।
সংগে নেনি বসুন্ধৰী॥

(৭) ঝুনা

পশিলা অক্ষৰ মানবী ক্ষেৰ।
সমস্তে নগৰ কৰিলা ছেৰ ॥

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ কবিতাত উপৰুক্ত সাতটা ছন্দ ব্যৱহাৰ কৰিছিল। তদুপৰি মিশ্ৰিত ছন্দতো ৰচনা কৰা দেখা যায় ঃ

ইটো পৃথিৱীৰ ধূলা আছে যত   হৰি হৰি হৰি হৰি এ
চম্পক আদি কৰি পুষ্পৰ ঘ্ৰাণ যতেক।
বায়ুৰ শক্তিত ফুৰে যেন মত   হৰি হৰি হৰি হৰি এ
ঈশ্বৰ শক্তিত ফুৰয় লোক প্ৰত্যেক ॥ ৩৪

(ভক্তিমংগল)

উক্ত পদফাকি মিশ্ৰিত লেচাবি বুলিও ক'ব পৰা যায় যদিও ১০+১০+১৪ মাত্ৰা নহৈ ১২, ৮ ১৪ মাত্ৰাহে হৈছে। এনে মিশ্ৰিত ছন্দৰ পদ অনেক।

অষ্টম খণ্ড

মায়ামৰা ধৰ্মীয় সংস্কৃতি

ভৱানীপুৰীয়া আতাৰ পৰা উদ্ভূত কালসংহতিৰ সত্ৰসমূহে পিছৰ যুগৰ ৰাজনৈতিক বুৰঞ্জীত ভীষণ আলোড়নৰ সৃষ্টি কৰিছিল। ইয়াৰ

কালসংহতি

ঘাই কাৰণ অৱশ্যে কালসংহতিৰ সাম্যবাদী মনোভাব। উজনি অসমৰ মটক ৰাজ্য আদি প্ৰাক আৰ্য্য সকলৰ অঞ্চলবোৰত ধৰ্ম্ম প্ৰচাৰ কৰিব লগা হোৱাৰ বাবে সত্ৰ স্থাপক সকলৰ দৃষ্টি হৈছিল উদাৰ; ব্ৰাহ্মণ, কলিতাৰে পৰা আৰম্ভ কৰি সকলো মৰাণ, কৈৱৰ্ত আদি ব্ৰাহ্মণ্য ধৰ্ম্ম বহিৰ্ভূত লোক সকল পৰ্যন্ত সমভাৱে এওঁলোকৰ শিষ্যৰূপে পৰিগণিত হৈছিল। গতিকে শংকৰ গুৰুৱে যাৰ বাবে ধৰ্ম প্ৰচাৰ কৰিছিল অসম ৰাজ্যৰ সেই জনসাধাৰণৰ লৈ বিশেষকৈ এই দুখনি সত্ৰ শক্তিশালী হৈ উঠিছিল। (মহেশ্বৰ নেওগ: ১৫৫)

অনিৰুদ্ধদেৱ আৰু তেখেতৰ বংশোদ্ভৱ গোসাঁই সকলৰ যি বিশিষ্ট-তাই সৰ্ব্বসাধাৰণ লোকক তেওঁলোকৰ প্ৰতি আকৰ্ষিত কৰিছিল, সেয়া হৈছে সহজলভ্যতা। উদাৰ দৃষ্টিভঙ্গীৰে অনিৰুদ্ধদেৱে ধৰ্মপ্ৰচাৰক গুৰুৰূপে প্ৰতিষ্ঠিত হৈয়ো সাধাৰণ লোকৰ লগত সংস্পৰ্শ ৰাখিছিল। সকলো শিষ্যই অবাধ গতিৰে তেওঁৰ ওচৰলৈ আহিব পাৰিছিল আৰু তেখেতে নিজ হাতেৰে অন্ন সিজাই ভোজন কৰাইছিল। তদুপৰি গুৰুৱে ভাগৱত শাস্ত্ৰ, নিজ শাস্ত্ৰ আদি জটিল শাস্ত্ৰৰ অৰ্থ ভাঙি সহজ-সৰল জনজাতীয়-অজনজাতীয় শিষ্য সকলক বুজাই দি আধ্যাত্মিক জ্ঞান দান কৰিছিল। গুৰুৱে ভাগৱত পাঠ কৰি তাৰ সহজ বিশ্লেষণ কৰাৰ পৰম্পৰা এতিয়াও মায়ামৰা সমাজত বিদ্যমান। অনিৰুদ্ধদেৱৰ আধ্যাত্মিক ভাৱাপন্ন শৃংখলিত উদাৰ ধৰ্মনীতি আৰু সমাজ নীতিৰ প্ৰতি বিশেষকৈ জনসাধাৰণৰ মন আকৃষ্ট হৈছিল বুলি দাবী কৰিবৰ যথেষ্ট থল আছে।[১]

অনিৰুদ্ধদেৱৰ দ্বাৰা প্ৰৱৰ্ত্তিত নাম-ধৰ্মৰ শৰণ লোৱাৰ প্ৰথা

স্বতন্ত্ৰবীয়া। মায়ামৰা বিষ্ণুবালিকুঞ্চি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীমাধৱানন্দ গোস্বামীদেৱে তেখেতৰ "গুৰু-শিষ্য"[২] নামৰ পুথি খনিত শৰণ দিয়াৰ নিয়ম আৰু তাৎপৰ্য্যৰ বিষয়ে যি বৰ্ণনা দিছে তাৰ হুবহু তলত তুলি দিয়া হল।

শৰণ প্ৰথা

'যিসকলে শৰণৰ আৱশ্যক বোধ কৰে, সেই সকলে আহি শৰণ লৈ যায়। শৰণৰ কাৰণে সত্ৰাধিকাৰ গৰাকীয়ে শুভদিন নিৰ্দ্ধাৰণ কৰি ৰাইজলৈ আদেশ পত্ৰ পঠাব। গঞাঁ ৰাইজে গুৰুৰ আদেশ পত্ৰ পাই আলোচনাক্ৰমে যি কেইজন ল'ৰা-তিৰোতাই শৰণৰ কাৰণে আগ্ৰহ কৰিব সেই সকলৰ পিতাকসকল আৰু গাওঁখনৰ বা খেলখনৰ মুৰব্বী গুৰু ঘৰৰ বিষয় বাব থকা লোকজনৰ সহ সত্ৰলৈ শৰণৰ আগদিনাতে আহি এখনি গুৱা শৰাই সজাই এফেৰি অৰিহনা দি, খাতনিয়াৰক এটি গুৱা-পান অৰিহনা দি চমজায়। খাটনিয়াৰে শৰাই ভাগ গুৰু জনাৰ আগত দিয়ে। শৰণ ল'বলৈ অহা লোকসকলৰ অভিভাৱক সকলে সেৱা ধৰি ল'ৰা-তিৰোতা সকলক শৰণ দিবৰ কাৰণে গুৰুজনাক জনায়; অৰ্থাৎ 'তোমাৰ ভাগৰ জীৱ তোমাকে চমজোৱা হৈছে।' কোনো কোনো অকলে গলেও' এনে ভাৱে জনায়। গুৰুজনে আশীৰ্ব্বাদ কৰি বাক্য কৰে।

শৰণীয়া হ'বলৈ অহা মুনিহ সকল শৰণৰ আগদিনা গুৰুৰ গৃহতে থাকিব লাগে। ৰাতি উপবাসে থাকি, গুৰুৰ চ'ৰা ঘৰতে নতু নামঘৰত ভাগৱত স্থাপনা কৰি ভকত ভাগৱতৰ আগত প্ৰসাদ অৰ্চ্চনা কৰি, শৰণ প্ৰাৰ্থী সকলে গুৰু, ভকত আৰু ভগৱন্তৰ চৰণত (ভাগৱত পাঠ কৰাই) সেৱা ধৰে। 'জন্মৰ পৰা আজিলৈকে জ্ঞানকৃত বা অজ্ঞানকৃত কৰা পাপ, দোষ মোচনাৰ্থে ৰীতি-নীতি আচাৰ ব্যৱহাৰত যি দোষ ঘটিছিল সকলো দোষ মাৰ্জন কৰি, সৎবুদ্ধি, সৎজ্ঞান দি সৎপথত যেন পৰিচালিত কৰি, ধৰ্মৰ প্ৰতি ৰতি উপজি যেন ভক্তি পথত আগুৱাই যাব পাৰো। আপোনাৰ দাস হেন ভাবি এই জীৱাত্মাই পৰমাত্মাৰ পৰিচয় পাবৰ কাৰণে সেৱা ধৰো।' (ভাগৱত পাঠ কৰাই শৰণীয়া লোকসকলে সেৱা ধৰে মায়ামৰা সত্ৰসমূহৰ ভিতৰত কেৱল মায়ামৰা বিষ্ণু কালিকুঞ্চি সত্ৰতহে)'

মায়ামৰা সত্ৰসমূহত শৰণ ল'বলৈ অহা সকল ৰাতি উপবাসে থাকে। ৰাতি গুৱাপানৰ শৰাই এভাগ সজাই অৰিহনা ১'২৫

(পাঁচ সিকি) টকা দি গুৰুক সন্মুখত লৈ অৰ্দ্ধ চন্দ্ৰাকৃতি আকাৰে বহি গুৰুৰ পৰা পৰমাত্মাৰ পৰিচয় পাবৰ কাৰণে পৰমাত্মা-ৰূপী ভগৱন্ত গুৰুকে বুলি ধৰি, জীবাত্মাৰূপী ভকতে, জীবাত্মাই পৰমাত্মাৰ লগত মিলন। চিত্ত বৃত্তি নিৰোধৰ নাম যোগ। গুৰুৰ বাক্য শাস্ত্ৰৰ বাণী। গুৰুৰ মুখৰ পৰা সদুপদেশ সৎজ্ঞান শ্ৰৱণ কৰি, সেই গুৰুৰ মুখৰ অমৃতময় বাণী শুনি সুদৃঢ় বিশ্বাস কৰি, শাস্ত্ৰৰ বাণী পালনৰ কাৰণে অভ্যাস কৰি নিয়মাদি পালন কৰিবলৈ, অভ্যাস কৰিবলৈ আচাৰ্যৰ লগত যোগ হয়। চিত্ত শুদ্ধিৰ কাৰণে যোগত বহিহে পাচদিনা শৰণ লয়। পুৱাতে উঠি শৌচাচাৰ কৰি ধৌত যুগ্ম বস্ত্ৰ পিন্ধি নিজ পিতৃ-মাতৃ আৰু জেষ্ঠজনক সেৱা কৰে। গুৰুৰ গৃহ নিজ বাসভৱনৰ পৰা আতঁৰ হলে আগদিনাই সেৱা সম্মান জনাই যায়। শৰণ লওঁতা সকলোজনে একে লগলাগি নামঘৰত-থানঘৰত গুৱা-শৰাই দি সেৱা ধৰাৰ পাচত গুৰুজনক সেৱা ধৰি, হাত ভৰিৰ নখ কাটি মুণ্ডণ কৰে। সকলোজনাৰ মুণ্ডণ শেষ হলে গাৰ চোলা ধুতি সকলো খুলি এখন মাৰ্কিন কাপোৰৰ ধুতিহে মাত্ৰ পিন্ধিব লাগে। শুদ্ধ শুক্ল বস্ত্ৰহে পিন্ধাৰ নিয়ম। শৰণ ল'বলৈ অহা লোকসকলৰ প্ৰতিজনৰ কাৰণে ৮০ (আশী) খিলা আগ থকা নিৰোগী ভাল পান আৰু এখিলা ভাল আগলি কলপাতৰ আৱশ্যক। সকলো বসন-ভূষণ পৰিত্যাগ কৰি লজ্জা নিবাৰক কৌপিনবস্ত্ৰ অৰ্থাৎ আঁঠুৰ ওপৰত পৰা, শুক্ল বস্ত্ৰ পিন্ধে।

শুক্ল বস্ত্ৰ হৈছে শুদ্ধ, বগা ৰং হ'ল সত্য। শান্তিৰ পোহৰৰ প্ৰতীক। সত্য ধৰ্ম পথৰ পোহৰ। সদায় সত্য পথত চলিম। সত্য কথা ক'ম। ভক্তি জ্ঞানৰ পোহৰত আমি শান্তি পাম। সকলো বসন-ভূষণ পৰিত্যাগ কৰাৰ কাৰণ হ'ল ত্যাগী পুৰুষ হ'বা। ধন-জন পুত্ৰ-ভাৰ্যা, বসন-ভূষণ অসাৰ অনিত্য। একমাত্ৰ পূৰ্ণকৃষ্ণই সাৰ, সত্য আৰু নিত্য। হাতৰ অলঙ্কাৰ দান, কাণৰ অলঙ্কাৰ শাস্ত্ৰ শুনা, নাম শুনা, কন্ঠৰ অলঙ্কাৰ শাস্ত্ৰ পঢ়া, কীৰ্ত্তন কৰা। আচাৰ, ৰীতি-নীতি আচৰণ প্ৰবৰ্ত্তন পালনেই বসন, ভূষণ আৰু লগতে বুজায় ত্যাগী পুৰুষ হ'বা। সৰ্ব্বত্যাগ কৰিব নোৱাৰিলে ভগবানক পাব নোৱাৰে। যেনেকৈ গোপীসকলে কাম ভাৱত আতুৰ হৈ পতি-পুত্ৰকো এৰি সকলো ত্যাগ কৰি ভগবান কৃষ্ণৰ লগত মিলন হৈছিল তেনেকৈ এই সংসাৰ অসাৰ

মায়াৰ দ্বাৰা আবৃত; ভগৱন্তহে একমাত্র নিত্য আৰু সত্য। এনেভাৱে ভগৱন্তক পাবৰ কাৰণে উৎকণ্ঠা হ'লেহে জীৱই ভগবানক পাব। (ভক্তি মাতৃয়ে পান, সগুণা ভক্তি ৮১ (একাশী) বিধ। অতএব ৮০ খিলা পান,) এখিলা আগথকা কলপাতেৰে মেৰাই বান্ধি কৰযোৰ কৰি ললাটত লগাই ধৰি শাৰীবদ্ধ হৈ গৈ বুকুৰা পানীত (একবুকু পানীত) নামি ৩ (তিনিটা) ডুব দি উঠি আহি নামঘৰত শৰণ লয়। শৰণ ললেই তুমি মোক পাবা, মই সত্য কৰি কৈছো মোত চিত্ত অৰ্পণ কৰি সেৱা কৰা। “মন্মনা ভবমদ্ভক্তো মদযাজী মাং নমস্কুৰু। মামে বৈষ্যসি সত্যং তে প্ৰতি জানে প্ৰিয়োহ্যসিমে।” (গীতা) এইয়া কৃষ্ণ মুখৰ বাক্য। বেদবাক্য শ্ৰুতি জননীস্বৰূপ। বেদবাক্য মাতৃতুল্য। মাতৃৰূপী বেদবাক্যৰ মতে হৰিভক্তি হ'ল—ৰাজআলি। ৰাজআলিত উঠিলে ভয় নাথাকে। ভটিয়াই গলেও নগৰ উজাই গ'লেও নগৰ পাব। হৰিক সুহৃদ ভাবি শুদ্ধভাবে শৰণ লৈ, হৰিৰ নাম কীৰ্ত্তন কৰিবলৈ, হৰিক স্মৰণ কৰিবলৈ, গুণ-নাম স্মৰণ কৰি, ঈশ্বৰৰ কৃপাপ্ৰাৰ্থী সদাবাঞ্চা সিদ্ধি আৰু অহঙ্কাৰ দূৰ কৰা। এইয়ে শৰণৰ মূল উদ্দেশ্য। একান্ত মনে শৰণ ল'লে হৰিয়ে ৰাখি ফুৰে। সংসাৰৰ ভয় নিবাৰণ কৰোতা তুমি আৰু কীট পশু-পক্ষী চেদজ অন্তজ উদ্ভিদ আদি ভাগত জন্মলৈ নানা যন্ত্ৰনা ভুঞ্জিলো ঈশ্বৰক নজনা দোষত। এইবোৰ তোমাক আশ্ৰয় কৰিছো সেই যান্ত্ৰনা যেন নিদিয়া তোমাৰ অংশৰ জীৱ, তোমাতে যেন লয় পাব পাৰো। তোমাৰ গুণ নাম শ্ৰৱণ কীৰ্ত্তন কৰি দুৰ্ঘোৰ সংসাৰ তৰিবৰ কাৰণে শৰণ লোৱা হ'ল। হাতত পান লৈ কৰযোৰ কৰি কপালত লগাই নামঘৰত সোমাব। নামঘৰত চাৰি বেৰ থকা স্বত্তেও আঁৰ কাপোৰ দি বেৰি ৰখা হয় গুৰু ভাগৱত। ভিতৰত ২/৪ জন শ্ৰেষ্ঠ ভকতো থাকে। চাৰি বেৰ চাৰি বেদ। বেদবাক্যৰ মতে হৰিভক্তি ৰাজ ৰাট। বেদ বন্ধ্ৰ সুৰুকীয়া ৰাট। সেই পথে গৈ, ভক্তি প্ৰেমৰস আঁৰ কাপোৰ, আঁৰ কাপোৰৰ ভিতৰত সোমাই, ভক্তি প্ৰেমৰসত মন মজিবৰ কাৰণে। সোমাই গুৰু মুখপদ্মলৈ দৃষ্টি কৰে, হৰি গুৰু দুয়ো এজন। শৰণৰ আৱশ্যকীয় জ্ঞান উপদেশ দিব গুৰুৱে, ভাগৱতক আশ্ৰয়স্বৰূপে মহাপুৰুষত শৰণ কৰায়। আঁঠু লয় দণ্ডৱৎ কৰে। শিৰে ভূমি চুই অৱনত ভাৱে সাৱধানে গুৰু মুখপদ্মৰ

অমৃতময় বাক্য শুনে। গুৰু, দেৱ, নাম, ভকতক আশ্ৰয় কৰি গুৰু মুখে শৰণৰ মূল মন্ত্ৰ শুনে। শৰণ লওঁতাসকলক একোটাকৈ নাম দিয়ে। যি নাম দিয়ে ভগৱন্তৰ সহস্ৰ নামৰ এক নাম প্ৰত্যেকজনক দিয়ে। গুৰুদত্ত নামেৰে মাতে। পূৰ্ব্বতো দুজনা গুৰু আৰু ভৱানীপুৰীয়া গোপালদেৱে ভকতক ঈশ্বৰৰ সহস্ৰ নামৰ এক নাম প্ৰদান কৰা প্ৰমাণ। যেনে—যদুমণি, শ্ৰীৰাম, নাৰায়ণ, সনাতন ৰামচন্দ্ৰ, বিষ্ণু, পৰমানন্দ। মাধৱ, মুকুন্দ, গুবিন্দ, জয়হৰি গোপাল আদি। এই নাম দানৰ কাৰণে মানৱী জনম পাই মায়া মোহত আচন্ন হৈ নিজকে পাহৰি গৈছে।

জীৱ ঈশ্বৰৰ পৰা পৃথক নহয়। জীৱ অল্পজ্ঞ, ঈশ্বৰ সৰ্ব্বজ্ঞ-সৰ্ব্ব কৰ্ত্তা। অবিদ্যাৰ পৰা জীৱে নিজক চিনি নাপায় কাৰণে চিনি পাবলৈ বা জানিবৰ কাৰণে প্ৰত্যেককে একোটা ঈশ্বৰৰ নাম প্ৰদান কৰে। তুমি মানব নহয় ঈশ্বৰৰ অংশ জীৱ তুমি মানৱৰূপে অৱতাৰ হৈছা। সকলোৰে স্বামী ঈশ্বৰ, আমালোকো তেওঁৰ অংশ। যত জীৱ তত শিৱ। জীৱ ৰাশিৰ পাপ নাশ কৰে কিহে, ভক্তিয়ে কৰে। সত্য বচন কোৱা, সত্য পথত চলা, সত্য ধৰ্ম্মৰ পোহৰত চলিলে জীৱই মুক্তি পায়। তেতিয়া জীৱৰ কল্যাণ হয়। আমি সকলো জীৱ, ঈশ্বৰৰ অংশ জীৱ। জীৱ মাত্ৰে ঈশ্বৰৰ জ্ঞান কৰিব নোৱাৰিলেও মানুহ মাত্ৰে ঈশ্বৰৰ জ্ঞান কৰিবলৈ এই নাম দানৰ প্ৰথা। নিৰ্ম্মল অন্তঃকৰণেৰে সকলো মানুহকে ঈশ্বৰ অংশ জীৱ, ঈশ্বৰ স্বৰূপ দেখিবলৈ। জ্ঞান বা অজ্ঞানে ঈশ্বৰৰ নাম কায়বাক্য মনে চিত্তে মাতিলে পাপ নাশ হয়। শৰণীয়া লোকে শৰণীয়া লোকক গুৰুদত্ত নামেৰে মাতিলে দুটা কাৰ্য্য সাধে। সঙ্গীজনক মতা হল আৰু আনহাতে ঈশ্বৰৰ নাম স্মৰণ কৰা হল। জ্ঞানং দেৰ্ব্বাচনং ধ্যানং হৰি নাম সমং-চ॥ পাতক শুকান বন হৰি নাম হুতাশন ক্ষন্তেকতে দহি কৰে ছন্ন॥ যেনে অজামিলে কৰা পাপ নাশি, যেনেকৈ কনিষ্ঠ পুত্ৰ নাৰায়ণৰ প্ৰতি স্নেহত আকুল হৈ ক্ষন্তেকো এৰি থাকিব নোৱাৰি শুওঁতে আহাঁ নাৰায়ণ, খাওঁতে আহাঁ নাৰায়ণ আতৰ হুবলৈকে নিদি নাৰায়ণক কাষতে ৰাখি সৰ্ব্বদায় নাৰায়ণ পুতেকক মাতি থাকে। যেনেকৈ নদীৰ মাজত পৰি থকা শিলকো নদীৰ পানীৰ সোঁতত উটি যোৱা বালিয়ে ধুই নিকা কৰে, তেনেকৈ ঈশ্বৰৰ

নাম লওঁ বুলি নানাতিলেও পুত্ৰৰ স্নেহত সেই নাম মাতি থকাত পাপৰাশি ক্ষয় হয় আৰু অন্তিমকালত সেই নাৰায়ণৰ নাম মাতিলত যমৰ অধিকাৰ নোহোৱা হল।

অজামিলৰ পুতেক নাৰায়ণৰ প্ৰতি এনে অনুৰাগ হৈছিল যে ক্ষন্তেক কণিষ্ঠপুত্ৰক কামৰ পৰা আঁতৰিলে নাৰায়ণক চিঞৰি খলক লগাই-ছিল। অনুৰাগে ৰতি, এনে ৰতি উপজিলেহে ভক্তি। অজামিলৰ পত্নী প্ৰথম অৱস্থাত বেশ্যা আছিল। যেতিয়া অজামিলক স্বামী গুৰু বুলি ললে তেতিয়াৰ পৰা বেশ্যা স্বভাৱ এৰি এক স্বামীৰ আঠটা পুত্ৰ সন্তান হল। ভকতসকলে যদি অসংখ্য কৰ্ত্তা পাতি অসংখ্য দেৱ-দেৱী পূজি ব্যাভিচাৰীও আছিল, যেতিয়া গুৰুও আশ্ৰয় লয়, তেতিয়াৰ পৰা পূৰ্ব্বৰ স্বভাৱ এৰি একজন কৃষ্ণকে কৰ্ত্তা পাতি ধ্যান ধাৰণা সেৱা পূজা নাম শ্ৰৱন কীৰ্ত্তন স্মৰণ কৰিব লাগে। তেতিয়াও যদি চিত্ত আন দেৱত থাকে-পূজে-সেৱা কৰে তেতিয়া সেই ভকত বেশ্যা তিৰীৰ লগৰ। ঈশ্বৰে নানা কৰ্ম্ম কৰি নানা নাম পাইছিল। ঈশ্বৰ মাত্ৰ এজন। সেই একেজন ঈশ্বৰৰ নামকে সমস্তজনক (ভিন ভিন কৰ্ম্ম কৰি পোৱা) ভিন ভিন নাম প্ৰদান কৰা হয়। সেই সহস্ৰ নামৰ গৰাকী জনৰ আত্মা এখন, ঈশ্বৰো এজন। তোমালোকো দেখাত বহুজন হলেও বিচাৰত এজন, আত্মা এখন। সকলোজনকে এক আত্মা বুলি জানিবা। গতিকে তোমালোকৰ কুটুম আৰু আতৈ বা আতাই সম্বন্ধ ঘটিছে। তোমালোক ভিন ভিন ভাৱে মনুষ্য ৰূপে অৱতাৰী। প্ৰত্যেকে ঈশ্বৰ অংশ জীৱ, গতিকে ঈশ্বৰৰ নামাকৰণে পৰিচয় কৰোৱা হৈছে। জীৱ ঈশ্বৰৰ অংশী। মানৱসেৱাই ঈশ্বৰ সেৱা। সমস্তৰে উপকাৰ কৰিবা। আমি মনুষ্য জাতি এটা পৰিয়াল। জুইৰ ফিৰিঙতি জুইৰ পৰা ওলাই পুনৰ জুইতে মাৰ খায়। তেনেকৈ ঈশ্বৰ অংশৰ জীৱ ঈশ্বৰতে লয় পায়। গীতাত কৈছে—অন্তকালে চ মামেৱ স্মৰণমক্তা কলেবৰম। য-প্ৰয়াতি স মদ্ভাবং যাতিন্যস্ত্যত সংশয়। যিজনা গুৰুক আশ্ৰয় কৰি মহাপুৰুষত শৰণ লোৱা হৈছিল, সেই গুৰুজনাৰ গুৰুদত্ত নামেৰে প্ৰকাশ্য নাম হয়।

গুৰুজনাকো পূৰ্ব্বৰ গুৰুজনে শৰণত ঈশ্বৰৰ সহস্ৰ নামৰ ভিতৰৰ এক নাম দিয়ে। গুৰুজনাৰ নামো ঈশ্বৰে এক নাম। আমাৰ মহাপুৰুষত শৰণ কৰোঁৱা হয়। ভগৱন্ত কৃষ্ণ মহাপুৰুষ। প্ৰকৃতি

আৰু পুৰুষ এই দুয়োৰো যি নিয়ন্তা তেওঁ মহাপুৰুষ। যাৰ নাভি পদ্মৰ পৰা ব্ৰহ্মা জন্ম হৈছিল, সেইজনাই নিৰ্গুণ কৃষ্ণ, পৰমব্ৰহ্ম, পৰমেশ্বৰ মহাপুৰুষ আমাৰ উপাস্য। ব্ৰহ্মাৰো ওপৰত যি জন সেইজন পৰম ব্ৰহ্ম। গীতাৰ ৮ম অধ্যায় অক্ষৰ ব্ৰহ্ম যোগ বা মহাপুৰুষ যোগ। শ্ৰীমাধৱদেৱ গুৰুজনে শঙ্কৰদেৱক মহাপুৰুষ বুলি কৈছে। পূৰ্ণ কৃষ্ণ শঙ্কৰৰূপে অৱতাৰ শঙ্কৰে কৃষ্ণ। গতিকে মহাপুৰুষত শৰণ। আমাৰ মায়ামৰা সমাজৰ লোকে গুৰু, ভকত, ভাগৱত, নামত, ভগৱন্তক, সেৱা কৰোতে প্ৰথমতে মহাপুৰুষত শৰণ মোৰ গুৰু অমুকা অৰ্থাৎ গুৰুজনাৰ গুৰুদত্ত যি নাম স্মৰণ কৰিহে প্ৰাৰ্থনা ঘোষা আদি মাতে। সেৱা কৰি উঠিবৰ সময়তো তেনেভাবে কৈ উঠে। শৰণ হৈ যোৱাৰ পিছত সকলো শৰণীয়া একে লগ লাগি যথা শক্তি, মূল্য সহ গুৱা শৰাই দি গুৰু আৰু গাটনিয়াৰক সেৱা কৰে। গুৰুৰে পকা মিঠৈ দি তেওঁলোকৰ হবিষ্যান্ন ভাঙে। আমাৰ উত্তৰ পাৰ অঞ্চলৰ মায়ামৰা সমাজৰ আৰু বিষ্ণুবালি কুঞ্জি সত্ৰৰ শিষ্য-সমূহৰ মাজত এটা নীতি আছে, যে ছয়মৰা নামৰ এটা ভোজ। অৱশ্যে দিনজয়, মদাৰখাটি সত্ৰতো আছে। সি সকলৰ ফালে নাম জাননী সবাহৰ পাচতহে এই ভোজ খায়। আমাৰ সত্ৰৰ মতে শৰণ লোৱাসকলে অৰ্থাৎ ন-শৰণীয়া সকলে খাব লাগে। যেতিয়ালৈকে এই ভোজ নাখাই তেতিয়ালৈকে সেই সকলে নিৰামিষ খাই থাকিব লাগিব। পৰাপক্ষত তিনিদিনৰ ভিতৰত খাব লাগে। সেই ভোজ খাবলৈ ভকত সকলোকো শক্তি অনুযায়ী নিমন্ত্ৰণ কৰে। ঈশ্বৰ শৰণ লৈ ভকত ভোজন কৰায়। নীতিমতে গুৰুজনে সিধান্ন দিব লাগে। গুৰুজনাৰ সিধান্ন অতি আগ্ৰহেৰে বিশুদ্ধচিত্তে প্ৰসাদ মানি খায়। গুৰুৰ হাতে সিধান্ন অতি শ্ৰদ্ধাৰে বিশুদ্ধচিতে ঈশ্বৰৰ প্ৰসাদ মানি খালে হৃদয়ৰ কত শত বাসনা দূৰ হয়। পাপ নাশ হয়। গুৰুজনে সমুদায় ৰান্ধি দিব নোৱাৰিলেও কিঞ্চিত পৰিমাণৰ ৰান্ধি ন-শৰণীয়াক প্ৰসাদৰূপে দিয়ে। সেই সিধান্ন ন-শৰণীয়া লোকসকলে একেশাৰীতে বহি খাই মনৰ সংশয় দূৰ কৰে। গতিকে ছয়মৰা ভোজ বোলে। এক পিতাৰ যেন সকলো পুত্ৰ ককাই ভাই ভাতৃত্ব ভাৱ স্থাপনৰ কাৰণে একে শাৰীতে সিদ্ধান্ন খোৱাই মনৰ মলিনতা দূৰ কৰা। সেই ভোজ সামিষ। সেইবুলি মাংসৰ দ্বাৰা হব নোৱাৰে। মাছ খাব পাৰে।

তাৰ পাচৰ পৰাহে সামিষ আহাৰ খাব পাৰে। গুৰুক আশ্ৰয় কৰি ঈশ্বৰত শৰণ হ'ল। ভকত ভোজন হ'ল, বাকী থাকিল নাম। তেওঁ-লোকে গুৰুদত্ত নাম প্ৰকাশৰ কাৰণে বহুগাঁৱৰ ভকত শক্তি অনুযায়ী নিমন্ত্ৰণ কৰি এটি সবাহ পাতি নাম কীৰ্ত্তন কৰায় (গায়ন-বায়ন গোৱাই) সেৱা ধৰে। সেই সবাহতে সেৱা ধৰোতে গুৰুজনে যাক যি নাম দিছিল; তাক প্ৰকাশ কৰে। তেতিয়াৰ পৰা শৰণীয়া সকলক গুৰুদত্ত নাম কাঢ়ি মাতে। এই সবাহক নাম-জাননী সবাহ বোলে—ৰাম ত্বত্তোহধিকং নাম সদুত্ত্বেৱ নৰস্তৰেৎ, বিনাপি সেতু। নিৰ্ম্মাণ ম পাৰং ভব সাপবং॥ নৰক পথ নাশ কৰি, মনৰ দুখ গুচাই মোক্ষ দিয়ে নামে। অতএৱ মায়ামৰা সমাজৰ ভকত সকলে গুৰুদত্ত নামেৰেহে ইজনে সিজনক মাতে। গুৰুজনৰ নাম (গুৰু-জনৰ গুৰুদত্ত নাম) শয়নে গমনে, আগমণে স্থানে, ভোজনে, সম্পদে বিপদে স্মৰণ কৰাৰ নীতি। ধ্যানমূলং গুৰু মুৰ্ত্তিং, পূজা মূলং গুৰু পদং মন্ত্ৰমূলং গুৰু বাক্যং মোক্ষ মূলং গুৰু কৃপা। গুৰু গোবিন্দ দ্বৌ এক হ্যায়। কবীৰ বচন। গুৰুক স্বয়ং ব্ৰহ্মৰ প্ৰতিমূৰ্ত্তি স্বৰূপ দৃঢ়ৰূপে এই ভাৱ হব লাগিব। শ্ৰদ্ধাবান লভতে জ্ঞানম তৎ পৰং সংযতেন্দ্ৰিয় জ্ঞান লব্ধা পৰাং শান্তিমচিৰেনাধি গচ্ছতি॥ (গীতা) এইয়ে শৰণৰ নীতি। মুণ্ডন কৰা পানীত ৩টা ডুব মৰা, আঠু লোৱা, সেৱা কৰা দণ্ডবৎ হোৱা পাণ লোৱা আদিৰ প্ৰগাঢ়-আধ্যাত্মিক ভাৱধাৰায় পৰিপূৰ্ণ। শৰণ ললে শৰণীয়া ভকতৰ ভিতৰত বঢ়াবাক্য বুলিলে বাক ছিদ্ৰ বুলি সমাজে গুৰুৱে দণ্ড কৰে। শৰণ লোৱা ভকতৰ ভিতৰত মাৰপিত হলে গুৰুতৰ জগৰীয়া। মাৰোতাজনে মুৰ ডাঢ়ি খুৰাই গুৰুক ৭·৫০ টকা অৰ্থদণ্ড দি ভকতক সেৱা ধৰিব লাগে ভোজ সমাজ দি। ভাতৃত্ব ভাৱস্থাপন কৰি; প্ৰেম প্ৰীতিৰে থাকিবৰ কাৰণে এই ব্যৱস্থা।

এনে গহিত কাম কৰা (শৰণীয়া লোকে শৰণীয়া লোকক মাৰিলে) লোকসকলক নাম অপৰাধী বুলি গণ্য কৰে। শ্ৰীমন্ত শঙ্কৰদেৱৰ মতে দশ নাম অপৰাধ। অনিৰুদ্ধদেৱৰ মতে ইও এটা নাম অপৰাধ। প্ৰহাৰ কৰিলে সে দণ্ডনীয় হয়, আনকি আঙুলিৰ ঠাৰ দি খং ৰাগ কৰিলেও দণ্ডনীয় হয়। শৰণ দিওঁতে গুৰুৱে গুৰু মহাপুৰুষকে দেখুৱাই কৃষ্ণই শংকৰ শংকৰ মহাপুৰুষত শৰণ। অব্যক্ত ঈশ্বৰ

কৃষ্ণৰ বাবে গুৰুকে ঈশ্বৰ জ্ঞান কৰি গুৰু বুলিব দিয়ে খাটনিয়াৰে। উল্লেখযোগ্য যে নাৰীকো শৰণ দিয়া হয়।"

নামদানৰ তাৎপৰ্য্যৰ বিষয়ে নকুলচন্দ্ৰ চেতিয়াই[৩] এনেদৰে বিশ্লেষণ কৰিছে ঃ---"ভগবানৰ সেই পাপ হাৰী নাম যাতে প্ৰত্যেক ভকতৰ মুখত সকলো অৱস্থাতে অহৰ্নিশে উচ্চাৰিত হৈ থাকে তাৰ অৰ্থেই দাৰ্শনিক তত্ত্বমূলক এই নামদান প্ৰথাটো অনিৰুদ্ধদেৱে প্ৰৱৰ্ত্তন কৰি মহাপুৰুষীয়া বৈষ্ণৱধৰ্মৰ অপূৰ্ণ অংশ পূৰণ কৰি গৈছে। তেৰাৰ প্ৰিয় সঙ্গী সুহৃদ বাঁহবৰীয়া যদুমণি আটায়ো দিহিং সত্ৰ স্থাপন কৰি তেৰাতে ভেজনীলৈ সেই পথকে অনুকৰণ কৰিছিল।" অনিৰুদ্ধদেৱৰ প্ৰৱৰ্ত্তিত নাম ধৰ্ম্মৰ---

নামদান

অন্য এক বিশিষ্টতা হ'ল তাল আৰু মৃদঙ্গৰ সংযোজনাৰে কৰা নৃত্য গীত সম্বলিত গায়ণ-বায়ণ। এই উচ্চ কীৰ্ত্তনত অনিৰুদ্ধদেৱৰ আৰু মায়ামৰাৰ চতুৰ্থ অধিকাৰ নিত্যানন্দদেৱৰ ৰচিত গীতসমূহ ৰাগ ভিত্তিত গোৱা হয়। তদুপৰি তৃতীয় অধিকাৰ হৰিৰামদেৱৰ গীতসমূহ গোৱা হয়। একাগ্ৰচিত্তে ভকতসকলে বিভিন্ন অনুষ্ঠানত এই উচ্চকীৰ্ত্তন কৰে। চৰিত পুথিৰ মতে এই উচ্চকীৰ্ত্তন অনিৰুদ্ধদেৱৰ পুত্ৰ কৃষ্ণদেৱে নাহৰআঁটিৰ পৰা সত্ৰ তুলি নি খুটীয়া—পোতাত স্থাপন কৰোতে ফুলাম নামঘৰ উন্মোচন কৰিবলৈ এই উচ্চকীৰ্ত্তন প্ৰৱৰ্ত্তন কৰিছিল।

গায়ণ-বায়ণ

হস্ত আৰু পদ চালনা এই উচ্চকীৰ্ত্তনৰ এক বিশিষ্টতা। ৰাগ অনুসাৰে গীতসমূহ গাওঁতে তাল আৰু মৃদঙ্গ সংগত কৰা হয় আৰু অতি সযতনেৰে এই উচ্চাঙ্গ কীৰ্ত্তন সাত্বিকভাবে পৰিবেশন কৰা হয়। একান্ত একাগ্ৰতাৰে ভগবানক চিন্তা কৰি গীত আৰু নৃত্য পৰিবেশন কৰা ভকতসকলৰ একাগ্ৰতাৰ অভাৱত উচ্চ কীৰ্ত্তনত ভুল পদচালন ভুল হস্তচালনাৰ দ্বাৰা খেলিমেলিৰ সৃষ্টি হ'ব পাৰে। গতিকে এই উচ্চ কীৰ্ত্তনত একাগ্ৰতা আৰু ধৰ্মনিষ্ঠতাৰ একান্ত আৱশ্যক। কোনো কোনো অনুষ্ঠানত সমগ্ৰ ৰাতি গায়ণ-বায়ণত কটাব লগীয়াত পৰে কিন্তু গুৰুপ্ৰদত্ত বিদ্যাৰে ভকতসকলে এই উচ্চ কীৰ্ত্তন সমগ্ৰ অন্তঃকৰণেৰে আৰু সাত্বিকভাবে কৰে। মৃদংগৰ ব্যৱহাৰ অসমীয়া সমাজত বিৰল। উচ্চ কীৰ্ত্তনত মৃদংগৰ ব্যৱহাৰ গতিকে তাৎপৰ্য্যপূৰ্ণ।

অন্য এক উল্লেখনীয় বিশিষ্টতা হৈছে যে গুৰুদত্ত নামেৰে

প্ৰতিজন ভকত নিজকে পৰমাত্মাৰ অংশ হিচাবে পৰিগণিত হয়। গতিকে ভকতৰ মাজত ক্ৰোধভাৱ পৰিত্যাগ, অহিংসভাৱে জীৱন যাপন আদি নীতি মায়ামৰা সমাজত প্ৰচলিত হৈ আছে। এজন ভকতে আন এজন ভকতক মাৰধৰ কৰা দূৰৰ কথা, আঙুলি টোৱাই কথা ক'লেও জগৰ লাগে আৰু ৰাইজক দণ্ড দিব লাগে। এনে কাৰ্য্য নাম অপৰাধৰ ভিতৰত পৰে। এজন ভক্তক অপমান কৰা মানে তেখেতৰ হৃদিস্থিত ভগৱানক অপমান কৰা।

গতিকে অস্ত্ৰ-শস্ত্ৰ আৰু হাতেৰে প্ৰহাৰ কথা দূৰৈত, গালি গালাজ কৰিলেও নাম অপৰাধ হয়। মায়ামৰা সমাজত ভকতসকলক শ্ৰদ্ধা ভক্তি কৰা দেখা যায়। মায়ামৰা বিপ্লৱত এনে ভকতে ৰাজশক্তিৰ বিৰুদ্ধে যুদ্ধ কৰা কথাটো অতি চিন্তনীয়।

গুৰু—ভকতৰ বিৰুদ্ধে আহোম বিষয়াই কৰা অত্যাচাৰ এক অক্ষমনীয় নাম অপৰাধ আছিল আৰু মায়ামৰা বিপ্লৱক এই অৰ্থটো ধৰ্মবিপ্লৱ বুলি অভিহিত কৰিব পাৰি।

মায়ামৰা সমাজত ভাগৱতক শ্ৰেষ্ঠ আসন দিয়া হয়। এই ভাগৱত যেতিয়া ভাগৱতৰ ঘৰৰ পৰা পাঠক-ভকতৰ (পাঠেকী) দ্বাৰা কোনো সকাম-নিকামৰ কাৰণে কাৰোবাৰ ঘৰলৈ লৈ যোৱা হয়, তেতিয়া ইয়াৰ ছাঁ গচকিলে দোষ লাগে বুলি ধাৰণা। এই পবিত্ৰ গ্ৰন্থখনিয়ে মায়ামৰা মহাপুৰুষীয়া নাম ধৰ্ম্মৰ স্ৰোতত কীৰ্ত্তনতকৈও উচ্চতৰ আসন লাভ কৰিছে। এই পুথি পঢ়োতে দুজনে একেলগে পঢ়িব পাৰে। উল্লেখযোগ্য যে ঘৰৰ ভিতৰলৈ ভাগৱত সুমুৱাব নাপায়।

ভাগৱত শাস্ত্ৰৰ গুৰুত্বপূৰ্ণ ভূমিকা

গুৱাপান খাই বুঢ়াসকলৰ আজ্ঞামতে সভক্তিৰে নিৰ্দিষ্ট পাঠকে ভাগৱত পাঠ কৰি তাৰ জটিল তত্ত্ব ব্যাখ্যা কৰাৰ পৰম্পৰা আজিও বিদ্যমান। বৰ গাওঁবুঢ়া আৰু অন্যান্য গাওঁবুঢ়াই ইয়াৰ তত্ত্ব বিচাৰ কৰি ব্যাখ্যা কৰিব পৰা আধ্যাত্মিক শিক্ষা গুৰুসকলৰ পৰা পায়।

নৱম খণ্ড

মায়ামৰা গোসাইসকল

অনিৰুদ্ধদেৱৰ দেহাৱসানৰ পিচত তেখেতৰ জ্যেষ্ঠ পুত্ৰ কৃষ্ণদেৱে নাহৰ আটি সত্ৰত তিনিবছৰ থকাৰ পিছত ১৫৫১ শকৰ ফাগুনত ব্ৰহ্মপুত্ৰৰ দক্ষিন পাৰত যোৰহাটৰ ককিলা মুখৰ ভাটীত আগতে অনিৰুদ্ধদেৱে খুটি পুতি থৈ যোৱা ঠাইত খুটিয়া—পোতা নামে সত্ৰ স্থাপন কৰে। তেখেতৰ দিনতে প্ৰথম ফুলাম নামঘৰ সজালে আৰু

কৃষ্ণদেৱ

ৰাগজাত তাল মান লয়লাসেৰে তাল মৃদংগৰ সংযোগত উচ্চ কীৰ্ত্তন প্ৰৱৰ্ত্তন কৰিলে আৰু গায়ন-বায়নৰ সংস্কৃতি মায়ামৰা বৈষ্ণৱ সমাজত ৰাখি থৈ গ'ল। এই গায়ন-বায়ন মায়ামৰা বৈষ্ণৱৰ একচেটিয়া সম্পদ আৰু মায়ামৰা সমাজৰ সাংস্কৃতিক বিশিষ্টতা।

কৃষ্ণদেৱৰ ছজন পুত্ৰ হ'ল হৰিৰাম, নিত্যানন্দ, জয়ৰাম, মধাই, সদাই আৰু সনাতন। মধাই, সদাই আৰু

হৰিৰামদেৱ

সনাতনে পুৰণি পাম নামে ঠাইত থাকিবলৈ ললে। জ্যেষ্ঠ পুত্ৰ হৰিৰাম দেৱক সত্ৰাধিকাৰ পাতি ১৫৭৩ শকৰ মাঘৰ শুক্লা দশমীত কৃষ্ণদেৱে ইহলীলা সম্বৰণ কৰে। হৰিৰামদেৱ বিদগ্ধ পণ্ডিত আৰু শাস্ত্ৰজ্ঞ আছিল আৰু কিছু কিছু ক্ষেত্ৰত আদ্য-মূৰ্ত্তি অনিৰুদ্ধদেৱৰ সমকক্ষ আছিল। তেখেতে কংসবধ আৰু অজামিল উপাখ্যান নামে দুখন অংকীয়া নাট ৰচনা কৰে আৰু ১৬৮টা বৰ-গীতৰ এক গীত শাস্ত্ৰ ৰচনা কৰে। তিনিবছৰ ধৰ্মভাৰ চলাই ভায়েক নিত্যানন্দদেৱক ধৰ্মভাৰ গতাই ১৫৬৬ শকৰ মাঘৰ কৃষ্ণা তৃতীয়াত বৈকুণ্ঠগামী হয়।

নিত্যানন্দদেৱে ধৰ্মভাৰ লৈ ছয় বছৰৰ ভিতৰত ছয় খনি শাস্ত্ৰ প্ৰণয়ন কৰে।

(১) চতুৰ্থস্কন্ধ ভাগৱতৰ দুই অধ্যায়ৰ পৰা ছয় অধ্যায়লৈ

নিত্যানন্দদেৱ

সতীচৰিত পদ।

(২) ন-শ বাষষ্ঠি টা ঘোষাৰে মুক্তি মংগল শাস্ত্ৰ।

(৩) মৎস্য চৰিত শাস্ত্ৰ।

(৪) অষ্টম স্কন্ধৰ শেষ অধ্যায় আৰু দশম স্কন্ধৰ মূলটীকা ভাঙি পদ ৰচনা কৰে।

(৫) মাৰীচ বধ অংকীয়া নাট ৰচনা কৰে।

(৬) দুটা টোটয় আৰু ভটিমাঁৰে আঠকুৰি বৰগীতৰ এখনি শাস্ত্ৰ ৰচনা কৰে।

নিত্যানন্দদেৱৰ সময়ছোৱা মায়ামৰা ধৰ্মৰ ওপৰত ৰাজৰোষৰ আৰম্ভনী বুলি কব পাৰি। বেজদলৈ নামৰ ৰাজবিষয়া এগৰাকীৰ চক্ৰান্তত নিত্যানন্দদেৱ ৰাজদ্ৰোহত অভিযুক্ত হৈ দিখৌ নৈৰ কুজীবালি ঘাটত ১৫৭২ শকৰ জেঠৰ কৃষ্ণা ত্ৰয়োদশী দিনা বৈকুণ্ঠগামী হয়। ৰাজৰোষত পৰি চাৰিবছৰলৈকে ধৰ্মাসন শূন্য হৈ থাকে। পিছত ১৫৭৬ শকত জয়ৰামদেৱ সত্ৰাধিকাৰ হয়। ১৬০৫ শকৰ আঘোনৰ শুক্লা প্ৰতিপদত পুতেক যদুনন্দনত ধৰ্মভাৰ অৰ্পণ কৰাৰ পিছত জয়ৰামদেৱৰ মহাপ্ৰয়াণ ঘটে।

ইতিমধ্যে পুৰণিপামত থকা কৃষ্ণদেৱৰ পুত্ৰ মধাই আৰু সদায়ে জয়ৰামদেৱৰ মাহেকীয়া তিথিলৈ আহি সত্ৰৰ ওচৰ পাওঁতেই দেখে যে তেওঁলোকলৈ অপেক্ষা নকৰি যদুনন্দনে ধৰ্মভাৰ লয়। ঘুৰি গৈ মধায়ে মধুৰমূৰ্ত্তি নাম লৈ পুৰণি মাটি সত্ৰ স্থাপন কৰে। এনেদৰে মায়ামৰা সত্ৰৰ প্ৰথম শাখা সত্ৰ স্থাপিত হয়। ১৬১০ শকত যদুনন্দন বৈকুণ্ঠগামী হোৱাত তেওঁৰ পুত্ৰ বৈকুণ্ঠনাথ সত্ৰাধিকাৰ হয়। এই সময়ছোৱা আছিল বৈষ্ণৱ গোসাইসকলৰ বাবে অতি কষ্টৰ সময়। আহোম স্বৰ্গদেউ গদাধৰ সিংহই গদাপাণী ৰাজকোঁৱৰ হিচাবে পলাই ফুৰোতে সত্ৰসমূহৰ ঐশ্বৰ্য্য বিভূতি দেখি আচৰিত মানিছিল আৰু তেখেতে ৰাজপাট পায়েই সন্ত-মহন্তক উৎপীড়ন কৰিবলৈ ধৰিলে। মায়ামৰা সত্ৰৰ বৈকুণ্ঠনাথ আৰু ৰঘুনন্দন আৰু পুৰণি মাটি সত্ৰৰ মধাই আৰু সদাই মৃত্যুদণ্ডেৰে দণ্ডিত হ'ল। বৈকুণ্ঠনাথৰ ভাতৃ চতুৰ্ভুজদেৱক ভকতসকলে গুপুতে ৰাখিলে। আৰু ভাতৃ ধ্যানপতি সত্ৰতে থাকিলে। বৈকুণ্ঠনাথৰ নিধনৰ পিছত ১৬১৩ শকৰ পৰা ১৬১৮ শকলৈ ধৰ্মাসন

পুৰণি মাটি সত্ৰ

গদাধৰ সিংহৰ বৈষ্ণৱ নিৰ্যাতন

শুন্য হৈ থাকে। তাৰ পিছত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত চতুৰ্ভুজদেৱে ধৰ্মাসন গ্ৰহণ কৰে। ৰুদ্ৰসিংহৰ মৃত্যুৰ পিছত স্বৰ্গদেউ শিৱসিংহ ৰাজপাটত বহে আৰু চক্ৰান্তমূলকভাৱে নটৰ জীয়ৰী ফুলেশ্বৰী বৰ ৰজা হৈ শাক্তধৰ্ম ৰাজধৰ্ম কৰে আৰু বৈষ্ণৱ মহন্তসকলক নিৰ্য্যাতন কৰে। মায়ামৰা গণঅভ্যুথানৰ অংকুৰ তেতিয়াৰে পৰা ৰোপিত হয় যি শেষত প্ৰৱল প্ৰতাপী ইন্দ্ৰবংশী আহোমৰ ৰাজসিংহাসন কঁপাই তুলিলে। জোৰজবৰদস্তি কৰি বলিকটা ছাগলীৰ তেজেৰে কপালত ফোট দিয়া আৰু গোসানী পূজাৰ প্ৰসাদ বলেৰে খুওৱাৰ কথা অন্যান্য গোসাইসকলে সহজভাৱে ল'লেও মায়ামৰা মহন্ত চতুৰ্ভূজে সহজভাৱে নল'লে।

তাৰ উপৰিও মহন্তসকলক মতাই নি গৰ্ভৱতী ফুলেশ্বৰী বৰৰজাই গৰ্ভস্থ সন্তান মতা নে মাইকী হ'ব শোধাত অন্য মহন্তই অন্য কথা ক'লেও চতুৰ্ভূজ গোসায়ে "মতাও নহয়, মাইকীও নহয়, লেপথেপ কোমোৰাৰ দৰে বস্তু এটাহে বাহিৰ হ'ব" বুলি ভৱিষ্যতবাণী কৰাত চতুৰ্ভূজ গোসাঁইক চাওঁডাঙৰ হাতত বধিবলৈ সপিলে। তেতিয়াৰ হৰ্ত্তা-কৰ্ত্তা বিধাতা কৃষ্ণৰাম ন্যায়বাগিশৰ হস্তক্ষেপত যেনিবা গোসাঁয়ে মুক্তি পালে। ১৬৭০ শকত চতুৰ্ভূজ গোসাঁই বৈকুন্ঠগামী হয়।

মায়ামৰা গণ অভ্যুত্থানৰ অংকুৰ

চতুৰ্ভূজ গোসাঁইৰ পিছত তেখেতৰ জ্যেষ্ঠপুত্ৰ অষ্টভূজ গোসাঁই মায়ামৰা সত্ৰাধিকাৰৰ আসনত বহে। তেখেতৰ কালতে মায়ামৰা সত্ৰৰ শিষ্যৰ সংখ্যা অগণন হৈছিল আৰু উজনিৰ পৰা নামনিলৈকে তেখেতৰ শিষ্য ভৰি আছিল। তেতিয়ালৈকে উজনীৰ মৰাণ ৰাজ্যত শংকৰদেৱৰ প্ৰবৰ্ত্তিত বৈষ্ণৱ ধৰ্মৰ সত্ৰ স্থাপিত হোৱা নাছিল। তেতিয়া উজনীৰ মৰাণদেশৰ বাঘমৰাণ, নাহৰখোৱা আদি বিশিষ্ট শিষ্যসকলে প্ৰধানকৈ ডাইনীগঞা, আহোমগঞা আৰু খাটোৱালীয়া আদি অনেক লোকে অষ্টভূজ গোসাঁইৰ ওচৰত প্ৰাৰ্থনা জনালে যে উজনীৰ মৰাণদেশত সত্ৰ স্থাপিত হ'ব লাগে। তেতিয়া অষ্টভূজ গোসাঁয়ে বাট পথ সুচল নোহোৱাত কাচিনলীয়া ভৱানন্দকে বাইক দি প্ৰেৰণ কৰিলে। আৰু কছাৰীগঞা, মুদৈগঞা, আহোমগঞা আৰু খাটোৱালীয়া—এই চাৰি বুঢ়াক ভাৰ দি

টিপুক সত্ৰ স্থাপন

পঠালে। কাচিনলীয়া ভৱানন্দই কিছুদিনৰ পিছত উজনীৰ টিপুক নদীৰ পাৰত টিপুক সত্ৰ পাতিলে আৰু চাৰিবুঢ়াই ভৱানন্দক কৃষ্ণভুজ নাম দি ধৰ্মাসনত বহুৱালে। এইখন দ্বিতীয় শাখা সত্ৰ।

ইতিমধ্যে কৃষ্ণ-হৰিৰামে খুটিয়া পোতা সত্ৰত সজা ফুলাম নামঘৰৰ ভেটি ব্ৰহ্মপুত্ৰই খান্দিবলৈ ধৰাত তাৰ সজুলিবোৰ ভাঙি গোটাই থৈছিল। অষ্টভুজ গোসাঁয়ে সকলো শিষ্যকে আমন্ত্ৰণ কৰি আনি

মালৌপথাৰৰ বৰভেটি আৰু মায়ামৰা গণ অভ্যুত্থান

মালৌপথাৰৰ কোৰোকানিৰ উত্তৰত চৌবিশ হাত পানী থকা ঠাইত ষাঠি হাত ওখ, বিশ নল দীঘল আৰু দহ নল পথালিয়ে প্ৰকাণ্ড বৰভেটি নিৰ্মাণ কৰালে ১৬৯০ শকত আৰু ফুলাম নামঘৰৰ সজুলিৰে কীৰ্ত্তন ভেটিত নামঘৰ সজাই সাতদিন সাতৰাতি গায়ন-বায়ন গাই, কংসবধ ভাওনাৰে উৎসৱৰ সামৰণী মাৰিলে। তেতিয়া অষ্টভুজৰ শিষ্য সংখ্যা আছিল আঠ লাখৰো অধিক---আন হাতে অন্য সত্ৰসমূহৰ লগলগাই শিষ্যৰ সংখ্যা মাত্ৰ বাৰ লাখ মানহে। এই মালৌপথাৰৰ বৰভেটিয়েই অষ্টভুজ গোসাঁই আৰু মায়ামৰা শিষ্যৰ কাল হ'ল। এই কাৰ্য্য ৰজাঘৰে সহজভাৱে নললে। ডেকা-গোসাঁই সপ্তভুজে বোলে "মই অত শিষ্যৰে ৰজাকে হ'ব পাৰো" বুলি গৰ্ববচন বুলিলে কিন্তু বুঢ়া সত্ৰাধিকাৰে স্বৰ্গদেউৰ ৰাজেশ্বৰ সিংহৰ মুখলৈ চাই ৰাজবিদ্ৰোহৰ বিৰোধিতা কৰাত ডেকা গোসাঁই মনে মনে থাকিল। কিন্তু স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনতো কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই মায়ামৰা বৰডেকা মহন্তক এবাৰ অপমান দিছিল। এবাৰ বৰবৰুৱাৰ স্বৰ্গদেউক আদৰাৰ দোষ ধৰি গাগিনী ডেকাক চাৰিটা চকা মাৰিছিল। ১৬৯১ শকত ৰাজেশ্বৰ সিংহ স্বৰ্গদেউ স্বৰ্গগামী হ'ল আৰু কীৰ্ত্তিচন্দ্ৰৰ কুচক্ৰান্তত ৰুদ্ৰসিংহৰ এলাগী কোঁৱৰ কালশিলীয়া গোহাঁই সিংহাসনত বহি লক্ষ্মীসিংহ হৈ কীৰ্ত্তিচন্দ্ৰৰ কুচক্ৰান্তত পৰিল। মায়ামৰা গোসাই অষ্টভুজক ৰাজেশ্বৰ সিংহৰ আইকুঁৱৰীসকলক আশ্ৰয় দিয়াৰ কাৰণে বুঢ়া গোসাইক ৰাজপত্নী গমন আদি মিছা অপবাদ দিয়াৰ ওপৰিও ৰজাঘৰলৈ দিয়া নিৰ্মালী স্বৰ্গদেৱে গ্ৰহণ নকৰে বুলি কৰ্কথনা কৰি কীৰ্ত্তিচন্দ্ৰই খেদি পথালে। বুঢ়া গোসাই অষ্টভুজ আৰু পুত্ৰ সপ্তভুজে (গাগিনী ডেকাই) এনে মিছা অপবাদ আৰু অপমানত কান্দিবলৈ ধৰিলে আৰু ইতিমধ্যে মায়ামৰা গোসাইৰ শিষ্য ৰাঘ নেওগ আৰু

নাহৰখোৱা শইকীয়া এই দুজন হাতীযোগনীয়া মৰাণ বিষয়াক মিছা অজুহাত দেখুৱাই ৰাঘক বাহেৰে গচকি ধৰি কুৰিটা চমটাৰ কোব মৰোৱালে। এই কথাত অপমানিত হৈ ডেকা গোসাইক জনোৱাত মায়ামৰা গাওঁবুঢ়াসকললৈ সাজু হৈ আহিবলৈ আদেশ দিলে আৰু ক'লে, "সকলো মিলি কোঁঠ বান্ধি একেবাৰেই যুঁজিব পৰা দৰে আহক।" বুঢ়া গোসায়ে কিন্তু ইন্দ্ৰবংশীয়া তুংখুঙীয়ে ৰজা পাতিবলৈহে উপদেশ দিলে। বুঢ়া গোসাইয়ে উপদেশ দিছিল এনেদৰে ঃ "বামুনীয়া ভকতৰ তিৰোতা নানিবি। সভাৰ কটকী, কাকতীক দি থৈ খুৱাই-বুৱাই সিহঁতক ভিতৰ কৰি সিহঁতৰ মন্ত্ৰণাৰে কাম কৰিবি। মোৰ শিষ্য বৰগোহাঁই আদি সাতোঘৰৰ আছে। সেইবোৰকহে বৰচৰাৰ বিষয়া পাতিবি হ'ক। ইতৰবোৰে চমুৱা, মেলভগীয়া, বৰভাণ্ডাৰ আদি কাম ল'বি। সভাৰ লোকৰ বৃত্তি পূৰ্ব্বৰতে ৰাখিবি। কাঁড়ীৰো বিষয়া বৰা, শইকীয়া মোৰ ভকতখেলত থকাকে পাতিবি, খেল সলনি কৰি বিষয়া নাপাতিবি। সন্ত মহন্তক দ্ৰোহ নাচৰিবি, অকণ্টকৈ দেশ হ'ব, যদি এই কথা এৰ, সত্ৰ সহিতে নষ্টৰ কাৰণ হ'ব।"

মোহনমালা গোহাঁইক আগত ৰাখি মায়ামৰাই ৰনলৈ ওলাল। মায়ামৰাই অৱশেষত ৰংপুৰ অধিকাৰ কৰিলে। কীৰ্ত্তিচন্দ্ৰৰ বাহিৰে অন্যান্য বিষয়াই স্বৰ্গদেউক মায়ামৰাক বৰিবলৈহে ক'লে। কিন্তু কীৰ্ত্তিচন্দই এই কথাত সন্মতি নিদিলে। ৰজাপক্ষই গুণাগথা কৰি থাকোতেই মায়ামৰাই আহি ৰাতি দুপৰতে স্বৰ্গদেউক সকলোৰে সৈতে বন্দী কৰিলে আৰু বৰদৌলত বন্দী কৰি থ'লে। ৰাঘই বুঢ়া গোসাইৰ আগত স্বৰ্গদেৱে মুৰ নোদোৱাত চমতাৰে পিঠিত এৰোব মৰাত বুঢ়া গোসায়ে ৰাঘক শাপ দিলে। ৰাঘই গুৰু গোসাই নামানি চাৰি সত্ৰৰ বাদে অন্যান্য মহন্তক আনি বন্দী কৰি ধন ল'লে আৰু শিষ্যসকলক মায়ামৰা গোসাইৰ শৰণ দিয়াবলৈ বন্দবস্ত কৰিলে। এনে উদ্ভন্দালিত বুঢ়াগোসাই মৰ্ম্মাহত হ'ল। ৰমাকান্ত ৰজা হৈ আহোমৰ সিংহাসনত বহিল। ১৬৯১ শকৰ মাঘত কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ পুতেক চন্দ্ৰহাস, উমা ঢেকীয়ালফুকন আৰু পদ্মসিংহক নচচা শূলত দি মাৰিলে। শেষত ১৬৯১ শকৰ চতৰ সংক্ৰান্তিৰ দিনা কুৰংগ-নয়নীৰ সাহাৰ্য্যত ৰাঘক বধ কৰিলে আৰু পাছলৈ ৰমাকান্ত ৰজা, নাহৰখোৱা আৰু বীৰাংগনা ৰাধাকো বধ কৰিলে। স্বৰ্গদেউ পুনৰ

সিংহাসনত বহিল। অষ্টভুজদেৱ আৰু পুতেক সপ্তভুজক হত্যা কৰি মায়ামৰা নিধনযজ্ঞ আৰম্ভ কৰিলে। ১৭০২ শকত লক্ষ্মীসিংহ স্বৰ্গদেউৰ মৃত্যুত তেওঁৰ পুত্ৰ গৌৰীনাথ সিংহ ৰজা হৈ গড়গাঁৱতে থাকিল। মায়ামৰা গোসাইৰ শিষ্যসকল সৈমান হৈ নেথাকি এদিনাখন দোলাত গৈ থকা স্বৰ্গদেউলৈ বুলি দা মাৰিলে; কিন্তু দাৰ কোব দোলাৰ গাত পৰিল। স্বৰ্গদেৱে দেও মাৰি পলাই তলাতল ঘৰত সোমাল। ইতিমধ্যে স্বৰ্গদেৱক কাটিলো বুলি ভাবি মায়ামৰাই সাতজন বিষয়াক কাটিলে আৰু ৰজাৰ বৰচৰা আৰু শিঙৰিঘৰত জুই দিলে। শেষত স্বৰ্গদেউক ঘনশ্যাম বুঢ়াগোহাঁয়ে তলাতল ঘৰত পাই লৈ আনিলে। মায়ামৰাই ৰংপুৰ নগৰলৈ গ'ল। তেতিয়া ৰজাৰ সৈন্যই বহুতো মায়ামৰা লোকক কাটিলে। তাৰ পিছত মৰাণ বধ অৰ্থাৎ মায়ামৰা শিষ্যৰ বধ আৰম্ভ হ'ল। মৰাণ-মটক সকলোকে বধ কৰিলে। কিছু সংখ্যক পাহাৰে-পৰ্বতে পলাই ৰ'ল। মায়ামৰাৰ ১৬ অনাৰ ৬ অনাহে ৰ'ল।

চৈধ্যবছৰ কাল মায়ামৰা ধৰ্মাসন শুন্য হৈ ৰ'ল। গৌৰীনাথ সিংহ স্বৰ্গদেৱে মায়ামৰা গাওবুঢ়াৰ পৰামৰ্শ লৈ ১৭০৬ শকত অনিৰুদ্ধদেৱৰ কণিষ্ঠ পুত্ৰ সৰ্বানন্দদেৱৰ প্ৰপৌত্ৰ পিতাম্বৰক উত্তৰৰ দফলা পৰ্বতৰ পৰা আনি দক্ষিণপাটৰ অগ্নি চাপৰিত ঘৰদুৱাৰ সাজি নামঘৰ-ধৰ্মঘৰ কৰি দি মহাজন পাতিলে। মুকলিখিনি মায়ামৰাই পীতাম্বৰ মহাজনক মহন্ত মানি সেৱা কৰিলে। বেংমৰা আৰু হোলোঙাগুৰিৰ মৰাণ সেৱকে পীতাম্বৰদেৱক গুৰু নামানি হৰিময় আৰু কাচিনলীয়া ভৱানন্দ এই দুইজনক মহাজন মানি সেৱা কৰি দ্ৰব্য-বস্তু কৰ দিবলৈ ধৰিলে। এনেদৰে থলৰখনি হ'ল এফালে, হাবিৰখনি মায়ামৰা হ'ল এফালে, দুইভাগ দুইৰূপে প্ৰৱৰ্ত্তিলে[১]।—

(সূৰ্য্যকুমাৰ ভূঞা ঃ ১৬১)

গৌৰীনাথ সিংহ স্বৰ্গদেৱে পহু চিকাৰ কৰিবৰ মনেৰে গড়মুৰত বাহৰ পাতি আছিল। তাতে থকা মায়ামৰাই জাপৰি ভিটাত ৰণ আলচিলে। এই ৰণৰ চৰ্দাৰ হৈছিল হাউহা নামে তাতী এজন, পাছলৈ যোগেন্দ্ৰ নামে খ্যাত। মায়ামৰা কৈৱৰ্ত্তলোক এজনে এখন তামৰ পাত পাই তাতীক দিলে। পাতত সাঁচ মৰা কথাখিনি আওৰাই লৈ ব্ৰত ধৰি তাঁতীয়ে ভয়বান, মোহবান শিকি কপালত ফোঁট লোৱা

সকলো সিদ্ধি কৰি বৰমানুহ চপাই কাঁড়ধনু, দা, বাৰু, দি ওচৰৰ মানুহক পীৰা কৰিবলৈ ধৰিলে। স্বৰ্গদেউৱে গড়মুৰ বাহৰ এৰিবৰ সময়ত ৰং চাবৰ মনেৰে বাহৰত জুই দিবলৈ আজ্ঞা কৰিলে। ৰং ছাই ৰজা ৰংপুৰলৈ গল। তাতীৰ বিৰুদ্ধে যুজিবলৈ স্বৰ্গদেউৱে মৰঙিখোৱা আৰু দিহিঙীয়া ফুকন এই দুজনক ৰণলৈ পঠালে। ১৭০৯ শকৰ আঘোণত ৰণ হ'ল। তাতীয়ে যাদুবিদ্যা কৰি কাপোৰ ৰজাঘৰৰ সৈন্যলৈ দলিয়াই দিয়াত ভয়তে সৈন্যবোৰ পলাল। মৰঙিখোৱা আৰু দিহিঙীয়া ফুকন ৰণত পৰিল। তাৰ পিছত আৰু দুজন বিষয়া পঠালে। কেইবাঠাইতো ৰণ হ'ল। হাউহা তাঁতীয়ে মোহবান ভয়বান মাৰি ৰজাঘৰীয়া সৈন্যক পৰাভূত কৰিলে। মায়ামৰাৰ সেনাপতি কেইবাজনো আছিল, হাওহা তাঁতী, ফোফাই, বিদুৰ, তমাই আৰু কলিয়া ভোমোৰা। হাওঁহাৰ লগত পৰসাদ, পৰমা আদি কেইবাজনো বীৰে যোগ দিছিল। পূৰ্ণানন্দ বুঢ়াগোহাইয়ে দিখৌ মুখত কোঠ মাৰি ৰণ দিছিল। পাছত ৰণত নোবাৰি চোলা ঢুকীয়াত বাজে গাৰ কাপোৰ নোহোৱাকৈয়ে পলাই আহিব লগাত পৰিল। উত্তৰপৰীয়া মায়ামৰাই পীতাম্বৰ মহাজনক লগলৈ নিয়ালে। মায়ামৰা সেনাপতি প্ৰসাদে দিহিংৰ ভকতক বেৰি ধৰিলে, ভকতসকল নাশ মাৰিলে।

তাৰ পিছত মায়ামৰাই ৰংপুৰৰ কাষ চাপি জয়সাগৰৰ ওচৰলৈকে বিয়াপি ৰ'ল। স্বৰ্গদেউৱে ৰণ টান দেখি ১৭০৯ শকৰ মাঘ মাহৰ আঠদিন যোৱাত ভাটিলৈ নাঁৱেৰে যাত্ৰা কৰিলে। ৰংপুৰ নগৰ শূন্য হল। ৰজা নোহোৱা ৰংপুৰত পৰসাদ আৰু হাওহা সোমাই পীতাম্বৰ মহাজনক মাতি আনিবলৈ মনস্থ কৰিলে। পীতাম্বৰ মহাজনে আহি নমতীয়া মায়ামৰাৰ লগত বিবাদ লাগি পুনৰ গুচি গ'ল। হাওহা তাঁতীয়ে যোগেন্দ্ৰ নাম লৈ তিনিবছৰ ছমাহ কাল ৰংপুৰত ৰাজ্য ভোগ কৰিলে।

এইবাৰ ৰণত মায়ামৰীয়াৰ পক্ষে কেইবাগৰাকীও তিৰোতাই ৰণ কৰিছিলে—প্ৰথম নায়িকা আছিল দ্বিজকন্যা চন্দ্ৰমালা, তেওঁৰ লগৰ আন আন ৰণচণ্ডী আছিল, মধুৰী, ৰত্না, জয়ন্তী, ভানুমতী, ভদ্ৰাৱতী, সুভদ্ৰা, সুচলা জয়া, ৰোহিণী আৰু সুমতি।

গৌৰীনাথ সিংহই গুৱাহাটীত ৰণৰ বাবে সৈন্য গোটাই উজাই আহিল। পূৰ্ণানন্দ বুঢ়াগোহাই ডাঙৰীয়াই গঞ্জালি মানুহখিনি মুঠ

কৰি দিছে নৈৰ পাৰত কোঠ দি আছিল। ইফালে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ সৰুটি পুতেক পাটকোঁৱৰেও মায়ামৰাৰ বিৰুদ্ধে ১৭১০ শকত ৰণ দিছিল। ৰণত জিকি নিজে ৰজা হ'ব লৈ চেষ্টা কৰি গুৱাহাটীত থকা গৌৰীনাথ সিংহলৈ "স্বৰ্গদেউ পাটকোঁৱৰৰ পৰা ভাগি যোৱা ৰজালৈ দিয়া চিঠি" বুলি পত্ৰাদি দিছিল। পাছলৈ মায়ামৰাৰ হাতত পাটকোঁৱৰে প্ৰাণত্যাগ কৰে। ১৭১১ শকত দুৰ্ঘোৰ আকাল হয়। দেশত ঠায়ে ঠায়ে মায়ামৰাই ৰজা হৈ ৰাজ্য ভোগ কৰিছিল। মাজুলীত হাওহা তাতীয়ে যোগেন্দ্ৰ নাম লৈ দিহিং সীমা লৈ ৰাজ্য ভোগ কৰিছিল। ৰংপুৰত মায়ামৰা মহাজন পীতাম্বৰদেৱে ১৭১৩ শকৰ ফাগুন মাহত ডেকা গোসাই ভৰথীক ৰজা পাতিছিল। উজনীৰ বেংমৰাত সৰ্বানন্দ সিংহ ৰজা হৈছিল আৰু ১৭১৬ আৰু ১৭১৭ শকত নিজ নামৰ মোহৰ মৰাইছিল। ৰজাই ভৰতসিংহ নাম লৈ "ভগদত্তকুলোদ্ভৱ" বুলি ১৭১৪ শকত মোহৰ মৰাইছিল। আৰু পাছলৈ ১৭১৮ আৰু ১৭১৯ শকতো মৰাইছিল। পূৰ্ণানন্দ বুঢ়াগোহাই ডাঙৰীয়াই দিছৈৰ কোঁঠত থাকি ৰাজ্য ৰক্ষা কৰিবলৈ যত্ন কৰিছিল, কিন্তু মায়ামৰাক কোনোমতেই নিৰ্বীজ কৰিব পৰা নাছিল।

স্বৰ্গদেৱে গুৱাহাটীৰপৰা নগাঁৱলৈ যায়। তাৰ মানুহে ৰজা আৰু তেওঁৰ বিষয়াসকলক ৰছদ-পাতি যোগান দি আমনি লগাত আৰু ৰজাও পৰাক্ৰমহীন হোৱা দেখি ৰজাক কেইবাবাৰো লঘু লাঞ্ছনা কৰে। শেষত স্বৰ্গদেৱে মায়ামৰাৰ পৰা দেশ পাবলৈ ১৭৯২ চনত কোম্পানীৰ সহায় বিচৰাত কাপ্তান ৱেলচ্ চাহাবে আহি স্বৰ্গদেউৰ লগত আহি উজাই মায়ামৰাক খেদাই ৰংপুৰ উদ্ধাৰ কৰি গৌৰীনাথ-সিংহক পুনৰ সিংহাসনত বহুৱায়। ইং ১৭৯৪ চনত কোম্পানীৰ সৈন্য অসমৰ পৰা উভতি যায়। ইং ১৭৯৫ চনত গৌৰীনাথ সিংহৰ মৃত্যু হয়।

কমলেশ্বৰ সিংহ স্বৰ্গদেৱ ৰজা হোৱাৰ পিছত ৰংপুৰ, যোৰহাট এই দুই অঞ্চলত ৰণ নাইকীয়া হ'ল। মায়ামৰাৰ শেষ ৰজা ভৰত সিংহ ১৭২৩ শকত যুদ্ধ কৰি ৰণত পৰিল। কিন্তু দুৱণিত ৰণ নকৈ গুলাল। কছাৰী আৰু মায়ামৰাই গোট খাই বৰ্তমান নগাওঁৰ চাংচকী, বেবেজীয়া, দৰকা, তেতেলীখনাত ৰণ উলিয়ালে। পিছে ৰাজবিষয়াই সেই বিদ্ৰোহ দমালে।

ইমানদিনে মায়ামৰা সত্ৰক এঘৰীয়া কৰি ৰাখিছিল। এতিয়া উপদ্ৰৱ কমাত স্বৰ্গদেউ কমলেশ্বৰ সিংহই আগ পাছ ভাবি আৰু আগলৈকো কোনো মনোমালিন্য নহবলৈ আৰু মায়ামৰা মহন্তৰ বিশেষ অনুৰোধত বৰসভা পাতি অন্য মহন্তৰে সৈতে মায়ামৰা মহন্তক চামিল কৰি থৈছিল।

(সূৰ্য্যকুমাৰ ভূঞা ঃ ১৬০—১৬৪)

১৭০৬ শকৰ ফাগুনত পিতাম্বৰ গোসাইক উজনীত নতুন সত্ৰ পাতি ধৰ্মাসনত অধিষ্ঠিত কৰা হয়। তেওঁৰ চাৰিজন পুত্ৰ আছিল—ভজনানন্দ, ভক্তানন্দ, ভবানন্দ আৰু জয়ানন্দ। ২১ বছৰ ধৰ্মাসনত অধিষ্ঠিত থাকি জেষ্ঠ পুত্ৰ ভজনানন্দক ধৰ্মভাৰ অৰ্পন কৰি ১৭২৭ শকৰ আহাৰৰ কৃষ্ণাত্ৰয়োদশী তিথিত বৈকুণ্ঠগামী হয়। ভজনানন্দদেৱৰ

গড়পৰা সত্ৰ

ধৰ্মাসনত অধিষ্ঠিত থকা কালতে ১৭২৮ শকত অনিৰুদ্ধদেৱৰ পঞ্চম পুত্ৰ সৰ্ব্বানন্দদেৱৰ বংশধৰ হৰিৰামদেৱে পাঁচশ ভকতলৈ মায়ামৰা গড়পৰা সত্ৰ স্থাপন কৰি ধৰ্মাসনত বহে। এইখন মায়ামৰা সত্ৰৰ তৃতীয় শাখা সত্ৰ।

তিনিবছৰ ধৰ্ম প্ৰবৰ্ত্তাই ভজনানন্দদেৱে ভ্ৰাতৃ ভক্তানন্দদেৱক ধৰ্মভাৰ অৰ্পন কৰি ১৭৩০ শকৰ আহিনৰ শুক্লা একাদশী তিথিত বৈকুণ্ঠগামী হয়। ভক্তানন্দদেৱৰ দিনতে মানৰ ভয়ত উজনীৰ সত্ৰ এৰি মাজুলীৰ গড়মূৰ সত্ৰৰ ওচৰত সত্ৰ পাতি আছিলগৈ। ইংৰাজে আহি মানক খেদি স্বৰ্গদেউ পুৰন্দৰ সিংহক ৰাজ্য দিয়াত মাজুলীৰ পৰা ঘুৰি আহি বৰভেটিত সত্ৰ পাতি আছিল। সেইসময়তে উজনীৰ সৰ্বানন্দ সিংহ ৰজাৰ পুত্ৰ মাটিবৰ বৰসেনাপতিয়ে আহি গোসাইৰ চৰণত প্ৰাৰ্থনা জনোৱাত তেওঁৰ প্ৰাৰ্থনা মতেই বৰভেটিৰপৰা সত্ৰ উঠাই আনি নাৱেৰে উজাই আহি ডিব্ৰু নদীৰ পাৰত উঠি ৰঙাগড়া নামে ঠাইত ১৭৫৫ শকত সত্ৰ পাতি চাৰিবছৰ আছিল। তাৰপিছত সেই ঠাই সত্ৰৰ উপযোগী নোহোৱা হেতুকে তাৰে কিছু পশ্চিমত থকা

দিনজয় সত্ৰ স্থাপন

দিনজান বোলা সৰু জানৰ কাষত পছন্দৰ মাটি পাই মাটিবৰ বৰসেনাপতিক জনোৱাত তেওঁ তাতে সত্ৰৰ উপযোগী ঘৰ-দুৱাৰ প্ৰস্তুত কৰাই দিলে। ১৭৫৯ শকত শুভক্ষণ চাই সত্ৰৰ দুৱাৰ মুকলি কৰা হল। দিনজানৰ পাৰত

অৱস্থিত হোৱাৰ কাৰণে এই সত্ৰ মায়ামৰা দিনজয় সত্ৰ হিচাপে নামকৰণ কৰা হ'ল।

ভক্তানন্দদেৱ অপুত্ৰক আছিল। তেওঁৰ ভ্ৰাতৃ ভৱানন্দৰ তিনিজন পুত্ৰ আছিল। স্বৰূপানন্দ, চিদানন্দ আৰু চন্দ্ৰকান্ত। মৃত্যুৰ সময়ত ভৱানন্দ আৰু জয়ানন্দদেৱ (তেখেতৰ ভাতৃদ্বয়) দিনজয়ত নথকাত ভতিজা স্বৰূপানন্দক ধৰ্মভাৰ গটাই দিয়ে। ১৭৬২ শকৰ বহাগৰ কৃষ্ণা তৃতীয়াত ভক্তানন্দদেৱ বৈকুণ্ঠী হয়। তিনিবছৰ ছমাহৰ পিছতেই ১৭৬৫ শকৰ আহিনৰ শুক্লা দ্বাদশী তিথিত স্বৰূপানন্দদেৱে পিতৃ ভৱানন্দৰ হাতত ধৰ্মভাৰ গটাই স্বৰ্গগামী হয়। ভৱানন্দদেৱে নিজভ্ৰাতৃ জয়ানন্দদেৱক ধৰ্মভাৰ গটাই দি ১৭৭৯ শকৰ পুহমাহৰ শুক্লা তৃতীয়াত বৈকুণ্ঠী হয়। জয়ানন্দদেৱৰ পুত্ৰ চাৰিজন---জগতানন্দ' অজিতানন্দ, হৃদয়ানন্দ আৰু দেৱানন্দ। জয়ানন্দদেৱে শ্ৰীশ্ৰীঅনিৰুদ্ধ-দেৱৰ চৰিত পুথিৰ লিখক চিদানন্দদেৱক ধৰ্মভাৰ অৰ্পণ কৰি ১৭৯০ শকৰ চ'তৰ শুক্লা দ্বিতীয়াত বৈকুণ্ঠী হয়। বাৰবছৰ কাল ধৰ্মাসনত থাকি ১৮০২ শকৰ মাঘৰ শুক্লা প্ৰতিপদত বৈকুণ্ঠগামী হয়। সেই সময়ত যুৱাধিকাৰ চন্দ্ৰকান্তদেৱ প্ৰবাসত থকাত জয়ানন্দদেৱৰ পুত্ৰ জগতানন্দদেৱক ১৮০২ শকত ধৰ্মাসনত বহুৱায়। ইয়াৰ ফলস্বৰূপে যুৱাধিকাৰ চন্দ্ৰকান্তদেৱে বগৰীতলিয়া ডাঙৰীয়াৰ সমৰ্থনত চেঁচা নৈৰ

মদাৰখাট সত্ৰ স্থাপন

দক্ষিণত মদাৰখাট নামে নতুন সত্ৰ স্থাপন কৰে। অষ্টভূজ গোসায়ে উজনি অসমত শৰণ ভজনৰ কামখিনি কৰিবলৈ দিয়া চাৰি বুঢ়াৰ ভিতৰত মুদৈগঞ্জা ডাঙৰীয়াৰ বংশধৰ শ্ৰীপূৰ্ণানন্দ ডাঙৰীয়াই আজি কেইবছৰমানৰ আগতে ল'ৰা শৰণ দি বগৰীতলীয়া সত্ৰ নামে স্বকীয়া সত্ৰ প্ৰতিষ্ঠা

বিষ্ণু-বালি-কুঞ্চি সত্ৰ পুনৰ স্থাপন

কৰে। তদুপৰি আজি কিছুবছৰৰ আগতে হৃদয়ানন্দ অধিকাৰদেৱৰ জ্যেষ্ঠ পুত্ৰ বৈকুণ্ঠানন্দ-দেৱে উত্তৰ লক্ষীমপুৰৰ ঢলপুৰ অঞ্চলত ধৰ্ম প্ৰচাৰৰ সুবিধাৰ্থে বিষ্ণু-বালি-কুঞ্চি নামৰ সত্ৰ প্ৰতিষ্ঠা কৰে। ইয়াৰ বৰ্তমান সত্ৰাধিকাৰ হল শ্ৰীশ্ৰীমাধৱানন্দ।

এয়াই মায়ামৰা গোসাঁইসকলৰ চমু ইতিবৃত্ত।[২]

টিপুক সত্ৰৰ প্ৰতিষ্ঠাপক "কৃষ্ণভুঁজ" গোসাঁই ইহলীলা সম্বৰণ কৰাৰ পাছত টিপুক সত্ৰত আৰু তিনিজনা গোসাঁয়ে সত্ৰাধিকাৰ হৈ

বৈকুণ্ঠপৰায়ণ ঘটে। এই তিনিজনা সত্ৰাধিকাৰ হ'ল ক্ৰমান্বয়ে— "নৰভুঁজ, শংকৰভুঁজ আৰু অগ্নিভুঁজ"। উল্লেখিত তিনিজন সত্ৰাধিকাৰ প্ৰভুৰ সমাধি "থান" বৰ্ত্তমানেও টিপুক সত্ৰৰ ঠাইতে ওচৰা-ওচৰিকৈ আছে।

অগ্নিভুঁজ

ইয়াৰ পাচত শংকৰভুঁজ গুৰুৰ পুতেক শ্ৰীশ্ৰীনবীন চন্দ্ৰ গোস্বামীদেৱে "ভক্তভুঁজ" নামলৈ সত্ৰাধিকাৰ হৈ উজনীৰ কাকপথাৰ অঞ্চলত ধৰ্ম প্ৰচাৰৰ সুবিধাৰ্থে সত্ৰ স্থাপন কৰে। এই তিনিখন হ'ল--- ১। হাতীগড় মোলানী সত্ৰ, ২। ডিৰাক মোলানী সত্ৰ আৰু ৩। উপৰ উবন মোলানী সত্ৰ। ইয়াৰোপৰি সেই সময়তে শংকৰভুঁজ গুৰুৰ ভ্ৰাতৃ শ্ৰীশ্ৰীমালিগোস্বামীদেৱে "অৰজভুঁজ" নামলৈ আৰু তিনিখন সত্ৰ স্থাপন কৰিলে— ১। শিমলুগুৰি সত্ৰ, ২। হোলং বোকাপথাৰ সত্ৰ আৰু ৩। দেৰাগুৰি সত্ৰ। বৰ্ত্তমান উজনীৰ তিনিচুকীয়াৰ ৰঙাগড়া আদিকে সীমা কৰি অৰুণাচল প্ৰদেশৰ চিতপানী অঞ্চললৈকে বিয়পি থকা মৰাণ লোকসকলে এই ছয়খন সত্ৰৰ শিষ্যত্ব গ্ৰহণ কৰি আছে। ধৰ্মীয় নীতিৰ ভিত্তিত সত্ৰাধিকাৰ প্ৰভুসকলৰ ওচৰত শৰণ, ভজন-কীৰ্ত্তন আদি দীক্ষা গ্ৰহণ আদি কৰি সত্ৰসমূহৰ সত্ত্বা ৰক্ষা কৰি আছে আৰু সত্ৰসমূহত বাৰ মাহত বাৰখন মাহেকীয়া তিথি পাতি গুৰু-গোসাঁইৰ দিহা পৰামৰ্শ, নীতি নিৰ্দেশনাকে সাৰোগত মানি উজনীৰ মৰাণ সমাজ আজিও বৰ্ত্তী আছে।

দশম খণ্ড

মটক জনজাতি

মায়ামৰা শিষ্যকুল

মায়ামৰা বৈষ্ণৱ ধৰ্মত দীক্ষিত লোকসকল হৈছে প্ৰধানকৈ মৰান তথা মটক—মৰাণ নিজৰ নাম, মটক চিংফৌৱে দিয়া। মটকৰ অৰ্থ বাহুবলী, পৰাক্ৰমী। কালক্ৰমত উত্তৰ পাৰৰ নাহৰআটি সত্ৰৰ পৰা সত্ৰ স্থানান্তৰিত কৰি অনিৰুদ্ধদেৱৰ পুত্ৰ কৃষ্ণানন্দই ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে প্ৰতিষ্ঠা কৰাত দক্ষিণপাৰৰ আদিম জনগোষ্ঠী মৰান তথা মটকে কৃষ্ণানন্দ আৰু তেৰাৰ পৰৱৰ্ত্তী গোসাই সকলৰ ওচৰত জাউৰিয়ে জাউৰিয়ে শৰণ ল'লে। অৱশ্যে অন্যান্য সম্প্ৰদায়ৰ লোক, যেনে, আহোম, কলিতা, কেওঁট, চুতীয়া, কোছ, সোনোৱাল কছাৰী আদিৰ লোক সকলেও মায়ামৰা বৈষ্ণৱ গুৰুৰ ওচৰত শৰণ লবলৈ ধৰিলে। সি অৱশ্য মৰাণ লোক সকলতকৈ সংখ্যাত অতি নগন্য। তদুপৰি প্ৰাথমিক অৱস্থাত আহোম ৰজা তথা ৰাজমাওঁ পৰ্য্যন্ত সকলোৱে এই মায়ামৰা বৈষ্ণৱ ধৰ্মৰ প্ৰতি যথেষ্ট আগ্ৰহ দেখুৱাইছিল আৰু এটা সময়ত জনে-ধনে মায়ামৰা সত্ৰসমূহ ৰজাৰ সমকক্ষ হৈ উঠিছিল। মৰাণ তথা মটকৰ সংখ্যা বেছি হোৱাত সমগ্ৰ মায়ামৰা শিষ্যসকলক অন্যলোকে বিশেষকৈ ৰজাঘৰে মটক বুলি অভিহিত কৰিবলৈ ধৰিলে। প্ৰথম অৱস্থাত "মটক" শব্দ বাহুবলী অৰ্থাৎ পৰাক্ৰমী—এনে ভাল অৰ্থত ব্যৱহৃত হৈছিল। কিন্তু শিৱসিংহৰ দিনত ৰাণী ফুলেশ্বৰীৰ হাতত অপমানিত হৈ মায়ামৰা গোসাই ৰাজৰোষত পৰিল আৰু স্বৰ্গদেউ লক্ষ্মীসিংহৰ দিনত মায়ামৰা বা "মোৱামৰীয়া" বিদ্ৰোহে সমগ্ৰ উজনী অসমতে তোলপাৰ লগালে। তাৰ ফলস্বৰূপ স্বৰ্গদেউৰ বিৰুদ্ধে যোৱা এই মায়ামৰা গোসাইৰ শিষ্য সকলক "মটক" বুলি তাচ্ছিল্যাৰ্থত অভিহিত কৰিবলৈ ধৰিলে। ৰাজৰোষত পৰি মায়ামৰা বৈষ্ণৱ ধৰ্মৰ অৱলম্বী এই লোকসকল পৰ্বতে-পাহাৰে দিহিঙে-দিপাঙে পলাই ফুৰিবলৈ ধৰিলে আৰু তেওঁলোকৰ ১৬ অনাৰ ৬ অনাহে ৰ'লগৈ। বাকী "মোৱামৰীয়া" গোসাই শিষ্য সকলক স্বৰ্গদেউৰ

আদেশত প্ৰাণে বধিলে। এনেদৰে মৰাণ তথা মটক, আহোম, চুতীয়া, কছাৰী, কলিতা, কোছ, কেওঁট, বৃত্তিয়াল, নদীয়াল, ব্ৰাহ্মণ আদি সকলো জনগোষ্ঠীৰ লোক মায়ামৰা ধৰ্মত দীক্ষিত হৈ ৰাজ বিদ্ৰোহত অংশীদাৰ হোৱাত আৰু কালক্ৰমত আহোম ৰাজত্বৰ ধৰনি কঁপোৱাত আৰু বেলেগকৈ মটক ৰাজ্য প্ৰতিষ্ঠিত হোৱাত এই লোক সকল বাকী অসমীয়াৰ চকুত আৰু ব্যৱহাৰত অস্পৃশ্য হৈ পৰিল আৰু অন্যান্য সত্ৰ সমূহেও ইয়াত যথেষ্ট অৰিহনা যোগালে। এনেদৰে এই লোক সকলে ঐক্যবদ্ধ ভাৱে থাকিবলৈ বাধ্য হৈ সামাজিক পৰিবৰ্ত্তনৰ যোগেদি উমৈহতীয়া সংস্কৃতি আৰু ধৰ্মৰ অনুগামী হৈ পৰিল। ব্ৰাহ্মণ আৰু নদীয়াল সকলৰ বাদে বাকী মৰাণ, আহোম, চুতীয়া, কছাৰী, কোচ, কেওঁট, আদিয়ে বৈবাহিক সম্বন্ধৰে ঐক্যবদ্ধ হৈ এক 'মটক' জন-জাতি হিচাবে স্বীকৃত হ'ল। এই মটক যে মৰাণেই সেই কথাত কোনো সন্দেহ নাই। গতিকে এই জনগোষ্ঠীৰ ব্যৱহাৰিক দিশত মৰাণ সমাজৰ সাংস্কৃতিক বিশিষ্টতা অধিক প্ৰকট।

মটক এনেদৰে আজিও অসমীয়াৰ মাজত এক অস্পৃশ্য জনজাতি হিচাবে বিৰাজমান। অন্য অসমীয়াই এতিয়ালৈকে এই জনজাতিৰ লোকৰ লগত বৈবাহিক আৰু সামাজিক আদান-প্ৰদান কম কৰে। নৃতত্ত্বৰ নিয়ম অনুসৰি এটা জনজাতিৰ লগত বৈবাহিক সম্বন্ধ ঘটিলে তৃতীয় পুৰুষৰ (Third generation) ৰ পৰা সেই জনগোষ্ঠী জনজাতি হিচাবে স্বীকৃতি পায়। তদুপৰি মটকৰ মাজত অন্য জাতিৰ লোক কম, মূলতঃ মৰাণেই সংখ্যাগৰিষ্ঠ। গতিকে মটক জন-জাতিয় সংৰক্ষিত জনজাতি হিচাবে স্বীকৃতি পোৱাত নীতিগত ভাৱে কোনো বাধা থাকিব নোৱাৰে।

মটকৰ মাজত বহুতেই নিজকে আহোম বুলিহে পৰিচয় দিব বিচাৰে---এই প্ৰবনতা শিৱসাগৰ জিলা আৰু লক্ষীমপুৰ জিলাত বেছি। কিন্তু সৰহভাগ আহোম পৰিয়ালৰ বংশলতাৰ পৰিচয় ল'লে তেওঁলোক মূলতঃ যে

তথাকথিত

মৰাণ জনগোষ্ঠীৰ লোক এই সত্য প্ৰতীয়মান হয়। অৱশ্য একেবাৰে নথকাও নহয়। কিন্তু এনে আহোমৰ সংখ্যা অতি নগণ্য আৰু অন্যান্য জনগোষ্ঠীৰ লগত বৈবাহিক সম্বন্ধৰ ফলত এনে পৰিচয় ধোৱা-কোৱা।

একাদশ খণ্ড

উপসংহাৰ

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱে জটিল ৪ৰ্থ স্কন্ধ ভাগৱত আৰু ৫ম স্কন্ধ ভাগৱত অনুবাদ কৰোতে যি দক্ষতাৰ পৰিচয় দিছে, তাক অনুধাৱন কৰিলে তেখেতে যে অনুবাদৰ সীমিত পৰিসৰ অতিক্ৰম কৰি মৌলিক সাহিত্যৰহে সৃষ্টি কৰিছে সেই কথা স্বীকাৰ কৰিব লাগিব। যথাযথ আক্ষৰিক অনুবাদত বিশ্বাস নকৰি শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱে অসমৰ থলুৱা মাটিৰ উপযোগী কৰি ভাগৱত শাস্ত্ৰ উপস্থাপন কৰিছে সেয়া এক বিৰল কৃতিত্ব। কেইটামান শ্লোক আৰু তাৰ অনুবাদৰ তলত উদ্ধৃতি দিয়া হ'ল।

শ্লোক ঃ আসীৎ পুৰঞ্জনো নাম ৰাজন্ বৃহচ্ছ্ৰবাঃ।
তস্যাবিজ্ঞাত নামাসীত্ সখা বিজ্ঞাতচেষ্টিত ॥
সোঽন্বেষমানঃ শৰণং বভ্ৰাম পৃথিবীং প্ৰভুঃ।
নানুৰূপং যদাবিন্দদভূৎস বিমনা ইব ॥

অনুবাদ ঃ শুনা পুৰাতন কথা এক নৃপবৰ।
পুৰঞ্জন নাম আছিলেক নৰেশ্বৰ ॥
বিচাৰি ফুৰয় ৰাজা নগৰ বিশেষ।
ভাৰতবৰিষে গৈয়া ভৈলন্ত প্ৰৱেশ ॥

শ্লোক ঃ যদৃচ্ছয়াগতাং তত্ৰ দদৰ্শ প্ৰমদোত্তমাম্।
ভৃত্যৈৰ্দশভিৰায়ান্তি মেকৈক শতনায়কৈ ॥
পঞ্চশীৰ্ষাহীনা গুপ্তাং প্ৰতীহাৰেণ সৰ্বতঃ।
অন্বেষমানামৃষভম প্ৰৌঢ়াং কামৰূপিনীম ॥

অনুবাদ ঃ এক নাৰী আছে তাত বুদ্ধি নাম যাৰ
একাদশ সেনাপতি সংগত তাহাৰ ॥ ২৩
একাদশ ইন্দ্ৰি থাকে উপাসি বুদ্ধিক।
সাধি দেয় অনুকূল ভোগ্য আত্যান্তিক ॥ ইত্যাদি

চতুৰ্থ স্কন্ধ ভাগৱতৰ বিশেষত্ব এয়েই যে কেইবাটাও সংস্কৃত শ্লোক একেলগ কৰি তাৰ ভাৱাৰ্থহে অনিৰুদ্ধদেৱে দিছে আৰু চমু পদেৰে অতি কঠিন শ্লোকৰ অৰ্থসমূহ প্ৰকাশ কৰিছে। গতিকে কম পদেৰে (৯৫০টা পদ) পুৰঞ্জন উপাখ্যান বৰ্ণনা কৰিছে। ই সচাকৈয়ে অতি তাৎপৰ্য্যপূৰ্ণ কথা।

কিছু কিছু ক্ষেত্ৰত মৌলিক ভাৱ প্ৰকাশ কৰি পদ ৰচনা কৰা দেখা যায়।

ৰূপ ৰস গন্ধ স্পৰ্শ শব্দ বিশিষ্ট।
বুদ্ধিৰ অনুজ্ঞা লৈয়া সাধি দেই ইষ্ট ॥
ৰূপ ৰস গন্ধ স্পৰ্শ শব্দ বিষয়।
শতধা প্ৰকাৰে হুয়া সৱে প্ৰৱৰ্ত্তয় ॥ ২৬

শ্লোক ঃ স একদা হিমৱতো দক্ষিণেস্বৰথ সানুষু।
দদৰ্শ নৱশিদ্ধাভিঃ পুৰং লক্ষিত লক্ষনাম ॥
প্ৰাকাৰো পৱনাট্টাল পৰিখৈৰ ক্ষতোৰনৈঃ।
স্বৰ্ণৰৌপ্যায়সৈঃ শৃংগৈঃ সংকুলাং সৰ্বতোগৃহে ॥
নীলস্ফটিক বৈ দূৰ্যমুক্তা মৰকতাৰুণৈ।
কল্‌প্তহৰ্ম্যস্থলীং দীপ্তাং শ্ৰিয়া ভোগৱতীমিৱ ॥
সভাচত্বৰ ৰথ্যাভিৰা ক্ৰোড়ায়তানাপনৈঃ।
চৈত্যস্বজ পতাকাভিযুক্তাং বিদ্ৰুমৱেদিভিঃ ॥

অনুবাদ ঃ নগৰৰ চৌপ্যশে প্ৰকাশ কৰে গড়।
দেখি মনোহৰ আতি সৱ বৰ দঢ় ॥
পৰিখা সকল তাত আতি বিতোপন।
গড়ৰ বাহিৰে প্ৰকাশয় সুশোভন ॥ ২৯
কনক তোৰণ পুতি আছে ঠাই ঠাই।
উদ্যান পাৰাম বন দেখি থাকি চাই ॥
স্বৰ্ণৰূপা লোহাময় তাৰ তিমি শৃংগ।
সত্ব ৰজ তম তিনি গুণ যে বিবিংগ ॥ ৩০
ফটিকৰ বাৰ মৰকতে কাম কৰি।
মানিকে বৈদুৰ্য্যে খাঞ্জি আছে যত্ন কৰি ॥
শাৰী শাৰী আচে তাত অসংখ্যাত খৰ।
সুতল পুৰত যেন বলিৰ নগৰ ॥ ৩১

জটিল ৪র্থ স্কন্ধৰ অর্থ ভাঙি অনিৰুদ্ধদেৱে এনেদৰে পদ ৰচিছে ঃ

ৰজা পুৰঞ্জন বুলি যি গোটক কহিলঞো
জীৱাত্মায়ে জানা নৰেশ্বৰ ॥
অবিজ্ঞাতা মিশ্র বুলি যি গোটক কহিলঞো
পুৰঞ্জন নৃপতিৰ সখা।
জগতৰে অন্তর্য্যামী পৰম ঈশ্বৰ স্বামী
তেহেক বুলিয় বিশ্বৰখা ॥ ২৭৬

৫ম স্কন্ধ ভাগৱততো শ্রীশ্রীঅনিৰুদ্ধদেৱে ভাৱানুবাদহে কৰিছে আৰু কোনো কোনো ক্ষেত্রত মৌলিক পদ ৰচনা কৰিছে। তদুপৰি কেৱল ৯৫০ টা পদত গোটেই পঞ্চম স্কন্ধ ভাগৱত সীমিত কৰাটো শ্রীশ্রীঅনিৰুদ্ধদেৱৰ জ্ঞানৰ পৰিচায়ক।

নিজশাস্ত্রৰ প্রাচীন অসমীয়া গদ্যৰ চানেকিৰ উদ্ধৃতি দিয়া হ'ল ঃ

ঈশ্বৰ জীৱৰ কুশলৰ হেতু হে, মহাপুৰুষত শৰণ, প্রথমে গুৰুৰ কথা শুনিব; সর্বসংশয় চিন্দি শৰণ ভাতিব; অনাথ জীউ নাথ পায় সর্বকর্তা মানিব; সমস্ত কর্তাক খণ্ডি এক কর্তা কৰিব; আকে বোলে শৰণ। ভক্তিৰ আন হেতু নাই গুৰু কৃপা বাজে। ইত্যাদি

নিজশাস্ত্র কেইবাটাও বর্ণত বিভক্ত। পৰম ভকতে এই শাস্ত্র পাঠ কৰোতে হয় তিনিটা বর্ণ, নহয় পাচটা বর্ণ, নহয় সাতটা বর্ণ নাইবা নটা বর্ণ পাঠ কৰি সম্পূর্ণ কৰিব লাগিব। কেইটা বর্ণ পঢ়িব তাক বৰ গাওবুঢ়াই পাঠৰ আগে আগে কৈ দিয়ে। বর্ণ মানে অধ্যায়। নিজশাস্ত্রত বহুতো দৃষ্টান্ত আছে—দুশৰো অধিক। তাৰ অর্থ বুজোৱাতো জেষ্ঠ ভকতৰ কর্তব্য। দৃষ্টান্ত কেইটামানৰ তলত উদ্ধৃতি দিয়া হ'ল ঃ

১ম দৃষ্টান্ত—খাছি ছাগৰ
২য় দৃষ্টান্ত—বশিষ্ঠৰ কামধেনু
৩য় দৃষ্টান্ত—মগনীয়া মনিৰ।

অন্যান্য দৃষ্টান্তসমূহৰ কেইটামান হ'ল ঃ

বেশ্যাইহে চিনি পায় পুৰুষৰ বল।
ধেলাদোমৰ বন্দীৰ।
ষাঢ়ে ধান খোৱা।
সৰিয়হৰ ফুল চিঙা।
পথৰা মলুৱাৰ ঘা। ইত্যাদি

শেষত সংস্কৃত শ্লোকৰ দ্বাৰা সমাপ্ত কৰিছে। এই শ্লোকসমূহ নিজে ৰচনা কৰা আৰু এই শাস্ত্ৰৰ মাজে মাজে এনে বহুতো শ্লোক পোৱা যায়।

নিজশাস্ত্ৰ প্ৰথম অসমীয়া গদ্য সাহিত্যৰ নিদৰ্শন আৰু ভট্টদেৱৰ ৰচনাতকৈ পুৰণি। গতিকে অনিৰুদ্ধদেৱক অসমীয়া গদ্য সাহিত্যৰ জনক বুলি অভিহিত কৰিব পাৰি।

১৯৮৭ চনত প্ৰকাশিত অসমীয়া বিশ্বকোষত অনিৰুদ্ধদেৱৰ বিষয়ে এনেদৰে লিখা আছে ঃ

"অনিৰুদ্ধদেৱই গোপালআতাৰ পৰা ঘোষা শাস্ত্ৰ আৰু সংস্কৃত ভক্তিমংগল গ্ৰন্থ লৈ বিহপুৰীয়া অঞ্চলৰ নাহৰআটীত সত্ৰ স্থাপন কৰে।"

এই উদ্ধৃতিয়ে প্ৰকৃত সত্য প্ৰকাশ কৰা নাই। শ্ৰীশ্ৰীগোপালদেৱৰ চৰিতপুথিত গোপালদেৱে কেৱল এখন ঘোষা শাস্ত্ৰ অনিৰুদ্ধদেৱক দিয়াৰ কথা উল্লেখ আছে। সংস্কৃত ভক্তিমংগল গ্ৰন্থ দিয়াৰ উল্লেখ নাই। তদুপৰি সংস্কৃত ভক্তিমঙ্গল গ্ৰন্থ থকা কথাও সত্য নহয়। গতিকে উক্ত উদ্ধৃতিৰ শুধৰণিৰ প্ৰয়োজন।

তদুপৰি উক্ত বিশ্বকোষত অনিৰুদ্ধদেৱৰ ধৰ্মত থকা বৈশিষ্ট্যৰ ভিতৰত "প্ৰসংগ নিৰ্দিষ্ট লোকেহে কৰে", "গুৰুক মূৰ্ত্তি বোলে", "শৰণ বছৰত এবাৰ"—এনেবোৰ কথা লিখা আছে। উক্ত কথাবোৰ সত্য নহয়। গুৰুক মূৰ্ত্তি বোলা কথাটো এনেধৰণৰ—এগৰাকী সত্ৰাধিকাৰৰ মৃত্যুৰ পিছতহে তেখেতক মূৰ্ত্তি বুলি উল্লেখ কৰা দেখা যায়। জীৱিত কালত প্ৰভু বুলিহে সম্বোধন কৰা হয়। প্ৰসংগ নিৰ্দিষ্ট লোকে কৰাৰ কথাটো এনেধৰণৰ ঃ ভকত সমাজে দুজন বা তিনিজন পাটেকী বাছি দিয়ে। এজন মুখ্য পাঠেকী থাকে। গায়ন-বায়ন সকলো শৰণ লোৱা লোকে কৰিব পাৰে। ৰান্ধনী দুজন বা চাৰিজন ভকতসমাজে বাচি দিয়ে।

শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ উত্তৰাধিকাৰীসকলৰ ভিতৰত অতি বিচক্ষণ পণ্ডিত আৰু ধৰ্মগুৰু আছিল শ্ৰীশ্ৰীহৰিৰামদেৱ আৰু শ্ৰীশ্ৰীনিত্যানন্দদেৱ। তেখেতসকলৰ সাহিত্যকৃতিৰ কেইটামান দৃষ্টান্ত তলত উদ্ধৃত কৰা হ'ল।

(১) গীত ৰাগ—আশোৱাৰী

প্ৰথমে প্ৰণামো কৃষ্ণ ইষ্টদেৱ মোৰ।
জানি কৃপা কৰা মোক দয়াৰ ঠাকুৰ॥ ধ্ৰুং
পতিত পাৱন নাম বৈল জগভৰি।
জানিয়া পতিতে মঞি পাৱে আছো ধৰি॥ ১

জানি মোক প্ৰভু নকৰিবা আশা ভংগ।
দিয়োক তোহ্মাৰ নিজ ভকতৰ সংগ॥ ২

তয়ু নিজ ভক্তে মোৰ হুইবেক বান্ধৱ।
গুৰু শিষ্য ন্যায় ধৰ্মে ৰাখিয়ো মাধৱ॥ ৩

তয়ু উপদেশ স্মৰি ৰৌক মেৰি মন।
কহে হৰিৰামে কৰি এতেক প্ৰাৰ্থন॥ ৪

উক্ত গীত ফাকি গুৰু কৃষ্ণদেৱৰ প্ৰতি হৰিৰামদেৱৰ গুৰুবন্দনা আৰু কালসংহতিৰ পৰম্পৰা অনুসৰি গুৰুবন্দনাই গীতসমূহত প্ৰথম স্থান অধিকাৰ কৰিছে।

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ গীত ৰাজিত প্ৰথমতে গোপালদেৱৰ গীত সন্নিবিষ্ট হৈ আছে আৰু ই হৈছে গুৰুৱন্দনাৰ নামান্তৰ। মুঠতে ২৩ জনা গীত অনিৰুদ্ধদেৱৰ গীতৰ আগত সন্নিবিষ্ট হৈ আছে। হৰিৰামদেৱৰ গীত কেইটামান তলত উদ্ধৃত কৰা হ'ল।

(৩) ৰাগ---বৰাড়ী

শুন মেৰি মন ভজ নাৰায়ণ
তেজিয়া বিষয় আশ।
কৃষ্ণৰ চৰণে শৰণ পশিয়া
নামত কৰা বিশ্বাস॥ ধ্ৰুং

কলিৰ নাহিকে গতি বিনে ৰাম নাম।
জানিয়া ভক্তৰ সংগ লৈয়ো মনবাস॥ ১
বিশ্ৰাম কৰন্তে যিটো শুনিলেক কথা।
স্বৰ্গ মোৰ পাতালেয়ো সম নুহি তথা॥ ২
ভক্তক দেখিয়া যিটো কৰিলেক মান।
সাৰ্বভৌম পদে তাৰ সম নুহি জান॥ ৩

গুৰু উপদেশ লভি যিটো নাম লৱে।
সিজনত যান্ত কৃষ্ণ আপুনি বিকুয়ে॥ ৪
জানি সাধু সংগ লোৱা তেজি আন কাম।
কৃষ্ণৰ কিংকৰ ওহি ভনে হৰিৰাম॥ ৫

(১৫) ৰাগ---গৌৰী

ভজ মোৰ মন চিন্ত মোৰ মন
কৃষ্ণৰ পদ দুই।
যাহাৰ পদক স্মৰণ মাত্ৰকে
অগতিৰ গতি হুই॥ ধ্ৰুং
ভৈলন্ত বেকত কায়স্থ কুলত
নৰৰূপে নাৰায়ণ।
ভক্তি বিস্তাৰিয়া লোক নিস্তাৰিয়া
বৈকুণ্ঠ কৈলা গমন॥ ১
যাৰ গুণ নাম জগত ব্যাপিয়া
আমোদ কৰে সবাক।
ভক্তৰ মুখত সৰ্বদায়ে শুনি
কৃষ্ণদেৱ হেন সাক্ষাত॥ ২
হেনয় প্ৰভুৰ কৃপ্য ভৈল মোক
শৰণ পশিলো পাৱে।
দীনহীন মতি পৰম অধম
হৰিৰাম এহু গাৱে॥ ৩

(৬১) ৰাগ---ভাটিয়ালী

মোকে কৃপা কৰা কৃষ্ণ ও বাপ
যেন মতে নাপাসৰো তোৰে।
তুহুঁ মেৰি চায়েব হামু তেৰি চাকৰ
জানি কৰুণা কৰা মোৰে॥ ধ্ৰুং
যেন হস্তীচয় বন জুইত ভয়
মজি থাকে গংগা জলে।
মোৰ মন গজ মজিয়া থাকোক
তোহ্মাৰ চৰণ তলে॥ ১

ইবাৰ হৰাইলে পাইবে লাগি নাই
জানি ধৰিলো পাৱে তোৰে।
আন নবাঞ্ছোহো তোক্ষাৰ ভক্তৰ
সংগে ৰাখা প্ৰভু মোৰে॥ ২

জানি মোক তুমি কৰিয়োক কৃপা
নকৰিবা আশা ভংগ।
কহে হৰিৰামে ওহি আশা মোৰে
দিয়োক ভক্তৰ সংগ॥ ৩

(৩৫) ৰাগ—কেদাৰ

পাৱে পৰি কৃষ্ণ কৰোহো প্ৰণাম
ছাড়বি নাহি মোকে।
প্ৰিয় আত্মাগুৰু পিতৃ ইষ্টদেৱ
মানিয়া আছো তোক্ষাকে॥ ধ্ৰুং

তুমি মোৰ গুৰু ভক্ত কল্পতৰু
জানিয়া লৈলো শৰণে।
যৈতে লাগে তৈত হৌক মেৰি জন্ম
ৰহোক নাম বয়নে॥ ১

আপুনি স্বতন্ত্ৰ হোৱন্তে ঈশ্বৰ
তথাপি ভক্তৰ বশ্য।
বেদ শিৰোৰত্নে নজানয় ইটো
কৃষ্ণ যে ৰূপ ৰহস্য॥ ২

বুলিবাহা বেদে কিয় নজানয়
শুনিয়ো উত্তৰ আৰ।
আন কলি অৱ ভাৰ হোৱে যেবে
হৰিতে পৃথ্বিৰ ভাৰ॥ ৩

সিটো অৱতাৰে সেৱা কৰি লোকে
পাৱে চাৰি পুৰুষাৰ্থ।
কৃষ্ণ অৱতাৰ ভকতৰ অৰ্থে
ব্যক্ত জানা পৰমাৰ্থ॥ ৪

এতেকে বুলিলো বেদে নজানয়
বিচাৰি লৈয়ো নির্ণয়।
কৃষ্ণৰ কৃপাত জ্ঞান চক্ষু পাই
হৰি ৰামে এহু গায়॥ ৫

হৰিৰামদেৱৰ গীতত এনেদৰে হৰিভকতি, গুৰু বন্দনা, বংশী গোপাল-ৰূপী ভগবানৰ লীলা, গোপালকৃষ্ণৰ শিশুলীলা প্ৰকট হৈছে আৰু অনিৰুদ্ধদেৱৰ গীতৰ বিষয়বস্তুৰ লগত একে। কিন্তু গীতসমূহৰ ভাষা অনিৰুদ্ধদেৱৰ গীতসমূহতকৈ সৰল। মুঠতে ১৬৬ জনা গীত হৰিৰামদেৱে ৰচনা কৰে।

শ্ৰীশ্ৰীনিত্যানন্দদেৱৰ গীত কেইজনীমানৰ তলত উদ্ধৃতি দিয়া হ'ল।

(১৮) ৰাগ—মাহুৰ

মোৰে মন ৰাম চৰণ ৰতি লাৱত।
মায়াময় শয়ন তৃষ্ণা ছোড়িয়ে
নাম অমিয়া ৰস গাৱত॥ ধ্ৰুং
বিষয় ৰসক পাই ভৈল অন্ধ সমুদাই
পাছক নমনা কেনে মন।
কৰিছ ভাৰসা কাত ভৈল আবে আয়ুপাত
কাল বাঘে ধৰে যেতিক্ষণ॥ ১
দিনে দিনে টুটে বল তভো পাপী কৌতুহল
মায়া পঞ্জৰে হৈয়া বন্দী।
যমৰ নিগ্ৰহ পাই দম্ভ দৰ্প হুইবে ছাই
আক লাগি মৰিবাহা কান্দি॥ ২
জানি সৱে কৰ্ত্তা এৰি ভজিয়োক দেৱ হৰি
মোৰি দৰিত মনবাস।
কৰিলেক কলি নাশ সমস্তে ধৰ্মৰ আশ
ছোড়ি অহৰ্নিশে জপা নাম॥ ৩
দুগুটি অক্ষৰ নাম পূৰ্ণ হোৱে মন কাম
মুকুত উপায় জানি মনে।
সৰ্ব কৰ্ম ক্ৰীয়াহীন বোলে নিত্যানন্দ দীন
গতি মোৰ কৃষ্ণৰ চৰণে॥ ৪

(১৯) ৰাগ—সিন্ধুৰা

জয় জয় নায়েক এক গোবিন্দ
জানি ভৰম ভেজি কৃষ্ণৰ চৰণে ভজি
চিন্তিয়ো ছোড়িয়া মায়া নিন্দ ॥ ধ্রুং

যত দেখ মায়া সুত বিত জায়া
আদ্যতো অন্ত নাপাই।
যমৰ সদন গৈলে ইটো দেহা জীবন
হোৱে বিষ্ঠা পলু ছাই ॥ ১

অনিত্যক নিত্য কৰি নভজিলো দেৱ হৰি
নিত্যক অনিত্য হেন মানি।
ওহি অপৰাধে তোৰ ভুঞ্জাইবে যাতনা ঘোৰ
তথাপি নযাই প্ৰাণখানি ॥ ২

নিদাৰুণ দূতচয় বেৰি সৱে কোবায়য়
লৌহাৰ পৰিঘ হাতে ধৰি।
কাটিবেক জিহ্বা তোৰ ভুঞ্জাইবে নিকাৰ ঘোৰ
যাতো নাচাৰিলি প্ৰাণ হৰি ॥ ৩

যি সৱক সত্য মানি পুসিলি পালিলি আনি
কোনে তৈত সাধিবেক হিত।
বোলে নিত্যানন্দ বাণী গুৰু উপদেশ জানি
তেজা ভাষভুষ মিছা বিত ॥ ৪

৩৯। ৰাগ—বং ভাটিয়ালী

থাবিৰ ফুৰা হৰি গুণ গাই।
ব্ৰহ্মাৰ বঞ্চিত মনুষ্য শৰীৰ
আবে আলেজালে যাই ॥ ধ্রুং

দূৰ্বাৰ প্ৰচণ্ড বেগৰ ভগিনী
জৰা স্বামী বিচাৰয়।
সৰ্ব সুলক্ষন পুৰুষক পতি
বৰে কেহো নজানয় ॥ ১

তাইৰ প্ৰভাৱে ৰূপ ৰস আহি
ক্ষণে ক্ষণে হোৱে নাশ।
শুক্লা কেশ চয় চক্ষু নাক লয়
সঘনে উঠয় কাস ॥ ২

আসি ঝৰে নীৰ বিভৎস শৰীৰ
তেজ মাংস হোৱে দুৰ।
জীৰ্ণ হোৱে চোৰ বাসনা অপাৰ
দশন ভৈ গৈল চুৰ ॥ ৩

কাম্পে হাত পাৱ চঞ্চল স্বভাৱ
বচনো নভাষে ভালে।
যৱন কটকে লগাইলে বন্ধন
নিকট চাপিল কালে ॥ ৪

মোৰ পুত্ৰ পত্নী বুলিয়া চিন্তিলে
সবেও তেজিলে তোক।
নিত্যানন্দে বোলে পৰলোকে যাইতে
লাগে আবে কেন হৌক ॥ ৫

৪৪। ৰাগ---শ্ৰী

কাহে তৰণ হৰি ৰতি তুৱা নাই।
পতিতে কাকুতি কৰো উদ্ধাৰা গোসাই ॥ ধ্ৰুং
আশা নাম নদী ঘোৰ নপাৰো আৰ সীমা।
ধন জনে ডুবি ৰৈলো নজানি মহিমা ॥ ১
লোভ চৌপায়া চুৰ্ত্তি হৰে অনুক্ষণ।
মোহ পাকে পৰি নাথ ভৈলো অচেতন ॥ ২
বজোৱাৰ বিষয় ঝগৰে কৈল বাউল।
চিন্তা অনলে কৈলে অধিকহি আউল ॥ ৩
কাম ক্ৰোধ কুম্ভীৰ মগৰ অনিৰ্বাৰ।
মাংস চিণ্ডি কামুৰিয় ভুঞ্জয় আহ্মাৰ ॥ ৪
শৰতৰ দিন ৰাত্ৰি বেগে ৰাজি আসি।
তিলে তিলে খেয়্য চক্ষ খসাই অভিলাসি ॥ ৫

তোমাৰ চৰণ নৌকা বিনে নাহি গতি।
কৰ্ম জাৰত পীড়া কৰে তাৰ যদুপতি॥ ৬
তুমি বিনে ত্রিভুবনে নাহিকে সহায়।
কৰ ৰক্ষা পাপী নিত্যানন্দ তল যাই॥ ৭

৪৫। ৰাগ---ভাটিয়ালী

মোকে ইবাৰ বঞ্চিত নকৰা গোপাল
শৰণ পশিলো আমি।
কৰা অনুগ্রহ মায়াৰ নিগ্রহ
তেবেসে এৰাও স্বামী॥ ধ্রুং
তুমি মোৰ পিতৃ মাতৃ গুৰু ইষ্ট
আৰৰ নাহিকে দুজা।
কলিকো স্বধৰ্ম ৰাম কৃষ্ণ নাম
দেহ নাহিকয় পূজা॥ ১
ওহি দান কয়ো ঋণী কৰি লৈয়ো
জীৱ সীমা কৰি হৰি।
দীন নিত্যানন্দে কৰয় কাকুতি
কৃষ্ণ পদ হৃদি ধৰি॥ ২

এনেদৰে শ্ৰীশ্ৰীনিত্যানন্দদেৱে ১৬১ জনা গীত ৰচনা কৰে। এই গীত কেইজনাৰ বিষয়বস্তু হৈছে ভগৱৎ বন্দনা, গুৰু বন্দনা, গোপালকৃষ্ণৰ শিশুলীলা আৰু বংশীগোপালৰ লীলা। এই কেইজনা গীত গায়ন-বায়নত বহুলভাৱে ব্যৱহাৰ কৰা দেখা যায়। শ্ৰীশ্ৰীনিত্যানন্দ-দেৱৰ মুক্তিমংগল ঘোষাত সংস্কৃত শ্লোকৰ উদ্ধৃতি আৰু তাৰ সহজ সৰল অসমীয়া ভাবাৰ্থৰ পদ দিয়া আছে। কঠিন শ্লোকৰাজিৰ সহজ সৰল অসমীয়া ভাবাৰ্থ দাঙি ধৰি শ্ৰীশ্ৰীনিত্যানন্দদেৱে তেখেতৰ সংস্কৃত ভাষাজ্ঞান আৰু কবিত্ব প্ৰকাশ কৰিছে। তাৰে দুই এটা সংস্কৃত শ্লোক আৰু অসমীয়া পদ তলত উদ্ধৃত কৰা হ'ল। আক্ষৰিক অনুবাদ নকৰি সহজ-সৰল ভাবাৰ্থ প্ৰকাশ কৰি অসমীয়া পদ্য কেইফাকিত মৌলিকতাহে প্ৰকাশ কৰিছে---ই তেখেতৰ উল্লেখনীয় সাহিত্যকৃতি। তদুপৰি শ্লোকসমূহ তেখেতৰ ৰচনা নে অন্য শাস্ত্ৰৰ পৰা অনা---এই কথা স্পষ্ট নহয়। কেইটামান দৃষ্টান্ত তলত দিয়া হ'ল।

নমো সদা চক্ৰপানি নমো জগন্নাথ বিষ্ণু
নমো প্ৰপন্নৰ ভয়হাৰি।
নমো সমস্তৰে সাক্ষী অপৰাধ ক্ষমাকাৰী
দাস বুলি ধৰিয়ো মুৰাৰী॥

শ্লোক—

নমস্তে নমস্তে সদা চক্ৰপানি নমস্তে নমস্তে
জগন্নাথ বিষ্ণু, নমস্তে নমস্তে প্ৰপন্ন জিহ্বায়
সমস্তোপৰাধং ক্ষেম সাক্ষীনো॥

(৪) নিন্দা

ছবি

যিটো গুৰু ৰূপী দেৱ কৰিয়ো তাহাক সেৱ
মৰ্ত্তে মতি হেন কৈল মনে।
কুঞ্জৰৰ শৌচ নয় যত শুনি শুনি চয়
সবে নষ্ট হোৱে তাৰক্ষণে॥

শ্লোক ঃ যস্য ভক্তি ভাগৱতী জ্ঞান দীপপ্ৰদেগুৰৌ
যস্য সমন্বিত্য শ্ৰুতং সৰং কুঞ্জৰ শৌচৱৎ।

(৬) প্ৰশংসা

দুলড়ী

হেনয় দুৰ্লভ শৰীৰ লভিয়া
কৰয় হৰি ভকতি।
পৰম কৃতাৰ্থ ভৈল সিটো জন
তাৰ ধন্য ধন্য মতি॥ ২৮
বহু জন্ম অন্তে কৃষ্ণ কৃপা হেতু
লভিলা মনুষ্য দেহ।
যাৱে নতু পৰে শীঘ্ৰে ভজা কৃষ্ণ
ছেদিয়া বিষয় স্নেহ॥ ২৯

শ্লোক ঃ লব্ধা সুদুৰ্লভং ইদং সপ্তাৱন্তে মনুষ্য মথদম
নিত্যামনি সাধয়ঃ ধনং যতে ভনপতেদনুমৃত্যু
যোগানি শ্ৰেয়মযো বিষয় খলু সৰ্ব্বত স্যাৎ।

এনেদৰে মুক্তিমংগল ঘোষা শাস্ত্ৰত ৯৬১ পংক্তিৰ ঘোষা আছে। তাৰে প্ৰথম ৪৪ জনা ঘোষাতহে সংস্কৃত শ্লোক ঘোষাজনাৰ পিচত লিপিবদ্ধ কৰা দেখা যায়।

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ গীতশাস্ত্ৰত থকা ২৩ জনা গোপালদেৱৰ গীতৰ কেইজনামান তলত উদ্ধৃত কৰা হ'ল।

(১) ৰাগ—আসোৱাৰী

ৰামক চিন্তা চিত্ত চিন্তহো মতি মূঢ়।
তেজি হৰি নাম শুন নিগম নিগূঢ়॥ ধ্ৰুং
সপোনক সম্পদ সুত বিত্ত জায়া।
নাহি পুৰুব পৰতো নামি লায়া॥ ১
জানি ভৰম তেজি ভজ হৰি পাৱে।
গোপাল দীন মূৰুখ মতি গাৱে॥ ২

(২) ৰাগ—ধনশ্ৰী

নাৰায়ণ মঞি তোৰ বৰ অপৰাধী।
নিজ দাস হৈয়া চাকেৰী নকৰোহোঁ।
আৱৰ আদেশ আছো বাধি॥ ধ্ৰুং
যতেক নিগম চয় ভাৰত পুৰাণে কয়
হৈয়ো নৰ হৰিপদ দাসা।
তাহেক হামু জানিয়া নোহি নাম।
মূৰুখ পামৰ মতি নাসা॥ ১
আপোন জানিয়া পৰক আপোন মানি
তা সংগে মজাইলো মনাই।
তা সংগে সুখ আস পাসে বান্ধি
ভৰসো বহু দুখ পায়॥ ২
উদ্ধৱ নাথ পতিত জন পাৱন
জানি শৰণ মাগো তোৰে।
তুৱা নিজ দাস দাস অনুদাসক
বুলি মৰস দোষ মোৰে॥ ৩

কহয় গোপাল দীন হামু বৰ পতিত।
বিনে আৱৰ নাহি কোই ইবেলি কৃপালু
হামাকো যেবে তেজহ নাম কলংক তেৰি হুই॥

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ আত্মপৰিচয় ৪ৰ্থ স্কন্ধ আৰু ৫ম স্কন্ধ ভাগৱতত এনেদৰে আছে।

৪ৰ্থ স্কন্ধৰ ৫ম অধ্যায়ৰ শেষাংশ

নাৰায়ণপুৰ বন্ধ লোহিত উত্তৰ।
প্ৰচাৰিলা গুণ যাৰ দিশ দিশান্তৰ॥
তাৰ মধ্য ভাগ বুলি মাজৰ তালুক।
আতি বিতোপন থান দেখিয় কৌতুক॥ ২৬৬
তাৰ মধ্যে ভৈলা বালিকুঞ্চি নামে গ্ৰাম।
বিষ্ণু বালিকুঞ্চি বুলি প্ৰচাৰিলা নাম॥
সেহি গ্ৰামে মহীপাল গোমস্তা আছিল।
পৰম পণ্ডিত আছিলেক ধৰ্মশীল॥ ২৬৭
অসংখ্যাত লোকে সেৱা কৰিলেক যাত।
কায়স্থ কুলত জন্মি আছিলা তথাত॥
তান পুত্ৰ ভৈলা আসি বৃহদ্দল পতি।
যাৰ গুন গণে জুৰিলেক বসুমতি॥ ২৬৮
গঙ্গা নৰগিৰি নামে তাহাৰ অনুজ।
বংশৰ মধ্যত যেন ভৈলন্ত অম্বুজ॥
সৰ্বক্ষণে মুখে হৰি নাম নুগুচয়।
ভৈলা গোণ্ডা ডেকাগিৰি তাহান তনয়॥ ২৬৯
পৰম গহন মহা সুন্দৰ আছিল।
হৰি ভকতক বিষ্ণুসমে আৰাধিল॥
ভকতসকলে গাত কৰিলা সংজ্ঞাত।
কহিবো তাহান কিবা গুন অসংখ্যাত॥ ২৭০
অনিৰুদ্ধ নামে ভৈলা তাহান সন্ততি।
নজানো শাস্ত্ৰক অতিশয় ক্ৰুৰ মতি॥
গোপালৰ চৰণৰ কৃপা কিছু পাই।
কৰিলন্ত পয়াৰ চতুৰ্থ স্কন্ধ চাই॥ ২৭১

৫ম স্কন্ধৰ তৃতীয় অধ্যায়ত অনিৰুদ্ধই নিজকে কায়স্থ কুলজাত বুলি কৈছে ঃ—

কহে অনিৰুদ্ধ জন্মি কায়স্থ কুলত।
বোলা ৰাম ৰাম জুই লাগোক পাপত॥ ১১৩

৫ম স্কন্ধৰ অষ্টম অধ্যায়ৰ শেষাংশত এনেদৰে লিখা আছে ঃ

লোহিত উত্তৰে কাষৰে প্ৰকাশে
নাৰায়ণ পুৰ বন্ধ।
তাহাৰ মধ্যত যতলোক আছে
নুগুচে সদা আনন্দ॥
যতেক গৃহস্থ ধনে ধান্যে পূৰ্ণ
হুয়া সৱে প্ৰৱৰ্ত্তয়।
বস্ত্ৰ অলঙ্কাৰে জাতিস্কাৰ হুয়া
কাহাকো নকৰে ভয়॥ ২৯২
তাৰ মধ্যভাগে মাজৰ তালুক
কহিবো কত মহত।
পৰম সম্পূৰ্ণ বিতোপন স্থান
অম্ৰাৱতী যেন মত॥
তাৰ অন্তৰ্গত বিষ্ণু বালিকুঞ্চি
ভৈলেক গ্ৰাম বিশেষ।
শংকৰ মাধৱ উপাসা কৰিয়া
আছিল ভক্ত আশেষ॥ ২৯৩
সেহি গ্ৰামেশ্বৰ ভৈলেক গোমস্তা
মহীপাল নাম যাৰ।
সকল লোকৰ মধ্যত ভৈলেক
যাহাৰ গুণ প্ৰচাৰ॥
তাহান সন্ততি বিহদ্দল পতি
অপৰ লড়ি দলৈ।
দুই হানো কনিষ্ঠ গংগানৰা গিৰি
বুলিয়া সৱে ঘোষয়॥ ২৯৪

ব্যাকৰ্ণ শাস্ত্ৰত পৰম পণ্ডিত
আছিলেক মহাধীৰ
শংকৰৰ দুই চৰণ পংকজে
কৰিছিল বুদ্ধি থিৰ ॥
তাহান যতেক মহিমা আছয়
কহিবো কিবা বিস্তৰ ।
হিয়ে কৃষ্ণৰূপ মুখে ৰাম নাম
নুগুচয় নিৰন্তৰ ॥ ২৯৫

তাহান সন্ততি ভৈলা গোণ্ডাগিৰি
আছিলা মহাপণ্ডিত ।
ভকত জনক উৎসৱ বঢ়ায়া
দুৰ্জন জন খণ্ডিত ॥
তাহান সন্ততি ভৈলা অনিৰুদ্ধ
নজানে শাস্ত্ৰ নিছয় ।
গোপালৰ দুই চৰণ সম্পৰ্কে
মনে যেন উপজয় ॥ ২৯৬

পৰিশিষ্ট 'ক'

প্ৰসংগীয়া টোকা

১ম খণ্ড

(১) পুৰণিভকত শব্দ দুইটাৰ ই ভকতীয়া ব্যাখ্যা যেন লাগে। মায়ামৰা গণঅভ্যুৎথানত নতুনকৈ জধেমধে জোৰকৈ কিছুনাম লোকক ভকত কৰি নতুন ভকত নাম দিছিল আৰু মায়ামৰাৰ পুৰণি শিষ্য-সকলক পৃথককৈ পুৰণি ভকত বুলি আখ্যা দিছিল যেন লাগে।

(২) এনেদৰে অনিৰুদ্ধদেৱে শঙ্কৰদেৱৰ পদানুকৰণত মুছলমানকো শৰণ দিছিল আৰু সাম্যবাদৰ প্ৰচাৰ কৰিছিল।

২য় খণ্ড

(১) এক শৰণৰ বিষয়ে শ্ৰীশ্ৰীশংকৰদেৱে কৈছে ঃ---

"সেহি এক শৰণ ভজন অনুপাম।
নুৰনয় আন একো দেৱতাৰ নাম।।"
(প্ৰভি প্ৰদীপ ঃ ৩০)

শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱে লিখিছে ঃ---

"কৃষ্ণ ব্যতিৰেকে দেব সেব্য নাহি জানি।
হুয়া এক শৰণ ভজিয়ো চক্ৰপাণি।।"
(ভক্তি মঙ্গল ঃ ৫৬০)

(২) মায়ামৰা গোসাইসকলক মৃত্যুৰ পিচত মূৰ্ত্তি আখ্যা দিয়া হয়।

(৩) J. P. Wade ৰ "An Allount of Assam" আৰু Rajmohon Nath ৰ "Background of Assamese Culture" দ্ৰষ্টব্য।

(৪) উক্ত স্থান এতিয়াও আছে আৰু দূৰ্গাপূজাৰ অষ্টমী আৰু নৱমীত মহ বলি, পাৰ বলি এতিয়াও দিয়া হয়।

(৫) কলাবাৰীৰ কামদেৱালৰ দলটো বিষ্ণুদল। সুতাৰ দলনিত (গহপুৰ মৌজা) থকা মন্দিৰ হৈছে সূৰ্য্যমন্দিৰ—তাৰ বিগ্ৰহ বৰ্ত্তমান অসম ৰাজ্যিক সংগ্ৰহালয়ত ৰখা হৈছে। ধান্দি গাৱত (গহপুৰ মৌজা) থকা দ'লটোৰ শিৱসাগৰৰ বৰদৌলৰ প্ৰায় সমান আছিল কিন্তু ১৮৯৭ৰ বৰভূমিকম্পত নষ্ট হয়। এই দলৰ ভগ্নাৱশেষৰ পৰা চতুৰ্ভূজ শিৱমূৰ্ত্তি, পঞ্চানন শিৱ, বাসুদেৱ মূৰ্ত্তি, ৰাধাকৃষ্ণৰ যুগলমূৰ্ত্তি, হাতীৰ ওপৰত ইন্দ্ৰ আদি মূৰ্ত্তি পাইছিল। ত্ৰিশুল নাথাকি পঞ্চশুলহে পোৱা গৈছে। পিচত ডিফলু সত্ৰৰ সন্মুখত চতুৰ্ভূজ মূৰ্ত্তি জৰিগছ এজোপাৰ তলত স্থাপন কৰিছিল। এই দলৰ মাটিৰ স্বত্ব উত্তৰ লক্ষীমপুৰৰ ৺সৰ্বেশ্বৰ বৰুৱাৰ উপৰিপুৰুষৰ পৰা পাইছিল আৰু এই দলৰ বাবে আহোম ৰজাই দিয়া মাটি আছিল আৰু ইংৰাজৰ দিনত মুঠতে ২৩২ বিঘা নিস্পিখেৰাজ মাটি দলৰ ঠাকুৰসকলে চৰকাৰক সোধাই দি তাৰ সলনি ২০৫ বিঃ ২ কেঃ ১৭ লোঃ গহপুৰ ডাকবাঙলাৰ পিচফালে ল'লে দল ভগাৰ পিচত অৰ্থাৎ ভূমিকম্পৰ পিচত। ইতিমধ্যে নিস্পিখেৰাজ মাটিত গাও বহিল। ১৭০৫ চনত ৰুদ্ৰসিংহই উক্ত দেৱালয়টো সংস্কাৰ আৰু পূৰ্ণনিৰ্মাণ কৰি নিস্পি-খেৰাজ মাটি দান কৰিছিল। কামদেৱালৰ দলটো লৰাৰজাৰ দিনত ১৬৭৯ চনৰ পূৰ্ণ নিৰ্মাণ কৰে আৰু ইয়াৰ লগত লাখেৰাজ মাটি দিছিল ১২৯৯ বিঘা ২ কঠা ৭ লোচা। এই মাটি বৰ্ত্তমান খাতৰ গাওঁৰে অধিকাৰ কৰি আছে।

(৬) এই লালুং জনগাঠাবোৰ লালিহিল্লালি গীত বুলি কয়।

(৭) হাবুং অঞ্চলৰ বাসুদেৱ পূজাৰ প্ৰচলনৰ উৎকৃষ্ট নিদৰ্শন স্বৰ্গদেউ বামুনিকোঁৱৰৰ যি আহোম স্বৰ্গদেউৰে শালগ্ৰামপূজক আশ্ৰয়দাতা ব্ৰাহ্মণক আহোম ৰাজ্যত সংস্থাপন কৰি শালগ্ৰামক চোমদেও দেৱতাৰ শাৰীত প্ৰতিস্থা কৰি ব্ৰাহ্মণৰ প্ৰতিপত্তি আহোম ৰাজ্যত বঢ়াইছিল।

(৮) পিচত আহোম স্বৰ্গদেৱে তাত থকা সকলো চুতীয়াকে আহোম কৰি ললে।

(৯) মাধৱদেৱৰ পূৰ্বপুৰুষসকল নাৰায়ণপুৰত বসবাস কৰিছিল আৰু তেওঁলোক ভূঞা আছিল।

৩য় খণ্ড

১) "আদি চৰিত"ৰ বিষয়ে বিস্তৃত ব্যাখ্যা ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ "স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ" নামৰ গ্ৰন্থত লিখা আছে।

২) "শ্ৰীশ্ৰীঅনিৰুদ্ধ চৰিতত সন্নিবিষ্ট---"মায়ামৰা" সকলৰ বিষয়ে" শীৰ্ষক ৰজনীকান্ত বৰদলৈদেৱে লিখা টোকা দ্ৰষ্টব্য।

৪ৰ্থ খণ্ড

১) ইয়াৰ বিষদ বিবৰণ ডঃ মহেশ্বৰ নেওগৰ "শ্ৰীশ্ৰীশংকৰদেৱ"ত দিয়া আছে।

২) বৰ্ত্তমান শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ ৰচিত পঞ্চম স্কন্ধ ভাগৱত আৰু চতুৰ্থ স্কন্ধ "ভাগৱত" বা "পুৰঞ্জন উপাখ্যান"---শ্ৰীকেশৱানন্দ দেৱগোস্বামীয়ে সম্পাদনা কৰা দ্বাদশ স্কন্ধ ভাগৱতত অন্তৰ্ভুক্ত হৈছে।

৩) আৰু (৪) এতিয়ালৈকে এই শাস্ত্ৰ দুখনি প্ৰকাশিত হোৱা নাই। "নিজশাস্ত্ৰ" প্ৰকাশ কৰাৰ প্ৰশ্ন নুঠে কিন্তু "মায়ামৰা কলাকৃষ্টি অনুসন্ধান আৰু প্ৰচাৰ সমিতি" চাবুৱাই ভক্তিমংগল ঘোষা শাস্ত্ৰখনি চপা কৰিবলৈ লৈছে। এই ভক্তিমংগল ঘোষা শাস্ত্ৰখনকে সাধাৰণতে মায়ামৰা শিষ্যসকলে ভাগৱত বুলি কয়। এই ভাগৱতখনি গৃহস্থৰ ঘৰত পাঠ কৰাব পাৰে। কিন্তু পাঠেকীয়ে ভাগৱতখনি থগীত লৈ আনোতে বাটত কোনেও অগা ভেটা কৰিব নেপায় আৰু ইয়াৰ ছাঁও গচ্ছকিব নেপায় বুলি বিশ্বাস বৰ্ত্তি আছে। এই ভাগৱতখনি যিমানদূৰ নহওঁক গাড়ী মটৰত নিদিয়ে, খোজ কাঢ়িহে নিয়ে। গৃহস্থৰ ঘৰ পোৱাৰ পিচত আগে আগে পানী চটিয়াই বাট পৰিস্কাৰ কৰি নিয়ে, পিছে পিছে পাঠেকীয়ে ভাগৱতখনি কান্ধত তুলি লৈ আহি প্ৰতিষ্ঠা কৰে। বাকী ভাগৱত কেইখন অৰ্থাৎ পুৰঞ্জন উপাখ্যান আৰু পঞ্চম স্কন্ধ ভাগৱত (অনিৰুদ্ধদেৱৰ) মৎস চৰিত, মুক্তিমংগল নামঘোষা (যি ভক্তিমংগল ঘোষাৰদৰে ভাগৱত আদি শাস্ত্ৰৰ বছা বছা শ্লোক-সমূহৰ ভাঙনি) ধৰ্মঘৰৰ বাহিৰলৈ নুলিয়ায়। "নিজশাস্ত্ৰ" উলিয়াৰ প্ৰশ্নই নুঠে।

৫ম খণ্ড

১) ডঃ মহেশ্বৰ নেওগে "শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ গীত" নামৰ গীত সংকলনৰ বাবে লিখা "কৰাপাট"ৰ পৰা উদ্ধৃতি দিয়া হৈছে।

৬ষ্ঠ খণ্ড

১) চায়েৰ আৰু চাকৰ শব্দ দুটা শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ সময়ৰ নহয় বুলি ভবা হয়। কিন্তু সেই সময়ত বংগদেশৰ মুছলমানী প্ৰভাৱ খোৰাৰজাৰ দিনৰ পৰা আছিল। গতিকে এই দুটা পাৰ্চী শব্দ সেই সময়ত কালঝাৰ পৰ্য্যন্ত আহিছিল বুলি ভৱাৰ অৱকাশ আছে। ১৬শ শতিকাত বংগদেশ আকবৰৰ (১৫৪২-১৬০৫) অধীনত যায়। কিন্তু তাৰ আগৰে পৰা বংগদেশ নবাবৰ অধীনত আছিল পালৱংশৰ পিছৰে পৰা। উল্লেখনীয় যে চাকৰ শব্দটো গোপালদেৱে প্ৰথমে ব্যৱহাৰ কৰিছিল।

২) ভক্তি মাৰ্গৰ প্ৰৱণতা সেই যুগৰ চিন্তক সকলৰ মাজত বহুতভাৱে দেখা গৈছিল। হৰিভক্তিক ৰাজমাৰ্গ বুলি অভিহিত কৰি শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱে লিখিছে।

"হৰি ভক্তি ৰাজমাৰ্গ সৰ্বলোক উঠিবেক
এহিখানি মনে ইচ্ছা মাৰ।
তেনয় পৰম কৃপা কৰয় লোকৰ প্ৰতি
লব্ধমতি নাম তাসম্বাৰ।।
সকল বৈষ্ণৱ সৱ কৃষ্ণনাম মংগলক
গাৱে সদা পৰম যতনে।
হৰিৰ নামক এৰি কদাছিটো অন্য এক
বৈষ্ণৱে নগাৱে সুখমানে।।

(ভক্তিমংগল ঃ ৬৪৪--- ৪৬)

ইটো হৰি ভক্তি ৰাজমাৰ্গ জানা চিৰন্তন পথ বুলিবাক
বিঘিনি ৰহিত পৰম কৰুণা কৰ।
সাধুসৱে নানা মাৰ্গ এৰি আৰেসে ডুবয় নিৰন্তৰ
সমস্ত শ্ৰমক এৰাই সাধ্য সাধনাৰ।। ৫৮৯

হেনয় পথত উঠি যিটো কৃষ্ণপাদপদ্ম ভজি সিটো
হৰিগুণ নাম সদায়ে আদৰে গাৱে।
সমস্ত আশাৰ মুক্ত হয়া মনত নিৰাশি ৰূপে বৈয়া
পৰমসুখত ৰময় সিটো স্বভাৱে॥

(ভক্তিমংগল ঃ ৫৯০)

হৰিৰ কীৰ্ত্তনৰ বিষয়ে শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱে এনেদৰে লিখিছে ঃ—

হৰিৰ কীৰ্ত্তন ইটো নজানিয়া কৰে সিটো
তাহাৰো পৰমহিত সাধে।
সংসাৰ পথৰ পৰা তেখনে মুকুত হোৱে
তাক একো বিঘিনি নবাধে॥
নজানি বালক সবে যদি জুই দেই যেন
তথাপি দহন্তে বৈখানৰ।
হৰিৰ কীৰ্ত্তন ইটো পৰম মহিম এনে
মহাজনে কৰে নিৰন্তৰ॥
সেইমতে অজ্ঞানতো কৰয় কীৰ্ত্তন যিটো
তাহাৰো পাতেক নষ্ট হয়।
নামৰ আভাসে সিটো সংসাৰক তৰি পাছে
অন্তকালে মুকুতি লভয়॥

(৫ম স্কন্ধ ভাগৱত ঃ ১৯৩--- ৯৫)

স্মৰণৰ বিষয়ে অনিৰুদ্ধদেৱে কৈছে ঃ

"হৰিপদ পংকজ ভক্তৰ নিজধন
জানিয়া কৰিয়ো মন সদায় স্মৰণ॥"

(ভক্তিমংগল ঃ ২১৬)

৭ম খণ্ড

১) উক্ত গীতসমূহ ১৯৮১ চনত "মায়ামৰা কলা কৃষ্টি অনুসন্ধান আৰু প্ৰচাৰ সমিতিয়ে" চাবুৱাৰ পৰা প্ৰকাশ কৰিছে।

২) গায়ন বায়নৰ জন্মদাতা হ'ল শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ জেষ্ঠপুত্ৰ কৃষ্ণদেৱ—যি ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত ফুলাম নামঘৰ সজাইছিল।

৩) "শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ গীত" পুথিখনিৰ কৰাপাট পঢ়ি চাওক।

৮ম খণ্ড

১) "মায়ামৰা সত্ৰ সমাজ ভাষণ আৰু প্ৰবন্ধ ঃ—
১৯৮১ চন ঃ (মায়ামৰা কলাকৃষ্টি অনুসন্ধান আৰু প্ৰচাৰ সমিতি, চাবুৱা)

২) গুৰু শিষ্য—১ম খণ্ড ; ১৯৮৫ শ্ৰীশ্ৰীমাধবানন্দ গোস্বামী ঃ— বিষ্ণু-বালি-কুঞ্জি সত্ৰ, ধলপুৰ, লক্ষীমপুৰ।

৩) মায়ামৰা সত্ৰ সমাজ ভাষণ আৰু প্ৰবন্ধ ঃ ১৯৮১ ঃ মায়ামৰা কলাকৃষ্টি অনুসন্ধান আৰু প্ৰচাৰ সমিতি, চাবুৱা।

৯ম খণ্ড

(১) মায়ামৰা গণ অভ্যুথানৰ বিষয়ে মনিৰাম দেৱানৰ "বুৰঞ্জী বিবেক ৰত্ন" আৰু সূৰ্য্য কুমাৰ ভূঞাৰ "স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ" আৰু চিদানন্দদেৱৰ "শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ চৰিত" পঢ়িব পাৰে। বিকৃত ব্যাখ্যাৰ বাবে গুনাভিৰাম বৰুৱাৰ আসাম বুৰঞ্জী পঢ়িব পাৰে।

(২) এই বিষয়ে "মায়ামৰা সত্ৰ সমাজ ভাষণ আৰু প্ৰবন্ধ" আৰু মায়ামৰা সমাজ সংস্কৃতিৰ ৰূপৰেখা (৯৯০ লীলাম্বৰ দহোতীয়া) পঢ়িব পাৰে।

১০ম খণ্ড

(১) এই বিষয়ে শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ চৰিত "THE Matak and their Kingdom (1985 : S. Dutta) বিভিন্ন বুৰঞ্জী "মায়ামৰা সত্ৰ সমাজ ভাষণ আৰু প্ৰবন্ধ" মটক মৰাণ, মোৱামৰীয়া (শ্ৰীকুমাৰ দহোতীয়া) ইত্যাদি পুথি পঢ়িব পাৰে।

গ্ৰন্থপঞ্জী (বাছকবনীয়া)

মৌলিক অসমীয়া

অপ্ৰকাশিত

(১) **অসম বুৰঞ্জী (বুৰঞ্জী বিবেক ৰত্ন)**ঃ মনিৰাম দেৱান, ১৮৩৮ চন।

(২) **গোপাল আতাৰ চৰিত্ৰ**ঃ ৰমানন্দ দ্বিজ, কামৰূপ অনুসন্ধান সমিতি, গুৱাহাটী।

(৩) **ভক্তি মংগল ঘোষা**ঃ অনিৰুদ্ধদেৱ

(৪) **পুৰঞ্জন উপাখ্যান**ঃ অনিৰুদ্ধদেৱ

(৫) **৫ম স্কন্ধ ভাগৱত**ঃ অনিৰুদ্ধদেৱ

(৬) **মুক্তি মংগল ঘোষা**ঃ নিত্যানন্দদেৱ

(৭) **মৎস চৰিত**ঃ নিত্যানন্দদেৱ

(৮) **শ্ৰীশ্ৰীহৰিৰামদেৱৰ গীত**ঃ হৰিৰামদেৱ

(৯) **শ্ৰীশ্ৰীনিত্যানন্দদেৱৰ গীত**ঃ নিত্যানন্দদেৱ

প্ৰকাশিত

(১) **অসম বুৰঞ্জী**ঃ (হৰকান্ত বৰুৱা সদৰ আমিন) সম্পাদনা সূৰ্য্যকুমাৰ ভূঞা, গুৱাহাটী, ১৯৩০ চন।

(২) **অসম বুৰঞ্জী**ঃ (কাশীনাথ তামুলীফুকন) সম্পাদনা সূৰ্য্যকুমাৰ ভূঞা (১ম সংকলন) সম্পাদনা প্ৰতাপ চৌধুৰী, গুৱাহাটী, ১৯৬৪ চন।

(৩) **সাতসৰি অসম বুৰঞ্জী**ঃ সম্পাদনা সূৰ্য্যকুমাৰ ভূঞা, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৬০ চন।

(৪) **আদি চৰিত**ঃ সম্পাদনা বি, দাস, গুৱাহাটী, ১৯২৪ চন।

(৫) **শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ চৰিত**ঃ চিদানন্দ গোস্বামী, মায়ামৰা হিতসাধিনী সভা, তিনিচুকীয়া, ১৯৩৩ চন।

(৬) **শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ গীত**ঃ সম্পাদনা সুশীল কুমাৰ গগৈ মায়ামৰা সনুসন্ধান আৰু প্ৰচাৰ সমিতি চাবুৱা, ১৯৮১ চন।

(৭) **শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত**ঃ সম্পাদনা যোগেশ্বৰ মহন্ত, ১৮৪৬ শক।

অমৌলিক

অপ্ৰকাশিত অসমীয়া

মহাপুৰুষ অনিৰুদ্ধদেৱৰ বাণীঃ শ্ৰীমাধৱানন্দ গোস্বামী, ধলপুৰ।

প্ৰকাশিত

(১) **মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ**ঃ লক্ষ্মীনাথ বেজবৰুৱা, ১৯১৪ চন।

(২) **তুংখুঙীয়া বুৰঞ্জী**ঃ সূৰ্য্যকুমাৰ ভূঞা, ১৯৩২ চন গুৱাহাটী।

(৩) **অসম বুৰঞ্জী**ঃ সূৰ্য্যকুমাৰ ভূঞা, ১৯৪৫ চন, গুৱাহাটী।

(৪) **আসাম বুৰঞ্জী**ঃ গুণাভিৰাম বৰুৱা, ১৯০০ চন, গুৱাহাটী।

(৫) **শ্ৰীমন্ত শংকৰদেৱ কৃতি আৰু কৃতিত্ব**ঃ শিৱনাথ বৰ্মন, ১৯৮৬ গুৱাহাটী।

(৬) **শ্ৰীশ্ৰীশংকৰদেৱ**ঃ মহেশ্বৰ নেওগ, গুৱাহাটী, ১৯৮৭ চন।

(৭) **মায়ামৰা সত্ৰ সমাজ, ভাষণ আৰু প্ৰবন্ধ**ঃ সম্পাদনা শ্ৰীসুশীল কুমাৰ গগৈ, চাবুৱা, ১৯৮১ চন।

(৮) **মায়ামৰা সমাজ-সংস্কৃতিৰ ৰূপৰেখা**ঃ সম্পাদনা শ্ৰীলীলাম্বৰ দহোটীয়া, তিনিচুকীয়া, ১৯৯০ চন।

(৯) **গুৰু-শিষ্য**ঃ ১ম খণ্ড, শ্ৰীমাধৱানন্দ গোস্বামী, ধলপুৰ ১৯৮৫ চন।

(১০) **গুৰু-শিষ্য**ঃ ২য় খণ্ড, শ্ৰীমাধৱানন্দ গোস্বামী, ধলপুৰ, ১৯৮৬ চন।

(১১) **মায়ামৰা সম্প্ৰদায়**ঃ নোমল গগৈ, তিনিচুকীয়া, ১৯৮৯।

(১২) **স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ**ঃ ডঃ সূৰ্য্যকুমাৰ ভূঞা, গুৱাহাটী, ১৯৭৫।

(১৩) **সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা**ঃ শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী, মাজুলী, ১৯৮৪।

(১৪) **মৰাণ, মটক, মায়ামৰা**ঃ শ্ৰীকুমাৰ দহোটীয়া, ডুমডুমা, ডাওৰী।

(১৫) **অসমৰ বুৰঞ্জী** ঃ পদ্মনাথ গোহাঁঞিবৰুৱা, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭৬।

(১৬) **আতাপুৰুষৰ মুকুতা** ঃ শ্ৰীভূমিধৰ দাস, বৰপেটা।

(১৭) **শংকৰদেৱ-ভাগৱত** ঃ ভূমিধৰ দাস, বৰপেটা।

(১৮) **অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা** ঃ ডঃ হীৰেন গোহাই, গুৱাহাটী, ১৯৯০।

১৯) **মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ** ঃ সম্পাদক শ্ৰী মোহন চন্দ্ৰ মহন্ত আৰু ডঃ নবীন চন্দ্ৰ বৰদলৈ, যোৰহাট, ১৯৭৮

২০) **বৃহৎ তাই জাতি, আহোম বুৰঞ্জী** ঃ শ্ৰী ৰামেশ্বৰ বৰা, যোৰহাট, ১৯৮৫

২১) **অসম বুৰঞ্জী** ঃ শ্ৰী শৰৎকুমাৰ দত্ত, গুৱাহাটী, ১৯৩৮

২২) **বুৰঞ্জীৰ সঁফুৰা** ঃ বেণুধৰ শৰ্মা, গুৱাহাটী, ১৯৮৭ (পুৰ্ণ মূদ্ৰন)

২২) **বেলি মাৰ গ'ল** ঃ লীলা গগৈ, কলিকতা, ১৯৮৯ (দ্বিতীয় প্ৰকাশ)

ইংৰাজী

অমৌলিক

1) *The Eastern Frontier of India* : R. B. Pemberton, Delhi, 1979 (Reprint)

2) *The Background of Assamese Culture* : Rajmohan Nath, Gauhati, 1978 (Reprint)

3) *Assam and Neighbouring States, Historical documents* : N. N. Acharjyya, New Delhi, 1983.

4) *Assam District Gazetters, vol VIII Lakhimpur* : B. C. Allen, Calcutta, 1905

5) *An Account of Assam* : Francis Hamilton, Guwahati, 1963 (Reprint)

6). *Tai Ahom Religion and Customs* : Dr. Padmeswar Gogoi, Publication Board, Assam, 1976

7) *An Account of Assam* : Dr. John Peter Wade, edited by Benudhar Sarma. Guwahati, 1972 (Reprint)

8) *The Contribution of Shankardev Movement to the Culture and Civilization of Assam* : Dr. Maheswar Neog, Guwahati, 1988

9) *Jagatguru Shankardev* : Dimberwar Neog, Nowgong, 1963

10) *Srimad Bhagbavatam, Fourth Canto* : A. C. Bhaktivedanta. Iskcon, Berkely U.S.A.

11) do Fifth Canto.

12) *A history of Assam* : Sir Edward Gait, Guwahati, 1984 (Reprint)

13) *Social History of Kamrupa, vol II* : Nagendra Nath Vasu, New Delhi, 1983 (Reprint)

14) *The Mataks and their kingdom* : S. Dutta, Allahabad, 1985

15) *A cultural history of Assam* (*Early period*), *vol I* : B. K. Barua, Guwahati, 1969

16) *Descriptive Ethnology of Bengal* : E. T. Dalton. Delhi, 1973 (Reprint)

17) *Sankardeva and his times* : Dr. Maheswar Neog, Guwahati University, 1965

18) *A Descriptive Account of Assam* : W. Robinson, Delhi, 1975

19) *The Neo-Vaisnavite Movement and the Satra Institution of Assam* : Dr. S. N. Sarma, G. U. 1966